# উনৈশ শ উনাশী

STATE CENTRAL LIBRARY
ASSAM

মথুৰা ডেকা

# Unaish Sha Unashi

Assamese Novel

by

**Mathura Deka**

গণ সাহিত্য প্ৰকাশ ভৱনৰ পৰা শ্ৰীমধুণ্ড মাধৱ বুদ্ধ

দ্বাৰা প্ৰকাশিত

মুদ্ৰণালয় : জ্যোতি প্ৰিণ্টাৰ্চ

বামুনীমৈদাম, গুৱাহাটী- ২১

গণ সাহিত্য প্ৰকাশ ভৱন

কৰৰা, কামৰূপ

মূল্য—

১৯৭৯ চনৰ ঘটনা প্ৰবাহৰ ওপৰত ভিত্তি কৰি লিখা "ঊনৈশ শ ঊনাশী" উপন্যাস। কোনো এটি আন্দোলন মুহুৰ্ত্তৰ ভিতৰত সৃষ্টি নহয়। জাতীয় আন্দোলন সমূহ গঢ়ি উঠে দীৰ্ঘ দিনীয়া সমস্যা নিৰ্য্যাতন নিপিড়নৰ ওপৰত। আন্দোলন সমূহ জন্ম হয় যি উদ্দেশ্যলৈ পিচত হৈ গৈ সুবিধাবাদী সকলে নিজ স্বাৰ্থ পূৰণৰ হেতু নানা কৌশল অবলম্বন কৰি আন্দোলনৰ স্বৰূপ বিকৃত কৰি বৃহত্তৰ আন্দোলনত চেঁচা পানী ঢালি শেষ কৰে।

দেশৰ স্বাধীনতা আন্দোলনৰ পৰা স্বাধীনতাৰ দীৰ্ঘ কাললৈ অসমৰ ওপৰত চলা ঔপনিবেশিক নিৰ্য্যাতনৰ কাহিনীবোৰৰ বৰ্ণনা কৰা হৈছে।

নিৰপেক্ষ ভাবে লিখনী আগবঢ়োৱা হৈছে যদিও কোনো কোনো ঘটনাত জাতীয় স্বাৰ্থৰ বাবে আঘাট হনা হলেও জাতিৰ স্বাৰ্থৰ বাবেই কৰা হ'ল।

আলোচনা সমালোচনাৰ সন্মুখীন হলে ভুল ত্ৰুতিবোৰ বুজিম।

ইতি—

মথুৰা ডেকা

বাপু। আজিও তই স্কুললৈ নগলি

,দেউতা। আমাৰ স্কুলত ষ্ট্ৰাইক হৈছে নহয়

,কিহৰ ষ্ট্ৰাইক অ'

,বিদেশী বহিষ্কাৰৰ ষ্ট্ৰাইক—

,তইঁতে ষ্ট্ৰাইক কৰিলে বিদেশী বহিষ্কাৰ হব নেকি? তইঁতক ষ্ট্ৰাইক কৰিবলৈ কোনে কৈছে—

'মাষ্টৰে কৈছে। আমাক ল'ৰা বোৰক যাবলৈ মানা কৰিছে। তুমি যে সেইদিনা ধমকি দি স্কুললৈ যাব কৈছিলা, আমি গৈছিলো নহয়। আমাক চাৰে নপঢ়ুৱালে। আমি ল'ৰাবোৰে তাতে খেলি আছিলোঁ। আকৌ পিচদিনা খন যাওঁতেও চাৰে কৈছে—"হেৰৌ, তইঁত কিয় আহিব লাগে, তইঁতক আহিবলৈ মনা কৰিছোঁ নহয়।" তুমিহে কোৱা যাবলৈ! আমি গলেও যে নপঢ়ুৱাই আমি কি কৰিম--।

,বাৰু মাষ্টৰে নপঢ়ুৱাওক তইঁত গৈ থাকিবি—।

,মাষ্টৰে আমি গলে বেয়া পায় নহয়—।

,মাষ্টৰ জন কৰ—?

,চাৰি আলিৰ—।

,মাষ্টৰ সদায় আহে নে নাহে—

,কেতিয়াবা আহে কেতিয়াবা নাহে। আমাক কৈছে, গোটেই দেশৰ ছাত্ৰবোৰে যোগে ষ্ট্ৰাইক কৰিছে, গতিকে আমাকো ষ্ট্ৰাইক কৰিবলৈ কৈছে। বিদেশীহত, গলে বোলে পঢ়ুৱাব।

,হেৰৌ, বিদেশী খেদিব লাগিলে আৰু কিবা কৰিব লাগিলে চৰকাৰ আছে। ল'ৰাবোৰে তাৰ বাবে মূৰ ঘমাইছে কিয়? ল ৰাবোৰে পঢ়িব লাগে। পঢ়ি-শুনি মানুহ হব লাগে। হয় চাকৰি কৰ, নহয় ব্যৱসায় কৰ, নহয় দেশ নেতাকে হোৱা। কিন্তু নপঢ়া-শুনাকৈ এই খন কৰিলে কাৰ অন্যায় হব। তইঁত স্কুলত নেযাবি, তইঁত মূৰ্খ হৈ থাকিবি, কাৰ কি লোকচান হ'ব? মাষ্টৰেও দৰমহা পাব, কৰ্মচাৰী

সকলেও দৰমহা পাব, বেপাৰীয়ে বেপাৰ কৰিয়ে লাভ কৰি থাকিব, লোকচান কাৰ হব। এবাৰ পঢ়িব এৰিলে আৰু পঢ়া হবনে? গ'ল গ'ল এই জাতি জহন্নামে গ'ল। প্ৰাইমাৰী স্কুলতো যেতিয়া ষ্ট্ৰাইক প্ৰচেচন হ'ল, দেশ আৰু কিবা থাকিল নে? কোনে কে ইহঁতক এইবোৰ বুদ্ধি সুমুৱাই দিলে? কলেজৰ ছাত্ৰই ষ্ট্ৰাইক কৰে কিবা কৰে দেখিবলৈ ভাল সিহঁত উপযুক্ত হৈ উঠিছে। সিহঁতে নিজৰ দেশৰ কথা চিন্তা কৰিবলৈ পৰা হৈছে, সিহঁত বুজা হৈছে। এই পাঠ শালাৰ ল'ৰাবোৰ সিহঁতৰ ওঠ টিপিলে এতিয়াও গাখীৰ ওলোৱাতে আছে, ইহঁতেও ষ্ট্ৰাইক কৰিব লগা হ'ল। যি ল'ৰাই আখৰ চিনি পোৱা নাই, বানান জনা নাই, শব্দৰ উচ্চাৰণ নাজানে বানান ধৰিলে কব নোৱাৰে, নেওঁতা খন সিহঁতৰ মুখস্থ অহা নাই, তেনেহলে এইবোৰ ল'ৰাৰ কি হব পাৰে? দেশ গ'ল। যা জহন্নামে যা। দেঁশখনতো গলেই, তহঁতো যা। আমি যুজি যুজি জেল খাটি, পুলিচৰ কোব খায় দেশৰ স্বাধীনতা আনিলোঁ। এতিয়া তহঁতে মজা খা, ইহঁত মৰিল লোভত, গাদীৰ লোভত। খালি ক্ষমতা, খালি ক্ষমতা। গোটেই খনে মন্ত্ৰী হয, এম এল এ, এমপিও সিহঁতৰ গা সুজুৰোৱা হ'ল। নিজৰ ঘৰখন কেনেকৈ পাতিব পাৰে, নিজৰ জী-জোঁৱাইক কেনেকৈ ৰাজসুখত ৰাখিব পাৰে তাৰে চিন্তা কৰোতে দেশ গোল্লাই গ'ল। আমাৰ হাডত ছাল লাগিল, সিহঁতৰ খক মাৰোতে। তিনিটা আখৰৰ স্বাধীন কিয় লাগিছিল যদি এই-খনে হয়। বাতৰি কাকত খন পঢ়িব নোৱাৰি, অ'ত জুই লাগিছে, তাত পুলিচে গুলিয়ালে, অমুকা ভঙা গ'ল, কি যে হ'ল দেশৰ গতি। দিল্লীৰ চৰকাৰো নাই ৰাজ্যৰ চৰকাৰো নাই। একেবাৰে অৰাজক হ'ল। এতিয়া দেশ কোনে চলাই চলাওক। খালি হক। ধীৰ সুস্থিৰ নাই, ৰাইজক এটা শান্তি দিব নোৱাৰিলে কাক মাৰি মাৰি। কোনে ৰজা হব পাৰে, তাৰে চেষ্টা। অকনমানো যদি দেশখনৰ

কথা ভাবিলেহেঁতেন, উস! বাপু তই স্কুলত যাবই লাগিব। মাষ্টৰে যদি দৰ্খাস্ত লয় তেনেহলে তোকো পঢ়ুৱাব লাগিব। ই কি কথা। ল'ৰাক নপঢ়ুৱাব আৰু দৰমহী লব। হব নোৱাৰে। কালি মযো যাম। দেখিম এবাৰ, জীৱনটোতো এনেকৈয়ে গ'ল, দেখা যাক। আৰু বহি নেথাকোঁ।

"বাপুক এইখন কি বলকিব ধৰিছে। এই ল'ৰাটোক তেতিয়াৰ পৰা এইবাৰ কি বকি আছে। সি কি বুজে, সি বা জানেই কি? বুঢ়া যিমানে হৈছে সিমানে অবুজ হৈ গৈছে। তাৰ চকু চলচলিয়া পৰিল দেখা নাই ন?

"হেৰৌ তই ক'ৰ পৰা মৰিব আহিলি? তোক কোনে মাতিছে? মই তাক গালি পাৰিছো নে বকিছো, তই ক'ত দেখিলি। মিছাকৈ যে তই জপিযাই পৰিছ। কিবা এটা কথা কলে তাই আগতে জাপ মাৰি পৰিবি। আগতে তেওঁৰ গাত হে যেন লাগে। "তাক বকা নাই, কাক বকিছা, তাৰ চকু কেইটা লৈ নোচোৱা কিয়? সি কেনে কান্দনী মৰা হৈ পৰিছে। হক নহ'ক তাক কিয় বলকিব লাগে, সি কি অপৰাধ কৰিলে। দেশৰ ল'ৰাহঁত স্কুললৈ যোৱা নাই আমাৰটোতহে লাগিছে। কাম নাই, কাজ নাই এবাৰ ইটোক ধৰিব এবাৰ সিটোক ধৰিব, দিনৰ দিন খালি ঘৰ খনত জুই জ্বলাই থাকিব—।

"হেৰৌ মই হে জ্বলালোঁ। তই হতশ্ৰীযাতী যি দিনাৰ পৰা এইখন ঘৰত সোমালি সেই দিন ধৰি ঘৰখনৰ শান্তি হেৰাল। আকৌ তয়ে মোক জুই জ্বলোৱাৰ কথা কব আহিছে। লাজ নেপাৱনে পহলি মুখলৈ আহি কাজিয়া কৰিবলৈ। তোৰ কাজিয়া কৰাৰ ইচ্ছা আছে যদি মাছ বজাৰলৈ যা তাতে ইচ্ছামতে গালা গালি কৰ, ইচ্ছামতে কাজিয়া কৰগৈ। ইয়াত কিয় মৰিব আহিছে—।

"মই হে কাজিয়া কৰিলোঁ। নিজে একো কৰা নাই। আহ

বাপু। এই হত[illegible] যোৱাৰ কামৰ পৰা আহ।
"অই বুঢ়ী! তোক মই বুঢ়ী বুলি বাট নেচাম দেই একে কে যে কঙাল ভাঙি দিম চিনা নাই। বেজি মুৱা মুখ খনেৰে অনবৰতে বাওধুনি থাকিবি। ৰাতি পুৱাৰ পৰা তাইৰ মুখ খন জাপ নেযায়। মৰিলেও এটা লেঠা গ'ল হেঁতেন।
"ওঁ মৰিলে ভোজ খাব পাবা। নমৰোতে খৰি খেৰ যোগাৰ কৰা ভোজ খাব পাবা আহ বাপু আহ ঘৰলৈ আহ।
চুপৰীয়া হ'ল। বুঢ়াক বোৱাৰীয়েকে গা ধোৱাৰ কথা কলে আৰু গা ধোৱাৰ পানী দিলে। 'মই ভাত নেখাওঁ, বুঢ়ীকে কেইপাত মাছ খুৱাই বল জোৰ কৰি তোল। তেতিয়া কাজিয়া পেচাল কৰাত বল জোৰ পাব। গোটেই বোৰে লগ লাগি গললৈ ঠেলি ঠেলি সুমাই দে। খাওক তায়ে খাওক-"।

বুঢ়া গৈ গাটো ধুই আহি বিচনা খনত পৰি থাকিল। বুঢ়াই নোখোৱা বাবে ঘৰ খনত এটা অশান্তিৰ সৃষ্টি হ'ল। বোৱাৰী গৈ কাবৌ মিনতি কৰিলে। ওঁহো! বুঢ়া ক'নো সন্মত নহ'ল। ডাঙৰ ল'ৰা আহিল শুনিলে বুঢ়াই ভাত নেখাই বিছনাত শুই আছে। খৰৰা খৰৰি কৰিলে, পিতাকক কোনোৱে কিবা কৈছে নেকি? নিশ্চয় কোনো আঘাত পাই ভাত খোৱা নাই, হয়'তো বোৱাৰীয়েকে কিবা কৈছিল কথা শুনা নাই, তাৰ বাবে খং ৰাগ কৰিছে। ডাঙৰ ল'ৰাই বুজি ললে। নিজে গা ধুই আহি পিতাকৰ ওচৰলৈ গ'ল।" "পিতা ভাত নোখোৱা বোলে, কিবা অসুখ পাতি হ'ল নেকি?" "অসুখ পাতি হোৱা নাই যা, তহঁতে খাগৈ, মোৰ মূৰ'টো বেয়া লাগিছে—"। "তেনেহ'লে ডাক্তৰৰ ওচৰত যাম নেকি? "সেইবোৰ একো হোৱা নাই অ'। মোৰ খং উঠিছিল তাৰ বাবে মূৰটো বেয়া লাগি আছে। গধূলি কৈ খাম যা। তহঁতে খা গৈ। ঘৰ খনৰ বাকী কোনেও নেজানে বুঢ়াৰ খং কিয় উঠিল। ডাঙৰ পুতেকে ভয় ভয় কৈ

অনুসন্ধান করি শেষত বাপুৰ পৰা জানিব পাৰিলে, আইতাকৰ লগত কাজিয়া লাগিছে। বাপুৰ কলে মই স্কুললৈ নোযোৱা কাৰণে মোক দেউতাই বকিছে আৰু কিবা কিবি কথা বোৰ কে আছে, তাকে আয়ে শুনি দেউতাক বকিছে দুয়োৰো মাজত কাজিয়া লাগিছে—।"

পুতেকে কথাবোৰ জানি এগিলাচ গাখীৰ আনি পিতাকক খাবলৈ দিলে। পিতাকে ক'লে— 'তহঁতে কথা কলে শুগুন। মই কৈছো নহয় মোৰ মূৰটো বেয়া লাগিছে।' 'পিতা তুমি একোকে নেখালে আমি কেনেকৈ খাওঁ। ঘৰখনৰ মূৰব্বী তুমি। তোমাক এৰি আমি খোৱাতো উচিত নহয়। 'বাৰু, দে'' এই বুলি গাখীৰ গিলাছ খালে। সিদিনা সন্ধিয়া পৰত আনদিনতকৈ সোনকালে বন্ধা বঢ়া হ'ল। বুঢ়াই সন্ধিয়াই ভাত খালে ঘৰখনত শান্তি আহিল।

ৰাতিটো গ'ল। পিচদিনা ৰাতি পুৱাই জলপান পাতি খায় বুঢ়াই নাতিক কলে "বাপু। চোলা পিন্ধ। কিতাপ পত্ৰ লৈ স্কুললৈ বল মেয়ো যাও। চাও, মাষ্টৰে তহঁতক পঢ়ুৱাই নে নপঢ়ুৱাই।" বুঢ়াই নাতিলৰাক লগত লৈ স্কুল পালেগৈ। তেতিয়ালৈ মাষ্টৰ অহা নাই। বাহিৰৰ বননিত বুঢ়া বহিল। নাতিয়েক ইফালে সিফালে ঘূৰি ফুৰিল। বহু দেৰী অপেক্ষা কৰিলে। এচৰতো কোনো মানুহ নাই। বুঢ়াই শিক্ষক নহালৈকে বাট চাব। 'আন দিনাখন শিক্ষক যোৱা পৰলৈ অপেক্ষা কৰিছে। যদি শিক্ষক নাহে গাঁৱৰ গাঁওবুঢ়া-হতৰ এচৰলৈ গৈ সাক্ষীবাদী ঠিক কৰি আহিব। ই তামচাৰ কথা নহয়। দৰ্মহা খাব আৰু স্কুলত নাহিব।' আন দিনা স্কুল ছুটী হও হও সময়ত মাষ্টৰ আহি স্কুলত ওলাল। বাইচাইকেলৰ পৰা নামি, স্কুলৰ ভিতৰ সোমাল। বুঢ়া বহাৰ পৰা উঠি গৈ শিক্ষকক জপ ধৰি কলে 'বোপা তুমিয়ে এই স্কুলৰ শিক্ষক নেকি?"

"হয়।"

"তুমি ইমান দেৰীলৈ স্কুললৈ নহাটো ভাল হোৱা নাই নহয়—।

"স্কুলত ল'ৰাবোৰ নাহিলে মই আহি কি কৰিম।

"ল'ৰা নাহক। মাষ্টৰ যেতিয়া, তোমালোকে চাকৰি কৰিবা যেতিয়া সময়মতে আহিব লাগে। ল'ৰাবোৰ আহিলেও বোলে তোমালোকে নপঢ়ুৱা। কথাটো কি মই জানিবলৈ আহিছোঁ আৰু বোলে ল'ৰা বোৰক আহিবলৈ মানা কৰিছা।

"আমি শিক্ষক যেতিয়া ছাত্ৰ আহিলে নপঢ়ুৱাম কিয়? কলেজৰ ছাত্ৰ সমূহে আহিছে পঢ়ুৱাবলৈ মানা কৰিছে। আৰু কলেজৰ ছাত্ৰই আমাৰ ল'ৰা বোৰকো আহিবলৈ মানা কৰিছে—।

"কলেজৰ ছাত্ৰ ইয়ালৈ কিয় আহে। এইখনতো কলেজ নহয়। যদি সৰু সৰু ল'ৰা ছোৱালীবোৰক স্কুললৈ অহা বন্ধ কৰে কথাটো কেনে হ'ব? এই সৰু সৰু ল'ৰ বোৰক স্কুলত পঠিয়াওঁতে আমি অভিভাৱক সকলে কিমান কষ্ট কৰিব লাগে? সিহঁত স্কুলত অহাত কোনোমতে সন্মত নহয়। সিহঁতক নতুন চোলা পেণ্ট দিবই লাগিব, তাৰ উপৰিওতো আছে নতুন শ্লেট, কিতাপ। সিমানতো সিহঁত সন্তুষ্ট নহয়, সিহঁতক লজেন্স খাবলৈ পাইচা লাগে স্কুলত আহিবলৈ সজাই পৰাই উলিয়ালে অহাৰ আপত্তি কৰি কন্দা কটাত লাগি যায়। সিহঁতক স্কুলত পঠিওৱাৰ বাবে কেতিয়াবা খঙতে মাক পিতাকে মাৰে। মুঠতে সৰু ল'ৰা স্কুলত পঠিওৱা এটি ডাঙৰ কথা। আকৌ স্কুললৈ অাহো বুলি বাটত কৰবাত বগৰী আদি বুটলি বহি থাকে। সিহঁতৰ লগত ঘৰৰ পৰা এজন গৈ থৈ আহিব লাগিব। কিমান কষ্ট ভবা চোন। আৰু এয়ে নহয়, সিহঁতৰ যি কোনো কথাতে খোহ লাগিলে স্কুললৈ নগা হয়। কিতাপ খনৰ পাত এটা চিৰিলেও লাগে লেঠা। আকৌ স্কুলত পৰীক্ষা হওক, কিবা পূজা পাৰ্বন হওক বা মেজিক খেলাই হওক, পইচা লাগে বুলি মাষ্টৰে কব হে পালে, সিহঁতে গৈ মাক পিতাকৰ কাণৰ পোক সৰকাই। মই বুজোঁ মাষ্টৰ। নিজৰ ল'ৰাক স্কুললৈ পঠিওৱাৰ বেলিকা

আৰু নাতিহঁতক স্কুললৈ পঠিয়াওঁতে মোৰ অভিজ্ঞতা যথেষ্ট হৈছে। এই ল'ৰা হঁতৰ স্কুল বন্ধ বুলি যেতিয়া শুনে সিহঁতৰ কি আনন্দ ইহঁত স্কুলত আহিব নেলাগিলে বৰ ভাল পায়। এইখিনি যত্ন নোলোৱাৰ বাবে আমাৰ গাঁৱৰ ল'ৰাহঁত পঢ়াৰ পৰা আতৰি পৰিছে। সকলোৰে আকৌ ল'ৰাৰ জোগাৰ ধৰাৰ যুক্তি সমূহো নেথাকে নহয়। আকৌ কোনো ঘৰৰ ল'ৰাৰ লগত খতি হবলৈও আহৰি মানুহ নাই নহয়। বুজিছা মাষ্টৰ! এইখিনি যত্ন নোলোৱাৰ বাবে আজি স্বাধীনতাৰ বত্ৰিশ বছৰ পিছতো শতকৰা মাত্ৰ তেত্ৰিশ জনহে শিক্ষিত। দুখ লগা কথা নহয় নে? আমি হাৰাপ্পা, মহেঞ্জদাৰো, বেদ, উপনিষদ, ৰামায়ণ, মহাভাৰতৰ কথা কৈ আমাৰ দেশৰ গৌৰৱ কৰিব যাওঁতে যদি কোনোৱে সোধে তোমাৰ দেশৰ শিক্ষিত লোক কিমান? কি কবা। মুখ কোচ খাই নেযাবনে কোৱা? এইটো বৰ বেয়া কথা হৈছে। পাঠশালাৰ ল'ৰাৰ বাবে ষ্ট্ৰাইক, হৰতাল বৰ পৰিতাপৰ কথা হৈছে। যি ল'ৰাক স্কুলত পঠিয়াব নোৱাৰি আকৌ যদি এইখনে পাই ল'ৰা আৰু পঢ়াতে থাকিবনে? এইবোৰ ভুল কথা। মাষ্টৰ! হৰতালবোৰ যে হয় মেডিকেল, ফাৰ্মাচী, পানী, বিজুলী, ডাক-তাঁৰ কিয় খোলা ৰাখে জানানে? এইবোৰ নহলে নচলে। ঠিক প্ৰাইমেৰী স্কুলো তেনে বুলি ভাবিব লাগিব। আন্দোলন হওক; ধৰ্ম ব্যৱস্থাত হওক প্ৰায় কথাত শিশুক আগস্থান দিয়া হয়। যদি এইটো আমি ভুল কৰো তেনেহলে আমাৰ দেশৰ ভৱিষ্যত বংশধৰ সকলৰ প্ৰতি অন্যায় কৰা হব। দেশ পিচুৱাই যাব। সিহঁতে বুজে কি কোৱাছোন? সিহঁত বুজিবৰ হোৱা নাই। সিহঁতৰ অঙ্গ প্ৰত্যঙ্গ, মগজু একোৱে পুৰঠ হোৱা নাই। সিহঁতে বুজিব কি? বং তামাচা, খেল ধেমালিৰ মাজতে আছে। সিহঁতে শত্ৰু মিত্ৰ একো চিনি নেপায়, ভাল-বেয়া একো নাজানে।

শিশুক যে পবিত্ৰ বোলে এই কাৰণে। ইহঁতৰ স্বাৰ্থ, হিংসা,

কপটতা একো নাই। গতিকে এইবোৰ ল'ৰা-ছোৱালীৰ লগত লৈ আন্দোলন কৰিব যোৱাটো কেনে অন্যায় হৈছে চোৱাচোন ?

"মই বুজিছোঁ। সেই কাৰণে মই স্কুললৈ আহি আছোঁ। এতিয়া ল'ৰাইত নাহিলে মই কাক পঢ়ুৱাম। আৰু চাওক ল'ৰা ইঁতক পঢ়ুৱাবলৈ ওলালে ডাঙৰ ডাঙৰ ল'ৰাবোৰ আহে আৰু মোক নানা কথা কয়। ল'ৰাবোৰক স্কুলৰ পৰা উলিয়াই লৈ যায়, মই কি কৰিম কওকচোন ?

"তোমাক মই দোষ দিয়া নাই। ল'ৰাইঁতক মই স্কুললৈ লৈ আহিম বুজিছা। কোন কলেজৰ ল'ৰা আহে চাম বাৰু, তুমি পঢ়ুৱাবা। মই কলেজৰ ল'ৰা ইঁতক কথাবোৰ বুজাই দিম। এনে অৰাজকতা হব নোৱাৰিব। বুজিছা মাষ্টৰ। এইবোৰ আন্দোলন কৰিলে বহু কথা চিন্তা কৰি আগবাঢ়িব লাগিব, নহলে আন্দোলন বিফল হব। বাৰু যাও, তুমি কাইলৈৰ পৰা ঠিকমতে আহিবা। ময়ো বাৰু কিমান ল'ৰা আনিব পাৰোঁ চাও।

মাষ্টৰে বাটতে কলেজৰ ছাত্ৰ সকলক লগ পাই বুঢ়াৰ কথা ক'লে। বুঢ়াই যে মাষ্টৰক ল'ৰাবোৰক পঢ়ুৱাব জোৰ কৰিছে বুজাই ক'লে। ছাত্ৰ সকলে মাষ্টৰৰ মুখেৰে কথাবোৰ শুনি ৰ নকৰি বুঢ়াক আগ-চিবলৈ দৌৰা-দৌৰি কৰি আহিল। ছাত্ৰ সকলে বুঢ়াক এনেভাৱে আগুৰি ধৰিলে আৰু মাষ্টৰক অপদস্ত কৰাৰ কৈফিয়ৎ বিচাৰিলে। ছাত্ৰ সকলে আগচি ধৰাত বুঢ়া অধৈৰ্য্য হৈ কৈ উঠিল, মই মোৰ ল'ৰাক পঢ়ুৱাম তোমালোকে কি কৰিব পাৰিবা। মাষ্টৰক দৰমহা লোৱা বন্ধ কৰা, তেতিয়াহে ঘটনাৰ গুৰি ক'ত বুজিম। অকল ল'ৰাক নপঢ়ুৱাব আৰু বিনা খাটনিৰ দৰমহা লৈ থাকিব। ই কেনে কথা হে ? ই কোন দেশৰ আন্দোলন মোক বুজাই দিয়া চোন ! ছাত্ৰই নপঢ়িলে এটা আন্দোলন হয় নেকি ? ছাত্ৰই নপঢ়িলে কাৰ লোকচান হব কোৱাচোন। তোমালোকৰ মাৰা পিতাৰাই বান্ধি বাটি খুৱাইছে,

সাজ পোচাক দিছে স্কুল কলেজৰ সকলো খৰছ বহন কৰিছে, তেনেস্থলত তোমালোক নপঢি মাৰা পিতাৰাক প্ৰৱঞ্চনা কৰা নাই নে? কোৱাচোন স্কুল কলেজ যি দাৰ এৰিছা ঘৰত খাব লগও এৰাগোন, ঘৰৰ কানি কাপোৰো নলবা তেতিয়া এটা কথা বুলি গণ্য হব। স্কুল কলেজ নাই, মাৰা পিতাৰাক ঘৰৰ কামতটো সহায় কৰিব পাৰা। মাৰা পিতাৰাৰ হোটেলত খাইছা, যি লাগে পইচা আনিছা কিহৰ বাবে, পঢ়াৰ বাবে নহয় নে? মাৰা পিতাৰাই তোমালোকক পঢ়ুৱাবৰ বাবে কিমান ধৰণে পৰিশ্ৰম কৰি ধন আৰ্জিছে চিন্তা কৰিছানে? যদি তোমালোকে নপঢা, পৰীক্ষা নিদিয়া সমস্ত টকা পইচা অথলে নগল নে? টকা পইচা ক'ৰ পৰা আহে, তোমালোকক এই খৰছ যোগান দিয়াৰ বাবে কিমান কষ্ট খাই আছে জানানে'' ?

"আমি পঢি কি কৰিম? চাকৰি পাবলৈ নাই, গোটেই ৰাজ্য বিদেশীয়ে ভৰি পৰিছে আপুনি খবৰ পাইছে নে নাই? দেখিছে নে নাই। ক'তো চাকৰি নাই, কতো খেতি কৰিবলৈ মাটি নাই তেনেহলে পঢ়াৰ আৱশ্যক কি? কওক।

"পিতাৰা মাৰাৰ লগত চুক্তি নকৰিলা কিয? কলেজত নাম লিখাৰ আগতে মাৰা পিতাৰাক এই কথা কোৱা হলে ইমান বোৰ টকা খৰছ নকৰিলেহেঁতেন। চাকৰি কৰাৰ বাবেহে পঢা-শুনা কৰেনে? তাৰ মানে তোমালোকৰ পঢ়াৰ উদ্দেশ্য চাকৰি কৰাই নহয় জানো? মাটি নিদিলে খেতি কৰিবা ভাল হহুৱালা দিয়া। কলেজত পঢা ল'ৰা কেইজনে ঘৰৰ গৰু কেইটা চৰোৱা কাম কৰেনে? এই আঘোণ মাহ গ'ল কেইজন ল'ৰাই পিতাৰা-ইতক ধান কটাত সহায় কৰিছাহে। খালি আন্দোলন আন্দোলন কৰি ঘূৰি ফুৰিছা আৰু কিবা কৰিছা নেকি?

"ঘৰত মানুহ আছে কাম কৰাৰ কাৰণে আমাৰ আৱশ্যক

নাই, সেই বাবে আমি ঘূৰিছোঁ।

"মানুহৰ আৱশ্যক নাই আঘোণ মাহত, পিতাৰাইত লাল-কাল দিছে, পৰিশ্ৰম কৰি কৰি ভাগৰি পৰিছে আৰু তোমালোক কোৱা মানুহৰ আৱশ্যক নাই বুলি। কাৰ আগত কোৱাহে? মই কি আন্দোলন কৰা নাছিলোঁ যে মই জেলত যোৱা নাছিলোঁ। দেশৰ স্বাধীনতা আন্দোলনত যুঁজি যুঁজি সৰ্বস্বান্ত হ'লো, মোৰ ল'ৰা শেষ হ'ল, এতিয়া নাতি ল'ৰাও শেষ হ'ল। সেই বাবে মই নিজে ওলাইছোঁ, আৰু শেষ হব নিদিওঁ। যি হৰ হ'ল পোণাইতক নষ্ট হবলৈ নিদিওঁ, সিইতক পঢ়ুৱাম। এই একেবাৰে দৃঢ় প্ৰতিজ্ঞা।

"ক'ত পঢ়ুৱাব, স্কুল কলেজ বন্ধ কৰি দিছোঁ। কোনো ছাত্ৰ স্কুল কলেজত যাব নোৱাৰে। সবাবাৰ বন্ধ কৰি দিছোঁ। আপুনি গাৰ বালৰে ক'ত পঢ়ুৱাই পঢ়ুৱাওক গৈ।

"তেৰা বাপুইত প্ৰাইমেৰী স্কুল বন্ধ কাৰছা ভাল কৰিছা নে?

"ভাল বুলিয়ে কৰিছোঁ। নেলাগে আমাক স্কুল কলেজ। নপঢ়া। আগতে আমাৰ উদ্দেশ্য সিদ্ধি হওক তাৰ পিছত—।

"অঁ, বেচ কথা কলা। কলেজত পঢ়িছা নহয়, কথা কব শিকিছা। আন্দোলন বন্ধ হওক তাৰ পিছত পঢ়িবা নে? বুঢ়া হালোৱাৰ পিছত এচাৰি লৈ ঘূৰিবা কোৱাচোন। তোমালোক আৰু পঢ়াত নাই, তোমালোকৰ আৰু পঢ়া নহয়। মনত ৰাখিবা। যি স্কুল কলেজৰ মুখ দেখিলা এয়ে শেষ। মনত ৰাখিবা, মযো এণ্ট্ৰেঞ্চ পৰীক্ষাত বহিব এৰি জেললৈ গ'লো। ল'ৰায়ো আই এ. পৰীক্ষা দিব এৰি জেলত সোমাল। আন্দোলনৰ পিচত পঢ়িবা। সপোন দেখিছা। সি সপোন হৈয়ে থাকিব। যেতিয়া বয়স যাব তেতিয়া এই বুঢ়ালৈ মনত পৰিব। বুঢ়াই কি কথা কৈছিল তেতিয়াহে আখৰে আখৰে মনত পৰিব। তেতিয়া অন্তৰ দহি দহি পুৰিব মনত ৰাখিবা। বিদেশী খেদিলে চাকৰি ক'ত পাবা কোৱাচোন? কোনজন বিদেশী যোৱাত আছে কোৱাচোন?

"ৰেল, জাহাজ, বেংক, ৰিফাইনেৰী, চাহ বাগিছা এইবোৰত দেখোঁ বিদেশী ভৰ্ত্তি হৈ আছে। এইবোৰ গলে আমাৰ নিবনুৱাবোৰে চাকৰি নেপাবনে ?"

"চাহ বাগিছাত মেনেজাৰ হবা নে পাত টোঙা কুলি হবা কোৱাচোন ? প্ৰত্যেকেইতো মেনেজাৰ হবাক বিচাৰিবা। পাত টোঙা হবানে ? এইবোৰ মানুহ কেনেকৈ খেদিবা ? গাৰ বলেৰে, নে স্কুল কলেজত ষ্ট্ৰাইক কৰি, অফিছে অফিছে পিকেটিং কৰি। এইবোৰ মানুহ কেনেকৈ আহিল জানানে ? যেতিয়া অসমত শিক্ষিত মানুহ নাছিল, যেতিয়া বনুৱা কামলৈ কোনো আগবাঢ়ি নগৈছিল, যেতিয়া অসমীয়া মানুহ চাকৰি কৰিবলৈ উপযুক্ত হোৱা নাছিল তেতিয়াই বৃটিছ চাহাব সকলে অসমৰ বাহিৰৰ পৰা ভাৰতৰ বিভিন্ন ঠাইৰ পৰা আমদানী কৰি আনিছিল। যি জংগলৰ মাজত, বাঘ ঘোঙৰ মাজত এইবোৰ মানুহে দিন কটাইছিল কি বুজিবা ? আমাৰ মানুহে তেনে দুখময় জীৱনৰ কথা শুনিলে হাত ভৰি কোঁচাইছিল। অসমীয়া ডেকা শিক্ষিত হৈ আছে চাকৰিত সোমাই আছে। একে দিনে যদি এইবোৰ মানুহ যায় তেতিয়া ইমান খিনি শিক্ষিত মানুহ এক লগে ওলাবনে কোৱাচোন ? এই নেপালী, মৈমনচিঙিয়া বোৰক কোনে প্ৰশ্ৰয় দিলে ? আমাৰ অসমীয়া যি সকলে চাহাববোৰক খাটনি ধৰি, চেলাম দি বৃটিছ সিংহৰ পৰম আয়ুস হওক বুলি আশীৰ্বাদ দিছিল, যি সকল লোকে বৃটিছ প্ৰভুৰ দাস হিচাপে চলিছিল, সেই সকলে ভুৱা তামৰ ফলি বনাই খুজি মাগি অসমৰ হাবি বননিবোৰ লৈ জমিদাৰ হৈছিল, দলৈগিৰি কৰিছিল, সত্ৰৰ বৰ ভকত হৈ, মহা মহা অধ্যাপক হৈ ব্ৰহ্মোত্তৰ হিচাপে মাটি লৈছিল। সেই মাটিবোৰতে মৈমনচিঙিয়া, নেপালী, বিহাৰী, বঙালীক বহুৱাই সিহঁতৰ ওপৰত তাৰুণ মাৰি খাই খাই আজি অসমৰ এই অৱস্থা কৰিলে বুজিছা। এইবোৰ মানুহ এতিয়া ভাৰতীয় নাগৰিক। এওঁলোক যা বুলিলে

নেযায়। তেওঁলোকৰো অধিকাৰ আছে। তোমালোকে যি অধিকাৰ পাইছা সেই একে অধিকাৰক তেওঁলোকেও পাইছে। তেওঁলোকৰ গাৰ নোম লকুৱাব নোৱাৰা। মিছাকৈ বিদেশী খেদা, বিদেশী খেদা কথা কৈ থাকিলে কি হব ? তোমালোকৰ জীৱনবোৰ শেষ হব, পঢ়া শুনা শেষ হব, পিতাৰা মাৰাৰ সাঁচতীয়া ধনখিনি শেষ হব আৰু কি হব ?"

"যি বোৰ বিদেশী মানুহে নাগৰিকত্ব পোৱা নাই অথচ টিঘিল-ঘিলাই আছে সেইবোৰক হে খেদিবলৈ বিচাৰিছোঁ। সেই বিদেশী-বোৰ যাবই লাগিব নহলে আমি নেৰোঁ।

"আপোনাৰ কথা আমি নুশুনোঁ। পুৰণিকলীয়া ধতত আছে। আপুনি বুঢ়া হ'ল, আজিৰ ডেকা শক্তিৰ জাগৰণ আপুনি বুজা নাই। গোটেই দেশকমা আজি জাগ্ৰত। একৈশ চনৰ আন্দোলন, বিয়াল্লিশৰ আন্দোলন, সকলো চেৰ পৰি গৈছে। আমাৰ এই আন্দোলনৰ আগত। এনে এজন মানুহ নাই, এনে এজন কৰ্ম্মচাৰী নাই, এনে এগৰাকী মহিলা নাই, এনে এজন ছাত্ৰ নাই যিয়ে এই আন্দোলনত অংশ গ্ৰহন কৰা নাই। আপুনি বুঢ়া হৈছে প্ৰমাদ নগণিব। নহলে অপমান পাব—।

" জয় আই অসম, জয় আই অসম" ।। এই যুঁজ চলিছে চলিব, ইনক্লাব জিন্দাবাদ ।। সকলো কেজনে ধ্বনি কৰে ।

" কি কলা, অপমান দিবা মোক। অপমান দিবা। এই দেবীৰামে অপমানক ভয় নকৰে। মৰণক ভয় নকৰে। কোনো শক্তিৰ ওচৰত পৰাজয় স্বীকাৰ নকৰে। লাজ নোপোৱা, তোমালোকে মোক অপমান কৰাৰ কথা কবলৈ। ইমানে সাহস। এয়া হ'ল শিক্ষা। এনেকৈ দেশ উদ্ধাৰ কৰিব বিছাৰিছা। আচ্ছা, মই দেখুৱাম কোনে মোৰ ল'ৰাক বন্ধ কৰে। অসমত নহয় বেংগলত পঢ়ুৱাম। সেইবুলি হাৰ নেমানোঁ। মোৰ নাতি ল'ৰাৰ বয়সৰ

হৈ আজি ইহঁতৰ ইমানে কথাৰ কোব ।”

দেবীৰাম বৰুৱাই নাতিয়েকক লৈ ঘৰলৈ আহি থাকিল। গোটেই খন বাটত অকলে অকলে বকি আহি থাকিল। “আজি চৰকাৰ নাই। খকুৱাহঁতে ক্ষমতাৰ লোভত নিজক নিজে কাজিযা কৰি দেশে, ৰাজ্যই চৰকাৰ নোহোৱা কৰিলে। আজি গোটেই দেশ অৰাজক। নাই মন্ত্ৰী সভা, নাই অফিচ কাছাৰী, নাই স্কুল কলেজ একেবাৰে অৰাজক। বাছ হনত যাব নোৱোৰি, তলে ওপৰে পান জপাৰ নিচিনাকৈ মানুহ জাপি নিয়া হল, বজাৰলৈ যাব নোৱাৰি যাব মুখত ঘিয়ে ওলাই সেযে হ’ল বস্তুৰ দৰ, হাট-বজাৰ নোহোৱা হ’ল, বেপাৰ বনিজ নোহোৱা হ’ল, জী-বোৱাৰী হঁতে পিকেটিঙৰ নামত বাটে-পথে টিঘিল-ঘিলাই ফুৰা হল। যি খন দেশত পুলিছে ধৰ্মঘট কৰে সেই দেশ আৰু আছে নে? ভক্ত নেহৰু আজি আৰু নাই, প্ৰজাতন্ত্ৰৰ ৰূপ দি সংবিধান কৰিলে, প্ৰজাতন্ত্ৰৰ নামত ঢাক ঢোল বজাই ভৰাল উদং কৰিলে। নিজে লাস বিলাসত থাকি আভিজাত্যৰ মাধ্যমেৰে দিল্লীৰ পৰা বক্তৃতা আৰম্ভ কৰিল প্ৰজাতন্ত্ৰৰ। গৰাৱ ৰাইজৰ দুখ মোচন কৰিবলৈ লাগিল বক্তৃতাৰ ফুলজাৰী। নিজৰ দেশৰ কথা এৰি এৰে বাৰে পঞ্চশীলৰ নীতিত গোটেই বিশ্বৰে বৰেণ্য নেতা হব গ’ল, ভাৰত ভুমিত পা নোজোৰাই হল। ভাৰতত নেতা হলে যেন পেটলৈ ভাত হে নেযায় নিজে মৰি গ’ল, জীয়েকক ৰাজপাট দি। এতিয়া কেনেকৈ বাচ বাছ। কোনে যুজিলে, কোন মৰিল তাৰ খবৰ নাই, ওপৰে ওপৰে হৈ পৰিল এৰ ৰৰ নেতা। যিবোৰে ইংৰাজ চাহাবৰ ভৰি চেলেকি আছিল, আমাক ধৰাই ধৰাই নিছিল সিহঁতে হ’ল দেশ নেতা। হবই, কিয় নহব, নিজে ক্ষমতাৰ আশাত গান্ধীৰ কথা এৰাৰ নেৰাখিলে, সিহঁতে কি দেশৰ কথা ভাবিব পাৰে’।

এনেভাবে ভোৰ ভোৰাই আহি ঘৰ পালেহি। কাপোৰ কানি সলাই নিজৰ বিচনা খনত বাগৰ দি বিশ্ৰাম ললে। নাতিযেক বাপুয়ে মাকক কলে আজি দেউতাক ল'ৰাবোৰে আগুৰি ধৰি মাৰিব ওলাইছিল। ল'ৰাবোৰে নানা তৰ্জন গৰ্জন কৰিছে। দেউতাই লাঠি জোকাৰি তাৰ পৰা ওলাই আহিল। মোৰ বৰ ভয় লাগিছিল। গোটেই বাটটো ভোৰ ভোৰাই বকি আহিছে। আজি দেউতাৰ কিবা হৈছে। বিচনাত গৈ শুই আছে এই দুপৰীয়াতে। মাকে গৈ দেউতাকক বিচনাত চাই আহিল। মাকে বাপুৰ কথা মানি ললে। কিছু দেৰী পিছত বিচনাৰ পৰা উঠি গা পা ধুই ভাত খালে। ইতিমধ্যে পুতাকেও আহি খাই বৈ উঠিলত পিতাকে মাতি আনি কলে, বাপ আমাৰ পৰিয়ালত আৰু শিক্ষিত লোক নোলাব। শিক্ষাৰ পৰা গোটেই পৰিয়ালটোৱে বঞ্চিত হলো। প্ৰতিটো আন্দোলনৰটো আহি আমাৰ ঘৰতে লাগেহি। মোৰ জীৱন টো শেষ হ'ল উনৈশ শ একৈশ চনৰ বিদেশী বৰ্জন আন্দোলনত। তেতিয়া মই এণ্ট্ৰেন্স পৰীক্ষা দিব লাগে, পৰীক্ষা দিব এৰি আন্দোলনত নামিলোঁ। স্কুলৰ পৰা বহিস্কাৰ হলো, হেডমাষ্টৰে মোক মাতি নি বুজালে দেৱীৰাম তোমাৰ ওপৰত এইবেলি স্কুলৰ সন্মান নিভৰ কৰিছে। ভাল ভাবে পৰীক্ষা টো দি আজৰি হোৱা। আন্দোলন কৰিবলৈ গোটেই জীৱন জুৰি সময় আছে। প্ৰথম পঢ়া-শুনা লাগে। পঢ়ি শুনি ভাল শিক্ষিত হৈ লোৱা তাৰ পিচত আন্দোলনৰ নেতৃত্ব কৰিব পাৰিবা। তুমি পৰীক্ষাত বহিলেই হ'ল নকৈ কিতাপ চাব নেলাগে। স্কুলৰ সন্মান তোমাৰ পৰা আহিলে আমিও সুখ পাওঁ। আমাৰ শিক্ষক সকলৰ ছাত্ৰৰ উন্নতি চাই আনন্দ লভা এটা গৌৰৱ। তাতে আমাৰ গৌৰৱ আমি ছাত্ৰ সকলক শিক্ষা দিয়াত যে ঠিক মতে সফলতা লাভ কৰিছোঁ। জীৱনটো নষ্ট নকৰিবা। মোৰ কথা ৰাখা।

হেড মাষ্টৰৰ কোঠাৰ পৰা ওলাই অহাৰ লগে লগে ক্লাছ মাষ্টৰে মোক মাত দিলে। দেবীৰাম, তুমি পৰীক্ষা টো দিয়া। আন্দোলন গোটেই জীৱনতে পাবা। পৰীক্ষাৰ পিচত একচিতে লাগি যোৱা, আমাৰ কথা নাই। ইটো বেয়া কথা নহয়, দেশৰ স্বাধীনতাৰ আন্দোলন। তোমাৰ ওপৰাত স্কুল খন এই বেলি আশা কৰি আছে। মনটো চঞ্চল নকৰিবা। এইবেলি তোমালোকৰ শ্ৰেণীটোৰ কাৰণে আমাৰ শিক্ষক সকলে যথেষ্ট পৰিশ্ৰম কৰিছে। তুমি ক্লাচৰ ভিতৰতে প্ৰথম। তোমাক সপ্তম শ্ৰেণীৰ পৰা লগ পাই আহিছোঁ। তোমাৰ মেধাৱিৰে সকলোকে পৰাজিত কৰি আহিছা। ক্লাছ মাষ্টৰ হিচাপে মোৰ যশস্যা হয়।

তাৰ পৰা ওলাই মই হোষ্টেললৈ আহি আছোঁ। বাটত লগ পালে বিশ্বাস মাষ্টৰে। মোক মাত লগালে—“দেবীৰাম স্কুলৰ পৰা আহিলা’। ময়ো উত্তৰ দিলো “হয় চাৰ।” দেবীৰাম পৰীক্ষালৈ তো বেছি দিন নাই। ক্লাচো নাই। তুমি মোৰ ঘৰলৈ যাবা। ইংৰাজী প্ৰশ্নৰ কেইটিমান বচা বচা চাই আলোচনা কৰিম। ইংৰাজীত যদি ঠিক মতে উত্তৰ বোৰ কৰিব পাৰা তোমাৰ কোনো ভয় নাই। তোমালোকক যি যি প্ৰশ্নৰ উত্তৰ কৰিব লাগে সকলো বোৰ দিছোৱে, এতিয়া পুনৰ আলোচনা কৰিব পাৰিলে আৰু ভাল হয়। তেতিয়া কোনো শংকাই নেথাকে। এই আন্দোলন বোৰত নাযাবা। এইবোৰৰ পৰা আতৰি থাকিবা? তোমালোক ছাত্ৰ সকলৰ একমাত্ৰ লক্ষ্য অধ্যয়ন। অধ্যয়নৰ পিচত নিজৰ পথ নিজে নিজে নিৰ্বাচন কৰি লব পাৰিবা। আন্দোলনত নামি পৰিলে আৰু পঢ়া শুনা নহব। অসমত বিশেষ শিক্ষিত লোক নাই। অসহযোগ আন্দোলনৰ নেতাসকলে ছাত্ৰ সকলক বৰকৈ আহবান কৰি আছে, সেই বাবেহে মই তোমাক জোৰ দি কৈছো। পঢ়া কামটো ছাত্ৰ জীৱনৰ হে, পিচৰ জীৱনৰ নহয়। আন কাম সময় উলিয়াই কৰিব পাৰি কিন্তু

পঢ়া কামটো নহয় । সেয়েহে মই তোমাক কলো এই আন্দোলন ৰ বাহিৰ পৰা আঁতৰি থাকিবা মই আহিলোঁ”।

বিচনাত পৰি গোটেই নিশা ভাবি থাকিলো কি কৰিম । এফালে শিক্ষা গুৰুৰ কথা, আন পিনে দেশ নেতা সকলৰ আহবান। মোক বাৰে বাৰে কৈ আছে—“ছাত্র ভাই সকল, গোলামী শিক্ষা ত্যাগ কৰা । ইংৰাজ সকলৰ শাসন কাৰ্য্য চলোৱাৰ বাবে এই শিক্ষা। এই শিক্ষাৰ কোনো মূল্য নাই । আমি দেশবাসীয়ে ইংৰাজৰ গোলামী শাসন উঠাই দি দেশ পুনৰ স্বাধীন কৰিব লাগিব। দেশৰ স্বাধীনতা আন্দোলনত ছাত্র সকলে আগ ভাগ লৈ আন্দোলন টো শক্তি শালী কৰিবলৈ আহবান জনায়। ৰাতিপুৱাৰ লগে লগে কিছু-মান ভুলণ্টিয়াৰ আমাৰ বোৰ্ডিং লৈ সোমাই গৈ বোৰ্ডিং বাসী ছাত্র সকলক আহবান কৰিলে । বোৰ্ডিংৰ ভিতৰত বন্দে মাতৰম্ ধ্বনী উঠিল। মই শেষলৈ থাকিলোঁ । সকলো বোৰ ছাত্রই মোক জোৰ কৰিলে অৱশেষত আহিলোঁ । মানচেষ্টাৰ মিলৰ মাৰ্কা থকা সকলো বিদেশী কাপোৰ জুইত জাপি দিলো । ঘৰৰ পৰা নিয়া, হাতে বোৱা কিবা কিবি কাপোৰ আছিল তাকে পিন্ধিলো আৰু গাত ললো । আন্দোলনত ঘূৰি ফুৰিলোঁ। তাৰ কেইদিন মান পিছতে মোক পুলিচে গ্রেপ্তাৰ কৰিলে আৰু জেললৈ লৈ গ’ল । ছমাহ পিছত মই জেলৰ পৰা ওলালো । মোক স্কুল কতৃপক্ষই স্কুলৰ পৰা বৰ্খাস্ত কৰিছিলে, কিছুদিন অ’ত ত’ত ঘূৰি ফুৰিছিলো। কোনো কোনোৱে আকৌ পঢ়িবলৈ কলে । কিন্তু মই এবাৰ যেতিয়া গোলামী শিক্ষা গ্রহন নকৰো বুলি ওলাই আহিলো আৰু সেই কথালৈ মন নেখেলি নিজ স্বাধীন ব্যৱসায় কৰাৰ মন কৰি খেতিত নামি পৰিলো । মোক পিতাই মানা কৰিছিল কথা শুশুনিলো। ছাত্র জীৱণৰ শেষ পৰিল । সময়ে সময়ে শিক্ষক সকলে লগ পালে কয় “দেবীৰাম তুমি ভুল কৰিলা।” মই কিন্তু ভুলৰ বাবে অনুতপ্ত নহলো।

তাৰ পিচত তোৰ পাল পৰিল। বিয়াল্লিশৰ আন্দোলন আহিল। ছাত্ৰ সকলৰ লগত তয়ো জপিয়াই পৰিলি। তাৰ পিচত তোকো জেললৈ নিলে। মোকো ঘৰৰ পৰা জেলত নি ভৰাই থলে। জেলৰ পৰা মুক্তি পোৱাৰ পিচত তোক পুনৰ পঢ়িবলৈ কলো, তই নুশুনিলি, ময়ো জোৰ নকৰিলোঁ। তোৰ শিক্ষা জীৱনৰ তাতে সামৰণী পৰিল। মোৰ বহু আশা আছিল, তোক ডাক্তৰী পঢ়ুৱাই গাঁৱৰ ৰাইজৰ সেৱা কৰাম। স্বাধীন ভাবে থাকি জনসাধাৰণৰ সেৱা কৰিম সেয়ে মোৰ লক্ষ্য আছিল। তোৰ দোষ নাই, সকলো মোৰ দোষ। এই দুটা পুৰুষ আমাৰ গ'ল। সাধাৰণ ইতৰৰ দৰে খাই বৈ জীয়াই থাকিলোঁ। নিজৰো নহ'ল, আনৰো নহল বতাহত উৰা শিমলু তুলাৰ দৰে কোনো থিতাপি নহ'ল। মানৱ সমাজত সামাজিক বতাহ আহি থাকে আৰু সেই বতাহে সমাজৰ বিশেষকৈ ছাত্ৰ সকলক মোহাৰি থৈ যায এই সামাজিক বতাহ ছাত্ৰ যুৱকৰ গাত এনেভাৱে লাগে, ঠিক যৌৱন জোৱাৰৰ দৰে এই বতাহত স্থিৰ হৈ থাকিবলৈ অসমৰ্থ হৈ পৰে। এই সময়টোত লাগে শক্তিশালী অভিভাৱক। অভিভাৱক সকলে নিজৰ লৰাক খোৱাকী যোগান দিয়াত ব্যস্ত নেথাকি এনে বতাহ বোৰ নিৰীক্ষণ কৰাৰ প্ৰয়োজন বেছি। কোনে ৰকমৰ সামাজিক বতাহৰ ঢৌৱে চহৰৰ বা আভিজাত্য পৰিয়ালক স্পৰ্শ কৰিব নোৱাৰে। এনে বতাহবোৰে তেওঁলোকৰ চৌহদৰ পৰা বেৰত খুন্দা খাই উভতি আহে। সেয়েহে এই পৰিয়ালৰ লৰা ছোৱালী সদায় আগবাঢ়ি যায়, আৰু সমাজত শীৰ্ষস্থান অধিকাৰ কৰি লবলৈ যোগ্যতা অৰ্জন কৰে। যি ভুল কৰিলো কৰিলো, আৰুনকৰো বুলি সিদ্ধান্ত কৰি তোক মাতিলো। কণ বাপু, বাপুকণ আৰু বাপুক এই ঠাইৰ পৰা আতৰাই আন চহৰত য'ত এইবাৰ বতাহ নাই তালৈ ইহঁতক পঠিয়াই পঢ়াৰ ব্যৱস্থা কৰি দে। ইহঁতে যদি বংশ উদ্ধাৰ কৰে কৰক। তালৈ চেষ্টা কৰ।

"পিতা, বৰ্ত্তমানতো গোটেই অসম খনে অশান্ত। অশান্ত পৰিবেশ কেতিয়া শেষ হব তকো কব নোৱাৰি ভাৰতৰ প্ৰায় বোৰ চহৰ'ত ছাত্ৰ আন্দোলন চলিয়ে থাকে।

"অসমৰ যি পৰিবেশ তেনেতো নহয়। সাময়িক ভাৱ কৰবাত কেতিযাবা আৰম্ভ হয় আৰু সিও লগে লগে শেষ হয়। এনেভাৱে ক'তো হোৱা নাই নহয়যা সেইবোৰ ঠাইৰ অধিবাসী বিলাকে এনে-বোৰ কথা বুজি পায়। বাপুক কোনো মিচনাৰীত ভৰ্ত্তি কৰি দে। কণ বাপুক শান্তি নিকেটন বা আন কোনো ঠাইত পঠিয়াই দে। তাৰ পিচ'ত বাপুকণৰ ব্যৱস্থা কৰিব লাগিব। মূঠ'ত ইহঁতক পঢ়ুৱাব লাগিব যি খৰচ পাতি কৰিব লাগে সা সম্পত্তি বেচা কিনা কৰি হ'লেও কৰ।

বৰুৱানী আছিল ওচৰ'ত পিতাক পুতেকৰ মেল শুনি। বাপুকণক বাহিৰ'ল পঠোৱাৰ কথা শুনি তপৰাই মাত লগালে-বাপুকণক মই ক'লা যাব দিব নাৰাৰো। এই কণ মান ল'ৰাটো বাহিৰলৈ পঠাই দি মই কোন চিত্ত থাকিম। সেইটো হব নোৱাৰে। ঘৰখনত এটি ল'ৰা ছোৱালী বুলিবলৈ নাই, তাকো যদি পঠিয়াই দিও ঘৰখন মুদা হৈ নাযাব'ন। বোপা, তই পিতাৰৰ কথা নুশুনিবি। লাগে ঘৰতে মাষ্টৰ ৰখি পঢ়ুৱা। মই বাহিৰলৈ পঠিওৱাত মত দিব নোৱাৰোঁ।

"তোক কোনে মাতিছে। যি কানো কথা'ত মাত নিদিবি বুলি কৈছো নহয়।

"মাত দিব নেলাগে। মই এই ঘৰৰ কোনো নহয়? তোমাৰ কথাই কথা নেকি? মই নিদিও বুলিছো নহয় নিদিও।

"তেন্তে তো সৰ্ব্বনাশৰ মূল। কিবা এটা ভাৱ চিন্তি সিদ্ধান্ত কৰিম, তেওঁ আহি আগযে ওলাব, এই বোৰ তোৰ কথা নহয় নহয়।

"মোৰ কথা নহয় কাৰ ? বাপুকণ মোৰ নাতি নহয় কাৰ ? মই একো নেজানো, মই তিৰোতা মানুহ, এনেকৈ চলিলে সদায় নচলিব। মই কৈছো, মই তাক যাব নিদিও। আমি একোকে নেজানো, তেওঁ বৰ জানে ? জানি জানি কি কৰিলা কোন্না চোন। যি আৰু সেই।

"তাৰ বাবেই তো ভাবিছো। ইয়াত থাকিলে ইংৰাজী পঢ়া নহয়। আজিৰ দিনত যদি ল'ৰা ছোৱালী পঢ়ি শুনি আগবাঢ়িব নোৱাৰে, সকলো ক্ষেত্ৰতে পিচ পৰি যাব। দেখা নাই, কণ বাপু কালজ্বৰ পৰা আহি তাৰ দিন কত যায়, ৰাতি ক'ত পুৱাই সি নিজেই কব নোৱাৰে। বাপুৰো স্কুলত পঢ়া শুনা নচলে। গতিকে ভাল ভাৱে পঢ়া ঠাইলৈ ইহঁতক পঠিয়াই পঢ়ুৱাৰ কথা ভাবিছো। মই থাকোতে কেনেকৈ ইহঁতৰ পঢ়া শুনাত আগ বঢ়াব পাৰো তাকেই চিন্তা কৰিছো।

"কণ বপুক পঠিওৱা, বাপুকণক পঠিওৱা কিন্তু বাপুক হলে পঠিযাব নোৱাৰা। মই হলে তাক যাব দিব নোৱাৰো।

"তোৰ মৰমেৰে তাক এটা মূৰ্খ চিচাপেহে গঢ়িব পাৰিবি আৰু কি হব ? তাৰ প্ৰতি মোৰ মৰম নাই জানো, তোৰহে অকলে আছে নকি ? তাক যেনেকৈ মৰম কৰো তেনেকৈ পঢ়াই শুনাই মানুহ কৰি গঢ়ি তুলিব পাৰিলেহে মৰমৰ প্ৰকৃত স্বৰূপ ফুটি ওলাব।

"দিন যাব কেনেকৈ ? ইমান কণমান ল'ৰা এটাক কেনেকৈ পঠিযাব ওলাইছা। সি নেজানে, একোকে বুজি নেপায, তাক আকৌ কেনেকৈ পঠিয়াম। বাপা, তই এইবোৰ কথাত মন নিদিবি। পিতাৰ যিমানে বুঢ়া হৈ গৈছে সিমানে প্ৰকৃতি ধৰি গৈ আছে। তোৰ মাত চ'ল যা।

"হোৱা মোৰ কি প্ৰকৃতি ধৰিছে অ'। কথাই কথাই যে মোৰ প্ৰকৃতি লৰা বুলি কৱ, ক'ত কি পালি মোক নকৱ কিয় ?

মিছা মিছিকৈ কিয় বকি থাক। মানুহে কোৱা শুনিছ তাকে কৈ থাক। প্ৰকৃতি কাক বোলে আগে জানি লব তাৰ পিচত কবি। মূৰ্খ হৈ জনম ললি, কত চেষ্টা কৰিলো, এটা আখৰ চিনাব নোৱাৰিলোঁ, কত চেষ্টা কৰিলো চলন ফুৰণ ভাল কৰাৰ বাবে, একোকে শিক্ষা নললি এতিয়া নাতিযেৰ হঁতৰ মুৰ খাব ওলালি।

"মই হে মুৰ খালো। মোক হে মুৰ খোৱা বুলি ধৰিলা। ইমান কথা! তুমি বুঢ়াটো হৈ কণমান শিশুটোক কোনমতে খেদাব'ল ওলাইছা। অলপ ভাবি নোচোৱা কিয়। সি নজনা মুগুনা ল'ৰাটোক এতিয়া পঠিয়াব ওলাইছে খৃষ্টানহঁতৰ স্কুলত, তাক আৰু ফিৰাই পাবানে? তুমি নিজে আমাৰ বুকুৰ মাজৰ পৰা যমপুৰীলৈ পঠিয়াব বিচাৰিছা, আৰু মোকে কোৱা মুৰ খোৱা বুলি। ডাঙৰ বোপা জেলত গ'ল, কিমান কান্দিলো, কিমান কলো, যি শিলা মূৰ্ত্তিৰ দৰে বহি থাকিল, থাকিল এদিন খবৰ লবলৈ নগ'ল। ল'ৰাৰ কি হ'ল, কি নহ'ল এবাৰ খবৰ নকৰিলে। খালি মোৰ ওপৰত বৰ মতাটো হৈ ঘৰ খনৰ পৰা নোলাল। এতিয়া ওলাইছে পানী কেচুৱাটোক পঠিযাবলৈ। কিয় মই সেই বেলিায় কোৱা নাছিলো, ডাঙৰ বোপাক কোনো ভাল কলেজত নাম লিখি দিবলৈ? মন কৰিছিলা নে? বোলো আগৰ হাল যি পিনে যায় পিচৰ হাল সিপিনে যাবই। বাপেক পুতেকৰ জেলত যোৱা চখ। মোৰ কথা শুনিলেতো ডাঙৰ বোপা আজি কিবা এটা হ'ল হয়।

"মা! এৰা এইবোৰ কথা। আমি আলোচনা হে কৰিছো। এতিয়াও তো কোনো সিদ্ধান্ত কৰা নাই। "ডাঙৰ বোপা! আলোচনা নহয়। একেবাৰে সিদ্ধান্ত। ইহঁতক ইয়াৰ পৰা একেবাৰে পঠিয়াবই লাগিব। এইটো ভুল নকৰিবি। তিৰি মানুহৰ কথা শুনি গৃহস্থী চলাব নোৱাৰ। ইহঁত তিৰি তিৰিয়েই। ইহঁতৰ কোনো কাণ্ডজ্ঞান নাই। সিহঁতে একোকে বুজিব নোৱাৰে।

পুতেক তাৰ পৰা ওলাই গ'ল।

"বৰ বুজাটো ওলাইছে। বৰ মতাটো দেখুৱাই গৃহস্থী পাৰ্মী কৰিলে, এতিয়া লাগিল তিবিৰ গাত দায়। কিয লʼৰাহঁত যে জাকে জাকে জেলত যাব ধৰিছে, কিয় তুমিও এবাৰ গৈ কেইসাজ মান খাই নাহাগৈ কিয়? এতিয়া হʼল সেইবোৰত মন নাই। লʼৰা ইতক আগতে জেলত যোৱা পথ দেখুৱাই এতিয়া বৰ সাধু মহন্ত হৈ ঘৰৰ তিবি কেই জনীৰ ওপৰত বৰ মতা দেখুৱাব গৈছে। ঘৰত কাজিয়া কৰি থকাত কৈ ভালে যোৱা গৈ ঘৰখনে অলপ শান্তি পাব। ইয়াতে বাওধুনি থাকিব নালাগে। আনবোৰ জেলত গʼল বটা পালে, পেঞ্চন পালে। অ আমাৰ সঠান নোহোৱা-বুঢাৰ কপালত এʼকাৰে নিমিলিল। খালি ঘৰখনৰ পৰা নলৰে। ইয়াতে কণি মুণ্ডি থাকিব, বাওধুনি থাকিব, বাহিৰ ওলাবৰ মন নাই। জেল খটা বোৰ কিমান সুবিধা পাইছে, আমাৰ বুঢাৰ সেইবোৰত মন নাই। এতিয়া জগৰ ধৰিছে তিবি কেইটাৰ ওপৰত। যোৱাচোন চাই আহাগৈ তোমাৰ লগৰ মানুহ বোৰে কিমান সুখত দিন নিযাব ধৰিছে। "তই মুখ চম্ভালি কথা কৰি। লʼৰাৰ আগত যিহকে পাৱ তাকে নক'ৰি। তোক মই বহুদিন কৈছো। তোৰ মুখ বাঢি গৈছে বুজিছ।

"তোমাৰ সেই বল নাই। এতিয়া সেইদিনো নাই চিৰা খৰিবে কোবাবলৈ, তাকেহে ভয় কৰিছো, চিৰা খৰিৰ কোবত গাৰ তেজ কʼলা পৰিল, চৰ ভুকুৰ কথাই নাই। এতিয়া বাপুৰ বল পাৰিল, আৰু উপায় ক'ত। মই মুখ চম্ভালিব যে লাগে কি অহক কথা কলো, কি অহক কথা কলো যাৰ বাবে মই মুখ জব্দ কৰিব লাগে। নোʼকাৱা কিয়? মই এবাৰ মাত্তিলেই টিণ্ডৰি তুলা হৈ পৰে। আলি-ছিলা কিয চপাই। সেই কেইটা দিনত বাপু একেবাৰে কেচু মাটিৰ

লডা যি কও তাকেই শুনা হ'ল । কথাই কথাই কমা খোজা হ'ল । এতিয়া আকৌ সেই মতা মহৰ বল কৰ পৰা পালা নোকাৱা কিয় ? মই তেতিয়াই নাহো, জানো নহয় পুৰুষৰ কথা । মোক কতই কৈছিল, তাতৈ যাব পাৰিবি, পিঠি কুঁজা হব, সুখ শান্তি নাইকীয়া হব । পিচ পুৰুষৰ লাজ কাজ এৰি পতুলিমুখত দিনৰ দিনটো মগনিয়াৰ দৰে বহি থাকিবৈল লাজ লগা নাছিল নে ? আজি যে মোক কথাই কথাই তৰ্জন গৰ্জন কৰি থাকা ? অ' নিজৰটো হলে অপৰাধ নাই, সাত গুণ মাফ । এতিয়া বুঢ়ী হলো নহয় খেৰ কুটা হলো । আনা যায় কাক আনা ফিৰি নাচাও ।

"তই বুঢ়ী হৈ গৈছ মানে মোৰ লগত ফেৰ পতাত লাগি গৈছ । এবাৰ চিন্তা কৰি নাচাৱ কিয় ? কথাৰ ওপৰত মাত দিলে কাৰ খং নুঠিব । বুজি শুনি কথা কবি ।

"মই নুবুজোঁ । তুমিয়ে বুজা । কিমান কি বুজা জানো নহয় । বুঢা হলো এখন ভাল কাপোৰ নেপালো, এপদ ভাল গহনা নেপালো । সুখ কেনে বস্তু তাক নেপালো । মোক দিলা কি ? এতিয়া এষাৰ কথা কলে দায় লাগে, এনেহে এলাগী হৈ পাৰলো । মানুহ বুঢা হলে ইজনে সিজনে কথা বতৰাত এৰা এৰি নহয়, আমাৰ হ'ল, মোক দেখিলে গোটেই গাৰ নোম তেওঁৰ ভোবৰি উঠে, বোৱাৰীৰ আদৰ পাইছ মোক আৰু কিয় ফিৰি চাব ?

"হেৰ । তই বহু আগবাঢ়িছ, এই বুঢ়া বয়সত গা চুৱ নেখদাবি ।

"মই চুৱা খাবৰ নাই, তুমিয়ে খোৱাগৈ ।

বুঢ়ী ওলাই গ'ল ।

কেইদিনমান পিছতে কণ বাপু ঘৰত সোমালহি । দেউতাকে তাক দেখিলে । তাৰ প্ৰতি বেছ নজৰ কৰি চালে ভবিৰ পৰা মূৰলৈ । গাত নতুন কোট, সুন্দৰ এটি লংপেণ্ট, এজোৰ নতুন জোতা, সুন্দৰ উলৰ চুৱেটাৰ, গলত এখন মাফলাৰ । দেউতাকক দেখি ভয়ে ভয়ে

ঘৰৰ ভিতৰ সোমাই, কানি কাপোৰ সলাই, ঘৰৰ কণবাপু হৈ বাহিৰ ওলাল। কণবাপু পি ইউ চায়েঞ্চৰ ছাত্ৰ। কলেজৰ গৰমৰ বন্ধৰ আগৰ পৰা ক্লাচ হোৱা নাই। গৰমৰ বন্ধ খোলাৰ পিছত কলেজলৈ গ'ল যদিও দুদিন পিচতে ছাত্ৰ আন্দোলন শাম কটাৰ অৰ্থে কৰ্তৃপক্ষই কলেজ বন্ধ কৰি দিলে। লগতে হোষ্টেলো বন্ধ হ'ল। কণবাপু হোষ্টেল বন্ধ হোৱাত ঘৰত আছিলহি। ৰাতিটো হে ঘৰত থাকে। ৰাতিপুৱাই ওলাই যায়। ৰাতি সকলো বিচনাত পৰাত আহি ঘৰ সোমায়। কণবাপু পিতাকৰ খিতাপ ল'ৰা। ডাঙৰ জন বৰ্ত্তমানে গুৱাহাটীত আছে। সকলোৱে জানে কলেজ যেতিয়া বন্ধ হৈছে পঢ়া শুনা নাই। কণবাপু কলেজৰ ল'ৰাৰ লগতে ঘূৰি আছে, কেতিয়াবা যোৰহাটত গৈছে, কেতিয়াবা ডিব্ৰুগড় পাইছেগৈ। এনেভাৱে ডিব্ৰুগড়ৰ পৰা ধুবুৰীলৈ ঘূৰি ফুৰি আছে। বন্ধ খোলাৰ পিছত যি গ'ল আৰু অহা নাই। কণবাপু ছাত্ৰসন্থাৰ লগত জৰিত হৈ পৰাত ঘৰত আহিলে বাধা পাব বুলিয়ে ঘৰ বুলি অহা নাই। মাজে সময়ে ঘৰলৈ বুলি চিঠি পত্ৰ দি থাকে। দেউতাকে ছাত্ৰ আন্দোলনৰ গতি ধাৰাৰ বুজ লবলৈ পুৱাই গধূলিয়ে ৰেডিঅ'ৰ কাষত বহি শুনি থাকে। ছাত্ৰ আন্দোলন ক্ৰমগত ভাৱে আগবঢ়াত দেউতাকৰ আগ্ৰহ ক্ৰমগত বাঢ়ি গ'ল।

দেউতাকে গা ধুই ভাত খালে। পুহ মাহৰ ৰ'দ লোৱাৰ উদ্দেশ্যে ভাত খাই উঠি চোতালতে বহিল। কণবাপুৱে ভাত খাই উঠাৰ পিছত দেউতাকে মাত লগালে "কণবাপু, এইপিনে আহ।

কণবাপুৱে দেউতাকৰ কথামতে ওচৰত ঠিয় হ'লহি। "তই আজি কালি বোলে চহৰে চহৰে ঘূৰি ফুৰিছ, কিবা চাকৰি কৰিছ নেকি? তই আজি ক'ৰ পৰা আহিলি?

"নামৰূপৰ পৰা।

"নামৰূপ, উজনীৰ নামৰূপ নহয় নে? তই অহাযোৱা খৰচ পাতি ক'ৰ পৰা পালি? ঘৰৰ পৰাতো নিয়া নাই। বহুদিন তই অহাও নাই পইচাও বিচৰা নাই। খোৱা লোৱাৰ পইচা ক'ত পাইছ?

"ৰেলত আমাৰ ভাৰা নেলাগে নহয়।

"ভাৰা নালাগে। মাৰৰ বিয়াত ৰেলগাড়ী উচৰ্গা দিছিল নেকি?

"ছাত্ৰসন্থাৰ কৰ্মী সকলৰ ৰেল, বাচবোৰত ভাৰা নলয।

"এইখন আইন কেতিয়াৰ পৰা হ'ল অ'

"আম'ৰ ছাত্ৰ সন্থাৰ বেজ দেখিলে কোনেও ভাৰা নোসোধে।

"বাৰু ভাৰা নেসাধে ভাল কথা, যদি ভাৰা সাধিলে হেঁতেন, তেতিয়া ক'ৰ পৰা দিলি হয়?

"ভাৰা নেলাগে বুলি জানিয়ে টিকেট নকটাকৈ গৈছোঁ।

"তাৰ মানে ৰেল কোম্পানীযে ছাত্ৰ সন্থাক ফ্ৰি পাচ দিছে।

"ফ্ৰি পাচ দিয়া নাই।

"তাৰমানে তহঁতে মাৰপিট কৰাৰ ভয়ত ৰেলৰ গাৰ্ডে তহঁতৰ পৰা টিকেট নিবিছাৰে।

'আমিতো কাকো কতো মাৰপিট কৰা নাই, আমাৰ আন্দোলনৰ প্ৰতি সহানুভূতি দেখুৱাইছে।

ইতিমধ্যে আইতাকে তামোলৰ বটাখন আৰু খুন্দনা জোৰা লৈ দেউতাকৰ কাষত বহিলহি। আৰু কলে "কণবাপু তহঁত কৰবাত যাৱ, আমাক তো কৈ যাব পাৰ। তহঁতৰ ঠেং গজিল নহয়, আমাক কিয় খাটিব কৰিবি। যতে ইচ্ছা কৰ, তাতে যাৱ কিন্তু আমাক যে কৈ নাযাৱ আমি কি অপৰাধ কৰিলোঁ। প্ৰতি দিনে নিশাই ভোলৈ মাৰাই ভাত সাজি বৈ থাক আহিবি আহিবি বুলি, তহঁতৰ কাৰণে আমি চিন্তা কৰি থকাতো তহঁতেতো বুজ। আমি

থাকো তইঁতৰ চিন্তাত ইংচবিচাই. তইঁত টিঘিল ঘিলাই ঘূৰি ফুৰ। এয়ে তইঁতৰ কাম। ঘৰৰ তৃণ কুটা নকৰ। কলেজ নাই, কথা নাই ঘৰৰ ল'ৰা ঘৰতে থাক। দেউতাৰক তো এই বয়সত সহায় কৰিব পাৰ। তইঁতে যে এনেকৈ টলৌ টলৌ কৈ ঘূৰি ফুৰিছ তইঁতৰ ভাগৰ দুখো নেলাগে নে। ক'ত কি খাইছ, ক'ত কি কৰিছ তইঁতে হে জান। খোৱা লোৱা সকলো নীতি নিয়ম এৰি ঘূৰি ফুৰাতে তইঁতৰ মুখ কেইখন শুকাই গৈছে। আৰু কতো যাব নোৱাৰ, ঘৰৰ ল'ৰা ঘৰতে থাক।

"গাড়ী ভাৰা নালাগে বুজিলোঁ, পিছে চাহ ভাতৰ পইচা কোনে দিছে?

'আমি ছাত্ৰ সন্থাৰ নামত চাদা তোলো আৰু সেই চাদাৰ পইচা খৰছ কৰো।

"মানুহৰ পৰা, দোকান পোহাৰৰ পৰা যে চাদা তোল মানুহে এই পইচাৰে কি কৰ সোধে নে নোসোধে। তইঁতক চাহ ভাত খাবৰ বাবে তো নিদিয়ে নিশ্চয়। "আমি কোনো দোকানৰ ওচৰলৈ গৈ চাদাৰ বহীটো আগত দিলেই, আমাক চাদা দি পঠিয়াই, আমাক সেইবোৰ একো নোসোধে।

"তেনেহলে গোটেই অসমৰ ছাত্ৰ সকলে এনেভাবে চাদা সংগ্ৰহ কৰি খাই আছে। হিচাব পত্ৰ তইঁতৰ কোনে লয়?

"আমাৰ সন্থাৰ কমিটিৰ মিটিঙত এইবোৰ হিচাব দাখিল কৰা হয় আৰু মিটিঙে এই হিচাব বোৰ অনুমোদন জনায়।

"তইঁতৰ মিটিঙত কোনে কোনে কিমান পইচা দিলে, কোনে কি খালে তাৰ হিচাব কৰোতে তইঁতৰ মিটিং শেষ কৰ।

"মিটিঙত আন কামো থাকে। ক'ত ক'ত যাব লাগিব, ক'ত সংগঠন কৰিব লাগিব সেইবোৰ কথাও আলোচনা হয়।

"বাৰু নামৰূপত গৈ কি কৰিলি?

"তাতে গৈ ফাৰ্টিলেজাৰ কৰ্পোৰেচনৰ কাৰ্য্যালয়ত পিকেটিং কৰিছো।

"তাৰ মানে সাৰ কাৰখানাৰ কাম বন্ধ কৰি দিছ?

"একেবাৰে বন্ধ হৈ গৈছে। আমি যতে পিকেটিং কৰিছো, তাতে কাম কাজ বন্ধ হৈ গৈছে।

"বাৰু কচোন, ছাত্ৰ সন্থাৰ উদ্দেশ্য কি?

"যেতিয়া লৈ বিদেশীসকলৰ ভোটাৰ লিষ্টৰ পৰা নাম বাদ নপৰে তেতিয়া লৈ আমাৰ আন্দোলন চলি থাকিব। অসমৰ পৰা বিদেশী বহিষ্কাৰ নকৰা পৰ্য্যন্ত আমি আন্দোলন কৰি থাকিম।

"বিদেশী সকল অসমত থাকিলে কি হয়। তহঁতৰ কি অসুবিধা হৈছে? তহঁতে পঢ়িব লাগে। ছাত্ৰৰ কাম হ'ল পঢ়া। তহঁতক এইবোৰত লাগিবলৈ কোনে দিছে কচোন?

"অসমখন বিদেশীৰে ভৰি গৈছে। অসমীয়া খেতিয়কৰ খেতি কৰিবলৈ মাটি নাইকীয়া হৈ গৈছে, অসমৰ চাকৰি বোৰত বিদেশীবোৰ সোমাই আমাৰ অসমীয়া মানুহৰ কাৰণে চাকৰি নোহোৱা হৈছে। বিদেশী আমি খেদিবই লাগিব।

"তহঁতে আন্দোলনৰ নামত পঢ়া শুনা কৰিব এৰিছ। বিদেশীহঁতৰ কি লোকচান হৈছে কচোন।

'এতিয়া সিহঁতৰ লোকচান হোৱা নাই, আমাৰ আন্দোলনত সিহঁত যাব লাগিব।

"সিহঁত ক'ত যাব?

"বাংলাদেশৰ পৰা অহাবোৰ বাংলাদেশলৈ আৰু নেপালৰপৰা অহাবোৰ নেপাললৈ যাব লাগিব।

"সিহঁতৰ চৰকাৰে জানো ঘূৰাই লব।

"নলয় যদি নাই, য'তে যায় যাওক আমাৰ কি কথা আছে। মুঠতে সিহঁতে অসমত থাকিব নোৱাৰে।

"তাৰমানে বিদেশী হঁতক একেবাৰে খেদি পঠিয়াবি। বাৰু বিদেশীহঁত গ'ল।

"এই যে বহিৰাগত বোৰ খেদাৰ কথা আছিল নহয় সেইবোৰ নেখেদ নেকি? প্ৰথমতে বহিৰাগত বোৰকহে খেদাৰ কথা আছিল,সেই-টো এৰিলি নেকি?

"বহিৰাগতবোৰ এতিয়া সদাহতে খেদা বন্ধ কৰিছোঁ। তেওঁ-লোক একে ভাৰতীয় মানুহ—।

"অসম খনত বিদেশীতকৈ বহিৰাগতৰ সংখ্যা অধিক আছে। এই বহিৰাগত মানুহেহে বিদেশীক ঠাই দি ৰাখিছে। যদি বহিৰাগত বোৰ নাথায় বিদেশী খেদিবি কোনকৈ? বহিৰাগত সকলে কব, এওঁলোক কোনো বিদেশী নহয়, আমাৰ ঘৰৰ, অওহী বওহী, আমাৰ লগত আগৰ পৰা আছে, এওঁলোক বিদেশী নহয়, তেতিয়া কি ব্যৱস্থা হব। বহিৰাগত খেদা প্ৰস্তাৱ ছাত্ৰ সস্থাই কেতিয়াৰ পৰা এৰিলে?

"বিদেশী সকলক ভোটাৰ লিষ্টৰ পৰা বাদ দিব কৈছো আৰু বিদেশীবোৰক অসমৰ পৰা বাহিৰ উলিয়াই দিয়াৰ কথা কৈছো—।

"হেৰৌ, মই বুজিছো বিদেশী কথাটো, কিন্তু আৰম্ভণীতে বহি-ৰাগত খেদাৰ কথা আছিল এতিয়া কিয় নোহোৱা হ'ল, তাকহে সুধিছোঁ।

"বহিৰাগত সকল ভাৰতীয় নাগৰিক, ভাৰতীয় নাগৰিক ভাৰতৰ য'তে ত'তে বসবাস কৰিব পাৰে আৰু এইটো সংবিধানৰ কথা।

"কিয় তহঁতৰ কলেজত মিটিং কৰা নাছিলি, বহিৰাগতক যে খেদিব লাগিব প্ৰস্তাৱ লৈ একেবাৰে হুলস্থূল, হাত চাপৰি মৰা নাছিলি জানো? আজি কি বুলি ভাৰতৰ সংবিধান মনা হলি মোক বুজাই দে। আৰু তহঁতে ভাৰতবৰ্ষৰ পৰা ওলাই আহি অসমক সাৰ্বভৌম ৰাজ্য হিচাপে ঘোষণা কৰাৰ কথা কৈছিলি নহয়?

"সেইটো আমাৰ প্ৰস্তাৱ নহয়।

"তে'নহলে সেই মিটিংঙত কেনেকৈ উঠিল।

"সেইটো জাতীয়তাবাদী দলৰ প্ৰস্তাৱ।

'জাতীয়তাবাদী দলৰ যদি প্ৰস্তাৱে হয়, ছাত্ৰ-সন্থাই মিটিং "আহবান কৰি জাতীয়তাবাদী দলৰ মানুহক সভাপতি, বক্তা কিয় পাতিছিল? ছাত্ৰ-সন্থাই মাইক ফুকাই ফুকাই জাতীয়তা-বাদী দলৰ সভাপতি, বক্তাৰ নাম প্ৰচাৰ কৰা নাছিলি জানো?

"তেওঁলোক আহিছিল আৰু

"ছাত্ৰ-সন্থাই কিয় তেওঁলোকক আহবান কৰিছিল? মিটিংঙলৈ মানুহ আহিলে সভাপতি পাতি, নিৰ্দিষ্ট বক্তা নিৰ্বাচন কৰি মিটিং চলালে, সভাপতি, বক্তাৰ সুৰ যিপিনে যায় মিটিঙৰ উদ্দেশ্যও সেই একেয়ে হয়। সেই মিটিঙত মই শুনিছো নহয় তইঁতৰ কেবাজনো বক্তাই সৰ্বভাৰতীয় দল বোৰৰ কৰ্মীবোৰক সৰ্বভাৰতীয় কুকুৰৰ দল বুলিছে। সৰ্বভাৰতীয় দলৰ সভ্য সকলক কোবাই কোবাই খেদিবলৈ কৈছে আৰু ইংৰাজীতে কৈছে "গ' আউট ইণ্ডিয়ান দগচ" কমিউনিষ্ট বোৰক জুই লগাই পুৰিবলৈ কোৱা নাইনে?

"সেই দলৰ লগত আমাৰ সন্থাৰ কোনো সম্বন্ধ নাই। আমাৰ কমিটি বেলেগ।

"এতিয়া মই সোধাৰ বাবে বেলেগ হ'ল নহয়। সেই মিটিঙতে ইন্দিৰা গান্ধী, দেৱকান্ত বৰুৱা, জ্যোতি বসুকে লৈ কত লোকক গালা গালি কৰিলে। আজি আকৌ তই সম্বন্ধ নাই বুলি কৈছ।

"তেওঁলোক আহিলে আমি কি কৰিম।

"মিটিঙলৈ আহিছে, মিটিং শুনিব দে। তেওঁলোকক আহ্বান কৰি কিয় আনিছিলি, নিৰ্দিষ্ট বক্তা সভাপতি হিচাপে আগতে দেখোন তইঁতে প্ৰচাৰ কৰিছ। তেওঁলোকতো উপযাচি অহা নাই।

তেতিয়া মই ছাত্ৰ সন্থাত ভৰ্ত্তি হোৱা নাছিলোঁ। আগৰ সকলো বোৰ কথাকে আমি এতিয়া পৰিবৰ্ত্তন কৰি লৈছোঁ।

'বাক, তই সোমোৱা নাই ভাল কথা। যাতৰি কাকতত দেখিবলৈ পাও ছাত্ৰ সন্থা য'তে ত'তেই জাতীয়তা বাদী দল, সংগ্ৰাম পৰিষদো তাতেই, লোক পৰিষদো তাতেই, ই কেনে কথা অ'। য'তে মিটিং হৈছে ত'তে এই চাৰিওটা দল লগ হৈ মিটিং পাইছে, কথাবোৰ একে। আন্দোলনৰ ধ্বনি বোৰো একে সুৰৰে।

"ছাত্ৰ সন্থাৰ আদৰ্শৰ লগত এক হোৱা বাবদে জাতীয়তাবাদী দল আমাৰ লগতে কোনো কোনো ক্ষেত্ৰত কাম কৰি গৈ আছে।

"তয়ে আগতে কলি জাতীযতা বাদী দলৰ লগত কোনো সম্বন্ধ নাই, আকৌ তয়ে কলি একে আদৰ্শ বুলি।

"আমি ছাত্ৰ সন্থাই বিচাৰো বিদেশী বহিষ্কাৰ কৰা তেওঁলোকেও বিচাৰে বিদেশী বহিষ্কাৰ কৰা, কথা এক নহয় কি।

"হেৰৌ, কথাটো তই ঘূৰাই ঘূৰাই কৈ আছ কিয়? ছাত্ৰ সন্থা আৰু জাতীয়তাবাদী দলৰ প্ৰভেদখিনি মোক বুজাই নিদিয় কিয়?

"বৰ্ত্তমানে আমি ছাত্ৰ সন্থাই বহিৰাগত কথাটো সাম্প্ৰতিক ভাবে এৰিছো। প্ৰথমে বিদেশী সকলক বহিষ্কাৰ কৰাৰ পিচতহে বহিৰাগতক বহিষ্কাৰ কৰাৰ ব্যৱস্থা লব লাগিব।

'তইঁতে জীৱন ভৰ আন্দোলন কৰি থাকিবি নেকি?

"সমস্যা সমাধান নোহোৱা পৰ্যন্ত আমি আন্দোলন কৰি যাম। এই জুই জলিছেহে ই নুনুমায়।

"তইঁতে আৰু নপঢ় নেকি?

সমস্যা সমাধান নোহোৱা পৰ্যন্ত পঢ়ি কি লাভ? আমি যি লাগিছো এৰাত নাই।

"এইটো তইঁতৰ পিচে ভাল কথাই হৈছে, পঢ়া শুনা কৰিব নালাগে। ফুৰি থাকিলেই হ'ল। পিচে খোৱা লোৱা ক'ত কৰিবি।

আমি তইঁতক ভৰণ পোষণ দি আছো পঢ়া শুনা কৰাৰ বাবেহে। নপঢ়িলে তো খৰছ দিয়াত নাই।

আমাৰ খৰছ আমি চাদা তুলি লম, কি কথা আছে। এতিয়া আমাৰ সম্বাই গাঁৱে ভুৱে চাদা আদায় কৰাত লাগি গৈছে। সেই পইচাই আমাৰ পইচা।

"আন্দোলন কৰি থকা দিনত ঘৰত ভাত পানী নেখাব নেকি?

"কিয় নেখাম।

"হেৰৌ, তয় কলি চাঁদাৰ পইচাৰ তইঁত চলিব পাৰিবি, আৰু৷ ঘৰৰ যদি খাব কথা কেনে হ'ল? তইঁত যেতিয়া জীৱিকাৰ পথ উলিয়াইছ, আমাৰ ঘৰখনৰ বাবেও খোৰাকী যোগান ধৰিব পাৰ সেইটো হলেহে আমি ভাল পাম। নহয় জানো? কিয় নামাত। আমাক দিয় নিদিয় নকও আমাৰ বুঢ়া বুঢ়ী হালক খুৱাই থাক। তেতিয়াহে ভাল কথা হব। আমি আৰু ক'ত যাম। অ' ৰ'হ, তইঁতৰ সত্যাগ্ৰহত আমিও যাব পাৰো দেখোন। আমাৰ বুঢ়া বুঢ়ীক এদিন লৈ ব'ল। কৰবাত সত্যাগ্ৰহ কৰি জেলত সোমাই যাও।

"সত্যাগ্ৰহ কৰিলে আচল জেলত নিনিয়ে।

"হা! কি কলি, জেলৰো আচল নকল আছে নেকি?

"বৰ্ত্তমান ঠাযে ঠাযে টিন পাতৰ বেৰ দি আবুৰ কৰি একোখন অস্থায়ী জেল সাজিছে। সত্যাগ্ৰহ কৰা মানুহ বোৰক, তাত নি সুমুৱাই থয়। তাতে কেইঘণ্টা মান ৰাখি পিচত এৰি দিয়ে।

"হয নেকি, বৰ ভাল কথা দেখোন। আমি ঘৰত এনেয়ে বহি আছো, দৈনিকে যাব পাৰো' তই কিয কোৱা নাই।

"তুমি নোযোৱা বুলিহে কোৱা নাই। তোমালোক হ'লা কংগ্ৰেছী মানুহ, কংগ্ৰেছী মানুহ বোৰ এই সত্যাগ্ৰহৰ বিৰোধী নহয।

"হেৰৌ, মই জেললৈ যোৱা মানুহ। জেলত যাবলৈ পালে ভাল লাগে, তইঁতে যদি লগ ধৰ মই কিয নাযাম। আগতেহে কংগ্ৰেছী

আছিলো। এতিয়া কংগ্ৰেছে ভাঙি টুকুৰা টুকুৰা হ'ল যেতিয়া আৰু ক'ত কংগ্ৰেছী হৈ থাকিবি? কনবাপু, আমাক দুয়োকে লৈ ব'ল অ'। গোটেই মানুহ বোৰ বোলে জেলত গৈছে, ক ত বুঢ়া বুঢ়ীৰ বাওঁৰি কাকতত ফটো ওলাইছে, কিজানি আমাৰো উঠেয়ে। এদিন লৈ ব'ল, ঘৰত থাকিনো আৰু কি কৰিম, তোৰ অনুগ্ৰহতে জেলখন চাই আহোগৈ। ——আয়েকে ক'লে।

"আইতা, সেই দেউতাৰ জেল নহয়। এইবোৰ অস্থায়ী ভাবে টিন পাতেৰে সজা।

"ৰ'হ কণবাপু, জেলত কিবা খাবলৈ দিয়ে নে নিদিয়ে।

"জেলত কিয় খাব দিব। আমি ছাত্ৰ সন্থাই জেলত পৰা মানুহ বোৰক কমলা, আপেল, ৰুটি তৰকাৰী খাবলৈ দিও। চৰকাৰে ক ত দিব।

"বাপু আয়েৰা আৰু মযো এদিন যাওঁ দে। আমাক ভালকৈ লুচি তৰকাৰী খুৱাবি আৰু।

"অ, বাপু, লুচি তৰকাৰী খাই পোৱা নাই, আপেল কেনে দেখা নাই। শুনিছো খাবলৈ বোলে বৰ ভাল। এদিন লৈ ব'ল তোৰ জুহাতে চাই আহোঁ।

"গলে লৈ যাব পাৰিম। বাচতো ভাৰা নালাগে নহয়।

"বাছত আমাৰো ভাৰা নালাগে নেকি?

"নালাগে। সত্যাগ্ৰহী বুলি জানিলে ভাৰা নলয়।

"আমি যে সত্যাগ্ৰহী বাচে কেনেকৈ জানিব।

"আমি ছাত্ৰ সন্থাই বেজ দিম নহয়। সেই বেজ পিন্ধিলে ভাৰা নলয।

"বৰ ভাল হৈছে। তই এদিন দিন কৰ, আমি দুয়ো যাম।

"তোমালোক নোযোৱা বুলিহে মই কোৱা নাছিলোঁ।

"বাপু অ' যাম দে। চহৰ খনো এবাৰ চাই আহিম দে, তোৰ লগতে চিনেমা খনো চাই আহিম।

"কণ বাপু। তহঁতক যে কমলা, আপেল, লুচি তৰকাৰী বোৰ দিয়ে, কোনে দিয়ে অ'? নে তহঁতে কিন।

"আমি নিকিনো। মা ৰাৱাৰী বোৰে দিয়ে। বিনা পইচাই দিয়ে। দৈনিক যিমানেই লাগে সিমানে দি থাকে।

"বহ, গুৱাহাটীত টো ইমান আপেল কমলা নাথাকে। ফাচি বজাৰ, মাছখোৱাত ছুটামান গলিত এ'মান ছুমোন দেখা পোৱা যায়। তাকো কেতিয়াবা নোহোৱা হয় ইমান দৰ দি খোৱা মানুহো নাই। তেনেস্থলত ইমানবোৰ আপেল কমলা ক'ৰ পৰা আহে।

"মাৰোৱাৰী হঁতে এৰোপ্লেনত এই আপেলবোৰ লৈ আহে। দৈনিকে লক্ষ লক্ষ আপেল বিতৰণ কৰি আছে। এইটো বোলে সিহঁতৰ ধৰ্ম।

"তাৰমানে তহঁতে মাৰোৱাৰীক নেখাদ।

"মাৰোৱাৰীক কিয় খেদিম। সিঁহতে ইয়াতে বসবাস কৰি আছে, আমাৰ লগতে মিলামিছা কৰি আছে। আমাৰ মিটিং বোৰত মাৰোৱাৰীবোৰ যায়। সত্যাগ্ৰহত অংশ গ্ৰহণ কৰিছে। গণ সমাবেশত গোটেই বোৰে অংশ গ্ৰহণ কৰিছে। সিহঁতে আমাক ইমান সহায় কৰিছে। মাৰোৱাৰী সকল নাথাকিলে আমাৰ আন্দোলন ইমান দূৰ আগ নেবাঢিল হেঁতেন।

"এটা আপেলৰ দাম কিমান অ'।

"পাচ সিকি, ডেৰ টকাৰ কমত নাপায।

"সত্যাগ্ৰহীবোৰক যে লুচি তৰকাৰী দিয়ে, কেইখন মান কৈ দিয়ে।

"প্ৰথমে ছুই তিনিখন দিয়ে, লাগিলে আকৌ দিয়ে। প্ৰত্যেকে পেট ভৰাই খায়।

"চাহ দিয়ে নেকি?

"চাহ তুই তিনিবাৰ কৈ দিযে। যি শুন্দৰ চাহ। আমাৰ ঘৰত সেই চাহ খাবলৈ নাপাও। একেবাৰে স্পেচিয়েল।

"তই ভুল কৰিলি। তই আমাক বেয়া পাইছ। নহলে এনে সুবিধা পাযো আমাক খবৰ নকৰ। কিয়, আমি সদায় গৈ থাকিলো হৈ নহয়। ঘৰত বহি থকাতকৈ এইবাৰত লাগিলো হয়।

"ইনো আমাৰ কথা ভাবিব নে? সি বাহিৰ ওলাই গ'ল যেতিয়া আমাৰ কথা আৰু তাৰ মনত পৰিবনে? আমিহে ভাবি থাকো তাৰ কথা, সিহঁত কিয় ভাবিব? সেই বাপুটো আজি তিনিমাহে হ'ল তাৰ কোনো খবৰেই নাই। এখন তো চিঠিকে দিব পাৰে। আমিহে ইহঁতৰ কাৰনে ভাবি মৰো।

"বাৰু কথা বাপু। তই দেখোন নতুন জোতা পিন্ধা দেখিলো, লং পেন্ট, চুৰেটাৰো দেখোন নতুন নতুন লাগিল। এই বোৰ ক'ৰ পৰা ললি, বাপুৱে দিছিল নেকি?

"মযে লৈছো।

"তই লৈছ তই চাকৰি কৰ নেকি?

"চাকৰি কৰিব লাগে নে? আমি ছাত্ৰ সন্থাই যি চাঁদা সংগ্ৰহ কৰো, তাৰ পৰা এইবাৰ লৈছো। একোজন মাৰোৱাৰীযে চাৰি পাচশ কৈ টকা দিযে। সিহঁতৰ লগত কথা খৰছ কৰিবই নালাগে। ছাত্ৰ বুলিলে আগয়ে টকা দিয। কাপোৰৰ দোকানত গলে আমি কাপোৰো পাও।

"তোৰ জোতা যোৰত কিমান পৰিল?

"এশ পঁয়ত্ৰিশ টকা।

"চাৰ্ট, পেন্ট, চুৰেটাৰত কিমান পৰিল?

"সাতশ বিশ টকা গ'ল।

"তই ভালে কৰিছ দে। আমিতো দিবই নোৱাৰিলো হয়। তই যে ইমান বুদ্ধি খটাই কাম কৰিছ, বেছ কৰিছ। আমালৈ কিবা-

কিবি অনা হলে আৰু ভাল পালা হেতেন।

"তাৰানো আমালৈ মনত পৰিবনে? ঘৰৰ পৰা বাহিৰ ওলোৱাৰ পিছত তাৰ যে পিতাক, মাক, আই, দেউতা আছে পাহৰি পেলাইছ। এতিয়াই ইমান, আৰু কিবা এটা কৰাৰ পিছত তো একেবাৰে পিঠি দিব।

"কণ বাপু! তোৰ আন্দোলনটো বুজিলো। এইবোৰ অতি ঘৃণনীয় কাম কৰিছ। চাঁদাৰ পইচাৰে নিজৰ কাপোৰ কানি লৈ ধূন-ধপাল কৰাতো অতি বেয়া কথা হৈছে। তহঁতক চাঁদা দিছিল তহঁতৰ আন্দোলনৰ কথাত লগাবলৈ আন্দোলনত খৰছ পাতি কৰিবলৈ, এনে ধৰণে খৰছ কৰিবলৈ দিয়া নাছিল। চাঁদা দিয়া মানুহ বোৰে তহঁতৰ হিচাব বিচাৰি নাহে আৰু কত কি কৰিছ জানিবলৈ নিবিছাৰে। তহঁতৰ মানোবৃত্তি বোৰ আন্দোলনৰ পৰা ক্ৰমাগত ভাৱে ফালৰি কাটি গৈ কেনেকৈ ব্যক্তিগত স্বাৰ্থ পূৰণ কৰিব পাৰে,, তাৰবাবেহে বেছি ব্যস্ত হৈ পৰিছ। পবিত্ৰতাও তহঁতে কলংক সানিলি। তহঁতৰ আন্দোলন বেছি দিন নচলে। অচিৰে ভাঙন ধৰিব।

"মই তো অকলে কৰা নাই। সক্ৰিয় অংশ লোৱা প্ৰায়বোৰে এনেকৈ লৈছে। আমি নললে কেনেকৈ হব? আমি তো এতিয়া ঘৰৰ কামত নাই, আমাক যে ঘৰৰ পৰা দিব। আমি এতিয়া আন্দোলন কৰিছোঁ, আন্দোলনৰ মাজেৰে চোলা কাপোৰ লোৱাৰ পৰা খাই লৈ থাকিব লাগিব। তুমি ঘৰৰ পৰা টকা পইচা দি থাকিবা আৰু মই তোমাৰ পইচাৰে আন্দোলন কৰাটো উচিত নহয় বুলিয়ে আমি ছাত্ৰ সকলে আলোচনা কৰি কৰিছো। আমিতো সাচিবলৈ যোৱা নাই।

"বুজিছো, ছাত্ৰসকলৰ কোনো কলংক নাই, কিন্তু কলংক সোমাই দিবলৈ এক চতুৰ বিভেদ কামী লোক এনে পৰামৰ্শেৰে আগ-বঢ়াই লৈ গৈ গোটেই সমাজখনক কলংকিত কৰি আন্দোলন সমূহ ব্যৰ্থ কৰি তোলে।

কোনো বাহিৰা লোকে আমাক পৰামৰ্শ দিয়া নাই নহয়। প্ৰকাশ্যে তইঁতৰ মাজত গৈ কোনোৱে এইবোৰ দিহা পৰামৰ্শ নিদিয়ে। কিন্তু ধৰ মযে তোক পৰামৰ্শ দিলো, এইবিলাক কৰিলে কি হব, নিজৰ কাপোৰ কানিবোৰ পাৰিলে কিবা কৰি লবি। নতুবা এনেদৰে কোনো এজন অভিভাৱকে হয়তো কলে—বোপা, বজাৰৰ পৰা মোলৈ অমুকটো আনিবিচোন, তোৰ হাতত থকা পইচাৰে, মই পিচে পাৰে দিম। ল'ৰাই হয়তো প্ৰথমে কলে, "এই-বোৰ মোৰ পইচা নহয়, এইয়া হ'ল সন্থাৰ পইচা।" হওক যা তাৰ পৰা এতিয়া লৈ আনিবিচোন, মোৰ হাতত পৰিলে দিম। আকৌ কোনোৱে কব যা যা তোৰ হাতত থকা সন্থাৰ পইচাকে খৰচ কৰ, একো নহয়। হিচাবটো কিবা কৰি মিলাই দিবি।" তই-ঠিকেই কৈছ, ঘৰৰ পৰা পইচা খৰছ কৰি আন্দোলন নকৰ, সেইটো ভাল কথা। কিন্তু সি ক্ৰমাগত ভাৱে ব্যক্তিগত চৰিত্ৰলৈ আহি পৰে। মানুহবোৰ অতি অভাৱী। মানুহৰ যিমানে ধন দৌলত নাথাকক সিমানে অভাৱৰ সন্মুখীন হৈ থাকে। তোকো আজি ইটো কালি সিটো কৰি বহু বস্তুকে লগা হৈ থাকিব আৰু তই এই ৰাজহুৱা পইচাৰে তোৰ আৱশ্যকীয় বস্তুবোৰ লৈ গৈ থাকিবি। তাৰ পিচত তোৰ অভাৱৰ শিপা ক্ৰমাগত ভাৱে বাঢ়ি গৈ এক ডাঙৰ অঙ্কৰ হিচাবত পৰিবি। মানুহবোৰ এনেকৈয়ে চৰিত্ৰহীন হৈ পৰে। মানুহবোৰে প্ৰতিটো আন্দোলনৰ মাধ্যমত এনেভাৱে ৰাজহুৱা ধনেৰে তথাকথিত আন্দোলনৰ নামত নিজৰ স্বাৰ্থ পূৰণ কৰে। আৰু আন্দোলনৰ মাজত ঘূণ ধৰে। শেষত আন্দোলনকাৰী সকলৰ মাজত কিমান খালে সেয়ে লৈ কাজিয়া পেচাল আৰম্ভ হৈ আন্দোলন ভাঙি যায়। এই কাম আৰু নকৰিবি। তোৰ নাই, অভাৱৰ মাজত থাকি কাম কৰি যাবি তত্ৰাচ ৰাজহুৱা পইচা এনেকৈ খৰচ নকৰিবি। কংগ্ৰেছৰ নিচিনা দল এনেকৈয়ে ব্যক্তি বিশেষৰ কটু ষড়যন্ত্ৰত শেষ হৈ গৈছে। ৰাজহুৱাভাৱে কথাবোৰ নোলায় যদিও দলৰ

ভিতৰত এইবোৰে খণ্ড যুদ্ধৰ অৱতাৰণা কৰি দলৰ মাজত উপদল গঢ়ি তুলি দেশৰ স্বাৰ্থতকৈ ব্যক্তিগত স্বাৰ্থ জাবদাৰ কৰি তুলিছে।
'মই ভাবেনেহলে এইবোৰ পইচাৰ যথাযথ ভাবে খৰচৰ চেষ্টা কৰিম যাতে কোনো ছাত্ৰই বক্তিগত ভাবে খৰছ কৰিব নোৱাৰে তালৈ লক্ষ্য ৰাখিম।

" তই এতিয়া কোনেক কৰিবি। তইতো কলংকিত হলি, তই যেতিয়া নিজে চুৰ কৰিলি আনক চুৰ নকৰিবলৈ পৰামর্শ দিলে কোনে শুনিব। বাৰু কণবাপু। মোৰ কথা শুন। আন্দোলন কৰিবলৈ এৰি দে। কলেজ যেতিয়ালৈ নোখোলে তেতিয়ালৈ ঘৰত থাক। ঘৰতে পঢ়া শুনা কৰ। পৰীক্ষা হলে পৰীক্ষা দিবি আৰু যদি পৰীক্ষা নহয় সেনাৰচ, বিগ্ৰী আদিত গৈ পঢ়িব লাগিব। মূল কথা কি জান, পঢ়ি শুনি উঠি যি কৰিব বিচাৰ তাকে কৰ যা। তাত কোনো বাধা নাই কিন্তু পঢ়া শুনা নকৰিলে কতো কোনেও স্থান নিদিয়ে। জীৱনবোৰ অথলে যায়, পিচত গৈ পৰিতাপৰ কথা হৈ পৰে। ইমান দিনে যি কৰিলি কৰিলি এতিয়াৰ পৰা এৰি পেলা। আজি ইমানদিন ধৰি তহঁতৰ পঢ়াৰ প্ৰতি ধাউতি নাইকিয়া হৈ পৰিল। আন্দোলন যেতিয়া শাম কাটিব তেতিয়াও তহঁতৰ পঢ়াত মন নবহিব। খালি কলৈ যাওঁ কত কি কৰোঁ তাৰে চিন্তাত মনবোৰ অস্থিৰ হৈ উঠিব। ইতিমধ্যে তহঁতে মুকলিমুৰীয়া হৈ আন্দোলন কৰি ডাঙৰ সৰু নমনা হলি। দেশৰ ৰাজনৈতিক দল সমূহক, নেতা বিশেষক ব্যক্তিগত ভাৱে নানা চৰ্চা বিচৰ্চা কৰি তহঁতৰ মনবোৰ কমোৱা তুলাৰ দৰে হৈ উঠিছে। যি সকলে দেশৰ কাম কৰি আছিল, যি সকল লোক সমাজ সেৱাত ব্ৰতী হৈ আছিল, সেই সকলোকো তহঁতে তুলা ধুনাৰ দৰে নানা বদনাম অপযশৰে ধুনি পেলালি। কিছুমান দেশনেতা, সমাজ কৰ্মীকো অপমান কৰিলি। এতিয়া আৰু সৰু কথাত তহঁতৰ মন নবহে। তহঁতে গম পোৱা নাই। ছাত্ৰ সন্থা হিচাপে আন্দোলন কৰি গৈ আছ, সত্য পথেৰে গৈ আছ, এইটো ঠিক সামান্য হীন-

দেডি হৈছে, ভুল হৈছে, কোনোৱে নিজৰ কানি কাপোৰ লৈছে, সিটো সাধাৰণ কথা। ছাত্ৰসকলক লাখুটি কৰি লৈ কিছুমান ব্যক্তিয়ে স্বাৰ্থ পূৰণত লাগি গৈছে। জাতীয়তাবাদী দল আৰু লোক পৰিষদে প্ৰকাশ্যে ঘোষণা কৰিছে নিৰ্ব্বাচনৰ। নিৰ্ব্বাচনৰ ইস্তাহাৰ উপ মিটিং বোৰতে প্ৰকাশ্যে ঘোষণা কৰি ফুৰিছে। জাৰ্মানৰ এডলফ হিটলাৰে জাতীযতাবাদী ধ্বনিৰ ছাত্ৰ যুৱকক উন্মত্ত কৰাই সমাজবাদৰ ধ্বনি দি ক্ষমতা দখল কৰে সইবোৰ কথা পিচ পাৰ বুজিবি। এতিয়া পঢ়া শুনা কৰ। মোৰ আশা আছিল তইঁতক পঢ়াই শুনাই একোজন মানুহ গঢ়ি তোলা। পিচে পিতাৰে কৰিলে সেইটো, বাপুৱে কৰিলে তাকে। এতিয়া তোৰ ওপৰতে সমস্ত নিৰ্ভৰ কৰিছো। তইঁতক উচ্চ শিক্ষা দিয়া মোৰ হাবিয়াসতো তই পূৰণ কৰিব লাগিব। স্কুল কলেজ গোটেই ষ্ট্ৰাইক, এইবাৰ সমস্যাৰো সমাধান নহয়। ছাত্ৰ সকলোৰো আৰু পঢ়া নহয়। সেইটো মই বুজো। অৱস্থাপন্ন ব্যক্তি সকলৰ ল'ৰা ছোৱালী এই আন্দোলনত নাই, তেওঁলোকে অসমৰ আগন্তুক পৰিবেশ জানি আগতে তেওঁলোকৰ লৰা ছোৱালী সমূহক কলিকতা, পাটনা, দিল্লী, লক্ষ্ণৌলৈ পঠিয়াই পঢ়ুৱাৰ ব্যৱস্থা কৰিছে। তইঁতে আন্দোলন কৰিছ, আন্দোলনৰ যি ভাল ফলাফল হব তাক গ্ৰহন কৰিবহি সেই ল'ৰা ছোৱালী বোৰে। সেইবোৰ কথা বুজো। সেইবাবে তই সেইবোৰৰ পৰা আঁতৰি আহি ঘৰতে থাক। ঘৰতে পঢ়া শুনা কৰি মনটো এহুৱাই ল। নতুন বছৰত তোক পঠিয়াম অসমত পঢ়া শুনাৰ পৰিবেশ নাইকিয়া হ'ল, বহু বছৰলৈ এই পৰিবেশ ঘূৰি নাহে আমি কত মেল মিটিং কৰিলো চাঁদা পাতি সংগ্ৰহ কৰি কেইখন বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰিলো কিন্তু তাৰ পৰা যি ফলাফল পাব ধৰিছো দুখ লাগে। কলেজ, বিশ্ববিদ্যালয় কেৱলেই হ'ল ৰাজনীতিৰ কেন্দ্ৰস্থল। প্ৰফেচাৰ সকলে জনসমাজত গৈ সংগঠন নকৰে, সৰ্বসাধাৰণৰ উন্নয়নৰ ৰাজনীতি নকৰে, দেশবাসীক নিৰক্ষৰতাৰ পৰা মুক্ত কৰিবলৈ কোনো অভিযান নচলায়।

সমাজৰ পৰা কু সংস্কাৰবোৰ আতৰাবলৈ অভিযান নচলাই, সেইবোৰৰ কোনো আচঁনি নলৈ তইঁতৰ দৰে ছাত্ৰবোৰৰ মাজত ৰাজনীতি কৰি যশস্যা অৰ্জন কৰিবলৈ বিচাৰিছে। প্ৰফেচাৰ সকলৰ মাজত নানা দল উপদল। ছাত্ৰ সকলক সেই দল উপদলৰ বলি হিচাপে লৈছে। কোনোজন মাৰ্ক্স এঙ্গেলচৰ সূত্ৰ লৈ ব্যস্ত, কোনোজন মাৰ্ক্স লেনিনৰ সূত্ৰ লৈ, কোনোজন লেনিনবাদ-মাৰ্ক্সবাদৰ আলোচনা সূত্ৰ উদ্ঘাটন কৰাত ব্যস্ত। ছাত্ৰৰ মাজত শ্ৰেণী চেতনা জাগ্ৰিত কৰিবলৈ গৈ ছাত্ৰৰ মাজত শ্ৰেণী সংগ্ৰাম কৰিছে। কোনোজন অধ্যাপক সাঁইবাবাৰ দৰ্শন, কোনোজন অনুকূল ঠাকুৰৰ সং সঙ্গৰ আলাপ লৈ ব্যস্ত। তেওঁলোকৰ মুখত কিমান সূত্ৰ শুনিবি। অসমৰ শংকৰ মাধৱ, ভট্টদেৱৰ- আলোচনাত নাই', সাধাৰণ অসমীয়া বাবে। কিছুদিন আছিল নেহেৰুৰ সমাজবাদী দৰ্শন আৰু গান্ধী দৰ্শনত ব্যস্ত। যেতিয়াই ইন্দিৰা গান্ধীয়ে জৰুৰীকালিন শাসন প্ৰৱৰ্ত্তন কৰিলে সকলোবোৰ হৈ পৰিল জনতাদলৰ ভক্ত। জনতা দল লৈ নানা যুক্তি, নানা সূত্ৰ, নানা গল্প। জনতা দলৰ থৰক বৰক হওতে তেওঁলোক অসমীয়া স্বাৰ্থৰ বাবে লাগি পৰিল। এই সকল এতিয়া ঘুৰ্ঘোৰ অসমীয়া। কি আশ্চৰ্য্য, মই বুজিব নোৱাৰা হৈছো। অধ্যাপক সকলৰ ৰাজনীতিৰ বাগৰ সলোৱা ৰূপ দেখি দেখি-। তেওঁলোক কিন্তু বিশ্ববিদ্যালয়ৰ বা কলেজৰ চৌহদৰ বাহিৰ ওলাই নাহে, ভিতৰতে। গাঁৱৰ মানুহে নানা কষ্ট কৰি কপালৰ ঘাম মাটিত পেলাই অৰ্জা ধন ভগন কৰি ল'ৰা ছোৱালী পঠিয়ালে টাউন চহৰত শিক্ষা লাভৰ বাবে। ল'ৰা ছোৱালীয়ে শিক্ষা লাভ কৰা দূৰৈৰ কথা ছাত্ৰ সকলক শিক্ষা দিয়াৰ পৰিবৰ্ত্তে একোজন ৰাজনৈতিক নেতা গঢ় দিয়াতহে লাগিল। কি হব এইখন দেশত। সেই অধ্যাপক, প্ৰিন্সিপালৰ দুৰ্নীতিৰ বাবে ছাত্ৰ সকল শিক্ষালাভৰ পৰা বিৰত হবলগা হৈছে আৰু এতিয়া তেওঁলোক লাগি গ'ল শিক্ষাৰ সামৰণি মৰা আন্দোলনত। গাঁৱৰ মানুহৰ টকা পইচাবোৰ পানীত পেলালে এইবোৰ চেষ্টাৰে। আমাৰ চৰকাৰ হ'ল মহা গণতান্ত্ৰিক সমাজবাদী। গণতন্ত্ৰৰ ইমান জোৰ প্ৰচাৰ হৈছে

চোৰে চুৰ কৰিলেও প্ৰমাণ কৰিবলৈ সুবিধা দিছে যাতে চুৰ কৰা নাই। সেইবোৰ কিমান কৰি”। “দেউতা। মই যে ছাত্ৰসন্থাৰ চেক্ৰেটৰী নিৰ্বাচিত হৈছো। এই আন্দোলনৰ গুৰি মযে ধৰিছো। এই ক্ষেত্ৰত মই যদি নাযাও বা আতৰি আছো তেনেহলে আন্দোলন ব্যৰ্থ হব আৰু মই ছাত্ৰ সকলক বিশ্বাসঘাটকতা কৰা হব।

“অ, তাযো এম. এল এ এম পি হোৱাৰ সপোন দেখিছ নেকি?

“মইতো সেইবোৰৰ কেনভাচত যোৱা নাই। মোৰ কথাবোৰ স্পষ্ট। মই ভাল ধৰণে বক্তৃতা দিব পাৰো, ছাত্ৰ সকলৰ মাজত মই প্ৰিয়। গতিকে মোক নিৰ্ব্বাচন কৰিছে। মই কলেজত চেক্ৰেটৰী পাতিব বিচৰাতো হবলৈ চেষ্টা কৰা নাছিলো। কিন্তু এই ক্ষেত্ৰত মই প্ৰত্যাখ্যান কৰা সত্বেও মোক এৰি নিদিলে। বাৰে বাৰে মই আপত্তি কৰিছো, কিন্তু মোৰ আপত্তি কোনেও নুশুনিলে। মই সমাজ খনক এৰা। চেক্ৰেটৰী হলে পঢ়া শুনাত ব্যাঘাট হব বুলিয়ে এনে কামৰ পৰা আতৰি আছিলো। মই গৈ চেক্ৰেটৰীৰ পদ ইস্তাফা দিব লাগিব। সকলোবোৰ দাযিত্ব চমজাই দি নাহিলে বেযা হব।

“কথাটো বেযাই হ’ল। মই ভাল নাপালেও এইবোৰ সামাজিক কথা। কথাবোৰৰ লৰক ফৰক হলেই জীৱনটোৰ বদনামী হৈ পৰিব। বাকু বৰ জোৰত নেলাগিবি, পুৱাই গধূলিয় কিতাপত চকু দে। তই কিন্তু ইয়াৰ পৰা যাব লাগিব মনত ৰাখিবি। “মই এই পদৰ পৰা অব্যাহতি লবলৈ চেষ্টা কৰোগৈ।

কণবাপু ওলাই গ’ল ।

"বুজিলো। মোৰ বংশ শেষ হ'ল, ল'ৰাক শেষ কৰিলো, নিজে শেষ হলো, এতিয়া নাতি হতঁকো শেষ কৰাত লাগিলো।

"কিনো শেষ হোৱা শেষ হোৱা বুলি দিনে ৰাতিয়ে অমংগলীয়া কথাবোৰ কৈ থাকা। এনেকৈ শাওপাত দি থাকিলে, এইখন ঘৰ বাচি থাকিব পাৰেনে।

"হেৰৌ, মই শাওপাত দিয়া নাই, মই কৈছো মোৰ বংশৰ আৰু উন্নতি নহ'ল। সকলোবোৰ শেষ হৈ গ'ল।

"যিমানে বুঢ়া হৈ গৈ আছা সিমানে বাওধুনা বেছি হৈ হে গৈছে। ৰাপুৰে, কণবাপুৰে কিনো বেয়াটো কৰিলে। এতিয়া স্কুল কলেজ নহলে সিহঁতে ক'ত গৈ পঢ়ে। তুমিয়ে তো সিদিনা বাপুকণক স্কুলত লৈ গৈছিলা। এতিয়া গোটেই দেশখনে এটা কথাত লাগিছে। তাকে কৈ থাকিলে হ'লনে? দেশৰ ল'ৰাবোৰৰ যদি অন্যায় হয় আমাৰো হব, তাত কি কথা আছে। অকলেতো মোৰ ঘৰাত ঘটা নাই। সদায় দেখোন ল'ৰাবোৰে "ইনক্লাব জিন্দাবাদ," "জয় আই অসম" বুলি বাচে লৰিয়ে চিঞৰি গৈ আছে। সদায় মিটিং, চিঞৰ বাখৰ কৰি থাকিলে ল'ৰাহঁতে ক'ত পঢ়ে।

"হেৰৌ তাকে তোক কব বিচাৰিছো, মই সিহঁতক পঢ়ুৱাব আৰম্ভ কৰিছো, সিহঁতে নপঢ়ে।

"সিহঁতে পঢ়ে ক ত? দেশখনৰ ল'ৰাই নপঢ়ে তোমাৰ ল'ৰাই পঢ়ে ক'ত? দেশৰ ল'ৰাবোৰে যদি খাব পাই, ইহঁতেও পাব। তাকে ভাবি থাকিলে নহয়। তুমি ইহঁতক একো নকবা। এবাৰ কলেই চকু চলচলীয়া হৈ পৰে। সিহঁতৰ মুখৰ পিনে চাব নোৱাৰা হও।

চোতালৰ পৰা উঠি গৈ বিচনাত পৰিল। পিচদিনা মহীধৰে ভাত খাব বহোতে মাকে গৈ কাষতে বহি উলিযালে "বোপা পিতাৰৰ মনবোৰ বেয়া হৈ গৈছে। দিনে ৰাতিয়ে অকলে অকলে বকি থাকে। সিদিনা ৰাপুকণক নানা ধৰণে বকা মিলা কৰি স্কুললৈ লৈ গৈছিল

বাটিতে বোলে ল'ৰাহঁতৰ লগত কাজিয়া কৰিলে, ল'ৰাহঁতে বোলে অপমান কৰিলে। কালি কণবাপু আছিল, তাকো বেমাৰ বেলাতো ঠিয় কৰি ৰাখি বকিয় থাকিল। মই কিমান বুজাইছো, কিমান কৈ আছো নাই, একোতে লৰচৰ নাই।

"কণবাপুই বেযাক কিবা ক'ল নেকি

"সি উত্তৰ কৰা নাই। পিতাৰেই হে কৈ গৈ আছে. সি তলমূৰ কৰি শুনি আছে। উত্তৰ কৰা নাই। অনবৰতে তোৰ কথা বাপুৰ কথা কৈ থাকে। কোনো এজনক লগ পালেই তেওঁৰ বংশটো শেষ হল শেষ হ'ল বুলি কৈ থাকে কিবা ঔষধ পাতিৰ ব্যৱস্থা কৰ নহলে এনেকৈ থকি থাকিলে মূৰ বেযা হৈ যাব। এনেযেতো কাৰো কথা শুনিলেই খং কৰি উঠে। এতিয়া এইবোৰ চিন্তা কৰি খোৱা লোৱাতো মন নাই, নিজে খাও বুলি একোতে ইচ্ছা নকৰে। তই অলপ চা। পাৰিলে ডাক্তৰৰ পৰা ঔষধ আনি দে। তই বাহিৰে বাহিৰে ঘূৰি ফুৰ এইবাৰ নেদেখ। খং নোহোৱা মানুহ জনৰ ইমান খং হৈছে মগজু একেবাৰে ঘাটি হৈ পৰিছে। বেমাৰ আজাৰ নোহোৱা মানুহ। কম ত যদি নাচাৱ পিছলৈ বিপদ হব পাৰে—।

"বাৰু মই ডাক্তৰৰ লগত আলোচনা কৰি চিকিৎসাৰ ব্যৱস্থা কৰিম।

খোৱা লোৱা হোৱাৰ পিছত মহীধৰ পিতাকৰ ও ৰত বহিল আৰু উশিয়ালে. 'পিতা সোণটিৰ খবৰ বাতৰি বহুদিন পোৱা নাই। এবাৰ পাৰিল লৈ আহাগৈ।

"অ' অ' বহুদিন তাইক দেখা নাই। সিহঁতো এক মানুহ অতদিন হল কোনো খবৰ বাতৰি নাই। এখনতো চিঠি পত্ৰ দিব পাৰে। সেইবোৰত মন নাই। মই বুঢ়াটোৱে কাৰ কিমান খবৰ কৰিম। গোটেই বোৰৰে মূৰ বেয়া হ'ল দে। চিঠি পত্ৰ দিলেও তো নাপাও। অসম বন্ধ। ডাক ঘৰ বন্ধ। চিঠি পত্ৰ বোৰ এতিযা নহাই হ'ল। চেণ্ট্ৰেল ডাক ঘৰত বোলে চিঠি পত্ৰৰ দ'ম হৈ ঠাই নোহোৱা হৈ

পৰিছে। ইমান বোৰ দ'ম কেনেকৈ যে চৰ্টিং হ'ব সিও এক কথা হৈ পৰিছে। কাৰো কতো চিঠি পত্ৰ নাই। ডাকঘৰেই যেতিয়া বন্ধ চিঠি পত্ৰ ক'ত পাবি। এদিন যাবই লাগিল। ৰাজ্য জুৰি যি গোলমাল হৈছে, সিহঁতৰ বা কি হৈছে, সিহঁত ঠিকে আছে নে নাই সিও এক কথা। কাৰ্ফিউ, লাঠিচাৰ্জ, চি আৰ পি ৰ পহৰা বোৰো ভয় লগা হৈ উঠিছে নহয়। সোণমা আৰু যি ছোৱালী তাই বা ঘৰত আছে নে নাই, নে সত্যাগ্ৰহ পিকেটিঙতে ফুৰিছে। তায়োতো এই বোৰত আগৰণুৱা। তাই কিয় বহি থাকিব?

"সোণটি তেনে নহয়। তাই এই বোৰ বুজে। যিয়ে সিয়ে তাইক নচুৱাব নোৱাৰে। নিজে বুজি নললে তাই কেতিয়াও নাযায়।

'সোণমা কিন্তু এই বোৰত ফুৰা ছোৱালী নহয়। তুই ঠিকেই কৈছ। তাই বেছ জনা বুজা ছোৱালী। তাই ল'ৰা হলে কিন্তু ভাল নাম কৰিব পাৰিলে হয়। এতিয়াও তাই বেয়া কৰা নাই। তাই নিজে মহিলা সমিতিৰ সভানেত্ৰী। আৰু মাজে সময়ে ৰেদিঅ' চেণ্টাৰলৈ আলোচনা পাতিও কৰে। বিভিন্ন মহিলা সমিতিয়ে হেনো তাইক নিমন্ত্ৰণ জনায়। তাই ভাল বক্তৃতাও দিব পাৰে। আমাৰ বোৱাৰী-জনী তেনে নহয়। বোৱাৰী ঘৰখনতে ব্যস্ত হৈ থাকে। পিচে তিৰোতা মানুহৰ ঘৰখন চম্ভালাও এক কৰ্ত্তব্য।

"তেনেহলে যোৱাৰ এটা দিন কৰা। কেইদিন মান ফুৰি চাকি আহাগৈ। ঘৰত এতিয়া কোনো কাম নাই। বহুদিন গুৱাহাটীলৈ যোৱা নাই, মনবোৰো ভাল লাগিব।

"মই গুৱাহাটীলৈ যাওঁ বুলি ভাবি আছিলোৱে। ল'ৰা-হঁতৰ এই হুলস্থূলীয়া কাৰ্য্য কলাপ বোৰ দেখি মন সেমেকি গৈছে। গুৱাহাটীলৈ যাব লাগিব, চৌধুৰী, বৰুৱা হঁতে মাতি আছে। বহুদিন যাবই পৰা নাই, বেয়া পাইছে চাগৈ। কথাও এটা নহয়, আহো বুলিতো আহিবও নোৱাৰো। ইজন সিজন কৈ কতবোৰ বন্ধুৰ ঘৰত যাব লাগিব।

তাতো দুই চাৰিজনে খাবলৈও মাতিব। বহুদিন থাকিব লাগে কাৰণে মই যাবলৈ ইচ্ছা কৰা নাছিলো। গৈ পালে আকৌ সোণমাই মোক চকিদাৰ কৰি ঘূৰি ফুৰাত সুবিধা পায। সুধিলে কব তুমি আহিছা কাৰণেহে মই ফুৰিব যাব ওলাইছো নহলে ঘৰখন ৰখি থাকিব লাগে। ওলোৱা সোমোৱাৰ সুবিধাও নাপাও। ময়ো ভাবি চাও হয় ছোৱালী জনী টাউনত থাকে, আত্মীয় স্বজনৰ ঘৰ দূৰে দূৰে অকলে ওলোৱা সোমোৱাও বিপদ। এজন ঘৰখনত থাকিলে পিচে সুবিধা হয়। মই মাৰক কিমান কলো, বোলো তই সোণমাৰ লগতে থাক। তেওঁ কয় জী জোঁৱাইৰ ঘৰত থাকিব ভাল নালাগে। সেয়ে তেওঁ নাথাকে। কথাটোও মিছা নহয। মই গলে মাৰও লগত যাব। বাপুকণকো নিব লাগিব।

"বাপুক নিব নালাগে। ঘৰখনত মাত এষাৰ দিবলৈও কোনো নেথাকিব নহয। মই থাকো বাহিৰে বাহিৰ, মাক অকলে থকা অসুবিধা হব।

"এৰা, কথাটো একেবাৰে সত্য। বোৱাৰীয়ে বৰ দুখ পাব। দুখ পোৱাই নহয়, খোৱাৰ সময়ত নেখাবও। বাপুকণলৈ মনত পেলাই চকুলো টুকি থাকিব। সি মোৰ লগত নগলেও বেযা লাগে। নহলে বাপুকণ আৰু মাৰ থাকক। মাৰ গলে বাপুকণক নিবই নিব। বাপুকণক নেদেখিলে মাৰৰ ৰক্ষা নাই সিদিনা মই বাপুকণক স্কুলত যোৱাৰ কথা কলো আৰু মাষ্টৰ আহে নাহে সুধিলো, মাৰাই তো বাপুকণক গালি পাৰা বুলি মোক চাৰ্জ কৰিলে। তিৰোতা মানুহ বুজালেও নুবুজে।

মহীধৰ ওলাই গ'ল আৰু মাকৰ আগত কথা বোৰ ভঙা চিঙা কৰিলে। মাকে কথা বোৰ শুনি বিচনাতে আহি ধৰিলে। "তোমাক মই অকলে যাব দিব নোৱাৰোঁ। ইযাত যেনেকৈ থৰক বৰক কৈ ফুৰা, মই অকলে যাব দি মৰিব পাৰো নেকি? কিবা এটা

হ'ল কোন চাব। নিজৰ ঘৰ'ত খোৱাৰ ঠিক নাই, খ'ব লব নোৱাৰত পৰিছ। আকৌ টাউনলৈ যাওক দেশৰ মানুহৰ লগত মেল পাতি পাতি মূৰ গৰম কৰি তোলক। মই তেনেকৈ যাব দিব নোৱাৰিম। তাত আকৌ ল'ৰাগনৰ মাজত পৰক গৈ, কি কয় কি নকয় ঠিক নোহাৰা হব, ল'ৰাহঁত ঘৰত টাওান জোকাৰ আৰু টাউন চহৰত বাট চাব নে?

"হেৰৌ, তই মোক একেবাৰে অচল বুলি ভাবিছ নেকি? ন মই বেমাৰী। তোৰ মুখত হে মোৰ বেমাৰ। গা দুৰ্বল, মই খাব নোৱাৰো। মই কি কৰ' নাই কলৈ যোৱা নাই ক'চান তই। মোৰ যে দুৰ্নাম বোৰ গাত।

"হৈছে, হছে বৰ মানুহটো চিনি পাইছো গাত এখান শক্তি নাই, তেওঁৰ মুখত বৰ কথা।

"হেৰৌ, এতিয়াও এজনী আনিব পৰাতে শা ছা জান।

"জানো জানো পুৰুষৰ মুখৰ বৰ কথা আমি জানো মানুহ অনা তেওঁৰ চেহেৰা, কথা কলে বজে, খোজ কাঢ়িব লাগে লাঠি তাকো খোজ ক'ত পৰে ঠিক নাই তেই আন মানুহ। মোক এ'ৰ বুৰিব পাৰিলে তেওঁ ৰক্ষা পাৰ তেহে অ'ত তত মানুহৰ কথা শুনক ল'ৰাহঁতৰ লগত কাজিয়া কৰিব পোৱা নাই নহয়, সে যাহে তেওঁৰ গা উঠছে। দিন কাল চাবৰ নাই, য'ৰে তা'ৰ লগত যিহক তিহক কব মই সেইটো হ'ব দিব নোৱাৰো। লগত মই হ'লে যাম। সেগমাৰা মুখখন দেখা নাই, তাই বা কি ভাবি আছে, আমি অতদিন নোযোৱাই কিজানি কান্দিয়েই আছে যিহে আজলী ছোৱালী। এই বিপদ খনত কৰ বগা'ল কি কৰিছ একোৱে জানিব পৰা নাই সদায় সদায় যাওঁ যাওঁ বুলি ভাবো তোমাৰ কাৰণেহে মই ওলাব পৰা নাই। নে সিহঁতৰ কিবা কাজিয়া পেচালে হৈছে, নে বেমাৰ আজাৰে হৈছে তাৰা কোনো খা খবৰ লব পৰা নাই। মই যাম।

"নহলে বাপুকণক লৈ তায় যা। মই ঘৰ'ত থাকো। ঘৰ খনত থকা'তো এটা লাগ।

'অ মই গ'লে নোযোৱা। অকলাই যাব পাৰা। মই ইমানে এলাগী হৈ পৰিলো। মোক লগত নিলে তেওঁৰ মান যায় বুজিছোঁ। আৰু কব নালাগে। মই বা মৰো ভাবি চিন্তি তুমি মোৰ কাৰণে কোন দিনা ভাবিছা। মোক ইমান দিনে কি দিছা কলৈ নিছা। কিমান ঠাইত যাব বিছাৰিলো কোনোদিনে যদি লৈ গ'লা হেঁতেন। কত্তই কিমান ঠাই চালে, মই এই ঘৰখনত সোমোৱা দিন ধৰি ইযাৰ পৰা আৰু ওলাব নোৱাৰিলোঁ। এনেকৈ গু মূত ধুই ধুই ইয়াতে পচি পচি মৰিব লাগিব। লগৰ মানুহে নিজৰ ঘৈণীযেকক লগত লৈ যায়, আমাৰ হলে তেওঁৰ ভাগৰ খিনি খাওঁ বুলি আগতে জাপ মাৰি উঠে। লগত নিব টান পালে আনিবই নালাগিছিল। মোতকৈ ক'ত ধুনীয়া আছিল সেই বোৰক অনাহলেই ভাল আছিল। কপা বিধাতাই মোক হে জোৰা লগাই দিলে। ফুচুলাই ফুচুলাই আনিব পাৰিছিল, কত জানে মোক কত কথা ক'লে মই নুশুনি এইখন কপাল খালো।

'হৰো, আৰু বিনাব নালাগে। বাৰু যাবি। কি কৰু তাকেহে চালো। তোৰ বিননি নশুনিলে মোৰ ভাল নলাগে নহয়। গোটেই গো সাধু কথা বোৰ কয় কিয়। মই লগত নিনিলো বুলি ইমান খন বকলা মেলিব লাগ নে পুৰণি কাহিনী বোৰ শুনিলে বোৱাৰী হঁতে কি নকব।

"বোৱাৰী নহয়, তুমি যেন লগাইছা মই বোৱাৰীৰ আগত নহয় জোঁৱাইৰ আগত হে কৰৰ ইচ্ছা হৈছে। "জোঁৱাইৰ আগত ক'লে মই বেযা নাপাও। জোঁৱাইও ছোৱালী পলুৱাই নিয়া লাক মই'তো পলুৱাই অনা নাহিলোঁ।

জোঁৱাই ছোৱালী পলুৱাই নিয়া কোনটো চকুৰে দেখিলা।

মোৰ ছোৱালী তোমাৰ দৰে নহয, ইমান লাজকুৰীযা ল'ৰা সেই-জনে আকৌ ছোৱালী পলুৱাই নিয়া বুলি কবলৈ ভাল সাহস কৰিছা। সেই কাৰণে তো বাপুই মোক লগত নিব নিবিছাৰে।

"কিয জোঁৱাই কলেজলৈ যাওতে চিঠি দি যোৱা নাছিল, ছোৱালীক যে গুৱাহাটীত লৈ গৈ চিনেমা দেখুৱাই আনিছিল, জোঁৱাই যে ৰাতি আহি এইখিনি পাই যাব নোৱাৰা হয, এইবোৰ কথা মনত আছে নে নাই। "গোটেই সেইবোৰ মিছা কথা। তুমি সাজি সাজি কৈ মোৰ ছোৱালীৰ বদনাম ৰটিব গৈছা। মোৰ ছোৱালী তোমাৰ দৰে চুৱা খোৱা নহয়। জোঁৱাইৰ দৰে এনে সাধু ল'ৰা জনক বদনাম দিবলৈ তোমাৰ লাজ লাগিব লাগিছিল। জোঁৱাই এজনৰ কথা এনেকৈ কোনে শহুৰে কয সোধা গৈ চোন। লাজ নোহোৱা কাৰণেহে কৈছা।

"হেৰৌ, মোক যে ভৎসনা কৰিব ধৰিব, তই মোৰ তালৈ আহিবলৈ কিয় ওলাইছিলি। তই কোৱা নাছিলি জানো মই নানিলে গলত চিপ জৰি লগাই মৰিম বুলি। মই বাটে বাটে গলে তইনো কিয় ৰখি আছিলি। অ' তোৰখিনি নকৱ। তোক বাটৰ বাটকুৱাক তামোল দিবলৈ কোনে শিকাইছিল। হাতৰ মুঠিত তামোল খন লুকাই কিয ৰাখিছিল কচোন। সেই ৰুমাল এতিযাও কৰবাত বিচাৰিলে ওলাব। মই প্ৰমাণ হিচাপে ৰাখিছোঁ। তই গোলামাল কৰিলে মযো গোলমাল কৰিম।

"মইনো কি গোলমাল কৰিলো। সদায দেখোন তুমিয়ে কোটৰা জোঙৰা মাত মাতি থাকা। কোনদিনা ভাল মুখেৰে মাতিছা কোৱা-চোন।

"সদায় অপৰাধবোৰ মোৰ ওপৰতে থৱ। তোৰ অপৰাধৰ কথা কলে দায় লাগে নহয। পৰহি দিনালৈ যোৱা হব। কানি

কাপোৰ বোৰ ঠিক ঠাক কৰ।

"তুমি যাব খুজিছা যোৱাগৈ। মই কানি কাপোৰ কিয যতনাই দিব লাগে।

"তোক লগত নিম নহয।

"মই আৰু যোৱাত আছোঁ নে? মই যোৱাত নাই। তোমাৰ লগত গৈ জী জোঁৱাইৰ মুখ চোৱাত নাই। তুমি গৈ কেই সাজ মান খাই আহাগৈ।

"বাৰু নেযাও বুলিছ যেতিয়া আৰু তো উপায় নাই। বাটে পথে যদি কৰবাত পৰি থাকো, খবৰ বাতৰি নলবি। এই এৰাক এৰাই ঘৰ দুৱাৰ এৰিলো। ভালে কুশলে জোঁৱাইৰ ঘৰ পালে, তাৰ হাতৰ পৰা অলপ টকা লৈ পাৰিলে সিপাৰ হোৱাৰ চেষ্টা কৰিম। এই বুঢ়া বয়সত আৰু কিমান গালি গালাজ খাই থাকিম। কৰিব নোৱাৰা হলে যেতিযা বাটৰ কুকুৰেও বাট এৰি নিদিয়া হ'ল। গতিকে চলিব পৰাৰ্ত নিজৰ বাট লোৱাই ভাল।

"কিয আমি নাই নেকি। কোন দিনা নো কষ্ট দিলো তাকে যে কবলৈ লাগিছে। মই সেই কাৰণে কৈছো অকলে যাব নালাগে। দিন কাল বেযা, তেওঁহ কথা নুশুনে। গা উঠা কথা কৈ কৈ এতিযা মৰিব।

মোক এনেখন কৰাৰ যদি ইচ্ছা আছিল, আগতে কব লাগিছিল। মই কোন সতে অকলে এই বয়সত যাব দিওঁ। মোক যে কথা শুনাব লাগিছা। মই মাথো মোক লগত নিয়াৰ কথাহে কৈছো।

"তই দেখোঁন নেযাও বুলিলি।

"কেতিয়ানো কলো নেযাও বুলি, পকাই পকাই যে কব ধৰিছা।

"এতিয়াহে ভাল লাগিছে। পৰহি দুযোজনে ৰজা ৰাণী সাজি জী জোঁৱাইৰ ঘৰলৈ যাম।

(২)

ইখনৰ পিছত সিখন বাচ আহিছে গৈছে। এখনো বাচ ৰোৱা নাই। ল'ৰাবোৰে চিঞৰ বাখৰ কৰি গৈ আছে।

"জয় আই অসম", "অসম মৰিলে আমিও মৰিম", "অসম অসমীয়াৰ", "এই জুই জ্বলিছে জ্বলিবই" এইবোৰ ধ্বনি কৰি বাচ বোৰ গৈ আছে।

ইখনৰ পিছত সিখন কৈ বাচ আহি আছে গৈ আছে। কোনো খন বাচ ৰয়, কোনোখন নৰয। ৰোৱাখনৰ পৰা দুই এজন নামিছে। বাচৰ ভিতৰত উঠাৰ কোনো উপায় নাই। বাচৰ ভিতৰৰ পৰা, বডিৰ ওপৰৰ পৰা জয়ধ্বনি হৈয়ে আছে অলপ পিছতে আৰু কেইখন মান বাচ আহিল আৰু গ'ল। বাচৰ ওপৰে তলে সমান মানুহ। বিৰ দি সোমাব নোৱাৰি।

"ঘটনা কি হ'ল। ইখন দেশত চৰকাৰ আছে নে নাই। মবাইল ক'ৰ্ট বোৰ ক'ত গ'ল, পুলিচ পহৰীয়া সকল ক'ত গ'ল নে প্ৰত্যেকে আন্দোলনত যোগ দিছে। হবও পাৰে আজি কালিৰ যুগ'হে। বাচত ঠাই নোহোৱা হ'ল, ওপৰে তলে মানুহ যোৱা হ'ল। যদি কিবা এটা অঘটন ঘটে তেনেহ'লতো এইবোৰৰ ৰাজহাড বিচাৰি উলিওৱা টান হব। হেৰা। এইবোৰত কেনেকৈ যাবা। যাব নোৱাৰি। বেলি দুপৰ হ'ল। যাব এৰিবই লাগিল। যাবলৈ ওলাওতে এজনে কলে —"দেউতা, ইয়াৰ পিছৰ বাচ বোৰ খালি আহিব, সেইবোৰত আৰামেৰে যাব পাৰিব।

"বাচ খালি আহিব, এনেকৈ আৰু পান জপাদি আৰু নাহিব নেকি?

"এইবোৰ মানুহ পিকেটিং কৰিব গৈছে, সেইকাৰণেহে এনেকৈ গৈছে।

"ৰহ, এই বাছ'বাৰত ভাৰা আছে নে নাই? নে ৰিজাৰ্ভ বাছ

"ক'ত ভাৰা দিব। যদি ৰিজাৰ্ভ কৰি নিছে কথাই নাই। ৰিজাৰ্ভ নো কোনে কৰিব দেউতা।

"বাছখনতো চলিব লাগিল, তেল-মবিলতো লাগিল।

"দেউতা। তেল ডিপুবোৰত ছাত্ৰ সকলে তেলৰ কথা কয়, যি লাগে লৈ যায়। পইচাৰ কথা নাই।

"তেল ডিপুৰ তেল আনিবলৈ জানো পইচা নেলাগিব?

"এইবোৰ হিচাব একোকে নাজানো। কোনে কেনেকৈ চলিছে, বুজি নাপাও। অকল তেল বাচ ভাৰাই নহয় দেউতা। ছাত্ৰবোৰে চাহ দোকানত সোমাই চাহ মিঠাই ইচ্ছা মতে খায় আৰু একেলগে ওলাই গুছি যায়। দোকানীয়ে মুখ মেলি চাই থাকে। আমাৰ এই চ'কত কেইজনমানে পান তামোলৰ দোকান দিছিল, সিহঁতৰ পৰাও তামোল, চিগাৰেট লয় আৰু গুছি যায়। পইচাৰ কাৰবাৰ নাই। শেষত পান দোকানীবোৰে দোকান এৰি পেলাইছে।

"তেনেহলে আমাৰ দেশ বহু আগবাঢ়িছে। ৰহ, দোকানীবোৰে পইচা নাপালে আপত্তি কৰে নে নকৰে?

"আপত্তি কৰে কিন্তু ভয়তে পেপুৱা লাগি থাকে।

"ভয় আৰু কিহৰ? নিজৰ দোকান, গ্ৰাহকৰ পৰা পইচা সোধোতে কিহৰ ভয়?

"মাৰপিট কৰিম বুলি হাত ডাঙি উঠে নহয়।

"অ' সেই মূলক হে হ'ল। তেনেহলে আদি যামলৰ দিন ফলিয়াব।

"দেউতা। এযে নহয় আৰু বহু কথা। নিজ চকুৰে বিশ্বাস কৰিব নোৱাৰি। ল'ৰাবোৰে জাক বান্ধি দোকানবোৰলৈ যায় আৰু পইচা বিচাৰে। পইচা বিচাৰে মানে কোনো দোকানত পাচ হেঁজাৰ,

কোনো দোকানত এহেজাৰ, কোনো দোকানত পাঁচশ, এশ, পঞ্চাশ বিচাৰে। টকা নিদিলে জীৱনৰ সংশয় ভাবি যিয়ে যেনেকৈ পাৰে সন্তুষ্ট কৰি পঠিয়ায়।

"এই টকা পইচাবোৰ যে দিয়ে ৰচিদ পত্ৰ দিয়ে নে নিদিয়ে?

"ৰচিদ পত্ৰৰ কোনো কথা নাই, ধমকা ধমকিৰ ওপৰতে।

"অসমীয়া মানুহৰ পৰাও নিয়েনে?

'অসমীয়াৰ পৰাও নিয়ে কিন্তু তেনে অত্যাচাৰ নকৰে। এটা দলতে নহয়। এটাৰ পিছত এটা, নতুন নতুন দল আহিয়ে থাকে। এতিয়া দোকানী পোহাৰীৰ বাবে সন্ত্ৰাসৰ সৃষ্টি হৈ পৰিছে। দেউতা কি যে দিন হ'ল। এনে হুলস্থূল আগেয়ে দেখা নাছিলোঁ। কোনো কনডাক্তৰে যদি বাচৰ ভাৰা সাধিলে, লগে লগে বক্সিং লগাই দিয়ে।

"ইমানে হৈছে নে ?

'চহৰলৈ যাংকচোন, খালি প্ৰচেচন। ল'ৰাতকৈয়ো ছোৱালীৰ ধুমটো বাঢি গৈছে। আপোনালোকে যুঁজি নাচি জেলত গৈ গৈ এই স্বাধীনতা আনিলে। এৰা। ইও এক স্বাধীনতা। তহঁতে এই বোৰতে ঘূৰি ফুৰ। আমাৰ বাপু আৰু কণ বাপু এইবোৰত ফুৰিছে নে কি?

"আমাৰ এই ঠাইত দেখা নাই। কণবাপু বোলে ছাত্ৰ সন্থাৰ চেক্ৰেটাৰী। তেওঁৰ নিৰ্দেশত বোলে আমাৰ এই বিলাকৰ ছাত্ৰবোৰ জাগ্ৰত হৈছে। আৰু বাপু বোলে সংগ্ৰাম পৰিষদৰ বৰমুৰীয়া হৈ উঠিছে। আমাৰ মানুহবোৰে কোৱা কুই কৰিছে যে বৰুৱা স্বাধীনতা যুঁজত জপিয়াই পৰি দেশৰ স্বাধীনতা আনিলে। তেওঁৰ পুতেকো জেললৈ গ'ল, এতিয়া নাতি পুতিহঁত কিয় নাযাব। এই কথা হলে আমাৰবোৰৰ মুখে মুখে। কোনোৱে কিন্তু বেয়াকৈ কোৱা নাই। আপোনাৰ হলে সদায় শলাগ লৈয়ে থাকে। ল'ৰাবোৰৰ আন্দোলন

হোৱা দিনৰ পৰা আপোনাৰ মাথ পুৱাই গধূলিয়ে এবাৰ নহয় এবাৰ ওলাবই।

"তাতে কিবা কাজিয়া লাগিছে নেকি অ'। বহু মানুহ দেখো। তর্ক বিতর্ক হৈছে।

'দেউতা, কেৰাচিন পাবৰ নোহোৱা হৈছে নহয়, কোনোবাই কৰবা'ৰ পৰা দুই এক লিটাৰ কেৰাচিন হওক, ডিজেল হওক আনে। তা'ক ভাগ বিতৰণৰ কাৰণে ই বোলে মোক দে, সি বোলে মোক দে, সেইখনহে লাগিছে। দাম দিলেও পাবৰ নোহোৱা হৈছে।

"দাম কেনেকৈ লৈছে?

"পাৱাই পাচ সিকি।

"এপোৱা ডিজেলৰ দাম যদি পাচ সিকি হয়, এপোৱা নিমখৰ মূল্য হ'ল আঠ অনা। আন আন বস্তুৰ দৰটো সুকীয়া। ল'ৰাহঁ'ত এইবাৰ বস্তুৰ দৰ যে বেছি হৈছে তাৰ বাবে কিবা কয নে নকয?

"ল'ৰাহঁত বিদেশী খেদাতে ব্যস্ত। দুই এজান কয, আগতে আমি বিদেশী খেদিলেও, তাৰ পিছত এইবা'ৰ কথাৰ সমাধান কৰিম।

"মানুহবোৰে অতিৰিক্ত পইচা ভৰি ভৰি যেতিয়া শেষ হ'ব গৈ, তেতিয়াহে সিহঁত লাগিব। ভাল কথা কৈছে। কি যে হ'ল, কাৰ মাজত কি সোমাল কব'ক নোৱাৰা হ'লো।

"দেউতা। গাড়ী এখন আহিছে।

"বাৰু, যা'চান চা, যাব পাৰিবনে নোৱাৰি। মই অকলে হ'লে কিবা কৰিব পৰিলো হয পিচ এওঁ আহিল নহয় সে'যহে লেঠা।

"তুমি যাব পাৰিলে মই কিয় নোৱাৰিম। আগতে তুমি'য় উঠা। মোৰ বা'ব ভাবিব নালাগে।

দুয়োজন বাচত উঠিল। বাচ আগবাঢ়ি গৈ থাকিল। কনডাক্টাৰ ভাৰা সাধি'ল। কেজনমান ডেকা ল'ৰাই কনডাক্ট'ৰ ভাৰা সাধাত দিব-

লৈ অমান্তি হ'ল। দুয়ো দলৰ ভাৰাৰ কাৰণে তৰ্কা-তৰ্কি হ'ল।

"আমি মহাজনক কি হিচাব দিম। যেতিয়া ছাত্ৰবোৰক নিব লাগে মহাজনে গাড়ী দিয়ে নহয়। এতিয়া ছাত্ৰই নে অছাত্ৰই চিন নাই, খালি কব আমি ছাত্ৰ সম্থাৰ। ছাত্ৰ সম্থাৰ হলে চিন লাগে

"অ'ই, বৰ বেছি পেক পেক্ নকৰ, এক বক্সিঙত টৰাই দিম।

"কি ভাৰা সাধিলে বক্সিং লগাবি।

ভাৰা নিদিয়া জান কনডাক্তৰৰ ডিঙিত চেপি ধৰিলে। বাচ চলি আছে। দুয়ো দলৰ মাজত জোটা জুটি লাগিল। কোনো কাক মাৰিলে হিচাপ নোহোৱা হ'ল। ড্ৰাইভাৰে বাচ ৰখাই পিচৰ ফালে খেদি আহিল। বাচৰ ভিতৰৰ পৰা সিহঁতক টানি উলিয়াই আনি উত্তম মধ্যম লগাই সিহঁতক তাতে এৰি থৈ বাচ আকৌ চলিল।

"বাৰু দেখিম। তহঁত আহগৈ।

ল'ৰাহঁতৰ দিন পৰিল। এতিয়া আমি ল ৰা ৰজাৰ আমোলত আছো। বাপাইহঁত। ল'ৰাহঁত যি কয় তাক শুনিবি। মিছাকৈ হাই কাজিয়া কৰি এখন কেলেংকাৰী নলগাবি। ইয়াৰ আগত তো এনে হোৱা নাছিল। দেশখন যে কি হৈ গ'ল। অফিছ কাছাৰী নাই, বজাৰ সমাৰ সকলো শেষ হৈ গ'ল

'বঙাল খেদিলে নে আমাক মাৰিলে। গাঁতৰ তামোল গাঁতত থাকিল। যিখিনি কৰি মূল্য কৰিলো তাৰো দাম দৰ নাই। নিওতা নোহোৱা হ'ল। হাঁহ, পাৰ, মূৰ্গী, কণীৰ দাম নোহোৱা হ'ল। বজাৰবাৰ নোহোৱা হ'ল। কোন যাব কাৰ কেচা কিল খাবগৈ।

"বজাৰ সমাৰবোৰ নহলে আমাৰ বস্তুবোৰ ক'ত বিক্ৰী হব? দেশত কোনো বস্তু নোপোৱা হ'ল। সোণৰ দাম চাবা নে কেৰাচিনৰ দামক চাবা। বস্তু পইচা দিলেও নোপোৱা হ'ল।

"আমাৰ অসমৰ কেৰাচিন, সি কোনকৈ নোহোৱা হয়।

'কিয় ল'ৰাইঁতে পিকেটিং কৰি থাকিলে তেল আৰু ক'ৰ পৰা ওলাব। ল'ৰাইঁতে পিকেটিং কৰক, বাপেকহঁত লঘোন খাটি মৰক। গাঁতৰ তামোল এতিয়া গাঁততে পচিব, বাৰীৰ শাক পাচলি গৰু লগাই খুৱাব লাগিব; বেয়া হোৱা নাই। পথাৰতো ঘাঁহ নাই। দেশজুৰি দুৰ্ভিক্ষ, খৰাং বতৰে আকাল কৰি তুলিলে যেতিয়া, এইবোৰ পথাৰত ৰবি শস্যৰ খেতিকে কৰা যাওক বুলি ইচ্ছামতে হাল্ৰকে বালো। সাৰ, বিধান দি বীজো সিঁচিলো এতিয়াতো টেকেনা ল'ৰা হঁতে গৰু নেচাৰে সিহঁত বোলে সত্যাগ্ৰহত যায়। বিধান সিঁচা, হাল বোৱা এনায় গ'ল, বুঢা হালোৱা কেইটাক হে মাৰিলোঁ।

"ইপিনে দেশত এনে হাহাকাৰ, বয়-বস্তুৰ জুই-ছাই দাম হ'ল। খৰাং বতৰৰ বাবে আহুতো নহ'ল, শালি যি হ'ল গছ পাতে হ'ল, ফল নধৰিলে। ইপিনে সগালে ল'ৰাখনে এইবোৰ। এইবাৰ বাচিলেহে বাচা।

"যোৱা বেলি হাৰিয়ানা, পাঞ্জাৱৰ চাউলোৰ কোনোমতে বাচা গ'ল। এই বেলি চাউল দিলেওতো পইচাৰ বাবে কিনিব পৰা নাযাব। যাৰ যি হাতে কাণ আছিল গোটেই গ'ল।

'চৰকাৰে যে একাখন ভেকো ভাওনা পাতিছে, টিন পাতেৰে বেৰ দি পাতিছে জেল' কেইঘণ্টামান সুমুৱাই ৰাখি দিয়ে এৰি। এনেকৈ জেলাৰা মান খেদালে।

"এইখন নো চৰকাৰ নে? চৰকাৰ আৰু নাই।

"চৰকাৰ নো কোন? আমাৰ ঘটিৰাম, বাটিৰামৰ ঘৰৰ পৰা গৈয়ে হ'ল কোনো কোনো বিষয়া। তেওঁলোকে হ'ল চৰকাৰ।

"গাদীখন নোপোৱা পৰ্য্যন্ত সৱ আমাৰ মানুহ, যিদিনাই গাদী পালে কাকো চিনি পোৱা নাযায়। আমাৰ পৰা হৈ গ'ল সুকীয়া ভেমৰ। এওঁলোকে কাকো চিনি নোপোৱা হ'ল। এওঁলোক হৈ পৰিল বিদেশী সকলৰ মিত্ৰ। সিহঁতক আপোনাৰা আপোন কৰি দেশখন

একেবাৰে বিদেশী কৰি পেলালে।

"ল'ৰাহঁতে আজি বিদেশ বিদেশী বুলি কৈছতো, সিহঁতৰ পিতাকহঁতে এদিন আনি সুমুৱাই ললে, এতিয়া যেতিয়া "গোজেই গছ হ'ল" আৰু কোন পায়? এতিয়া উপায় নাপাই পুতেকহঁতক লগাই দিছে।

"নহলেনো সিহঁতে মাটি ক'ত পায়? মণ্ডল হাকিম মাটি নিদিলে নো আমাৰ গাঁৱৰ মানুহ সিহঁতক মাটি দি বহুৱাব'ন? আমি যদি মাটি বিচাৰি যাও, কিমান নো কথা, আমাৰ কাৰণে মাটি নাই। আকৌ মাটি ক'ৰ পৰা ওলায়। এইবাৰ হ'ল তিন তাচৰ খেলা।

"আজি হাহাকাৰ লগাই তুলিছে, আমাৰ ল'ৰাহঁতে বোলে চাকৰি কৰিবলৈ চাকৰি নাই, বাপেকহঁতে বিদেশীবোৰক পিয়ন চকিদাৰ, কেৰাণী, মহৰি পাতি নিজৰ নিজৰ কাম আদায় কৰি ললে, এতিয়া সিহঁতে গোজ গছ হ'ল যেতিয়া কি কৰিব এতিয়া মৰিব লাগিল আমি।

"এইবাৰ ল'ৰাহঁত লাগি গ'ল ষ্ট্ৰাইকত, সুযোগ পাই মাষ্টৰহঁত লাগি গ'ল ধান কটাত। এইবাৰ সোণালী সুযোগ উলিয়াই ললে। চাকৰ, বন্ধা, হাজিৰাৰ মানুহ আৰু ক'ত বিচাৰে। স্কুল নকৰাকৈ পায় দৰমহা, তাতে নিজেই যেতিয়া চাকৰবোৰক বাদ দি লাগি গ'ল।

"মাষ্টৰ নহয়, গোটেই চাকৰিয়াল বাবু সকলৰ দিন পৰিল, কোননো ক'ত যায় গোটেই খন নিজৰ নিজৰ কামত ব্যস্ত থাকে।

"সকলোৰে হ'ল, মাষ্টৰ সকল, অফিচৰ বাবু সকল বাচি গ'ল। মৰিলো আমি ফৰিঙা কেজন খেতি খালাতো গ'লেই বেপাৰ বণিজো শেষ।

"এই চব বাদ দে। ল'ৰাহঁতৰ লগতে সত্যাগ্ৰহ কৰাত লাগিব

লাগিল। তাত বোলে খাবও পায়, বাছতো ভাৰা নালাগে।

"বৰ মজা। বৰ মজা। ওলালে হ'ল। আমাৰ গাঁৱৰ তিৰিখন গোটেই ওলাইছে ল'ৰাইতে সিংতক চহৰ দেখুৱাও বুলি কৈছে, গোটেই খন ওলাই আহিছে। ভাৰা নালাগে, পৰৰ ওপৰতে অহা যোৱা, খোৱা লোৱা কৰিছে, ভালেই কৰিছে।

"আমিও ভাবিছো বোলো ঘৰতে কেল্লা লাগি থকাতকৈ সত্যাগ্ৰহত ভৰ্তি হোৱাই ভাল। কেতিয়াবা কিজানি জেল খোৱা বুলি পেঞ্চনে পাওঁ

"কংগ্ৰেছী বিলাকে জেলত গলে যদি পেঞ্চন পায়, আমি কিয় নাপামহে। আমাকো পেঞ্চন দিব লাগিব, নহলে কিয় এৰিম?

"পেঞ্চন লবলৈ কিন্তু ভাল বুদ্ধি হৈছে দেই। গোটেই মানুহে ওলাই আহিব, কি কথা আছে। ঘৰত নো কি উলটাই থাকিম। হয় যদি দেশৰে কাম হওক, নহ'লে নিজৰতো খোৱা লোৱা, ফুৰা চকা হ'ব। যেতিয়াৰ যি বুদ্ধি তাকে কৰিব লাগে।

'আমি বুদ্ধি কৌশল নেজানো বুলিয়েতো মৰিছো।

"হালুৱৈবোৰক পেঞ্চন দিয়াৰ বৰ টোপটো দি থলে কামত ফেন সোপা।

"হালুৱৈক পেঞ্চন দিব, কি বুলি দিবহে, এতিয়া শুনিছোঁ। ইন্দিৰা গান্ধীয়ে বোলে সত্তৰ নে আশী বছৰ হোৱা হালুৱাক হে পেঞ্চন দিব

'হেৰা। কোননো হালুৱৈ তিনিকুৰিৰ ওপৰ বাচি থাকেহে। নেখাই নেখাই পৰিশ্ৰমতে কংকাল ভাঙি পৰে আৰু তিনি কুৰিৰ ওপৰ থাকিব নে?

"সেইবোৰ মিছা। জেলত যাব লাগে আৰু পেঞ্চনৰ দাবী কৰিব লাগে। কত হাঁহচোৰ, ছাগলীচোৰে জেল খাটি পেঞ্চন ললে আমি কিয় নাপামহে।

"যিয়ে দেশৰ বাবে জেললৈ গৈছে তেওঁলোকক পেঞ্চন দিয়ক আক কিবা দিয়ে কথা নাছিল। আমাৰ তাতে এজন পিযন আছিল। সি বোলে ডাকঘৰৰ টকা খোৱা কেচত পৰি জেল খালে। জেলৰ পৰা ওলাই আহিতো মহা কংগ্ৰেছী হৈ পৰিল। সি বোলে জেল খটা বাবদে টকা পালে। সিয়ে কয়, সি বোলে দেশৰ হকে হে জেলত গৈছিল, এতিয়া ক'ত মৰা মৰা।

"নকবা, নকবা ভাই সেইবোৰ কথা। মোৰ এক সম্বন্ধীয় খুলশালী আছিল। সি ইযাবে তাৰ পৰা ছাগলী চুৰ কৰি শেষত ধৰা পৰিল। তাৰ বিচাৰ হ'ল, তিনিমাহ বোলে জেল হ'ল জেলৰ পৰা ওলাই আহি তাৰ কি ফুটনি চাবা। আমাৰ নিচিনা মানুহক সি মাতিবই নোখাজে। এতিযা সি আঢৈশকৈ মাহে পেঞ্চন পায়। কিনো বেযা কৰিলে সি। ভাল বুদ্ধিমানৰ কামকে কৰিলে। অকল পেঞ্চনে নহয়, গুৱাহাটী চহৰত বোলে চৰকাৰী মাটি দুকঠাও পালে।

'নকবা ভাই গোটেই অৰাজকতা। কতো সত্যাসত্যতাৰ বিচাৰ নোহোৱা হ'ল।

'ইংৰাজ থকা হলে ভাল আছিল, ইমান অৰাজকতা নহ'ল হেঁতেন। তুমি জেলত গলা তাৰ বাবেও পেঞ্চন পাব লগা হ'ল নে? কিয় পুলিচে আমাক কোবোৱা নাছিল নে? আমি দেশৰ ভলন্টিয়াৰক চাউল-পাত, টকা, কড়ি দি সহায় কৰিছিলোঁ, সিহঁতৰ লগত আমি কিমান যাতনা খাইছিলো, কিয় আমিওতো ভাগ পাব লাগিছিল।

"কংগ্ৰেছী নেতা সকলৰ ঘৰত যিয়ে চাকৰ, ৰান্ধনী আছিল, টোপোলা লোৱা ভকত আছিল সিহঁতেও পেঞ্চন পালে। বাচ-বিচাৰ একো নহ'ল ইও এখন চৰকাৰ নে? কিতাপ লিখিলেও বোলে পেঞ্চন দিয়ে, গান বাজনা কৰোঁতা সকলেও পায়, বল খেলা, কুষ্টী কৰা প্ৰত্যেকেই বোলে পায। এতিয়া এম এল. এ, এম পি বোৰেও

পেঞ্চন লোৱাত লাগিল ।

"এইয়া স্বাধীন হ'ল পেঞ্চন যোৱাবহে । জেলত গলেও পেঞ্চন পায়, চাকৰি কৰিলেও পেঞ্চন পায় । আমি হতভাগ্যৰ কেইজনৰ হে কপালত নাই । মোৰ সেইদেখি এইবোৰ কথাত মন নাই, মই কৈ দিছো এইবোৰত মোৰ পৰা কোনো সহায় নাপায় । এইটো নে কিবা আন্দোলন নে ? বঙালী কেইটা খেদা বা নখেদা আমাৰ লাভালাভ কি ?

"আমাৰ অসমীয়া বাবু কেইটাৰ কথা কি চাবা ! এটা খাব বিচাৰি বিচাৰি আজি দুবছৰ ধৰি লোৱাই প্ৰতি দহটকা, পাঁচ টকা দি থাকিও আজিলৈ খাবৰ টকা নাপালো । মগুৱে কাকি। ম কিছু খালে । মাটিৰ কাগজখন উলিয়াওঁতে, হয়তো কেৰাণী জনক আৰু হাকিম জনক কিছু টকা দিলো । দিয়া থিনি অহা যোৱাই, মোৰ কেৰালাতকৈ গুটি দীঘল হ'ল । কিন্তু বঙালীবোৰ আহিলেই টকা পায় । টকা দিয়া বাবু কেইজনটো আমাৰে অসমীয়া । অথচ আদালতত কাম কৰা ভদ্ৰলোক সকলে আমাক অফিচে কাচাৰীয়ে গ'লেতো চিনিয়ে নাপায় । কিবা এবাৰ সুধিলে চাহ তামোলৰ খোকা পিটে । আৰু যদি নিদিয়া তোমাৰ প্ৰতি ফিৰিয়ে নাচায় । আমাৰ কাম কৰা দূৰৈৰ কথা ।

"মুই মোৰ ল'ৰাটোক এটা কামত ভৰ্ত্তি কৰিবলৈ এজন বাবুক ক'লো । চাকৰিৰ আশাত তাক তিনি বছৰকৈ বাবুজনে ঘৰতে বাচন-বৰ্ত্তন ধোৱা, বজাৰ-হাটৰ কাৰণে ৰাখিলে । ধৰ্মহাতো নাহেই কত ৰকমৰ মাৰধৰ । তথাপি তাক চকুত কাপোৰ বান্ধি থাকিবলৈ ক'লো, কিজানি সময়ত মূৰত চাকৰিটো হয়েই । মাজে মাজে বাবুক গৈ ভৰি ধৰো । ঘৰৰ গখা চাউল-পাত তামোল পাণ দি থাকো । যেনুৱাই প্ৰতি । কিন্তু কি হব ! মোৰ ল'ৰাই খোজ পঢ়া জনা নেজানে,

পত্তিকে চাকৰি নাপায়। মই বাবুজনক কলো, যদি লেখা পঢ়াৰ কথাই হয় তেনেহলে তোক তিনিবছৰে কিয় ৰাখিলে। তাৰ পিছত যে খবৰ পাও এজন চিলেটিয়া ল'ৰাক চাকৰিটো দিছে। তিনি বছৰে মোৰ বৰনীও গ'ল অহা যোৱা দুখ কষ্টও গ'ল।

"মই ঘৰৰ ওচৰতে সুবিধা চৰকাৰী মাটি ভাঙি ললো। মোৰ নামত মাটিখিনি বন্ধাৰ বাবে হাকিমে মণ্ডলে কিমান যে জহা চাউল খুৱা'লা, পিচে কি হব। তিনি বছৰৰ মূৰত এজন নেপালী মানুহৰ নামত মাটিখিনি বান্ধি দিলে। অত বছৰৰ মোৰ দখল, মাটি ভঙা দুখ বোৰ এনেয়ে গ'ল। মই ঘি, মাখন খুৱাব নোৱাৰিলো নহয় মোৰ পিনে কিয় চাব?

"আমাৰ বাবু সকলে যদিহে কিবা কৰি বঙালী হওক মাৰোৱাৰী হওক এজনক লগ পায়, তোমাৰ যিমানে কথা নাথাকক ফিৰি নাচায়। কথাবাৰ কৰলৈ তেওঁলোকৰ সময়ে নিমিলে।

"আমাৰ স্ব জাতিৰ ভাই বন্ধুৰ আত্মীয় স্বজনৰ যদি কোনো কতো মানুহ হ'ল তেনেহলে তেওঁৰ আশা এৰি পেলোৱা।

"জানো, জানো আমাৰ অসমীয়া উকিল মহৰী কেজনৰ কথা। সিবেলি গোবেশ্বৰত ঘটনা ঘটিল আমাক বান্ধি লৈ আহিল অসমীয়া পুলিচে। জীৱন কালত গোবেশ্বৰ দেখা নাই, আমি ঘটনাতো নাই, ওহো কোনো বিচাৰ নহল হে। গোটেই গাঁওখনৰ মানুহক ধৰি আনি জেলত ভৰাই থলে। তাৰ পিছত উকিল মহৰীৰ গোৰ লাগিলো। অ' অসমীয়া বুলি ফিৰিয়ে নাচালে। প্ৰথম জামিনত খালাচ হওতে কাৰো ললে তিনিশ, কাৰো ললে পাঁচশ। তাৰ পিছত হাজিৰা দিব আহোতে দিনে দহ টকাকৈ। সিবাৰে গোটেই মাটি বাৰী গ'ল দিয়া। আৰু আমি এইবোৰত নাই।

"মই বেলত কাম কৰা মোৰে সম্বন্ধীয় বাবু এজনক [illegible] ল'ৰাটোক সুমুৱাই দিবলৈ কিমান [illegible] লৰাটোক সুমাই নিদিলে। পিচে দৈব ছুবি পাকত আহোতে যাওঁতে দখা শুনা হোৱা বঙালী বাবু এজনক যেতিয়া কলো, তেওঁতো ল'ৰাটোক একে [illegible] দিলে। এজনে নহয় দিয়া দহ বাব জনক সুমুৱাই দি'ল। [illegible] কি যে ব্যৱহাৰ। তেওঁৰ ঘৰলৈ গলে একো নোখোৱাকৈ আহিবই নিদিয়ে। সেইবাবেহে মানুহ। নহ'ল কি হ'ল অসমীয়া। অসমীয়া জনেনো কি ভাল কৰি দিলে।

"এইবেলি গোটেই চাকৰি কৰা বাবুবোৰেই এই আন্দোলনত যোগ দিছে. এইবাৰ কথা'টা বেলেগ হ'ব দেই।

"চাকৰি কৰা বাবু সকলে অতদিনে ভেটি খাই খাই অফিচৰ কাগজ পাতি চুৰ কৰি কৰি পাব্লিকক দেউলীয়া কৰিছিল, এতিয়া আন্দোলন কৰি চৰকাৰক দেউলীয়া কৰাত লাগিছে।

"চাকৰিয়াল আৰু মাষ্টৰ সকলে ছাত্ৰবোৰক এইবোৰত লগাইছে। ন'হলে, ল'ৰাহঁত আগ নেবাঢ়িলেহেঁতেন।

"এইবোৰত কিন্তু আমাৰ কোনো হালুৱৈ নাই।

"হালুৱৈবোৰক লগো ধৰা নাই।

"হেৰা হালুৱৈ কেজনক লগ ধৰিলে যেপাৰীহঁত যেপাৰ কৰে কাৰ ওপৰত, বাবু ভায়াৰ ওপৰত তো নোৱাৰে। যিমান যি কৰে আমাৰ ওপৰতে। এইবোৰত ফুৰি যদি হালুৱৈবোৰ জমা হয় তেতিয়া দেখো লেঠাই মৰিব। সেইবোৰ চিন্তা কৰিয়ে গাঁৱৰ হালুৱৈবোৰক এৰি থৈছে।

"এই বাবু ভায়া সকলে হৰতাল কৰি কৰি দৰ্মহাবোৰ বঢ়াই লৈ আমাৰ মূৰত কঠাল ভাঙিব পাৰিব। চাকৰিত থলেও

হ'ল নগলেও হ'ল দৰ্মহা গঁজি থাকিব। বেমাৰ হ'লেও ছুটি পায়, বেমাৰৰ চিকিৎসা পায়, ঘৰ ভাৰা পায়, প্ৰভিডেণ্ট ফাণ্ড, পেন্সনটো আছেই, ঘৰ দুৱাৰ সাজিবলৈ বোলে টকা পায়।

"চৰকাৰ নো কাৰ বুলি ভাবেছে। কৰ্মচাৰী সকলোৰে। তেওঁলোকৰ সা-সুবিধা নহয় হালুৱৈ চৰকাৰ হবনে? যাতে মন্ত্ৰী, এম এল. এ. সকলে ভয় কৰি চলে তাকে দেখুৱাবলৈ এই আন্দোলন। তেওঁলোকে আন্দোলন হে কৰিছে। দৰ্মহাতো পুৰাই লৈ আছে। দৰ্মহা নলৈ চাকৰি এৰি আহিল হৈ তেতিয়াহে বুজিলোহৈ।

"ল'ৰাবোৰক আগত লগাই দিছে। ল'ৰাবোৰৰ পঢ়া শুনাতো গ'লেই যি কণ সুবিধা হব তেওঁলোকে ভোগ কৰিব। ল'ৰাহঁতে ওঠ চেলেকোতে যাব।

"ল'ৰাহঁতৰ হে গ'লনে? আমাৰ মাক বাপেকবোৰে সিহঁতৰ লগত যি টকা পইচা খৰছ কৰিলে সেইবোৰ পানীত নপৰিল নে?

"তাকেহে কৈছা, বয়-বস্তুৰ দৰ. যে বাঢ়ি গ'ল তাকে নোকোৱা কিয়? মাৰোৱাৰী বোৰে কৰাইঁতক দিয়াহে দেখিছা, এই কেইমাহতে একেবাৰে লুটি পুটি আনিলে। কি বস্তুৰ দৰ হোৱা নাই? লোণ, কেৰাচিন কিনিব নোৱাৰি। ৰাতি এন্ধাৰতে খেপিয়াই ফুৰিছো, সুদা ভাত কেইটা নাযায়, কতো লোণ অলপ নোপোৱা হ'ল, কৰবাত পালেও যিহে দৰ কি কবা।

"আমি হালুৱৈ বোৰা লগলাগি গুলাই আহি মাৰোৱাৰী গোলীবোৰ লুটপাত নকৰিলে নহৈছে, কিমান আৰু সহ্য কৰিবা। গোটেইবোৰ যদি লগ হও আমাক কোনে পাৰে।

"আমি এক নোহোৱা কাৰণেতো বাবু ভায়া সকলৰ ৰাম ধামি হৈছে। আমি এক হৈ গুলালে তামচা চাব পৰা গ'ল-হেঁতেনতো।

"গোটেই গাঁৱে গাঁৱে মিটিং কৰি এক হৈ লব পাৰিলে হে আমাৰ মুক্তি হ'লহেঁতেন ।

'চৰকাৰেনো আমাৰ হালুৱৈ কেইজনৰ বাবে দিয়া নাই কি? গাঁৱে গাঁৱে প্ৰাইমেৰী স্কুল, হাইস্কুল কৰি দিলে । ল'ৰাই পঢ়ক নপঢ়ক মাষ্টৰৰ দৰ্মহা গৈ থাকিল । মানুহৰ ডাক্তৰখানা, গৰুৰ ডাক্তৰখানা দিলে ক'তো হ'লে ঔষধ নাই । খেতিয়ক সকলৰ বাবে ব্লক কৰি দিলে, গ্ৰামসেৱক পাতি দিলে । ঠেঙা মাৰি গাঁৱে গাঁৱে ঘূৰি ফুৰে কামত হলে একো নাই। নাই, বিধান দিম দিম বুলি কয় পিচে বাট চাওঁতে চকু বিষাল । কিমান নো বিষয়া আমাৰ হালুৱৈৰ বাবে দিয়া নাই ।

"হেৰা আমাৰ হালুৱৈবোৰক দেখুৱাই দেখুৱাই হালুৱৈৰ উন্নতিৰ বাবেই এইখন চৰকাৰে বুদ্ধি সাজি অফিছে কৰ্মচাৰীয়ে কৰি পেলালে। যিমানে অফিচ দেখিবা, কৰবাত দেখিবা হালুৱৈৰ ঘৰৰ শিপিনীৰ বাবে সূতা, তাত শাল যোগান ধৰাৰ অফিচ । কৰবাত দেখিবা হালুৱৈ বিলাকৰ অৰ্থনৈতিক উন্নতিৰ বাবে সমবায় অফিচ। হালুৱৈৰ কাৰণে কৃষি বিভাগ, ভেটেৰেনেৰী বিভাগ কিমান শ অফিচ, কিমান হেজাৰ কৰ্মচাৰী কি তৎ ধৰিবা। খেতিয়কৰ বাবে মৰাপাট গোৰোৱা খাল, মাছ পোহাৰ কত ব্যৱস্থা কৰিছে, গোটেইবোৰ আছে কাগজৰ পাতে পাতে । গোটেই হালুৱৈ চহকীক ঢালি দিছে এটোপো নপৰে । মেডিকেলখন বোলে আমাৰ হালুৱৈবোৰৰ, পিচে যেতিয়া ৰোগী লৈ যাবা তোমাৰ চিট নাই, ঔষধ কিনিব লাগে বাহিৰৰ পৰা । মই হলে এইবোৰ বাবুক দেখিলেই গাঁৱৰ পৰা খেদা কৰিছো, ভালে বোলা বা বেয়াই বোলা ।

" ৰেডিঅ'টো শুনিবাচোন; গোটেই কথা খেতিয়কৰ কাৰণে । কি সুন্দৰকৈ কব শুনিলে ভাব হয় এইবাৰ বাচিলোঁ। পিচে

কতা , বছৰৰ পিছত বছৰ অপেক্ষা কৰিলো একোৱে নহ'ল। ৰেডিঅ'ৰ মতে নলা নৰ্দমা খান্দি গোটেই পৃথিৱী চলাথ কৰিলে পিচে খেতিয়কে হলে এটোপা পানীও নাপালে।

"কিনো কৰা সেইবোৰ কথা, আমাৰ গাঁৱৰ পৰা পটি গুনি গৈ টাউন চহৰত থাকি আমাৰ ওপৰতে বৰ কুঠাৰ বছৰাবলৈ লাগিছে।

"কথা হলে এটাই দিয়া। আমাৰ মানুহৰ জাতি দুটা, এটা হ'ল চৰকাৰী কাম কৰা বাবু সকলৰ, তেওঁলোকৰ লগতে থাকিল পুলিচ মিলিটাৰী, বেপাৰী মহাজন, ঠিকাদাৰ, ডাক্তৰ, কমপাউণ্ডাৰ গোটেইবোৰ। আৰু আনটো হ'ল আমি গাঁৱত থকা হালুৱৈ সকল, আমাৰ লগত থাকিল খোৰাকণা, ডেঙুৰবাৰী বিধবা মাছুৱৈ, ধোবা, নাপিত, কমাৰ, কুমাৰ, হীৰা, চমাৰ। এই সকল। এই হিন্দু, মুছলমান, কলিতা, বামুণ সকলো মিছা, এই বোৰ আমিহে বনাই লৈছো। জাত' পাতবোৰ আমাৰ মাজত হে। তেওঁলোকৰ মাজত একো নাই। তেওঁলোকৰ মাজতে ছোৱালী দিয়া-থোৱাও হৈছে, খোৱা লোৱাও হৈছে। মুঠতে বাবু বুলিলে সকলো এক। আমাক আমি এইবোৰ জাত পাতৰ কথা উলিয়াই আমি আমাৰ মৰণহে মাতি আনিছো।

বাছ থন আহি গুৱাহাটী পালে। তেতিয়া সন্ধিয়া নামিছে। চহৰখন বিজুলী পোহৰেৰে দিনৰ পোহৰৰ দৰে হৈ উঠিছে। লগত নিয়া টোপোলা কেইটাৰে দেবী বৰুৱা আৰু তেওঁৰ পত্নী নামিল। টোপোলাবোৰত জহা চাউল, বৰা চাউল, তামোল-পান, নাৰিকল, দু-আখি মান কল আৰু কিবা কিবিৰে জী জোঁৱাইৰ ঘৰলৈ বুলি লৈছিল। জোঁৱায়েকৰ ঘৰ বাছ ৰখা ঠাইৰ পৰা প্ৰায় আঢ়ৈ মাইল মান। টোপোলা কেইটাও গধুৰ। ডাঙি নিব পৰা

নাযায়। বিস্নাবোৰক মাতি মাতি সোধে ভাৰা কিমান লাগিব। কোনো জনক তিনি টকা লাগে, কোনোজনক দু টকা লাগে, কোনো জন বা নাযায়। ইমানখিনি ভাৰা কেনেকৈ দিয়ে। দৰদাম কৰোতে পলম হৈ গৈ আছে। ধৈণীয়েকে মাত লগাই কলে "এখন বিস্নাকে লোৱা, যি লাগে দিব লাগিব। সোনমায়ে দিব নহয়।

"তই জোঁৱাইৰ ঘৰত আহি বিস্নাৰ ভাৰা সুধিবিনে?

"আমিনো পোনে পোনে ভাৰা সাধিম নে? দেখি ল মাইজনীয়ে আগেয়ে দিব নহয়।

"নিদিলে কি কৰিবা?

"কিয় নিদিব, মোৰ সোণজনী তেনে নহয়। আগে পিচে দি থাকে নহয় ।

"হেৰৌ, জী-জোঁৱাইৰ ঘৰলৈ আহিছ, সিমান তললৈ নেনামিবি। জী-জোঁৱাই দিলওতো পইচা। ইমান ভাৰা কেনেকৈ দিয়া! ইমান মাইল বাছত আহিলো ভাৰা ললে তিনি টকা। ইয়াতক খিতাতে খুজিলে তিনি টকা দিব পাৰিবিনে? অলপ কষ্ট হ'ব আৰু কিনো হ'ব। টকা তিনিটা ভৰিব নোৱাৰি ।

"এই টোপোলাবোৰ কঢ়িয়াই নিলে জোঁৱাই দেখিলে কি যে ভাবিব? দেখাবোৰেও জোঁৱাইক নিন্দা কৰিব ।

"মইতো চাকৰি কৰা ভদ্ৰলোক নহওঁ। হাল বাই ভাত খোৱা মানুহ। মোৰ কি লাজ।,

"হয় হয়, বৰ ডাঙৰ যশস্যাৰ কথা কৈছে। কোনদিনা হালৰ মুঠিত ধৰিছিলাহে? মোৰ আগত যে কোৱা। মই নিজে কিমান দিন ক'লো আন মানুহ ধৰিব নালাগে মই আৰু বোৱাৰীয়ে মাটিখিনি কৰ পাৰিম, তেতিয়া তোমাৰ মান যায়। আজি এইহেন টোপোলা কেইটা কঢ়িয়াবলৈ মান নাযায় ।

"মই এইবোৰ জানিয়ে তোক আনিব বিচৰা নাছিলো।

"মই নাহিলেতো তুমি ভালে পোৱা। চাৰিও পিনে খাই ফুৰিব পাৰা নহয়। মই লগত থাকিলেতো তোমাৰ প্ৰতিবন্ধক হয়। এই ৰাৰ ক'লৈ যাবা চাম নহয়। অকলে হলে কতো 'যাব নিদিও।

এখন বিস্না আহিল। তাত দুয়োজন উঠি বহিল। টোপোলা-বোৰ তুলি ললে। "হেৰৌ! দুয়োকো ৰজা-ৰাণী যেন লাগে অ'।

"সেই কাৰণেতো মই কৈ আছো এখন বিস্নাকে ধৰা। তুমিহে পইচা পইচা কৈ মৰা।

"অ' মই বুজাই নাছিলো, কি যে আৰাম! দুয়োবো গাক্ গাই লাগি দৰা কইনা যেন বোধ হৈছে।

"তুমি যিমানে বুঢ়া হৈ গৈছা সিমানে লাজ নোহোৱা হৈ হে গৈছা।

"এইটো নো কিহৰ লাজ অ'। মই দৰা হোৱা নাছিলো নেকি, নে তই কইনা হোৱা নাছিলি! বিয়াৰ ৰাত্তি যে তোৰ আঙুলিটোত মই টিপি ধৰিছিলো। মনত নাই নে?

"তুমি নো কম আছিলা নে, লাজ কাজ একোৱে নাছিল। ছোৱালী চাব গৈ ছোৱালী থকা ঘৰত যি সোমালা আৰু ওলাই নাহা হলা। তেতিয়া বাহিৰত থকা কিজনে কি ভাবিছিল দেচোন!

"তোক মই ঘৰৰ ভিতৰত অকলে পাই, দিয়া জলপানৰ কথা পাহৰি গলো। তোৰ মুখত যে মোৰ মুখখন লগাই দিলো আৰু তো আনিব নোৱাৰা হ'লো।

"মোৰ হলে বৰ লাজ লাগিছিল।

"তোৰ লাজটো মই জানিছিলো দে। লাজতহে মোক এৰি দিয়া নাছিলি। তোৰ চোহাটো মোৰ আজিও মনত আছে।

"ইচ নকৰা আৰু সেইদিনাৰ কথা। ৰাতিপুৱাতো মই ক'তো ওলাব নোৱাৰো। গোটেইখনে মোৰ গালৰ পিনে চায আৰু মিচিক-মাচাককৈ হাঁহে ।

"বাৰু কচোন ! মই দিযা কাপোৰ জোৰ কিয় লোৱা নাছিলি, প্ৰথমে কিয ফিৰৎ দিছিলি ?

"কিয লোৱা নাই কৈছিলো দেখোন।

"প্ৰথমে তই কোৱা নাছিলি, এইবোৰ কিয় দিছে ? মোক নালাগে লৈ যাওক । তেতিযা মোৰ কি হৈছিল জান্ ? মোৰ অন্তৰত যে কি আঘাত লাগিছিল।

"মানুহে দেখাকৈ সেইবোৰ ললে কি নকব ।

"হলেও তই কম নাছিলি দে। তোৰ তালৈ কিমান আশা-লৈ যাও, কোনো দিনে তই মোলৈ অহাৰ আগ্ৰহ নেদেখুৱালি। তামোলখন দি পঠাব আনৰ হাতত । মই নো কি বুলি তাত থাকো। মই যাও তোক লগ পাবলৈ, তোৰ লগত চাবি আষাৰ কথা পাতিবলৈ। তই যেতিযা ওলাই নহা হলি মই একৰকম আশাই এৰিলো ।

"সদায় আহি থাকিলে মানুহে কি নকব, মই আহি যদি তোমাৰ লগত কথা কৈ থাকো বদনাম নহ'ল হৈ নেকি ? তুমিতো জেল খাটা মানুহ । তুমি কেতিয়া জেলত যোৱা, কেতিযা তোমাক পুলিচ আহি লৈ যায় ঠিক নাই । মোক কিমান মানুহে ভয় খুৱাইছিল। গাঁৱৰ সকলোৱে কৈছিল নহয়, ছোৱালী দিবলৈ মানুহ নাপালে । ছোৱালী দিলে ভলন্টিয়াৰক । পিচে ছোৱালী যেতিয়া কান্দি থাকিব তেতিয়া গম পাবি। এইবোৰ ল'ৰাৰ কি ঠিক । সিহঁতৰ ঘৰ কৰাৰ মতলব নাই। পুলিচে বিচাৰি ফুৰে সিহঁত পলাই ফুৰে । কত

দিন, কত ৰাতি, সিহঁত একো ঠিক্ নাই। সিহঁতৰ হ'ল চৰকাৰ বিৰোধী মানুহ। যেতিয়া ধৰি নি জেলত ৰাখিব, ছোৱালী আনি ঘৰতে পুহিব লাগিব। আৰু সিহঁত যিবোৰ কামত ফুৰে, কি ঠিক প্ৰমাণ পত্ৰ হ'লে ফাঁচিও হ'ব পাৰে। এনে ভলন্টিয়াৰ কিমান-জন জেলত পৰি আছে। জেলত বোলে ইহঁতক কিমান মাৰধৰ কৰি থাকে। জেলত কোবাই কোবাই ভৰি হাতবোৰ খোৰা কৰি পেলায়। এইবোৰ কথা যেতিয়া মানুহবোৰে কয়, আমাৰ আত্মীয় স্বজন, ঘৰৰ মানুহবোৰে চকুলো টোকে।

"তই কি কৰিছিলি?

"মই নো কি কৰিম, ভাবো কেতিয়াও তোমাৰ লগত বিয়াত নোসোমাও। আকৌ তুমি গৈ পালে মনতো ঘূৰি যায় নহয়।

"ইমানদিনে দেখোন এইবোৰ কথা মোক কোৱাই নাছিলি।

"তোমাক লগ পাবলৈ জানো ঘৰত থাকা, কোনদিন নো বহি মোৰ স'তে কথা পাতিছা।

"হয় দে তই কম নহয়। কথাবোৰ লুকাই লুকাই ৰাখি মোক জানিব নিদিয়।

"এতিয়া মোৰ গাত হে লাগিল নে? যিহে ৰাজমেলত গহীন গম্ভীৰ হৈ বহি থাকা পৰিষদ বৰ্গক লৈ। মই গৈ তেওঁক তাতে ক'ব লাগিল।

"মই হে গুৰু গম্ভীৰ হলো! তেওঁ যেতিয়া সাজোন কাচোন কৰি ওলাই যায়, তেওঁ যেন একোকে নাজানে হে। মহা গম্ভীৰ হৈ যি মন্থৰ গতিত খোজ দিব, তেওঁৰ যে কোনো পুৰুষৰ লগত সম্বন্ধ আছে কোনে কব পাৰে? এদিন মোৰ লগত বহি এটা হাঁহি নেমাৰিলি! এতিয়া মোৰ গাত হে গোটেইবোৰ জগৰ লাগিল।

"তোমাক এতিযাও মোৰ ভয় লাগে । তুমি যি গহীন হৈ থাকা, মাতিলে মাত দিয়া, কিবা সুধিলে উত্তৰ দিয়া গহীন সুৰত । মোৰ ভয়ে লাগে । আনৰ স্ত্রী পুৰুষৰ মাজত ইমান হাঁহি ধেমালি । আমাৰ হ'লে তেওঁ যেন এজন সংসাৰ নোহোৱা বৈৰাগীহে । একেবাৰে গুৰু গম্ভীৰ । তিৰি মৰদৰ যি সম্বন্ধ সেইটো হলে আমাৰ নহ'ল ।

"তিৰি মৰদৰ সম্বন্ধ কেনে, মোক কোনো দিনা জান কৈছ, ক'লে ময়ো তেনে কৰিব পাৰিলো হৈ নহয় ।

"তেওঁক কব লাগে ? ঘৰখনত এটা মুহূর্ত্তও থাকিবলৈ মন নাই আৰু তেওঁক কব লাগে ।

"হেৰৌ । মই দেখোন ঘৰৰ ভিতৰতে থাকোঁ । বাহিৰত নে ? কিমান যাও । তোক দেখোন মাতিলেও ওচৰ নাচাপ । মই ঘৰত থকা পৰত তই মহা বোৱনী হৈ পৰ, ৰান্ধনী ঘৰৰ পৰা ওলাবলৈ নোৱাৰ, তোৰ হে কাম মুগুছা হয় । কোনো মানুহ আহিলে, মই কথা বতৰা পাতো, তোকো কাষলৈ মাতো, তই দেখোন একেবাৰে লাজতে মৰ । কিমান বন্ধু-বান্ধৱ আহিল, কিমানৰ লগত .আলাপ-আলোচনা কৰো, তোক ওচৰত বহিবলৈ কও, তই দেখোন দাসীৰ নিচিনা ঠিয হৈ নখেৰে মাতি লেখি থাক । তেনেহলে তুমি পাকা ওস্তাদ । জানিবলৈ হে নিদিয় ।

"এতিযা মোৰ পুৰণা কথাবোৰ মনত পৰিলে সেইবোৰ মানুহলৈ যি খং উঠে, দেখিলে এতিযাও মাতিবৰে মন নাযায় ।

"কোনে কি কৈছিল ?

"তুমি বোলে বুঢ়া, মাই পিতাক বোলে কিমান নকলে, সেই বুঢ়াটোলৈ ছোৱালী দিয়াতকৈ চুৱনী পাততে পেলাই নিদিয় কিয় ? কোনোজনে আহি ক'লে ছোৱালী নিলে খুৱাব পাৰিব জানো, তাৰ

কি আছে, কোনোৱে ক'লে আহি ছোৱালী দিব পাৰিব, যেতিয়া গল মোটোক্া কৰি পুতি থৈ দিব তেতিয়াহে বুজিব। তেনে মানুহকো ছোৱালী দিয়ে নে। আকৌ কোনোয়ে আহি ক'লে সি এটা ডকাইত, কিমানক মাৰি পেলাইছে, তাৰ ওপৰত কিমান কেচ। যি মানুহে সমাজ নামানে সেই এটা দস্যুৰ লগত হে ছোৱালী বিয়া দিব পাৰিলে নে ?

"পিচে তই কি পালি ?

"একেবাৰে জালি

"চাও মূৰটো হলাই দেচোন, এটা চুমাকে খাওঁ।

"চহৰত থকা দিন কেইটা ৰিক্সা'ত ফুৰো দিয়া। ইমান ভাল লাগে একেলগে যাবলৈ। আজিহে জীৱনটো সাৰ্থক যেন লাগিছে।

"অ আজি বৰ আৰাম লাগিছে. আকৌ সেই দিনলৈ উভতি যোৱা যেন লাগিছে ।

"তোমাৰ কোনো মন কাণ নাই আৰু, এনেকৈ যদি সদায় ঘূৰি ফুৰিব পাৰো কেনে মজা হ'ব।

"ইমান পইচা ক'ত পাবি । পইচা বাৰু পালিযে জী জোঁৱাইৰ আগত নো কেনেকৈ ফুৰিবি, লাজ লাগে নহয।

"কিহৰনো লাজ কাজ আছে । আমি এতিয়া বুঢা মানুহ কোনে কি কব ।

"আনে কোৱালৈ ভবা নাই অ'। জোঁৱাই দেখিলে কি বা ভাবে।

"ভাবি থাকক দিয়া । সিহঁতেও তো এনেকৈ ঘূৰি ফুৰে। দূৰে দূৰে ফুৰিবা যেতিয়া, সকলোকে মাত কথা দিব যাব যেতিয়া এনেকৈ ৰিক্সাতে যাম। যাওতে আহোতে গলত সাৰটি ধৰি গৈ থাকিম। কি যে মজা হ'ব ।

গৈ গৈ গন্তব্য স্থান পালে। ৰিক্সাখন ৰাখিলে। দুয়োজন নামিল। বয়-বস্তু খিনি নমালে। বয-বস্তু সহ ঘৰৰ সন্মুখ পালে। ঘৰৰ দুৱাৰত তলা মাৰা। চাকি ৰন্তিৰ কোনো ব্যৱস্থা নাই। এন্ধাৰো হৈ আহিছে। বাটৰ পোহৰত সামান্য জিলিঙনী দেখা গৈছে।

"এতিয়া কি কৰ, ঘৰত তো কোনো নাই। সিহঁতে কিজানি ঘৰ সলালে। মহা মস্কিলত হে পৰিলোদে। কি কৰা যায়।

"এৰা সিহঁততো নাই।

বকুৱাই ওচৰে পাজৰে ঘূৰি চাই মানুহ চালে, কোনো কতো নাই। এতিযা এই ৰাতি খন ক'ত কি কৰ। কি অমংগলীয়া দিনত আহিলো। ঘৰৰ পৰা ওলাওতে বিঘিনি, বাপুকণে পিচৰ পিনৰ পৰা মাত লগালে। আজি দিনটো একেবাৰে খাৰাব। বাছ ৰখি ৰখি কোনো মতে ঠেলা হেচাৰ মাজেৰে আহিলো। এই ৰাতিখন কাৰ ঘৰ ক'ত বিচাৰি পাওঁ। নে ঘৰে সলাইছে। ঘৰ সলালে আমাকতো এখন চিঠি দিব লাগিছিল।

"কিয়, সিদিনা দেখোন কৈছিলা, চিঠি পত্ৰবোৰ বোলে কৰবাত জব্দ হৈ আছে। কিজানি চিঠি দিছিলে, জব্দ হৈ পৰি আছে।

"এৰা, ইহঁতে ইমান ভুল নকৰে। আমিহে চিঠি পত্ৰ নেপালো। এইবোৰ বিসঙ্গতি হয বুলিয়ে তোক এৰি আহিব খুজিছিলো।

' তুমি অকলে আহিলে দেখো আৰু বিপদে হ'ল হয।

" ইয়াত বা এতিয়া ক'ৰ মানুহ থাকে, কোনো আহি আমাক তৰ্জন গৰ্জন কৰেহি। ডাঙৰ বিপদে হ'ল। টোপোলা কেইটাও থাকিল ভাল মস্কিল হ'ল। তই বহ'। মই বাহিৰৰ ফালে কোনো মানুহ দেখো নেকি চাওঁ। কিজানি ইহঁতৰ খবৰ পাওয়েই। নহলে ৰাতিটো কৰবাত কটাবৰ ঠিক কৰিব লাগিল। বহুত দিন অহাও নাই। বাট পথো নূতন হ'ল। ঘৰবোৰো চিনি পোৱা টান হ'ল।

"হেৰা বাপু এইটো ঘৰত কোন থাকে জানানে?

"কোনোবা এজন থাকে, চিনি নাপাওঁ।

"ইহঁত নিশ্চয় নাই। থাকিলে সকলোৱে চিনি পালে হয় কাৰণ সিহঁত ইয়াৰ পুৰণি মানুহ। লগত দুখনমান কাপোৰ অনা হলেও কৰবাৰ বাৰাণ্ডাত ৰাতিটো কটাব পাৰিলো হয়। সিও নহ'ল একো ঠিকো নাই। যিবোৰ গোলমাল চলিছে। ক'ৰ মানুহ ক'ত গৈছে একো পাত্তা নোহোৱা হৈছে। ইহঁত নাই। কণবাপুৰ হোষ্টেললৈ যাও, তাতে ৰাতিটো কটাও।

"হোষ্টেল ক'ত পাবা। গোটেইবোৰ দেখো বন্ধ কৰি দিছে।

"কণবাপু তেনেহ'লে ক'ত থাকে?

"সিহঁত ক'ত থাকে কেনেকৈ জানিবি? আজিৰ ল'ৰা। কৰবাত কিবা কৰি আছে সিহঁত। ৰহ তই কেইখন কাপোৰ আনিছ?

"কিয়?

"টোপোলা কেইটা মূৰত লৈ, তোৰ চাদৰখন গাত লৈ, একে জাপে কোনো গছৰ তলত ৰাতিটো কটাব লাগিব। আৰু উপায় নাই। কাৰো ঘৰ এই ৰাতি বিচাৰি যাব নোৱাৰি। ৰিক্সাৱালাবোৰে অসমীয়া নহয়, সিহঁতৰ বিশ্বাস নাই। কংগ্ৰেছ অফিচতো যাব পাৰি, ঘৰৰ ভিতৰত থাকিব নিদিলেও বাৰাণ্ডাতে পৰি থাকিব পৰা যাব। তাতে হ'লে পানী পাইখানা আছে। আগতেতো এনেকৈয়ে দিন কটাইছিলো। ভালে হ'ল অতীতৰ দৰে দিন এটা কটাও। সাধাৰণ কষ্ট হ'ব একো কথা নাই। ৰাতিটোহে। পুলিচৰ পৰা হাত এৰাই ফুৰাৰ কাৰণে কিমান কবৰখানা, শ্মশানত কটালোঁ।

"তুমি সেই আপদীয়া কথাবোৰ মুখত নানিবা। কাষৰ কিঘৰ মানুহৰ ওচৰত গৈ খবৰ কৰাচোন।

"এই ৰাতিখন ক'ত কাৰ পৰা জানিব পাৰিবি। চহৰৰ মানুহবোৰৰ কাৰো লগত কাৰো সম্বন্ধ নাই। কেইদিন মান এটা ঘৰত থাকে আৰু গুছি যায়, কোনে কেনেকৈ চিনি পায। নিজ ঘৰ হলেহে কিছু পথ পৰিচয় পোৱা যায়।

"তোমাৰ বোলে বহু মানুহ চিনা জনা আছে, তাৰে এঘৰত যাওঁ।

"কিয় গছৰ তলত থাকিবলৈ ইচ্ছা নাই নেকি? বৰ আৰাম বুজিছ। এইখন পৃথিৱীত সৰহভাগ মানুহে এনেকৈ জীয়াই থাকে। তই মইহে ঘৰত থাকো। আমাৰ ভাৰতবৰ্ষত যিয়ে ঘৰৰ তলত থাকে, তা'ক এক প্ৰকাৰ পেটে-ভাতে খাই থকা বুলি ধৰিব পাৰি। অসমখন এৰি যা। গোটেই মানুহৰ ঘৰ ৰেল ষ্টেচনত, গছৰ তলত, দলঙৰ তলতে পাবি। শস্য শ্যামলা ভাৰতবৰ্ষত মানুহৰ বিলাই বিপত্তিৰ কথা কিমান কম, কিমান শুনিবি। সেইবেলি যে তোক দিল্লীলৈ লৈ গৈছিলো, তোক আম গছৰ তলত থকা মানুহবোৰ দেখুৱা নাছিলোনে? ভগা ছিগা টুকুৰা টুকুৰী টিনবোৰৰ চালি কৰি এখন চালিৰ তলতে কিমান মানুহ থাকে। আমাৰ এই অসমীয়া মানুহ কেইটা বৰ সুখত আছে।

"সেইকাৰণেতো বঙালইত অসমত আহি ভৰি পৰিছে।

"ৰহ, ইয়াত মেল পাতিলে নহ'ব, ওচৰৰ মানুহ কেঘৰক সুধি আহো। তাৰ পিছত মেল পকাই থাকিম।

বৰুৱা গৈ ওচৰৰ এঘৰৰ দুৱাৰ-মুখত গৈ টক্ টক্ শব্দ কৰি গৃহস্থ মাতিলে। প্ৰথমবাৰতে কোনো সহাৰি নিদিয়াত পুনঃ টক্ টক্ কৰি শব্দ কৰিলে। এজনী তিৰোতা মানুহ ওলাই আহি সুধিলে, কি লাগে আপোনাক?

"সেই ঘৰটোত কোন থাকে জানেনে?

"তাত চৌধুৰী পৰিয়াল থাকে। তেওঁলোকে নাই নেকি, কৰবাত চিনেমাই, থিয়েটাৰে যাব পাৰে। ৰাতিপুৱালৈ কিন্তু দেখি আছো।

"আগে-পিছে ঘৰলৈ আহোতে ৰাতি হয় নেকি ?

"আমি সন্ধিয়াতে ঘৰ সোমাও, সেইবোৰ খবৰ নাজানোঁ।

"ঘৰৰ মানুহজনীক আপুনি চিনি পায় নে ?

"কিয় নেপাম। মোৰ ঘৰলৈ আহি থাকে, মইও গৈ থাকো নহয়, আপুনি তেওঁলোকৰ ঘৰৰ নেকি ?

"ছোৱালীজনী মোৰে। আজি বহুদিনৰ মূৰত আহিছো। ঘৰটোত তলা মাৰা কাৰণে সুধিছো পুৰণি নে নতুন। পুৰণি যদি হয়-মোৰ জী-জোঁৱাইৰে হ'ব ।

"অ আপোনাৰ হে জী-জোঁৱাই নেকি ? ভিতৰতে আহি বহকহি।

"মই বহিব নোৱাৰিম। মোৰ বুঢ়ীজনীও আহিছে, তাতে অকলে এৰি আহিছো ।

"তেওঁকো লৈ আহক ।

"তেওঁ আহিব নোৱাৰিব। বহু টালি টোপোলা আছে।

"ৰব, আমাৰ ল'ৰাইঁতকে সেইবোৰ ৰখিবলৈ পঠিয়াই দিও। তিৰোতা মানুহ এজনীক তেনেকৈ থাকিব দিব পাৰিনে ?

বুঢ়া-বুঢ়ী ন ঘৰৰ আলহি হ'লহি। চাহ পানী খালে। তেতিয়ালৈ জী-জোঁৱাইৰ খবৰ নাই। বুঢ়াৰ মনত শান্তি আহিল যিহেতু এঘৰত আশ্ৰয় পালে। ভাত নেপালেও অন্ততঃ বিছনাখন পাব। তেওঁ-লোকৰ ৰন্ধা-বঢ়া হৈছে। বাকীবোৰে খাই উঠিছে, মাত্ৰ গৃহিনী জনীয়ে খাবলৈ বাকী। এতিয়া এওঁলোকক আগত ৰাখি খায় কেনেকৈ ? ক্ৰমান্বয়ে ৰাতি হৈ আহিল। তেতিয়াও খবৰ নাই। আমাক আৰু একো নালাগে। দুখন মান কাপোৰ দিলে আমি পৰি থাকিব-পাৰো। ৰন্ধা-বঢ়াৰ প্ৰয়োজন নাই। আমাৰ ভোক নাই।

বহু দেৰি পিছত ঘৰত পোহৰ দেখা গ'ল । তেওঁলোকৰ লখা এজন পঠিয়াই খবৰটো কৰিলে। বুঢ়া বুঢ়ীয়ে স্বস্তিৰ নিশ্বাস পেলালে। খবৰ পাই জোঁৱায়েক গৈ আগবঢ়াই লৈ আহিল। সিহঁত আচৰিত হ'ল, এই ৰাতিখন? সোণমা গৈছিল পিকেটিঙত। আগবঢ়াই আনিবলৈ গৈ গিৰিয়েকে পিকেটিঙৰ পৰা আহি চিনেমা চালে আৰু তাৰ পৰা এখন ৰেষ্টোঁৰাত সোমাই ৰাতিটোৰ বাবে খাই বৈ আহিল। সিহঁতে চিনমাৰ যৌৱন জোৱাৰ সাঁচি লৈ আহিছিল বিস্মাত। আঁক ৰান্ধনী ঘৰত সোমাই জগাল নবঢ়াই ভৰি হাত ধুই বিছনাত পৰিম বুলিযে নানা জল্পনা কল্পনা কৰি আহিছিল। হঠাতে বুঢ়া-বুঢ়ীক দেখি শিল পৰা কপৌৰ দৰে হৈ পৰিল। মুহূর্ততে লাজ চৰমবোৰে মুখ মণ্ডল বিমর্ষ কৰি তুলিলে। লাহে লাহে উজ্জলতা আহিল। জীয়েকপাকঘৰত সোমাল। ষ্টোভ জ্বলাই ৰন্ধা বঢ়া কৰাৰ উদ্দেশ্যে। ষ্টলত কেৰাচিন নাই মহা বিপদত পৰিল। দোকান পোহাৰবোৰ বন্ধ হৈছে। খৰি জ্বলাৰাৰ কথা ভাবিলে। খৰি এচটাও নাই ক'তো।

"মা'ক ক'লে—আমাৰ ভোক নাই, তেওঁলোকৰ ঘৰতে চাহ পানী খালো। এই ৰাতিখন ৰন্ধা-বঢ়া কৰিব নালাগে।

অতদিনৰ মূৰত আহিল কেনেকৈ লঘোনে ৰাখে। জোঁৱায়েক ওলাই গ'ল কৰবাত খৰি, কেৰাচিন পায় বুলি। দুৱাৰ সকলোবে বন্ধ। কা'ৰো দোকানত পোহৰ নাই। মানুহৰ সাৰসুৰ নাই। বহু ঘূৰি ঘূৰি আহি ঘৰত সোমাল। ঘৈণীয়েকক দিহা দিলে, তুমি বিছনা কেইখন ঠিক কৰি দিয়াগৈ। মই পাকঘৰতে থাকো। সি বাহিৰলৈ ওলাই অ'ৰ পৰা দুচটা, ত'ৰ পৰা দুচটা বেৰৰ খাটি উঘালি আনি কোনোমতে চৌকাতো জ্বলালে।

"হেৰা, লোণ তেল একো নাই। তুমি যেনেকৈ পাৰা মিলোৱা।

"মাথো, চাউল কেইটা সিঁজালে হবদে। একো কৰিব নালাগে। ৰাতিও বহু হ'ল। ইপিনে তইঁতেও আলহি খাই আহিছ'।

"হেৰা, তুমি আকৌ কিখন কৰিব গৈছা! মোক একাপ চাহ দিলেও হ'ব। ভোকো নাই। এই ৰাতিখন তোমাৰ ভোক লাগিলেও কোনে দিব ?

শহুৰেকক এখন সুকীয়াকৈ বিছনা দিলে। মাকৰ বাবে এখন সুকীয়া হ'ল। নিজৰ বাবে বৰ বেছি কাপোৰ নাই। মাৰ মাহৰ জাৰে ম'হৰ শিং কপায়। আজিৰ ৰাতিহে ৰাতি।

মাকে খাই উঠি চৌকাৰ কাষতে বহিল। জীয়েকে বাচন বৰ্তন এটাই থৈ মাকৰ লগতে জুইৰ তাপ লোৱাৰ উদ্দেশ্যে বহিল। "তঁহতে দুই এখন চিঠি পত্ৰ দিব নোৱাৰনে? দেশখনত ইমান হুলুস্থুল আমি বাৰু কেনেকৈ থাকো কচোন? বাপুৰাতো আজি দহ মাহ খবৰ বাতৰি নাই। তাৰ মুখখনকে দেখিবলৈ পোৱা নাই। কনবাপুও ঘূৰি ফুৰিছে পঢ়িব এৰি। তায়া যেনে ছোৱালী ক'ত বা ঘূৰি ফুৰিছ,' আমাৰ মনত নানা চিন্তা। চাৰিওফালে কাৰ্ফিউ, গুলিয়াগুলি, মাৰ মাৰি কোনে যে ক'ত কেনেকৈ আছে। তাতে তইঁতৰ ঘৰটো হ'ল বঙালৰ মাজত। মই কিমান দিনৰ পৰা ক'লো, ঠাইখিনি এৰি আমাৰ মানুহ থকা ঠাইতে ঘৰ এটা ল। তাকো নকৰিলি। কিমান ভাবি থাকিম। আজি বোলে কালি আহো আহো কৰোতে মাহ গৈ থাকিল। ইপিনে মাজে মাজে বাছবোৰো বন্ধ হোৱা হ'ল। দেশখনত যে কি জুই জ্বলিল। ল'ৰাহঁতে দিনে ৰাতিয়ে চিঞৰি ফুৰিছে—এই জুই জ্বলিছে আৰু জ্বলিব। সেইবোৰ শুনিলে বুকুখন চিৰিং কৈ উঠে। সিদিনা কণবাপু ঘৰত গ'ল, পিতাৰে কিমান

বুজালে, তাক ঘৰত থাকিব ক'লে। ক'ত থাকে, ৰাতিটো পুৱাৰ লগে লগে কোনপিনে ঢাপলি মেলিলে কবই নোৱাৰিলো। এইবোৰ দেখি শুনি পিতাৰৰ টোপনি নহা হৈছে। খাব লবলৈ মনত নাই, অকলে অকলে বকি থাকে। খালি খং। ভাল কথা এবাৰ মুগুনা হ'লো। মানুহটো ক্রমাৎ দুর্বল হৈ গৈছে। মই কিমান বুজাও, নাই শুনে, মোকহে ধমকি দিবলৈ বিচাৰে। ঔষধ পাতি খাবলৈ কলে মোক পগলা হোৱা বুলি কয়। ডাঙৰ বোপাক ক'লো সিও কোনো খবৰ নলয়। পিতাৰ' অকলে আহিব খুজি আছে, কেনেকৈ অকলে খেদাও, তোকো বহুদিন ধৰি দেখা নাই। বোপাই বুজালে, মই বুজালো, শুনেনহে নুশুনে। শেষত যেনিবা মান্তি হ'ল। আজিয়ে চা চোন যদি মই লগত নাহিলো হে পিতাৰ' ইয়াত থাকিল হেনে? টকৌ টকৌ মাৰি ৰাতিখন ঘূৰি ফুৰি কি যে আলানি হ'ল হে। মই লগত থাকোতে কত কথা। কবৰাৰ বোলে গছৰ তলত থাকিব খোজে। কেতিয়াবা কয় কাৰোবাৰ ঘৰৰ বাৰাণ্ডাত ৰাতিটো পুৱাই দিও। ভাগ্য মই আহিলো। নহা হ'লে বুঢ়াটোৰ এই ঠাণ্ডাত কি গতি হ'ল হে। অগাৰ পৰা কেইবাৰ যাব ওলাল পাত্তা নাই। সিহঁত ৰাতিযুৰা মানুহ নহয়। সিহঁত এই ঘৰত নাই। বঙালহঁতৰ ভয়ত কিজানি ক'ৰবাত আছে গৈ সেইবোৰ নানা কথা। তোৰ দেখো চেহেৰা পাতি একেবাৰে নাইকিয়া হৈছে, শুকাই ক্ষীণাই গৈছ' কিবা অসুখ পাতি হৈছে নেকি? সময়মতে গাধুই আছ' নে নাই? মই বহু বিচাৰ কৰি কৰি ওজাৰ পৰা ঔষধ এপাৰি আনিছো। এটা ল'ৰা তাকেনো চাই থাকিবিনে। ঘৰখনত যদি ল'ৰা ছোৱালী নাথাকে কিহৰ সুখ। বোৱেৰাৰো সেয়ে হ'ল নহয়। ঘৰখন একেবাৰে শুদা শুদা লাগি পৰিছে। কোলাত কেচুৱা এটা নাথাকিলে কেনে কেনে লাগে। পৰৰ কোলাত ছলি দেখিলে নিজৰ কাৰণে

দুখে লাগে । বৌয়েৰাকো এপালি খুৱাই আহিছো । আজি দেখো এমাহ গা ধোৱা নাই ।

"মা, তোমাৰ কাৰণে মনত পৰি আছে । মই যাও যাও বুলি সময়কে উলিয়াব পৰা নাই। সদায় সত্যাগ্ৰহ, পিকেটিঙত যোগ দিব লগা হোৱাত সময় নোপোৱা হৈছো । তেওঁক যোৱাৰ কথা কৈ আছো, তেওঁ ঘৰখন এৰি যাব নোৱাৰে । মা, তোমাৰ নিচিনা বয়সিয়াল মহিলা সকলে সত্যাগ্ৰহ, পিকেটিং কৰি খুব নাম কৰিছে। আই সকলৰ ফটো বাতৰি কাকতত ওলালে তোমালৈ বৰকৈ মনত পৰে। তুমি থকা হ'লে তোমাৰাতো পিকেটিং কৰা হিচাপে ফটো ওলাল হৈ, মোৰ তেতিয়া কিমান আনন্দ লাগিল হৈ । তোমাতকৈযো বয়সিয়াল বুঢ়ীবোৰক যেতিয়া দেখো তোমাক গৈ যেন লৈহে আহিম । মই নিজে সভানেত্ৰী আৰু মোৰ মা যদি সত্যাগ্ৰহত যায় মোৰ কিমান নাম হ'ব। তোমাক অনাৰ বাবে কিমান চেষ্টা কৰিছো কিন্তু নোৱাৰিলো । আহিছা যেতিয়া বৰ ভাল হৈছে । কাইলৈ পিতা আৰু তোমাক পিকেটিংত লৈ যাম । মই বাতৰি দিওতো প্ৰেছমেনক কৈ তোমালোকৰ ফটো তোলাম । মা! বাপুকণ একেবাৰে নেতা হৈ গৈছে । কণবাপুৰো ছাত্ৰৰ মাজত বৰ নাম ওলাইছে । পিতাতো পুৰণা জেল খোৱা মানুহ, দাদাওতো কেবাবাৰো নিজেই জেলত গৈছে, আমাৰ বংশটো যে মুক্তি সংগ্ৰামী তাক সকলোৱে কোৱা-বোৱা কৰিব ধৰিছে । ইয়াৰ পিছতে বৌকো এদিন লৈ আহিম । ঘৰখনৰ গোটেইবোৰে জেলখোৱা বুলি প্ৰমাণ হলে, ভবিষ্যতে আমাৰ পৰিয়ালটোৰ সা-সুবিধা হ'ব । আৰু বুৰঞ্জীৰ পাতে পাতে আমাৰ বংশাৱলীৰ নাম থাকি যাব ।

"শাহুয়েৰাক আনিছ' নে নাই ? তেওঁ আহিলেও ভাল হ'লহেঁতেন ।

"থৈ দিয়া শাহুৰ কথা। তোমালোকেও যে মোকো দিলা। কি চাই যে দিলা মই তাকে ভাবো। মই বোলে তেওঁৰ লৰাটোক ফুচুলাই ফুচুলাই নষ্ট কৰিলোঁ। তেওঁলোকৰ কথা বোলে নুশুনা কৰিলোঁ, ঘৰখন বোলে ভাঙিলোঁ। এইবোৰ নানা কথা। মোৰ নাম থৈছে দেওধ্বনী। মই বোলে দেওধ্বনীৰ নিচিনা পুৰুষৰ পিছে পিছে ঘূৰি ফুৰি থাকো, পুৰুষৰ লগত নাচি বাগি ফুৰো, এইবোৰ কৈ ঘূৰি ফুৰে। মই বোলে পৰ পুৰুষক প্ৰেম যাঁচো, নিজৰ পুতেকক বোলে ঔষধ খুৱাই ঘূৰাই লৈছো। সেই বুঢ়ীৰ কথা মনত পৰিলে মূৰ গৰম হৈ উঠে। আমি বোলে জেল খাটা কয়েদীৰ ঘৰৰ। আমাৰ বোলে কোনো জাত পাত নাই। তুমিও বোলে কোনো বেয়া বংশৰ। বুঢ়ী যতে যায় ততে এইবোৰ বদনাম গাই এপৰ বেলা কান্দে। খালি মোৰ বদনাম গাই ফুৰে। তলে তলে পুতেকক মোৰ পৰা আঁতৰ কৰাৰ কাৰণে কিমান যে বেজ লগাইছে। কেতিয়াবা গাঁৱৰ পৰা মানুহ পঠিয়াই চৌহদৰ ভিতৰত ঔষধ পুতি থৈ যাযহি। মই গাঁৱৰ মানুহ আহিলে একেবাৰে সাৱধান। শুনিছো কৰবাৰ পৰা এজন ডাঙৰ বেজ আনি ঘৰতে পূজা পাতল কৰি ঔষধ পাতিৰ ব্যৱস্থা কৰিছে। এতিয়া মই বুঢ়ীক আহিবলৈ নিদিও। ঘৰলৈ টকা পইচা খুজিলেও কৈ পঠিয়াও ইয়াতে গছ কটাই ছিগি লৈ যোৱাহি।

"বোপাক চাইহে তোক দিছো। তাই ৰাক্ষসী জনীক মই জানো নহয়। তোক নধৰাৰ বাবে কিমান যত্ন কৰিছিল। তোৰ কিমান যে বদনাম উলিয়াইছিল। তাই বুঢ়ীয়ে ঘৰখন একেবাৰে টুকুৰা-টুকুৰ কৰি পেলালে। একেবাৰে কাল ৰাক্ষসী। মই সেইবোৰ জানিয়ে বোপাক সাৱধান কৰি আছো, যাতে ঘৰৰ পিনে নাযায়। টকা পইচা যি লাগে মই দিম। মাটি এঁডোখৰ কৰি ইয়াতে ঘৰ সাজক।

"ময়ো কৈ আছো, এডোখৰ মাটি কিনাৰ বাবে। খালি জোঁৱাইৰে] টকা নাই টকা নাই, কৰি থাকে। মই কৈ দিছো মই হলে ঘৰলৈ নাযাও।

শহুৰ বুঢ়া বিছনা খনত বহিল, ওচৰত ঠিয়্ হৈ থাকিল জোঁৱায়েক। জোঁৱায়েকৰ আগত কৈ গ'ল, "বুজিছা বোপা, মই আন্দোলনত ফুৰা মানুহ। পুলিচৰ হাতৰ পৰা হাত এৰাই যাতে সংগঠন কৰি যুঁজিব পাৰো তাৰ বাবে নানা কষ্ট স্বীকাৰ কৰিব লগা হৈছিলো। আমাৰ ডাঙৰ বোপা বিয়াল্লিশৰ আন্দোলনৰ সময়ত এবছৰ বাল পলাই থাকে। সি বোলে পুলিচে সন্দেহ নকৰা ঠাইবোৰত আশ্ৰয় লৈছিল। কেতিযাবা শ্মশান, কেতিয়াবা কবৰস্থান, কেতিয়াবা ডাঙৰ গছৰ তলতে ভিক্ষাৰীবোৰ থকা ঠাইৰ কাষতে আশ্ৰয লৈছিল আৰু ৰাতি-পুৱাই দিছিল। সেইবোৰততো পুলিচে নিবিচাৰে। ময়ো আজি সেই পুৰণি স্মৃতি মনত পেলাবলৈ ইচ্ছা কৰিছিলো। মই ভাবিলো, তুমি এই ঠাই এৰি গৈছা। বহুদিন ধৰি খবৰ বাতৰিও নাই। ক্ৰমান্বয়ে ৰাতি হৈ আহিল। এতিয়া কাৰো ঘৰ বিচাৰি নাপাও। ভাবিলো শেষত কংগ্ৰেছ অফিচলৈ যাও, তাতে গৈ বাৰাণ্ডাতে পৰি থাকিম। পিচে ৰিক্সাবোৰ চাও কতো এখনো ৰিক্সা দেখা নাপাও। মানুহ এজনকো বাটে পথে দেখিবলৈ নোহোৱা হ'ল। শেষ সিদ্ধান্ত কৰিছিলো বাছ ষ্টেণ্ডৰ ওচৰৰ গছৰ তলতে আজি ৰাতি কটাম। তেতিযা আকৌ ভাবিলো ওচৰৰ মানুহক এবাৰ সুধিব পাৰিলে। পিছে বাটত অকলে অকলে ঘূৰি থাকোতে এই ঘৰৰ ভিতৰৰ পিনে পোহৰ দেখা পালো। পিছত দুৱাৰত টুকুৰিয়াই টুকুৰিয়াই মাত পালো। যেতিয়া তুমি এই ঘৰতে থাকা বুলি জানিব পাৰিলো মনত তেতিয়াহে বল আহিল। সন্দেহ হ'বই। দেশ জুৰি যি গোলমাল। ক'তো শান্তি নাই। আমিতো নিজ চকুৰে দেখা নাই, বাতৰি কাকত আৰু ৰেডিঅ'ৰ যোগে যি শুনো। গোটেইখনতে

কাৰ্ফিউ, লাঠি চালনা, মাৰামাৰি, ঘৰ জ্বলোৱা শুনি শুনি তুমি এই ঠাইৰ পৰা আন ঠাইলৈ যোৱা বুলিয়ে ভাবি লৈছিলো। আজি-কালি টাউন চহৰ অচিনাকি। গাঁৱ-ভুইবোৰো বিপজ্জনক হৈ পৰিল। শুনিছো, বহু মানুহে হেনো এই সংঘৰ্ষত মৰিল। মই হ'লে মৰাৰ কথা ভবা নাই, কাৰণ বুঢ়া হলো, মৰিলো যদি মৰিলো। সকলো কৰ্ম শেষ হৈছে। পিছে চিন্তা আছিল তোমাৰ আইতাৰ বাবে। মই ঘৰতে ক'লো, তুমি এই দুৰ্য্যোগত যাব নালাগে। মই গৈ আহো, বাটত নানা এলানি অঠানি হ'ব পাৰে। দেখিলাই নহয়। তুমি যদি প্ৰকৃততে ঘৰ এৰি আন কৰবাত গলা হৈ তেতিয়াতো আৰু বিপদ। বাছত আহিব নোৱাৰি। দেশখন স্বাধীন হ'ল বুলিনো মানুহ বাছৰ বডিৰ ওপৰত আহিব লাগে নে? ভিতৰত ঠাই নহ'ল বুলিনো ওপৰত আহেনে? মানুহবোৰে একেবাৰে অবুজ হৈ পৰিল। ভৱিষ্যত সম্বন্ধে কোনেও একো নাভাবে। যদি ধৰা বাছখন কিবা কাৰণত লুটি বাগৰ খাব লাগিল তেতিয়াতো এইখন গোটেই মৰিল। দোষ দিব ড্ৰাইভাৰৰ গাত। এইবোৰ হ'ল যন্ত্ৰ। কেতিয়া ব্ৰেক ফেইল হয় ঠিক নাই। আৰু ধৰা চলি থকা বাছখনৰ আগেৰে কোনো মানুহ বা জন্তু দৌৰি গ'ল, সেই প্ৰাণীটো ৰক্ষা কৰিবলৈ ড্ৰাইভাৰে জোৰ কৰি ব্ৰেক মাৰি দিলে, লগে লগে বাছখন উলটি গ'ল। তেতিয়াতো কোনো এজন জীযাই নাথাকে। দেশখন ইমান আগবাঢ়িল কিন্তু এইবোৰ কথা কিয় নাভাবে। বাতৰি কাকতত সদায় এনে দুৰ্ঘটনাবোৰ প্ৰকাশ হৈয়ে থাকে, এইবোৰ নপঢ়ে নেকি? বাছ ৰখোতে ৰখোতে বহু সময় গ'ল, শেষত ঘৰলৈ উভতি যোৱাৰ সিদ্ধান্ত ললো, সেই তাৰে এজনে ক'লে— দেউতা বাছ পাব। আবেলিৰ বাছ কেইখন খালি যায়। মোৰ আকৌ এটা জন্মগত স্বভাৱ, মই ক'ৰবাত যাত্ৰা কৰি ওলালে ফিৰি নাযাও। সেয়েহে আহি আমিও

কষ্ট পালো তোমালোককো কষ্ট দিলো। পিছে এইবোৰ বৰ উল্লেখযোগ্য কথা নহয়। প্ৰায়ে এনে ধৰণৰ ঘটনা ঘটিয়ে থাকে। এবৈকশ চনৰ কথা। মই ন মাহ জেলত থাকিলো। জেলৰ পৰা খালাচ হৈ ঘৰলৈ গল্লো। জেলত ডাটি চুলি খুৰোৱাৰ ভাল ব্যৱস্থা নাছিল বাবে মই ডাটি চুলি ৰাখিলো। হাতৰ নখ পৰ্য্যন্ত দীঘল হৈছিল। তেতিয়া বাছ, মটৰৰ কোনো ব্যৱস্থা নাছিল। আমাৰ যোৱা বাটটো আছিল পাহাৰীয়া। খোজ কাটি কাটি ঘৰ পাওতে দুদিন লাগিল। বাটত নদী-নালা বহুতো পাৰ হওতে সময় লাগিল। সেইবোৰ পাৰ হওতে অবাবতে বহু সময় লাগিছিল প্ৰথম দিনা ৰাতি এখন গাঁৱত সোমালো। কেৰা কোনেও থাকিব নিদিযে। মোৰ ওপৰত ভয় চোৰ, ডাকু বুলি। প্ৰত্যেকে কয় আমাৰ ঘৰত ঠাই নাই। পিছত উপায় নাপাই ৰাতিটো এখন দোকানৰ বাৰাণ্ডাত লঘোনে ভোকে কটালো। পিছদিনা ৰাতিপুৱাই খোজ ললো। লঘোন খটাৰ বাবে শৰীৰটো অৱশ অৱশ লাগিল। বাটত ভাল পৰিবেশৰ মানুহ নাপাও। শেষত ভৰ দুপৰীযা এঘৰ মানুহৰ ঘৰত সোমাই কলো, ভাত এসাজ দিব নোৱাৰেনে? আমাৰ মানুহটো। ভৰ দুপৰীয়া যেতিয়া খোৱা লোৱাৰ সময় হৈছে তেতিয়া অতিথিক বিমুখ কৰিলে পাপ লাগে বুলি ভয় কৰে নহয়, বিশেষ আপত্তি নকৰি বাহিৰৰ ঘৰতে কলপাত এখনত ভাত দিলে। সিদিনা ভাত কেইটা খাই বৰ সুখ পালোঁ। আজিও সিদিনাৰ ভাত সাজৰ কথা মনত পৰে। ধৰা প্ৰায় দহ মাহৰ মূৰত এসাজ ঘৰুৱা ভাত খাবলৈ পালো তাকো পেট ভৰাই।

ইপিনে আগদিনা দিনে-ৰাতিয়ে লঘোন, ভাগৰ, দুখ। সকলো মিলি ভাত সাজ বৰ তৃপ্তিকৰ হৈ উঠিল। মই ক্লান্ত আৰু ভোকত অস্থিৰ হৈছিলো যদিও হতাশ হোৱা নাছিলো। তাৰ পিছত ঘৰ

পাওতে ৰাতি দুপৰ। ঘৰত আহি মাতো মানে মাতো দুৱাৰ খুলি নিদিয়ে। মোৰ মাতটো বোলে সলনি হৈছে। অৱশেষত পিতা, মা উঠিল। গোটেই চুবুৰীতে সেই ৰাতিখন হুলস্থুল লাগি পৰিল। যোন য'ৰে বিছনাত আছিল গোটেইবোৰ সেই ৰাতি মোক চাবলৈ আহিল। কোনোৱে কান্দিলে, কোনোৱে হাঁহিলে। কোনোৱে ডাটি ৰখাৰ বাবে কিবা কিবি কলে। আৰু জেলখন কেনেকুৱা, তাত মানুহবোৰ কেনেকৈ ৰাখে এইবোৰ কথা সুধিবলৈ লাগিল। আজিৰ দৰে এক আমোদজনক হৈ উঠিছিল সিদিনাও। সেই স্মৃতি আজি মোৰ বেছ মনত পৰিছে। অতদিনে সকলো কথা পাহৰি গৈছিলো। কিন্তু মোৰ বৰ খং উঠিছিল এটা কথাত। মই জেলত গৈছো নহয়, তাৰ বাবে বোলে মই প্ৰায়শ্চিত্ত হ'ব লাগে। প্ৰায়শ্চিত্ত নোহোৱাকৈ ঘৰত সোমাব নোৱাৰি। নকবা আৰু সেই দিনৰ বুঢ়া মানুহবোৰৰ কথা। এতিয়া প্ৰায়শ্চিত্ত কৰে কোনে, লাগিল লেঠা। বামুণৰ ঘৰ বহু দূৰৈত। ইপিনে মাই নেৰে। মাই হলে হেৰোৱা পুতেকক পাই আৰু এৰি নিদিযে। লাগে সমাজৰ পৰা এঘৰীয়া হৈ থাকিব তথাপি পুতেকক ঘৰত সোমাব দিবই। গোটেই চুবুৰীৰ মানুহবোৰৰ মাজত দলা-দলি হৈ এটা সিদ্ধান্ত হ'ল মই গা ধুব লাগিব, সোণ ৰূপৰ পানী, গোৱৰ তুলসীৰ পানীৰে গাটো শুচি কৰিব লাগিব। সেইমতে মায়ে পানী আনিলে, মাযে গাটো পিহি পিহি ধুৱাই দিলে। গা ধুৱাই দিওতে মাযে কান্দে, মাৰ কান্দোন দেখি মাৰো চকুপানী ওলাল। মাই নিজে গাটো মচি দিলে, মই যেন গা মচিব নাজানোহে। নতুন কাপোৰ দিলে, মই পিন্ধিলো। সেই ৰাতি গা ধুই কি যে আৰাম পালো। আজিলৈ গা ধুই তেনে আৰাম পোৱা নাই। জেলে হাজোতে পুৰা দহমাহৰ গাৰ মল, গাৰ গোন্ধ-বোৰ আতৰাই মই নিজে নিজে পবিত্ৰ পবিত্ৰ যেন পালো।

মই বুজি পালো, প্ৰায়শ্চিত্ত আন একো নহয়। পবিত্ৰতাই প্ৰায়শ্চিত্ত।
তাৰ পিছতে মোক ভাত দিলে। কোনে কেতিয়া ৰান্ধিলে গমে নাপালো। মোৰ কাষতে বহিল মা আৰু আইতা। আৰু বহিল খুৰি, বৌ আৰু চুবুৰীৰ তিৰোতা সকল। মাই মোক ভাত চুব নিদিলে। মোক খুৱাই দিলে অবোধ শিশুৰ দৰে। আগহাতেৰে ভাত খুৱাই আছে, বাওঁ হাতেৰে গাটো পিহে, মুৰটো পিহে। তাৰ মাজে মাজে মাৰ দুচকুৰ পৰা তপত অশ্ৰু মোৰ গাত পৰিল। ইমান দিনে উত্তপ্ত পৰিবেশৰ জমা হৈ চকুপানী সিদিনা বাহিৰ হ'ল। আইতা সিদিনাৰ ৰাতিটোৰ বাবে এঘৰত ঘৰৰখীয়া হৈ গৈছিল। ৰাতিৰ ভিতৰতে খবৰ পাই আইতা দৌৰি আহিল হেৰোৱা নাতিঁয়েকক চাবলৈ। আইতাই কান্দি কান্দি কবলৈ ধৰিলে, "বাচা ইমান মাহ তোৰ শোকতে ভাত পানী নাই, চকুত টোপনি নাই, তোক আৰু কতো গুলাব নিদিও, কতো যাব নিদিও।" মই কি খালো, কি নাখালো, সোৱাদ পালো নে নাই একোকে গম নাপালো। ৰান্ধনী ঘৰত মহিলা সকলৰ চকুপানী, বাহিৰৰ চোতালত মানা মেল। জেলত কিমান কষ্ট, ই যে ফিৰি আহিল আমাৰ ভাগ্যত থকা বুলিহে। বংশত নোহোৱা কথা। তাৰ পিছত কি হ'ল জানা, শুৱৰ কাৰণে আইতা আৰু মাৰ মাজত লাগিল টনা আজোৰা। অৱশেষত আইতা জয়ী হ'ল। আইতাই কৈ গ'ল, 'আজি অতদিনে বোপাটোৰ লগত শোৱা নাই, মোৰ বুকুখন সুদা সুদা লাগি আছে।" আহ্ বাচা আহ্ বুলি মোক আইতাৰ বিছনালৈ লৈ গ'ল। গোটেই ৰাতি আইতাই কিবাকিবি কৈ থাকিল, হাতখনেৰে মুৰত বুলাই থাকিল মই যেন এক শিশুহে। কাণখোৱাৰ গীতটো কিন্তু নেগালেদেই। ঘৰৰ চোতালত খোজ্ দি মই যি পিতা, মা বুলি মাত লগাইছিলো তাৰ পিছৰ পৰা গোটেই ৰাতিটোলৈ মোৰ মুখ একৰকম জব্দ

হোৱা বুলিয়ে কব পাৰি। সিদিনাৰ ৰাতি চুবুৰীৰ আটাইখনেৰে টোপনি নহল। আমাৰ চোতালত মেল পাতি ৰাতি পোহৰ কৰিলে। ৰাতিপুৱা আকৌ চুবুৰীৰ ল'ৰা ছোৱালীবোৰে মোক আগচি ধৰিলে, কিছুমানে জুমি জুমি চায মই কেনে হৈছো। আইতাই কিন্তু মোক এৰা নাই, -য'তে মই বহো আইতাও গৈ তাতে বহে। মাই আকৌ নিজৰ কামৰ মাজেদি ভুমুকি মাৰি চাই যাযহি মই আছো নে নাই। ৰাতিৰ ভিতৰত গোটেইখন গাঁও অঞ্চলত প্ৰচাৰ হ'ল। যেন এখন সভাহে আমাৰ চোতালত বহিল। চুকুলাই চুকুলাই তামোল-পান, ধপাত, চাৰি, পিৰা গোটেইখন চোতালত সিঁচৰিত হৈ পৰিল। যিযে শুনিলে সিয়ে আহিল, মুঠতে কোনো নৰল। প্ৰত্যেকে আহি আহি মন্তব্য দি থাকিল। অহাজন আহিযেই নাযায, তামোল, ধপাত খাই কিছুপৰ ইটো সিটোই মেল পাতি শেষত মোৰ পৰা বিদায় লৈ যায। ইপিনে ৰান্ধনী ঘৰত জলপানৰ কোব চৰিল। অহা আত্মীয স্বজনৰ বাবে। তেনেকৈ ভাতো ৰন্ধা হ'ল, খোৱাই থাই থাকিল। মানুহৰ ৰাতিপুৱাৰ পৰা যি সোঁত বয সি আৰু শেষ নহয়। তাতে কোনো কোনোৱে মন্তব্য কৰিলে "বোপাৰ বিযাখন আজি, কালিৰ ভিতৰতে পাত্। নহ'লে বোপাই ঘৰ নকৰিবও পাৰে। সুবিধা পালেই আতৰি যাব। এনেভাৱে কত মানুহ বৈৰাগী হৈ গৈছে।"

মই বাৰীৰ পিনে শৌচ্ পেচাব কৰিব গলেও আইতা পিছে পিছে যায, মই বুজাও আইতাই নুশুনে। এনেভাৱে এসপ্তাহ কাল মানুহ আহি চোতাল ভৰি থাকিল গৃহস্থৰো কোনো কাম কাজ নিসিজা হ'ল। অভ্যাগত সকলক সোধ-পোছত সকলো ব্যস্ত থাকিব লগা হ'ল। আৰু এক মজাৰ কথা হ'ল যিসকল আত্মীয় স্বজন মোৰ খবৰ কৰিবলৈ আহিছিল তেওঁলোকে মোলৈ

আখৈ, কোনোৱে পকা কল, কোনোৱে লাড়ু-পিঠা লগত লৈ আহিছিল। মই মাজে মাজে ভাবো জেলৰ পৰা আহিলে এনেকুৱা দস্তুৰ নেকি? নে বহু দিনৰ মূৰত অহা বাবে"। মই এণ্ট্ৰেন্স পঢ়াৰ সময়ত চাৰি ছ মাহৰ মূৰত হে ঘৰলৈ আহিছিলো, তেতিয়াতো এনে কাণ্ড ঘটা নাই। মই চোতালৰ মেলৰ পৰা মাজে মাজে দু চাৰি আষাৰ কথা শুনো, "আমি তোক হাক দিছিলো নহয় ঘৰৰ ল'ৰা ঘৰতে ৰাখ। ল'ৰা পঢ়া-শুনা কৰিলে বেয়া হয়, ঘৰলৈ নাহে। চাহাব হৈ গুচি যাব নতুবা বৈৰাগীয়ে হ'ব। এতিয়া কথাৰ জাৰ হাতে হাতে পালো। চাহাবী শিক্ষা কিয় লব লাগে? আমাৰ দেশৰ বস্তুৱে নহয় যতিয়া আমি কিয় পঢিব লাগে? আমি ঘৰৰ মানুহ-হাল বাব লাগে, ভাত খাব লাগে। আমি স্বাধীন মানুহ। এইবোৰ বেয়া কথা। শিক্ষা-দীক্ষা আমি গাঁৱলীয়া মানুহৰ নহয় নহয়।" এজনে আহি মোক কলে, "বোপা তোমাক পাই আমি সুখী হলো। এতিয়া ঘৰতে থাকা।" সিজনে আহি কলে, "বোপা বিয়াখন পাতা, ঘৰ-সংসাৰ কৰা, সিবোৰলৈ আৰু মন কৰিব নালাগে। এনে ধৰণৰ কথা বতবাৰ মাজেৰে চোতালত ৰাতিপুৱাৰ পৰা মাজনিশালৈ জব্দ হৈ পৰিলো। তাৰ পিছত এক আকৌ পাল পৰিল নিমন্ত্ৰণৰ। য'ত যিমান আত্মীয়-স্বজন, ভাগী-গিয়াতি আছিল প্ৰত্যেকে আহি নিমন্ত্ৰণ জনালে এসাঞ্জ খোৱাৰ বাবে। আইতাই কিন্তু মোক এৰি নিদিয়া হ'ল। চাৰি পাচ মাইল পৰ্য্যন্ত যাব লাগে। আইতাই ভালকৈ খোজ কাটিব নোৱাৰে। লাখুটিৰ ওপৰত ভৰ দি দি যায়। মুঠতে মোক এৰা নিদিয়ে, কিজানি ক'ৰবাত আতৰি যাওঁ। যাৰ ঘৰতে যাওঁ, মোক চাবলৈ মানুহবোৰ আহে। মোক মাজত লৈ গাঁৱ চুবুৰীৰ মানুহবোৰে নানা কথা সোধে। আজিকালি ভ্ৰমণকাৰী সকলক সাংবাদিক সকলে যেনেকৈ

প্ৰশ্ন কৰি সমিধান উলিযায়, মোকো তেনেকৈ প্ৰশ্ন কৰিছিল মাত্ৰ অকোৱা পকোৱা কথাবোৰ বাদ দি। দেশ নেতা সকলক নিমন্ত্ৰণ জনাই যি দৰে ভোজ সভা পাতে ঠিক মোকো নিমন্ত্ৰণ জনাই একোখন ভোজসভা পাতিছিল। মাত্ৰ তাত সভপতি, স্মাৰক পত্ৰ, প্ৰতিবেদন আৰু নিৰ্দিষ্ট বক্তা নাছিল। জেলখন কেনে তাৰ বিৱৰণবোৰ গোটেই দিব লাগে, জেলত কি কি খায় দিযে, জেলৰ ভিতৰত মানুহক কোবায় নে নোকোবায়, জেলৰ ভিতৰত মানুহবোৰ বান্ধি থয়নে, মোক কেনেকৈ ধৰিলে, ধৰোতে বান্ধি নিছিল নেকি, এনেবোৰ কথা মোৰ মুখৰ পৰা শুনিবলৈ বিচাৰে। যেন এক আ-শ্চৰ্য্য জনক কাহিনী হে মই ক'ব ধৰিছো, একেবাৰে কাণ পাতি শুনে।

মই জেলত লগ পালো তৰুণ ৰাম' ফুকন, নবীন বৰদলৈ প্ৰভৃতি দেশ নেতাক। জেলত যোৱা সকলৰ ভিতৰত মযে কম বযসীযা ছাত্ৰ আছিলো। তেওঁলোকে মোক বৰ মৰম কৰিছিল। জেলৰ ভিতৰত তেওঁলোকৰ বাবে মই অকণো কষ্ট পোৱা নাছিলো। মোক আনন্দত ৰখাৰ বাবে প্ৰত্যেকে যত্ন লৈছিল। প্ৰত্যেকজনে মোক মৰম কৰিছিল। জেলৰ ভিতৰত মই আসন প্ৰাণায়ম শিক্ষা ল'লা। আৰু ধৰ্ম্ম পুথি সমূহৰ শিক্ষা তেওঁলোকৰ পৰা পালো। জেলত যোৱা প্ৰায সকলোৰে ঘৰ-সংসাৰ আছিল। প্ৰত্যেকৰে পৰিয়ালৰ দাযিত্ব আছিল। জেলৰ দিন। জেলৰ পৰা খালাচ হোৱাৰ দিনা, জেলত থকা সকলো ৰাজনৈতিক বন্দীযে আহি মোক বিদায দিলে। কোনোৱে আশীৰ্বাদ দিলে, কোনোৱে উৎসাহ দিলে, কোনোৱে চকুপানী টুকিলে। প্ৰত্যেকে কিন্তু আহিব ওলোৱাত দুখ পালে। জেলৰ পৰা ওলাই আহি জেল গেটত বহিলো, লগৰ মানুহবোৰক এৰি আহিব লগা হোৱাত দুখ লাগিল। আকৌ যেন সোমাম এনে লাগিল। প্ৰথমে খালাচ হোৱা দিনটোলৈ অপেক্ষা

কৰিছিলো। কেতিয়া খালাচ হও, কেতিয়া খালাচ হও তেনে লাগিছিল। সিদিনা কিন্তু তাৰ ওলোটা হ'ল। মোৰ কিন্তু বহুদিন ঘৰত মন বহা নাছিল। আকৌ যেন জেলত সোমাম গৈ তেনেভাব লাগি আছিল। মোক যেতিয়া চহৰৰ স্কুলত নাম লিখি দিলে আইতাই তেতিয়াই বিৰোধীতা কৰিছিল। কিয় বাহিৰত পঠিয়াব লাগে, ঘৰৰ ল'ৰা ঘৰতে থাকক। ঘৰত খাবলৈ নাই নে পিন্ধিবলৈ নাই। পিতাই আইতাক বুজায়, আইতাই কোনো যুক্তিকে শুনিবলৈ ইচ্ছা নকৰে। মই জেলত যোৱাৰ চাৰি মাহ আগতে ঘৰৰ পৰা পটিবলৈ গৈছিলো। জেলত পৰা শুনি হেনো আইতাই কপালে মূৰে ভুকাই কান্দিছিল। দিনে নিশাই পিতাক গালি-শপনি পাৰি আছিল। খোৱাৰ সময়তো কান্দি কাটি হুলস্থুল কৰিছিল। পিছত গৈ ৰাতিৰ সাজ খাবই এৰিলে। অৱশেষত আইতাক সন্তুষ্ট কৰাৰ অৰ্থে পিতাই আইতাক জেলত মোক দেখুৱাবলৈ লৈ আহিবৰ বাধ্য হ'ল। বহুতো চেষ্টা কাৰৌ মিনতিৰ পিছত জেল কৰ্তৃপক্ষই দেখা কৰিবলৈ সন্মতি দিলে। মোক লগ পাই আইতাই সাবটি ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে। আইতাৰ কথা কোৱা নহ'ল। কান্দোতে সময় পাৰ হ'ল। ওৱাৰ্ডাৰে সময় পাৰ হোৱাত, আইতাই যেতিয়া মোক এৰি আহিবলৈ অসন্মতি প্ৰকাশ কৰিলে তেতিয়া ওৱাৰ্ডাৰ দুজনে আইতাক জোৰ পৰ্বক টানি আনি বাহিৰত উলিয়াই দিলে, মোক ভিতৰলৈ লৈ গ'ল। সেই মৰ্মান্তিক বেদনাৰ দৃশ্য এতিয়াও মনলৈ আহে। পিতা আৰু আইতাই কান্দিলে বাহিৰত, মই কান্দিলো ভিতৰত। আমাৰ কান্দোনত লগৰ বন্দী সকলেও জীয়ৰী কইনাক পতি গৃহলৈ পঠিয়াওতে কন্দাৰ দৰে প্ৰত্যেকে চকুলো টুকিলে। সেই এক কৰুণ দৃশ্য। আইতাক যে, এককাই আনিব নোৱাৰে, ওৱাৰ্ডাৰে টানি লৈ আহে ইভাল ব'দত থাপ মাৰি ধৰে আকৌ তাৰ পৰা এককাই আনে, আনজালত থাপ মাৰি ধৰে। সেই মৰ্মান্তিক দৃশ্য আকৌ দেখা

পালো তোমাৰ শাহুক বিয়াৰ পুৱা যেতিয়া আমি মাকৰ ঘৰৰ পৰা কইনা লৈ আহিলো। কইনাঘৰৰ মানুহবোৰৰ কান্দোন কাটোন, মাক পিতাকৰ কান্দোন, চুবুৰীৰ আত্মীয়-স্বজনৰ কান্দোন দেখি আইতাৰ সেই জেল গেটৰ কথা মনত পৰিছিল। আজি কালি ছোৱালীবোৰ বিয়াৰ পুৱা কন্দা দূৰৈত থাকক চাৰিটা জাপ মাৰি আহে। সেই অমংগলীয়া কাহিনীবোৰ আচলতে ভাল নহয়।

"দেউতা আপুনি পলিটিকেল পেন্সন কিয় লোৱা নাই? আপুনিও নাপালে, দাদাইও নাপালে, কিয়?

"পেন্সন ললে পাওঁ। পেন্সন লবলৈ হলে এখন আবেদন কৰিব লাগে, জেল খোৱা বুলি, কি কি অন্যায় হৈছে এটা বিৱৰণ দি। জেল খটা চাৰ্টিফিকেট এখন জেইলাৰৰ পৰা লব লাগে। সেইবোৰ আকৌ কংগ্ৰেছ কমিটিৰ চেক্রেটাৰীৰ ওচৰত দাখিল দি তেওঁৰ পৰাও চাৰ্টিফিকেট লব লাগে। মই জেলত গৈছিলো। পেন্সনৰ আশাততো যোৱা নাছিলো। তাৰ বাবে আবেদন কিয় কৰিম? আৰু এটা কথা হ'ল, সেইদিনৰ জেল খটা মানুহবোৰ এতিয়া কংগ্ৰেছ কমিটিত নাই। এতিয়া কংগ্ৰেছ কমিটি দখল কৰিছে সেই দিনৰ যিবোৰ ইংৰাজৰ ডোলা ভাৰী আছিল। যি সকলে আমাক ধৰাই ধৰাই দিছিল, যি সকলে আমাৰ ভলণ্টিয়াৰ সকলক ধৰাৰ বাবে পুলিচ মিলিটাৰীক আশ্রয় দিছিল। যি সকল ব্লেক মাৰ্কেটিয়াৰ, কলা বেপাৰী সেই সকলে। সিহঁতে দেশৰ স্বাধীনতাৰ কথা বুজে কি? সিহঁতৰ ত্যাগ কি? মোক বহুতে কৈছিল, পিছে সেইবোৰৰ পৰা চাৰ্টিফিকেট লবলৈ, সেইবোৰৰ ওচৰলৈ গৈ খটা মিলাৰ কৰাৰ মোৰ মন নাই। তেনেবোৰৰ মানুহৰ ওচৰত গৈ তোষামোদ কৰাৰ মোৰ ইচ্ছা নাই। কোনো দিনৰ পৰা মই অচলো হোৱা নাই। এবাৰ কিছুমান ফৰ্ম্ম মোৰ তালৈ গৈছিল, কিন্তু

সেই'বাৰতো একে কথা লিখা আছে । যেতিয়া পেন্সনৰ ব্যৱস্থা হ'ল তেতিয়া পুৰণি কংগ্ৰেছী মানুহ নতুবা সেইদিনত জেলত যোৱা মানুহ কোনো নাই । আজি মটৰত আহাতে যিবোৰ কথা শুনিলো, মই এইবোৰ গ্লানিৰ পৰা আঁতৰি আছো বোপা । ছাগলী চুৰ কৰা, সিন্ধি খন্দাবোৰেও যদি পলিটিকেল পেন্সন পায়। সেই কলংক এই কেইটা দিনত নলও। আৰু এটা চিগাৰেট জ্বলাই লৈ কবলৈ ধৰিলে, "বোপা আজি বহু কথাকে ক'লো। ৰাতিও বহু হ'ল। এওঁলোকৰ আজৰি হোৱা নাই নেকি ?"

জোঁৱায়েকে ঘড়ীটোলৈ চাই কলে, এতিয়া চাৰে চাবি বাজিল। ৰাতি পুৱাবৰে হ'ল ।

" ইচ্ ইচ্ বহু ৰাতি হ'ল। অনাহকতে তোমালোকক কষ্ট দিলো। মাতা এওঁলোকক। এইবুলি নেপখন গাত পেলাই শুবলৈ ললে। নেপখন টানি লওঁতে কুকুৰৰ ডাক শুনিলে, 'বোপা ৰাতি দেখোঁ পুৱাল আৰু কি শোৱা।"

(৩)

পিছদিনা শুই উঠোতে কিছু বেলি হ'ল। জী-জোঁৱাই ব্যস্ত হৈ পৰিল খোৱা লোৱাৰ ব্যৱস্থাত। জোঁৱায়েক বজাৰলৈ গ'ল, জীয়েকে ঘৰ সৰা, মচা, বন্ধা বঢ়াৰ জোগাৰত লাগিল। সিহঁত আজি অতি ব্যস্ত । সিহঁতৰ ল'ৰা এটাই আছিল। তাকো সৈনিক স্কুলত ভৰ্ত্তি কৰি সিহঁত একেবাৰে মুক্ত হৈ পৰিল। স্বামী-স্ত্ৰী অকলে সম্ভোগৰ জীৱন যাপন কৰিছে। থকা খোৱাৰ লাগ বান্ধ নাই, কাম কৰাৰ হিচাব নাই। এটা অবাধ গতি আজি সিহঁতৰ হঠাতে বন্ধ হ'ল । সি সোমাব বিচাৰে ৰান্ধনী ঘৰত, শাহুয়েক বহি থকা বাবে তাৰ পৰা ওলাই আহে। এবাৰ শোৱনী ঘৰত সোমাব

খোজে, তাতে দেখে শত্রুবক। বাবাও খবৰ ইফালৰ পৰা সিফাললৈ অকলে অহা-যোৱা কৰাত লাগিল। তাৰ আজি কণ্ঠ বোধ হ'ল। বৈৰ্ণী মুকে এবাৰ মাকৰ লগত কথা কয়, এবাৰ পিতাকৰ লগত তুষাৰ কৈছে। আজি সোণমাৰ মুখত হাঁহি, ঘৰৰ গাভৰু জীয়ৰীৰ দৰে চঞ্চল হৈ পৰিছে যেন মাকৰ ঘৰৰ গাভৰু কন্যা।

খোৱা লোৱা শেষ হ'ল। আবেলি গুই উঠি বৰুৱাই বহি থকা বাতৰি চাই আছে জীয়েক সোণমাই চাহ লৈ আহি মাক পিতাকৰ আগত দি কবলৈ ধৰিলে, "পিতা আপোনাৰ খবৰ সবলৈ চৌধুৰী, বৰুৱা, বৰুৱাহঁত আহিয়ে থাকে। আমাক তেওঁ-লোকৰ ঘৰলৈ প্ৰায়ে মাতি থাকে। মাজে সময়ে আমি যাও। আমাক বৰ মৰম কৰে। সদায় আপুনি কেতিয়া আছে খবৰ কৰি থাকে এইবাৰ প্ৰায় একাষাৰ কথা সুধি থাকে পিতাৰা মাবা যে নাহে কিবা মনোমালিন্য ঘটিছে নেকি? খবৰ দিয়া আহিলে ভাল লাগে, পুৰণি বন্ধু মানুহ আমি থাবলৈ মাতিলে। কয়, পিতাৰা আহক, একেলগে যাম। অকলে খাই কি আমেজ পাম। মই গলে তেওঁলোক সকলে আপোনাৰ কথা কৈয়ে থাকে। মাৰ কথাও কয়। মাই বন্ধা ভাত আঞ্জা হেনো পাহৰি যোৱা নাই। আৰু নানা কথা। মই কিছুদিন নগলে তেওঁলোক নিজে আহি খবৰ লৈ যায়, আৰু কিয় যোৱা নাই কৈফিয়ৎ বিচাৰে। ইমান যে মৰমিয়াল। তেওঁলোকক পালে আপোনাক পোৱা যেন লাগে। মই আজিয়ে খবৰ পঠিয়াও আপুনি অহা বুলি।

"নেলাগে মা। মই নিজে আগধৰি যাম। গুৱাহাটীলৈ আহিছো যেতিয়া বন্ধু-বান্ধৱ সকলক লগ পাই যাম বুলিয়ে আহিছো। মোৰ প্ৰকৃত বন্ধু-বান্ধৱ কেইজন ইয়াতে থাকি গ'ল। মোৰো মনত পৰি থাকে। একেলগে জেল খটা মানুহ। মেল মিটিং কৰি ঘূৰি ফুৰো। আমাৰ মাজত কোন কাহানিৰ বহু কথা লুকাই আছে,

লগ হলেই পুৰণি স্মৃতিৰ কথা মোৰ মনলৈ আহে। জীয়াই থকা দিন কেইটি মনত পৰি থাকিব। বৰুৱাৰ লগত মই একে লগে জেলত পৰিছিলো। তেওঁ তেতিয়া প্ৰথম বাৰ্ষিকৰ ছাত্ৰ আছিল। তেওঁ জেলৰ পৰা ওলাই আহি এবছৰ পিছত আকৌ নাম লগালে কলেজৰ শিক্ষা সামৰণী মাৰি ওকালতি পঢ়ি উকীল হল, তাৰ পিছতে দলৰ কামত লাগি গ'ল। বোৰ্ডৰ ভোটত উঠিল. মরে তেওঁ-লোকৰ লগত ফুৰিছিলো. তেওঁক কেবা বেলিও জয় কৰি দিছিলো। তহঁত তেতিয়া সৰু। তেওঁ গৈ মোৰ ঘৰত একেবাৰে নিজা ঘৰৰ দৰে থাকিছিল। মই গুৱাহাটীত আহিলেও মোক আন ঠাইত থাকিবলৈ নিদিছিল। কৰবাত থকা শুনিলেও জোৰ কৰি লৈ গৈছিল। বৰুৱা আৰু চৌধুৰীৰ মই আহিলে বৰ আনন্দ। দুয়োজনৰ মাজত টনা আজোৰা লাগি পৰে মোক নিয়া লৈ। পিছে কেতিয়াবা একেলগে কোনো এঘৰত খোৱা-লোৱা কৰিছিলো। ডেকা দিনত মাৰা আহিলে তেওঁলোকৰ কিমান আনন্দ। বজাৰৰ পৰা একোজোৰ কাপোৰ কিনি উপহাৰ দিছিল। যোৱাৰ দিনত কান্দোন কাটোন আৰম্ভ হৈছিল।"

"বাপুক পালে তেওঁ লগে লগে লৈ যায়। সি বোলে মাতি-লেও নাযায়। তেওঁ নিজে হোষ্টেললৈ গৈ থৰৰ বাতৰি লৈ থাকিছিল। সি পৰীক্ষা নিদিয়াত বৰ দুখ পাইছে।"

"আমি এক প্ৰাণৰ মানুহ। মোৰ লগত কোনো ভিন ভাব নাই। মোক নাপাই নাতিহঁতৰ লগতে সম্বন্ধ কৰি আছে। তহঁতেও যাতে এই মৰম এৰি নিদিয় চাবি। বিপদে আপদে সহায় সহানুভূতি পাই থাকিবি। তেওঁলোকক নিজৰ দৰে জ্ঞান কৰিবি"

"পিতা! বাপুয়ে এইবেলি বৰ নাম কৰিছে। দৈনিকে তাৰ নাম কাগজে পত্ৰই ওলাই থাকে। সিয়ে গোটেই আন্দোলন পৰিচালনা কৰি আছে। টাউনখনত তাৰ নাম প্ৰত্যেকৰে মুখে মুখে।

"সি আছে নে নাহে? মই তাক বহুদিন দেখা নাই। তাক লগ পোৱাৰ উদ্দেশ্যও মোৰ আছিল, ক'ত যে থাকে?"

"সি মোৰ ঘৰলৈ কিয় আহিব? এতিয়া সি ডাঙৰ মানুহ হৈছে। পিছে তাৰ সময়ো নাই। সি গোটেই অসমতে ঘূৰি ফুৰে। সি বোলে ক'ত থাকে কোনেও নাজানে। ছাত্ৰবোৰে তাক লুকাই লুকাই ৰাখি আছে। পুলিচে বোলে তাক ধৰাৰ কাৰণে যত্ন লৈ আ'ছে। সি বোলে সদায় ভেশচন কৰি থাকে। আমি বাতৰিত পাওঁ নহয় আজি ডিব্ৰুগড, কালি ধুবুৰী, পৰহি তেজপুৰত মিটিং গাইছে। সি নেতৃত্ব দি আছে নহয়, সি যাবই লাগিব। আমাৰ বংশৰ নাম সি জলাই তুলিছে।"

"তাক খবৰ কৰচোন, মই বহুদিন দেখা নাই। ঘৰ দুৱাৰ সকলো এৰিলে। আমাৰ প্ৰতি পিঠি দিলে একেবাৰে। বুকুৰ মাজত লৈ লৈ ডাঙৰ কৰিলো। এতিয়া খুটি খাব পৰা হোৱাৰ লগে লগে সকলো পাহৰি গ'ল"—মাকে ক'লে।

"মানুহবোৰে কয় নহয়, এইবাৰ হেনো তাৰ ভাল ফিল্ড। সি সহজতে এম. এল. এ. হৈ যাব পাৰিব। বাপুয়ে এনেভাৱে আগবাঢ়িব মই ভবাই নাছিলো। তাক কিমান বিচাৰিছো, তাৰ লগৰ ল'ৰাবোৰক কিমান ক'লো, সিতো কোনো মতে নাহিল। নাহক, সিযে নাম কৰিছে সেয়ে গৌৰৱ। মই যে তাৰ পেহীয়েক এই কথাও সকলোৱে জনা হৈছে। মই যেতিয়াই সত্যাগ্ৰহ, পিকেটিং বা কোনো সভাই সমিতিয়ে যাও মানুহবোৰে আঙুলিয়াই আঙুলিয়াই মোক দেখুৱায়। তাৰ বাবে মোৰো সন্মান বাঢ়িছে। মোক যিয়ে লগ পায় সিয়ে কয় আপোনালোকৰ বাপুৰ বাবেহে এই বেলি অসমীয়া জাতি জাগ্ৰত হৈ উঠিছে। সি তাৰ সংগঠনৰ বলেৰে গোটেই অসমীয়া জাতিক একত্ৰিত কৰি তুলিছে। ক'তই কিমান চেষ্টা কৰিছিল কিন্তু বাপুৰ আগত সকলো পৰাজয় হৈছে।

সি যে কি ঐশ্বৰিক শক্তিৰে বক্তৃতা দিয়ে পিতা, আপুনি নিজ কাণেৰে তাৰ বক্তৃতা শুনিলে নিজেই গৌৰৱ কৰিব পাৰিব। সিদিনা জজফিল্ডত গণ সমাবেশ হৈছিল। হেজাৰ হেজাৰ মানুহ। গোটেই ফিল্ড খন ঠাহ খাই পৰিছিল। বাট পথ নধৰা হৈ পৰিছিল। সেই সমাবেশত প্ৰধান বক্তা আছিল বাপু। কি যে বক্তৃতা! একেৰাহে প্ৰায় পাচ ঘণ্টা সময় বক্তৃতা দিছিল। কাৰো হাই-উকমি নাছিল। একেবাৰে কাহ পৰি জিন গৈছিল। বক্তৃতা শুনি সকলো মানুহ মুগ্ধ হৈ পৰিছিল। মিটিঙৰ পিছত মানুহবোৰে কোৱাকুৱা কৰিছে এনে মাণিক ক'ত যে লুকাই আছিল। এওঁ যদি আমাৰ জাতি উদ্ধাৰ নকৰে; এইবেলি যদি আমাৰ মুক্তি নহয়; জাতি একেবাৰে কালৰ সোঁতত জাহ যাব। আৰু কোনো দিনে অসমীয়া বুলি এটা জাতি পৃথিৱীত নাথাকিব। সিদিনাৰ তাৰ বক্তৃতা মোৰ সদায় মনত পৰে। তাৰ বক্তৃতা কি যে তেজস্বী ভাষাৰ, প্ৰকাশ ভঙ্গী বোৰ এনে ধৰণৰ একেবাৰে একটিং কৰা যেন লাগে। সি যে ক'ত শিকিলে। জোঁৱায়েৰাই তাৰ বক্তৃতাৰ কথা কৈয়ে থাকে। মিটিঙৰ পিছদিনাৰ পৰা মোৰ ঘৰৰ মানুহ নুগুছা হ'ল। দিন ৰাতি তাৰে মেল। সেইদিনা মিটিঙৰ শেষত তাক লগ পাবলৈ কত চেষ্টা কৰিলো, মানুহৰ ভীৰৰ মাজেৰে তাৰ ওচৰলৈ কত চেষ্টা কৰি গলো, কিন্তু তাক নাপালো। বক্তৃতাৰ শেষৰ লগে লগে সি গাড়ীত উঠিল আৰু নলবাৰী পালেগৈ। ৰাতি আকৌ ৰেদিঅ'ত সি নলবাৰীত বক্তৃতা দিয়া বাতৰি শুনাল। পেহাকে তাক সদায় বিচাৰি আছে, মই বিচাৰি আছো, ক'তো লগ নাপাও।"

"তাৰ কথা শুনি আছো, তাৰ খবৰ লবলৈ ৰেডিঅ'ৰ ওচৰত বহো। কোনদিনা ক'ত গৈছে, ক'ত বক্তৃতা দিছে, বাইজৰ প্ৰতি কি গোহাৰী জনাইছে জানিব পাই আছো। ৰেডিঅ'ৰ সময় হলেই বাপুৰ খবৰ লবলৈ আমাৰ ঘৰৰ চুবুৰীৰ সকলো আহি

ৰেডিঅ'ৰ কাষতে বহেহি। মানুহবোৰে কয়, বাপুৰ বাতৰি দিবলৈ বোলে ৰেডিঅ'ৰ লগত বন্দোবস্ত হৈছে।" মোক একো নালাগিছিল। তাৰ পৰা মই একো বিচৰা নাই কিন্তু তাৰ জীৱনটো অসম্পূৰ্ণ হৈ ৰ'ল। তাকে এবাৰ কবলৈ তাক বিচাৰিছিলো। মোৰ জীৱনৰ লক্ষ্য সিহঁতে ভ্ৰষ্ট কৰিলে। এই আন্দোলন কিমান দিন থাকিব? তাৰ পিছত তাৰ কি ব্যৱস্থা। তাক জানো কানোবাই ইয়াৰ পিছত ফিৰি চাব? বাক কণবাপুৰ কি খবৰ?

"কণবাপুৰ কথা প্ৰতিজন ছাত্ৰৰ মুখে মুখে, বাতৰি কাকত, ৰেডিঅ'ত তাৰো বিবৃতিবোৰ প্ৰচাৰ হৈ আছে। ছাত্ৰ সকলৰ মাজত সংগঠন কৰাত সি ব্যস্ত। সি ক'ত থাকে, ক'ত খায় কোনেও একোকে নাজানে। মই যে এজনী পেহীয়েক, ইয়াত আছো সিহঁতৰ কোনো খবৰ নাই। কি খবৰ লব যিহে দৌৰা-দৌৰি। ভৱানী-পুৰত চি.আৰ. পিৰ লাঠি চালনাৰ পিছত দেশৰ পৰিস্থিতি বদলি গৈছে। ছাত্ৰ সকলৰ কাৰো ক'তো স্থিৰতা নাই। কণবাপুৰ কথা নকওৱেই, প্ৰতিজন ছাত্ৰ যি ৰাতিপুৱাই ঘৰৰ পৰা ওলায়, কোনোজন আহি পাৰে পুৱাৰাতি, কোনোজন আহি পৰে মাজৰাতি। মাকহঁতে টোপনি ক্ষতি কৰি সিহঁতৰ অপেক্ষাত থাকে। দিনে ৰাতি সত্যাগ্ৰহ, পিকেটিং প্ৰচেষ্টনৰে কথা। ছাত্ৰবোৰ যেনেকৈ লাগিছে এইবেলি অসমীয়া জাতিৰ ঠন ধৰিব।"

"মোৰ আপত্তি নাছিল মা। দূৰক, জেলত যাওক, মাৰ খাওক সেইবোৰত মোৰ কোনো আপত্তি নাছিল। পিছে ইহঁতৰ পঢ়া-শুনাবোৰ এনেয়ে গ'ল নহয়। এই বছৰটো গলেই। তাৰ পিছত ইহঁত পঢ়াত ধৰে নধৰে তাৰোতো হিচাব নাই। যি সকল ছাত্ৰই সক্ৰিয় অংশ লৈ আন্দোলনত আগভাগ লৈছে সিহঁতেতো আন্দোলনৰ পিছত আৰু পঢ়িবলৈ মনটোক পতিয়ন নিয়াব নোৱাৰিব ইহঁতে মাষ্টৰ প্ৰফেচাৰ নমনা হ'ব, ইহঁতে ইয়াৰ পিছত দাবী কৰিব পৰীক্ষা নোলোৱাকৈ পাছ কৰি দিব লাগে। কোনো দিনে ক্লাচ কৰোতে ইহঁতৰ মন নবহিব। সদায় বিপ্লৱ মুখী হৈ থাকিব।'

"পিতা, পঢ়িলে কি লাভ। পঢ়া শুনা ল'ৰাবোৰ আজি বেকাৰ হৈ পৰিছে। ক'তো সিহঁতৰ বাবে চাকৰি নাই। অসমীয়া মানুহৰ মাটি নাই, ঘৰতে মগনীয়া হৈ পৰিল। সেয়েহে ছাত্ৰসকল লাগিছে বিদেশী খেদাৰ বাবে।"

"বৰু, ইমান দিনে যে আন্দোলন কৰিলে বিদেশী গ'ল নে? কেইজনমান গ'ল?"

"বহুত গৈছে। আৰু বোলে দলে দলে পুলিচে ধৰি আছে। চৰকাৰক ছাত্ৰ সকলে বাধ্য কৰাবই যাতে অসমত নাম লবলৈ এজনো বিদেশী নাথাকে।"

"বিদেশীবোৰ ক'ত যাব জান জানো?"

"সিহঁতৰ নিজ দেশলৈ, য'ৰ পৰা আহিছে তালৈ যাওক, মুঠতে অসম এৰিবই লাগিব।"

"এই বিদেশীবোৰ যি দেশৰ পৰা আহিছে সেই দেশৰ সীমাত বেৰ দি থৈ দিছে, কেনেকৈ যাব। তই আনিবাবাৰ সাধু পঢ়িছনে? সিহঁতৰ দেশৰ পৰা আহিব পাৰে কিন্তু সিহঁতৰ কাৰণে যোৱা বাটটো বন্ধ। সিহঁত ক'ত যাব। কোনে ঠাই দিব?"

"ছাত্ৰ সকলে কৈছে, যি বাটেৰে আহিছে সেই বাটেৰে যাওক। আমি সেইবোৰ সিহঁতৰ ভেঙুচালি নুবুজো নেমানো। অহাৰ বাট যে চিনি পায় যোৱাৰ বাট কিয় দেখা নাপাব? সিহঁত যাবই লাগিব আমি সিহঁতৰ কোনো কথাই নুশুনো।"

"অসমখন গোটেই বিদেশীৰে ভৰা। চাহ বাগিছাবোৰত অসমীয়া নাই, ডিগবৈ, মাৰ্ঘেৰিটা, লিড্‌ত অসমীয়া নাই। ডাঙৰ ডাঙৰ ৰিজাৰ্ভবোৰ সিহঁতে দখল কৰিলে। ব্ৰহ্মপুত্ৰৰ চৰবোৰ দখল কৰি সিহঁতে চকৰা নাম লৈছে। দেৱোত্তৰ ব্ৰহ্মত্তৰ সত্ৰৰ মাটি সমূহত বহুৱাইছে। আজি বজাৰবোৰত সিহঁতৰ মানুহে বেহা-বেপাৰ কৰে। ৰেলবোৰত উঠিব নোৱাৰি যাত্ৰীবোৰো অনা-অসমীয়া, কৰ্ম্মচাৰীবোৰো অনা অসমীয়া কোম্পানীবোৰৰ কামতো সিহঁত সোমাল। কেন্দ্ৰীয় চৰকাৰৰ চাকৰিবোৰত সিহঁতৰ আগস্থান। এইবোৰ সুবিধা আমিয়ে দিছো। আমাৰ দয়া, আমাৰ স্বাৰ্থৰ বাবে এই হাঁহাকাৰ। ফল স্বৰূপে এই ছাত্ৰবোৰৰ জীৱন ক'লিতে মৰহি যাব। যি সকল বুদ্ধিমান, মেধাৱী, যাৰ ওপৰত দেশবাসীয়ে আশা কৰি থাকে, স্কুলৰ মাষ্টৰ, প্ৰফেচাৰ সকল, যি সকল মেধাৱী ছাত্ৰক লৈ গৌৰৱ বোধ কৰি থাকে, সেই ছাত্ৰসকল এই আন্দোলনৰ বলি হয়। আন্দোলনো শেষ হয়, এই সকল ছাত্ৰ হতাশ হৈ সিহঁতো শেষ হৈ পৰে। যিবোৰ ছাত্ৰই ঘৰতে সোমাই থাকে, পৰীক্ষাবোৰত কথমপি পাছ কৰে সেইবোৰে আন্দোলনৰ শেষত হৈ পৰে ধুম গজা। সময়ত এইবোৰে দেশৰ কৰ্ণধাৰ হৈ শাসন চলায়। যিবোৰ নিস্বাৰ্থ ছাত্ৰ, যিবোৰ পঢ়া শুনাই ভাল সেইবোৰ ওলাই আহে আৰু সিহঁতকে আন্দোলন সমূহে প্ৰথমে আকোৱালি লয়। সিহঁতে আন্দোলনৰ মুখ্য ভূমিকা গ্ৰহণ কৰে। নিস্বাৰ্থ, বুদ্ধিমান, মেধাৱী শক্তিৰ ছাত্ৰবোৰ শেষ হৈ পৰাত স্বাৰ্থান্বেষী, পৰশ্ৰীকাতৰ, লোভী, লুচ্চাবোৰে এইবোৰ ঠাই দখল কৰে। মোৰ আপচোচ সেইটোতে।

মই জেললৈ গলেও দুখ নকৰোঁ, ফাঁচিৰ মঞ্চত উঠিলেও নেকান্দো। কিন্তু সিহঁতৰ জীৱন গোৰলৈছে ভাবা। ভাবিছো সিহঁতে আন্দোলনৰ পিছত এই উদ্যম লৈ পঢ়িব পাৰিব নে নোৱাৰে। পঢ়া উদ্যম সিহঁতৰ হেৰাই যাব। সেয় আমাৰ ডাকে কৈছে—“পঢ়ে পঢ়ুৱাই, ৰোৱে পান ই তিনি নিচিন্তে জান।”

“বাপুৰ বাবে কোনো চিন্তাই নকৰিবা পিতা। সি একেবাৰে শীৰ্ষস্থানত বহি লৈছে। তাৰ ফিল্ড একেবাৰে চাফা।”

“তই মোক বুজাব লৈছ, আন্দোলনৰ শেষত সি এম এল. এ, এম পি. হব নহয়।”

“সি হবই হব। তাক নিৰুৎসাহ নকৰিব।”

“ইহঁতে যে আন্দোলনবোৰ কৰিছে, এম এল এ এম. পি. হোৱাৰ সপোন ৰচিছে নেকি?”

“মানুহবোৰে মুখে মুখে আওৰাই ফুৰিছে। যদি এই দলৰ পৰা আমি আমাৰ নেতা নিৰ্বাচন নকৰো আমি ভুল কৰা হ’ব। এই আন্দোলনৰ নেতা সকলক আমি ভোট দিয়েই আৰু জয়ী কৰিম।”

“তহঁতৰ এইবোৰ অলিক কল্পনা। সাময়িক উত্তেজনাৰ বশবৰ্ত্তী হৈ আমাৰ মানুহে আগ পিছ নাভাবি নুগুনি বহু কথা কয়। বাপু যিদিনা এম এল. এৰ. প্ৰাৰ্থী হ’ব, ৰাইজৰ মাজত সোমাই পৰিব নানা কথা। আজিৰ গুণ গোৱা সকলে কি কব জান’ “তাৰ শিক্ষা কম” ছাত্ৰ অৱস্থাত নানা উচ্ছাগুলি কৰি পঢ়িব নোৱাৰিলে। আৰু কব আন্দোলনৰ নামত হাজাৰ হাজাৰ টকা পিটি লৈছে, তাৰ কাৰণে আন্দোলন বিফল হ’ল। এচাম ওলাব নিজ সম্প্ৰদায়ৰ কথা চিন্তা কৰি, এচাম ওলাব নিজ বংশাৱলীৰ কীৰ্ত্তনত আৰু কিছুমান ওলাব টকা বিচাৰি। এনেদেশপ্ৰেমী সকলে যিপিনে টকা পাব সেইপিনে ভোট দিব। নিজৰ স্বাৰ্থ পুৰণৰ বাবে মানুহে বহু অন্যায়, অপকৰ্ম, অপপ্ৰচাৰ কৰিব পাৰে৷ কৰিও আছে। মানৱ সমাজ খন বৈচিত্ৰ

পূৰ্ণ । যেতিয়া সি বুজিব তেতিয়া তাৰ কাণত এইবোৰ পৰিব সি সেইবোৰ মানুহৰ ওপৰত প্ৰতিকাৰ লবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ব । তইতে এইবোৰ নুবুজ । পিচে বাপুৱেও যদি এই আন্দোলনৰ মাধ্যমেৰে এম.এল. এ. এম.পি. হোৱাৰ সপোন ৰচিছে সি ভুল কৰিছে ।"

"পিতা তুমি দেখা নাই, কেইদিন মান থাকিগলে দেখিবা । মহাত্মা গান্ধীৰ জয়ধ্বনি দিয়াৰ দৰে "বাপু জিন্দাবাদ, জিন্দাবাদ", বাপু জিন্দাবাদ, জিন্দাবাদ, আমাৰ নেতা বাপু জিন্দাবাদ, সংগ্ৰামী নেতা বাপু জিন্দাবাদ জয়ধ্বনিৰে যি সমদল বাহিৰ হ'ব, তুমি নিজে আচৰিত হ'বা । সমদলবোৰে যেতিয়া জয়ধ্বনি দি যাব তুমি শুনিলে কিমান আনন্দ পাবা । বৰ্ত্তমান অসমৰ বাপুৱে সৰ্বেসৰ্বা। বাপুৱে যি আহ্বান দিয়ে পিছদিনা সি কাৰ্য্যকৰী হয় ।"

"তই নুবুজ' মা! এই সমাজত কেতিয়া কি ঘটে বুজা নাযায়। কেতিয়া কাক ডাঙৰ মানুহ পাতে, কেতিয়া কাক সৰু মানুহলৈ নমাই দিয়ে একো ধৰিব নোৱাৰি । বাৰু তইত টাউন চহৰত থাক,' বাতৰি কাকত, ৰেডিঅ' শুনি থাক' তাৰে ছুটামান কথা কও, শুন । ইন্দিৰা গান্ধীৰ কথা. জয়গান, ইন্দিৰা গান্ধীৰ ফটো ঘৰে ঘৰে বেৰত উঠিল, বাতৰি কাকত সমূহত দৈনিক ইন্দিৰা গান্ধীৰ ফটো, বাতৰিৰটো কথা নাই । মুঠতে দৈনিকে ইন্দিৰা গান্ধীৰ নানা কথাৰে বাতৰি কাকত থন প্ৰকাশ পায় । সেই ইন্দিৰা গান্ধীক ক'তই কিমান পূজা কৰিলে, কতই ভৰিৰ ধূলি ললে, শেষত ইণ্ডিয়া আৱাজ দিলে "ইন্দিৰাই ইণ্ডিয়া ইণ্ডিয়াই ইন্দিৰা ।" তাৰ কিছুদিন পিছতসেই ভক্ত সকলে ইন্দিৰা গান্ধীক কতনা অত্যাচাৰ কৰিলে, ইন্দিৰা গান্ধীৰ চৰিত্ৰৰ কলংক সানি ভাৰতবৰ্ষত সকলো ভাষাৰে কিতাপ ছপাই প্ৰচাৰ কৰিলে । এনে কিতাপৰ সংখ্যা বোলে দুহেজাৰতো অধিক । অকল সিমানতে শান্ত থকা নাই, অসমীয়া ভাষাত, দেওবৰীয়া চ'ৰাত, বুৰঞ্জীৰ পাঠ নামৰ এখনি নাটিকাৰে ইন্দিৰা

গান্ধীৰ যৌন চৰিত্ৰৰ ঘৃণণীয় ৰূপ দি মানুহক শুনালে। নানাভাবে ইন্দিৰা গান্ধীৰ যৌন চৰিত্ৰৰ ওপৰত কত কিমান প্ৰচাৰ কৰিলে, কিমান কম কিমান শুনিবি? কৰ্ণাটকত চিক্‌মাগলোৰ সমষ্টিত উপনিৰ্বাচনত ইন্দিৰা গান্ধী প্ৰাৰ্থী হ'ল। লক্ষ লক্ষ টকা খৰছ কৰি ক'ত ৰকমৰ ঢাক ঢোল বজাই যেতিয়া নিৰ্বাচনত পৰাজয় কৰিব নোৱাৰিলে তেতিয়া আকৌ কিছুমান মনে গঢ়া কথাৰে পাক পাতি ইন্দিৰা গান্ধীক জেললৈ পঠিয়ালে। গান্ধীৰ এম. পিৰ পদবীটো নাকচ কৰিলে। কত ৰকমৰ আয়োগ গঠন কৰি ইন্দিৰা গান্ধীক অপদস্ত কৰিলে অপমান কৰিলে। আঢৈবছৰ পিছত যেতিয়া গান্ধীয়ে স গৌৰৱে নিজে আৰু দলে জয় লাভ কৰি বিজয় নিচান উৰুৱালে, তেতিয়া মানুহৰ নাচ কি চাবি। যিবোৰে গান্ধীৰ বিৰুদ্ধে অপ-প্ৰচাৰত মত্ত আছিল সেইবোৰ গান্ধীৰ পুণৰ ভক্ত হ'লহি। সিহঁতৰ আদৰ্শ গ'ল কলৈ? সিহঁতৰ ব্যক্তিত্ব গ'ল কলৈ? এতিয়াৰ বাতৰি কাকতত পাবি আজি বোলে অমুকহে কংগ্ৰেছলৈ গ'ল, কালি বোলে অমুক কংগ্ৰেছলৈ গ'ল। দেশৰ ৰাজনীতি কেতিয়া কোনপিনে ঢাল লয় বুজিয়ে নাপায়। সেইজন জয়প্ৰকাশ নাৰায়ণক এসময়ত ৰাজনৈতিক দল সমূহে ক'লে ফেচিষ্ট। আকৌ জয়প্ৰকাশে কেদিনমান পিছত সেইবোৰক ফেচিষ্ট বুলি গাবলৈ ধৰিলে। বাপুৰ জয়ঢোল বজাইছে বজাওক, সি আন্দোলনত নামিছে নামক। কিন্তু এইবোৰ কথাৰ মেৰপাকত সোমাবলৈ নিদিবি। নিৰ্বাচনত যেতিয়া নামিব তাৰ চৰিত্ৰৰ নানা ৰূপ দি বিপৰীত দলে উলিয়াব, তাৰ জাতিৰ কথা উলিয়াব, তাৰ জীৱনটোত নানা কলংক সানি প্ৰচাৰ চলাব, এনেবোৰ কথা শুনিলে তইঁতে কান্দি পেলাবি। আন্দোলনৰ পিছত তাক জন্ম কৰ। তাক পঢ়ুৱাবই লাগিব। সি অন্ততঃ ডিগ্ৰী লওক। যদি সি ৰাজনীতিয়ে কৰে সি ওকালতি পঢ়ি মানুহ হৈ লওক। সি মোক ধন সোণ দিব নালাগে। সি চলিব

পাৰিলে হ'ল সি চলিব লাগিব এটা স্থিতি তৰুন্তাত। সেয়ে মোৰ কামনা ”

“সি ভুল নকৰে পিতা। সি এই বৃহৎ আন্দোলনটো পৰিচালনা কৰিছে। সি ভুল কৰিবনে ”

‘যিবোৰ লোকে অসম বিক্ৰী কৰিছে, যি সকলে অসমীয়া জাতিক শেষ কৰিছে, যি সকল অসমীয়াই অসমীয়াৰ বিৰুদ্ধে দীৰ্ঘ দিন চলি আহিছে সেই সকলে নেপথ্যত থাকি এই আন্দোলন আৰম্ভ কৰিছে। নিজৰ স্বাৰ্থৰ বাবে। এইটোতো তইঁতে বুজি নাপাৱ। ল'ৰাহঁত ঢোলৰ মাৰিহে।”

“পিতাৰৰ লগত কি কথা কৰি আই? এক পিনে কৰি এক পিনে কাটিব। যিমানে বুঢ়া হৈছে সিমানে কথাবোৰ লৰি গৈ আছে। দেশৰ মানুহ আন্দোলনত নামিছে, পিতাৰ' হ'ল তাৰ বিৰোধী। বাপেক পুতেক দুয়ো জেলত গ'ল, ফাটেক খোৱাৰ ঘৰ বুলি এতিয়াও মানুহে কয়, এতিয়া লাগিছে নাতিয়েক হঁতৰ ওপৰত।”

“তই কি বুজিবি এইবোৰ কথা।”

“মইতো একোকে নুবুজো। তুমিহে বুজা। বুজা কাৰণে কালি গছৰ তলত থাকিব বিচৰা নাছিলানে? মুখেৰে সেই কথা ওলাই কিয়? গোটেইখনতে নিজা মানুহ, আকৌ তেওঁ সেইবোৰৰ কথা নকৈ গছৰ তল, বাৰাণ্ডা বিচাৰি ফুৰিব কিয় লগা হ'ল? ভ্ৰম নহলেনো সেইবোৰ কৰেনে?”

“পিতাই বং হে কৰিছিল, পিতাই নো গছৰ তলত থাকিবনে?”

“তই কি বুজিবি আই? সিদিনা ঘৰতে বাপুকণটোক যি লট-ঘট কৰি'ল, মাষ্টৰে বোলে যাব মানা কৰিছে। এওঁ কথা নুশুনে। পিছে বাটত কলেজীয়া ল'ৰাবোৰৰ লগত লাগিল লাঠি লোৱা-লোই। কণবাপু বহুদিনৰ মূৰত ঘৰলৈ গ'ল, তাক বেলাৰ বেলাটো ঠিয়কৈ

ৰাখি কিমান যে নবকিলে । সি ক'ৰবাৰ পৰা চোলা পেণ্ট লৈছে, তাকে লৈ এখন হুলস্থুল । এই বুঢ়া থকা দিনলৈ 'সচঁাতে আৰু ঘৰ বুলি 'গ ভৰি নিদিয । মই বুজিছো নহয়, আনৰ বুঢ়াই নাতিয়েক হ'তৰ লগত কিমান ৰং তামচা কৰে আমাৰ বুঢ়াৰ নাতিহঁতক দেখিলে জকৃ হৈ উঠে। সেইবাবে নাতিহঁতও মুখ নোচোৱা হ'ল ।"

"আকৌ নো আহিলি নে মাৰ লগত লাগিব মই যিমান আঁতৰি থাকো এওঁ আহি খেদি হেদি । সেইকাৰণে গোলো আজি গছৰ তলাত ৰাতিটো কটাও । বুঢ়ীৰ মজা বাহিৰ হ'ক । সিছ সেইটো কৰিব পৰা নগ'ল ।"

"দেখিলি আই, দেখিলি। মই বাৰু মজা পালোৱেই তুমিনো নেপালা হৈ নে? খালি মোৰ জদত জেদ পাতি থাক জো না মই কিবা অন্যায়হে কৰিছোঁ । মই আহিব খোজা কাৰণে তেওঁ নহা হ'ল । মুঠতে মই যি বিচাৰো তও তাৰ ওলোটাহে কৰে। কেনেকৈ থাক থাক খালি ঘৰখনত বাওবুনি থাকিব নহক কথা-বোৰ। কোনে ভাল পাব?"

"হেৰা, তোমাক ভাল পালেই মোৰ হ'ল । তোমাক কিবা দিলেতো মই পামেই ।"

"এতিয়া চা কেনেকৈ কও মই এইবাৰ আহিছো যেতিয়া আৰু নাযাও। দন্দ, হাই কৰি কিমান থাকিম ।"

"তুমি নো যাৱা ময়ো নাযাও "

"সকলো কথাতে মোৰ লগত হে জেদ মাৰে । এই কাৰণে নলগা তামোলত জেং বন্ধা বাবেই কোনেও দেখিব নোৱাৰা হ'ল । ককায়েৰা এই খেচ-খেচনীৰ বাবেই দিনৰ দিনটো ঘৰলৈ নাযায় । কাকা নাপালে বাপুকণৰ লগতে লাগি থাকে ।"

বাহিৰত সোণমা, সোণমা বুলি মেধি আহি মাতে। দুৱাৰ খুলি সোণমা ওলাই আহিল "সোণমা, পিতাৰক বোলে লুকাই

ৰাখিছু, সেইবাবে মই বিচাৰি উলিয়াবলৈ আহিলোঁ।" ভিতৰলৈ মাতি বহিবলৈ ক'লে।

"সেৰা, জীৰ ঘৰলৈ আহি আৰু বাটে প'থ গুলাব নেলাগে নেকি? অতদিন জী জোঁৱাই সাঁচি ৰখা মিঠৈ বোৰ ভিতৰতে খাই আহিল হবলা।"

"মই যাও বোলাতে আহিলা। বজাৰত আহোঁতে বাটত জোৱাই ক'লে বোলে আমাৰ বঢ়া অ'হিছে। কথটো শুনি আ'বলিৰ চাহ কাপ খায়ে আহিলো অতদিনৰ মূৰ সুগ পোৱাৰ আশাত। আমাৰ পাহৰা বুলিয়ে ভাবিছিলা যা হওক বৰ সুখ পাইছো। শৰীৰ কেনে আছে। ঘৰৰ বোৱাৰীৰ ভাল ন মহীধাৰা নহা হ'ল। বুঢ়ীজনীও বোলে আহিছে। মই বুঢ়ীজনীৰ কথা শুনি তাৰা-তাৰি আহিলো নিমন্ত্রণ জনাবলৈ। সোণমা, মাৰ ক'ত?"

মাক ওলাই আহিল। "মই আহিলা বুঢ়া বটী যোৰক নিমন্ত্রণ কৰিবলৈ। কালি ৰাতি পুৱাই মাৰ তাঁল যাব লাগ। ঘৰত ৰং তামাচা কৰি এসাজ খাম বহুদিনৰ মূৰত। অ সোণমা তয়ো যাব লাগিব।

"কাইলৈ যোৱা টান হব।"

"তেন্তে প্রথম প্রথম বিধি পঠালি খন দিলিনে?"

"কাইলৈ আমাৰ মহিলা সকলৰ পিকেটিঙৰ প্রগ্রেম আছে। মাকো নিম বুলি ভাবিছো।"

"তাৰমানে মাৰকো পিকেটিং কৰিবলৈ মাতি আনিছ হবলা। তইত গলে হব যা। মাৰক কিয় কষ্টখন খুৱাব লাগে। "মাই বৰ ইচ্ছা কৰিছে। মযো মাক এবাৰ পিকেটিংত নমাবলৈ ইচ্ছা কৰি আছিলো। কাইলৈ প্রথম প্রথম মাক পিকেটিংত আগত দিম বুলি সিদ্ধান্ত কৰিছো।"

"পিচে মাৰ সম্মত হৈছে নে নাই"

"মাই শুনিয়ে যাবলৈ ইচ্ছা কৰিছে ।"

"ইচ্ছা'তো কৰিবই । যুজাৰুৰ ঘৰৰ মানুহ যেতিয়া আন্দোলন এটি পাই হেৰুৱাবনে ? বাৰু কাইলৈ পিতাৰ যাওক । পৰহিলৈ মাৰ আৰু তই যাব লাগিব ।"

"মা যাব বাৰু । মই হলে যাব নোৱাৰোঁ ।"

'তই আকৌ কিয় নাযাব । আজি তুমাহ মান তই মোৰ ঘৰলৈ যোৱা নাই। কি হ'ল, আমি কি কৰিলো ।"

"জেঠা। মই মহিলা সকলক সংগঠন কৰিব লগা হোৱাত সময়ে নোপোৱা হলো । চুবুৰীয়ে চুবুৰীয়ে মিটিং কৰিব লাগে, কিমান যে কাম ।"

"বৰুৱা শুনিলা ইহঁতৰ কথা । আমাকো চেৰ পেলালে । এতিয়া মহিলা সকলে আগভাগ লৈছে । তুমি ৰাতিপুৱাই দহমান বজাত জৰ্জফিল্ডলৈ গৈ বহা দেখিবা দলে দলে মহিলা সকল । কিমান ৰকমৰ সাজপাৰ পিন্ধি শোভা যাত্ৰা কৰি, ধ্বনি কৰি কৰি আহি আছে এতিয়া টাউনৰ মহিলা ঘৰত নোপোৱা । ৰাতিপুৱাই ৰন্ধা বঢ়া কৰি খাই লৈ দিন টোৰ বাবে ওলাই আহে । ঘৰৰ কাকো কতো নোপোৱা । ল'ৰাহঁতৰ কথা বেলেগ । আন্দোলন আৰম্ভ হোৱা দিন ধৰি ল'ৰাহঁতৰ মুখ বাপেক মাকে দেখিছে নে নাই মোৰ সন্দেহ । আমাৰ ঘৰৰ নাতিহঁতক মই দেখাকে নোপোৱা হলো। খবৰ কৰো সিহঁত আহিছে নে নাই, পিচে খবৰ পাও ৰাতি বোলে মাজে মাজে আহে । খোৱা লোৱাৰ কথা সিহঁতৰ নাই । মাকহঁতে মৰমতে ৰাতিৰ সাঁজ সাজি থৈ দিয়ে পিচে বোলে সজা ভাত সজাই থাকে । প্ৰথমে মই ডাঙৰ জনক কলো এইবোৰ এৰ । ভাল কথা নহয় । হেৰা কথাটো কবহে পালো সি উত্তৰ কৰিলে তোমালোক বুঢ়াবোৰে আমাৰ দেশ খাই থৈ গলা । সৰ্বভাৰতীয় নেতা সকলৰ পিচে পিচে ঘুৰোতে দেশখনৰ এনে হ'ল । আমি পটি শুনি কি

কৰিম। মই উত্তৰ কৰিলো হেৰৌ আমি কি অন্যায় কৰিলো? কতনা যুঁজ দি দি দেশখন স্বাধীন কৰিলো, আমিহে দেশখন খালোনে?"

তোমালোকে দেশখন খোৱা নাই কোনে খা'ল? চোৱা এই প্ৰগতিৰ যুগত অসমত কি হ'ল? বাকীবাজ্য আগবাঢ়ি গৈ আছে অসমৰ বাবে একো নাই। আমি উশাহ লবলৈ নোৱাৰা হৈছো, চাকৰি এটি পাবলৈ নাই, ব্যৱসায় কৰিবলৈ কোনো ব্যৱস্থা নাই, খেতি কৰিবলৈ এডৰা মাটি নাই। অসম বাসী আজি বিব্ৰত মান। ঘৰে ঘৰে খাদ্য সংকট, অৰ্থ সংকট, অনাহাৰ, অনিদ্ৰাত আজি অসমীয়া জাতি জীৱন নিৰ্বাহ কৰিব লগা হৈছে। সৰ্বভাৰতীয় হওতে আমি পালো কি? গংগাত এঘাৰখন দলং আৰু ব্ৰহ্মপুত্ৰত নানা যুঁজ বাগৰ কৰোতে পালো এখন। নানা যুঁজ বাগৰৰমূৰত শোধনাগাৰ দুটা হল। তাকো ক্ষুদ্ৰতকৈ ক্ষুদ্ৰ। আমাৰ তেল নি শোধন কৰে বাৰাউনীত। তেলৰ টেক্স আমি নাপাও। চাহ পাতৰ টেক্স আমি নাপাও। ব্ৰহ্মপুত্ৰ নদী আজিও নিয়ন্ত্ৰণ নহ'ল। যাৰ বাবে বছৰে বছৰে হাজাৰ হাজাৰ মানুহ কঙাল হৈ যাব ধৰিছে। অসমৰ পৰ্বত পাহাৰ, হাবি বননিত, চৰ-বিজাৰ্ভত ভাৰতীয় মানুহ আহি আহি ভৰি পৰিল। এইখন হ'ল ভাৰতীয় সকলৰ উপনিবেশ। বিধান সভা আছে, মন্ত্ৰী সকল ভঙা পতা কৰে দিল্লীৰ পৰা অসমৰ শাসন চলাই ভাৰতীয় সকলে। জৱহৰলাল নেহেৰুৱে "ডিচকভাৰী অৱ ইণ্ডিয়া" লিখিলে তাত অসমৰ নাম নোসোমাল। ৰবীন্দ্ৰ ঠাকুৰে কবিতা লিখিলে অসম খন পাহৰি গ'ল। নেহেৰুৰ অসমৰ প্ৰতি ইমানে প্ৰেম নিজে শাসনৰ গাদীত বহাৰ স্বাৰ্থত লৰ্ড মাউণ্ট বেটেনৰ গ্ৰুপিং পলিচিত অসমক লঠিয়াই দিলে পাকিস্তানলৈ। লিয়াকৎ আলিৰ লগত চুক্তি কৰি অসম খন ভৰাই দিলে বিদেশীৰে। ইন্দিৰা গান্ধীয়ে মুজিবুৰ ৰহমানৰ লগত চুক্তি কৰি যি ৰূপ ঠাই

আছিল তাকো ৰিফিউজী বস্তুৱাই অসমখন বিদেশীৰ লীলা ভূমি কৰি তুলিলে। চীনৰ লগত যুদ্ধ লাগিল, চীনে বমডিলা দখল কৰিলে ভাৰতীয় নেতা সকলে কবলৈ আৰম্ভ কৰিলে অসম গলেও ভাৰত যাব নিদিও। এটা চেনিকল, এটা মৰাপাটৰ কল, এটা চিমেণ্টৰ কাৰখানা, এটা কাগজ কল কৰিবলৈ লাগে আন্দোলন ইটো লাগে তাৰবাবে আন্দোলন, সিটো লাগে তাৰ বাবে আন্দোলন। খালি আন্দোলন। এইবোৰ তোমালোকে কৰি লৈছা। সেইবোৰ দেখিও তোমালোক নিস্তব্ধ হৈ দেশৰ প্ৰেমত মত্ত হৈ আছা। তোমালোকে শিকালা মানৱ প্ৰেম আন্তৰ্জাতিয়তাবাদ আৰু ভাৰত প্ৰেম। তোমালোকৰ লাজ নাই নেকি, মহাত্মা গান্ধীয়ে অসমবাসীক আত্মহত্যা কৰিবলৈ দিছিল। সেই মূহুৰ্ত্তত তোমালোকে আত্মহত্যা কৰিব লাগিছিল। কিন্তু নকৰিলা আজি তোমালোকৰ ডেকা শক্তিৰ ওপৰত কোনো অধিকাৰ নাই। তোমালোক সৰ্বভাৰতীয় সকল একোজন দেশদ্ৰোহী বিশ্বাসঘাতক"।

সি একে উশাহতে এই লানি বক্তৃতা শুনাই সাউত কৰে ঘৰৰ পৰা বাহিৰ হ'ল। সিদিনাৰ পৰা মই তাৰ মুখ দেখা নাই।

"মধুকৰে কিবা ভুল কলে নেকি জেঠা। একেবাৰে শুদ্ধ কথাকে কৈছে।"

"হেৰৌ, সোণমা, তয়ো কিবা কব খোজ নেকি? কবলৈ আছে যদি কৈ পেলা।"

"জেঠা। মই কিয় কব লাগে, আপোনালোক জনা প্ৰয়োজন আছিল, অসমখনক আপোনালোকে কেনেকৈ অন্ধকাৰলৈ ঠেলি দিলে। আপোনালোকৰ বক্তৃতা হ'ল কনকলতা, ভোগেশ্বৰী, কুশলকোঁৱৰ মদন ৰাউতাৰ আত্মত্যাগ আৰু মহাত্মা গান্ধীৰ প্ৰচাৰ। জৱাহৰলাল নেহেৰুৰ গুণ গৰিমা কৈ আপোনালোকৰ বক্তৃতা। আমি ভাৰতৰ পৰা কি পালো কওকচোন? এনেভাৱে ঠগ প্ৰৱঞ্চনা কৰাৰ পিচতো

আপোনাসকল নীৰৱ দৰ্শক হৈ আছে। আমাক আপোনালোকে ওৰণিৰ তলৰ ঘৰৰ চৌহদৰ ভিতৰত আবদ্ধ কৰি অসমীয়া মহিলাৰ শক্তি ৰুদ্ধ কৰি তুলিছে। অসমীয়া মহিলাক স্বাধীনতাৰ সোৱাদৰ পৰা বঞ্চিত কৰি গৃহলক্ষ্মী সজাই তুলিলে। আমি প্ৰতিজনী মহিলাই ঘৰৰ এজনী দৰীত পৰিণত হৈছো। আমাৰ চিন্তা শক্তি লোপ পালে, দেশাত্মবোধ নাইকিয়া হ'ল। অন্যায় অত্যাচাৰ নীৰৱে সহ্য কৰি চকুলো টুকিব লগীয়া হলো। আমাৰ মহিলা সকল মানুহৰ পৰা আঁতৰি পৰিল। য'ত গৈ নাম ধৰা ত'ত গৈ নাম ধৰা, বিয়াত শাক তোলা, পানী তোলা, ঘৰৰ ল'ৰা ছোৱালীৰ শুশ্ৰূষা কৰাই হ'ল আমাৰ সংস্কৃতি। এইখন কৰোতে ক'ৰাতে আমি মানুহৰ কৰ্ত্তব্য কৰিব পাহৰি গলো। আমাক ধুনীয়া কৰি সজাবৰ বাবে আপোনালোকে আনি দিলে নানা ৰঙ বিৰঙৰ সাজ পাৰ আৰু অলংকাৰ। সেইবোৰ লৈ আমি গৌৰৱ কৰোঁ, সেইবোৰতে আমি হৈ প'ৰা ব্যস্ত। আমাক আৰু কি দিছে? দেশখনত বিদেশী আহি ভৰি পৰিল, আপোনালোকে আমাক শুনাই পৰিয়াল পৰিকল্পনাৰ কথা। বিদেশী আগমন আপোনালোকে নেদেখে, দেখে ল'ৰা ছোৱালীৰ জন্ম হোৱাতো। এই ধ্বনিৰে কিমান পুৰুষ মহিলাক অকৰ্মণ্য কৰি স্বাস্থ্য ভাঙি পেলালে সেইটোলৈ নাচায়। সেই কা-পুৰুষ গদাধৰ, সেই ভীৰু ৰামচন্দ্ৰৰ ব্যাখ্যা দিয়াৰ দিন নাই জেঠা। পুৰুষজন অচল হলে তিৰোতাজনী অচল হৈ পৰে জীৱিকাৰ সংস্থান নাই বাবে। আমি অসমীয়া সকল পদে পদে লাঞ্ছিত, খোজে খোজে বঞ্চিত। আমাৰ দেশ, আমাৰ ভাষা, আমাৰ সংস্কৃতি সকলো শেষ কৰি পেলালে ভাৰতীয় চিন্তা ধাৰাই। আমি বক্তৃতা শুনিব লাগে দিল্লীৰ মানুহৰ পৰা। মিটিংখন হলে বক্তা আনিব লাগে দিল্লী কলিকতাৰ পৰা। আজি সমাজলৈ চাওকচোন, হেজাৰ হেজাৰ ডেকা অন্ন সংস্থাপনৰ বাবে বাটে বাটে ঘূৰি ফুৰিছে।

ডেকা সকল হতাশ হৈ পৰাৰ লগে লগে হেজাৰ হেজাৰ গাভৰুৰ আজি কি দুৰ্দশা। সিহঁতক আপোনালোকে যুবতী সজাই ৰাখিলে, ঘৰৰ কাম কাজ শিকালে। কিন্তু সিহঁতক দৰা দিবলৈ কিয় অসমৰ্থ। ঘৰে ঘৰে যুৱতী ছোৱালীবোৰ বিয়াৰ অপেক্ষাত। সিহঁতৰ যৌৱন কালৰ সোঁতত অৰ্পণ কৰিব লগা হৈছে। যুৱক সকলৰ সংস্থাপন নাই সিহঁতে সংসাৰ নকৰে। ফলত দেশখনত যুবতীৰ সংখ্যা ক্ৰমাগত ভাৱে বাঢ়ি বাঢ়ি এটা ভয়ানক পৰিবেশ গঢ়ি তুলিছে। কংগ্ৰেছৰ নামত আপোনালোক মতলীয়া। আমাক কংগ্ৰেছে কি দিছে। সংবিধানত অসমীয়া ভাষা স্বীকৃতি প্ৰাপ্ত হ'ল কিন্তু অসম ৰাজ্যত অসমীয়া প্ৰচলন নহ'ল। অসমীয়াৰ পৰিবৰ্তে লাগি গ'ল বঙালী আৰু হিন্দী ভাষা প্ৰচলনত।

স্বাধীনতাৰ পিচত আমাৰ অসমত কি হ'ল, কি লাগে। এটা কথাই আমি দিনে নিশাই শুনো আমাৰ মন্ত্ৰী সকল দিল্লীলৈ যোৱা আৰু তাৰ বাহিৰে কি হৈছে। নেতা সকল দিল্লী পাইগৈ তাৰ পৰা আহি বাতৰি মেলত বহি কয় আলোচনা ফলপ্ৰসু হৈছে। ফলপ্ৰসু কি তাক আৰু কোনোৱে কোন, কাহানিও নুশুনিলে। কোনো এটা উদ্যোগ গঢ়ি নুঠিল। অসমত ৰেল লাইন সজাব নোৱাৰে বানপানীৰ বাবে। ভোমোৰা গুৰিত ব্ৰহ্মপুত্ৰৰ দলং নিমাণত বাধা পৰিল ভূমিকম্পৰ বাবে, ডিব্ৰুগড টাউন গঢ়াৰ আচনি নহ'ল ভূ মণ্ডল অস্থিৰ পৰিবেশত থকাৰ বাবে। ব্ৰহ্মপুত্ৰ পৰিকল্পনাও কৰলৈ লাগিল ই এটা আন্তৰ্জাতিক সমস্যা। বিদেশী আহি ভৰি পৰিল আপোনালোকে কয় সংবিধান সাপেক্ষৰ কথা। আপোনালোকৰ স্বাৰ্থৰ বাবে বিদেশৰ পৰা মানুহ আমদানী কৰি ভোটত জিকাৰ পৰিকল্পনা কৰি দেশখন বিদেশী বহিৰাগতৰে ভৰাই তুলিলে। য'ত অসমীয়া সকল জীয়াই থকাই সন্দেহৰ ঠলী হৈ পৰিল। চোৰ, ডাকু ডকাইটি দৈনন্দিন বঢ়াই তুলিলে।

'সোণমা ! তহঁতে এইবাৰ বক্তৃতা ক'ত শিকিলি। তহঁতৰ লগত কথা কবই নোৱাৰা হ'লা ! তহঁতৰ লগত আমাৰ কোনো যুক্তি তর্ক নখটা হ'ল ।

'হেৰা, আমি পুৰণি নহয়, আমি এককাজন দেশদ্ৰোহী হিচাপে পৰিগণিত হলো । আমি ল'ৰা হতৰ লগত কথা কলে থিতাতে অপদস্ত কৰি পেলায । আমাৰ কণ্ঠ ৰোধ কৰি তোলে । ই এটা নতুন যুগৰ জোৱাৰ ।"

'বাৰু সোণমা। কচান বিদেশীবোৰ যুৱাৰ পিচত তহঁতে কি কি কৰিবি দেশখনত । দেশখনৰ মঙ্গল হওক উন্নতি হওক বুলিয়ে, পৰাধীনতাৰ শিকলি চিঙিবলৈ স্বাধীনতাৰ আন্দোলনত জপিযাই পৰিছিলো । আৰু এতিয়াও জপিযাই পৰিম আমাক লাগে প্ৰগতি, উন্নতি । কিন্তু এই হলে বুজাত টান পাইছো তহঁতে কি কৰিব বিচাৰিছ । দেশ এখন গঢ়িবলৈ সুস্থিৰ পৰিকল্পনা, সুস্থিৰ চিন্তাধাৰা লাগিব । সেইবেলি গোটেই খন ৰাইজ কংগ্ৰেছৰ বিৰোধী হ'ল। বাটে ঘাটে কংগ্ৰেছৰ বিৰুদ্ধে ধ্বনি তুলিলে। ফটকাৰ কোবত বাটত ওলাব নোৱাৰা হলো। নতুন চৰকাৰ লাগে। জয় জনতাৰ। কংগ্ৰেছ ধ্বংশ হওক, কংগ্ৰেছে দেশখন খালে বুলি ধ্বনি কৰি ল'ৰা, বুঢ়া, ডেকা সকলোৱে চিঞৰিলে। ফলত কংগ্ৰেছদল শয্যাশায়ী হ'ল। দিল্লীতো জনতা চৰকাৰ, অসমতো জনতা চৰকাৰ হ'ল । পিচে কিনো হ'ল । কংগ্ৰেছৰ আচনি সমূহ মোহাৰি পেলালে, দেশত স্থিৰ অৱস্থা নোহোৱা হ'ল, ৰয়বস্তুৰ দৰ দিনে বাঢ়ি গৈ থাকিল। চোৰ ডকাইত বাঢ়িল । মানুহৰ মাজত খাদ্য সংকটে দেখা দিলে। নকৈ জিলা গঠন, মহকুমা গঠন কৰাৰ ফটকা ফুটালে । খাজনা মাফ দিযাৰ কথা কৈ এখন বিশৃঙ্খলাৰ সৃষ্টি কৰিলে। ডিস্পেনচাৰী বোৰৰ চাৰি অনা পইচা মাফ দিয়াৰ বাবে আৰু কি কৰিলে কচোন? আৰু কি কৰিলে কচোন? আৰু শুনিলো জনতা মন্ত্ৰী

সকলৰ গৰম গৰম বক্তৃতা। কংগ্ৰেছে দেশখন খালে আমাক কিছু দিন সময় দিয়ক দেশখন নকৈ গঢ়ি দিয়াৰ কাৰণে। বয় বস্তুৰ দৰ এনেকৈ বাঢ়ি গ'ল মানুহৰ ক্ৰয় শক্তি নোহোৱা হৈ পৰিল। প্ৰধান মন্ত্ৰী দেশাই বস্তুৰ দৰ কমাবলৈ বেপাৰী সকলক অনুৰোধ কৰোতে কৰোতে আঢৈ বছৰ পাৰ হৈ গ'ল। বেপাৰীয়ে লাভ কৰিব এৰি মোৰাৰজীৰ কথালৈ কাণপাত কৰিবনে? জনতা চৰকাৰ গঠন জানো এই বেপাৰী শ্ৰেণীয়ে ধনে ধানে সম্বল যোগায় গঠন কৰা নাছিল। প্ৰধান মন্ত্ৰী চৰণচিঙে বয় বস্তুৰ দৰ কমাবলৈ পি. ডি. এক্ট ৰাষ্ট্ৰ-পতিৰ দ্বাৰা জাৰি কৰালে। পিছে শুনিলে কোনে? বস্তুৰ দৰ কমক চাৰি আৰু বাঢ়ি গ'ল। মোৰাৰজীয়ে নিবনুৱা সমস্যা সমাধানৰ বাবে দহ বছৰৰ সময় ল'লে, তেওঁৰ বয়স হ'ল বিৰাশী বছৰ। নিবনুৱা সমস্যা সমাধান কৰিব বিচাৰিলে ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ যোগে। যি আচনিত শিল্পপতি সকল দুগুণে লাভবান হব। যি দহ বছৰ সময় ললে, পুৰণি নিবনুৱা নে দহ বছৰৰ ভিতৰত জন্ম হোৱা সকলো। আঢৈ বছৰৰ ভিতৰত মানুহে তৰা মধা খালে, বিলৈ বিপত্তি নোহোৱা হ'ল। আৰু যদি এটা বছৰ জনতা চৰকাৰ থাকিলহেঁতে মানুহবোৰ জীয়াই থাকিল হেঁতেন নাই সন্দেহ। তাকে আমি কওঁ যি এটা কৰ পৰিকল্পনা লাগে। বাৰু আমাৰ ভুল হৈছে তহঁতে শুদ্ধ কৰ। তাত আমিও সন্মতি দিম। পিছে জনতাৰ জয় ঢোলৰ দৰে ঢোল বজাই যদি থকা যায় তেনেহলে কি হব?

"যা, যা! এওঁক তামোল চাদি দিয়াৰ ব্যৱস্থা কৰ।"

"সোণমাৰ কথাত মোৰ পেট ভৰি গ'ল। বেছ বেছ আমাৰ ল'ৰা ছোৱালীবোৰ নিষ্ক্ৰিয় হৈ থকা নাই। প্ৰত্যেকে যে আগভাগ লৈছে তাৰ বাবে তহঁতক ধন্যবাদ। যা কি খুওৱা খুওৱা। পিতাৰৰ লগতে পেত পুৰাই খাও। বাৰু সোণমা! কালি বাৰু মাৰক পিকে-টিঙলৈ নিবি। মোৰ ঘৰলৈ কেতিয়া পঠাবি?

"জেঠা! মাক লৈ আন্দোলন চলি থকা দিন কেইটা মই ঘূৰিম। মা আছিল যেতিয়া মোৰো সাহস হ'ল।"

"সেইটো কৰিলে কেনেকৈ হব। মাৰক মই মাতিব আহিছো, তই পঠিয়াবই লাগিব। লগতে তয়ো যাব লাগিব। বহুত দিন তয়ো মোৰ ঘৰলৈ যোৱা নাই। ঘৰৰ সকলোৱে মোৰ কথা কৈ থাকে। মাৰ আহিছে যেতিয়া মোৰ ঘৰতে দুদিন মান থাকক। তই আকৌ যাবি নে নেযাৱ।"

"মোলৈ কিয় ভাবিছে মইতো হোৱা ভাততে অতিথি হওঁগৈ। বাকু পৰহিলৈ মাক লৈ যাম।"

'তেনেহলে কালি ৰাতিপুৱাই পিতাৰ মোৰ তালৈ যাব। হব নে নহয় ক'। এতিয়া আৰু আমাৰ দিন নাই। তইঁতকে সুধি-পুচি কৰিব লাগিব। মাৰৰ ভাত আঞ্জা মোৰ নাড়ীত এতিয়াও লাগিযে আছে। তইঁত আমাৰ কথা কি বুজিবি। কিমান খালো। আমি ঘূৰি ঘূৰি পাওঁগৈ পুৱাৰাতি। সেই ৰাতি মাৰ উঠি আমাক বান্ধি খুৱাই। আমাৰ কাৰণে মাৰই কিমান কষ্ট খাইছিল। সেই মৰম কেনেকৈ চিঙিম।"

দেওবাৰ। বৰুৱাই ৰাতিপুৱাই যাত্ৰা কৰিলে মেধিৰ ঘৰলৈ। ৰতিকান্ত বৰুৱাই, দেৱী বৰুৱা অহা খবৰ পাই ৰাতিপুৱাই জোৱাযেকৰ ঘৰলৈ বিচাৰি গ'ল। বৰুৱা মেধিৰ ঘৰলৈ অহা গম পাই আকৌ মেধিৰ ঘৰলৈ গমন কৰিলে। ৰতি বৰুৱা মুক্তিযাৰ। এনেকুৱা চনৰ আন্দোলনৰ পৰা জেলৰ ভিতৰত দুয়োৰো সম্বন্ধ। গাওঁ এৰি আহি ৰতি বৰুৱাই চহৰত ঘৰ দুৱাৰ কৰি লৈছে। তাৰ পিছত বিয়াল্লিচৰ আন্দোলনতো জেললৈ গৈছিল। সময়ে সময়ে গাওঁ ভূইবোৰত মেল মিটিং কৰাত দেৱী বৰুৱা আছিল সোঁহাত।

'হেৰা মেধি, মোৰ বান্ধৈক বোলে লৈ আহিছা। তেওঁকহে বিচাৰি তোমাৰ ঘৰ পালো। ৰতি বৰুৱাক দেখা মাত্ৰকে দেৱী বৰুৱা

উঠি আহি বৰুৱাক সাৱতি ধৰিলে।

"বান্ধৈ বুঢ়ীক ক'ত এৰিলা।"

"জোঁৱাইৰ ঘৰতে আছে।"

"মইতো নেদেখিলো।"

"খবৰ নকৰিলা বোধকৰো।"

"মোৰ যে কি হ'ল। জোঁৱাইক সুধিলো তোমাৰ কথা। যেতিয়াই নেধিৰ ঘৰত অহা বুলি কলে মই আৰু একো খবৰকে নকৰিলো। পোনে পোনে খোজ ললো। আকৌ বুঢ়ীজনীৰ খবৰ পালে, তাতেই ৰলোহে। তুমি আহিলা আকৌ বুঢ়ীজনীক এৰি আহিলা কিয়? একেলগে অহা হলে সেয়ে ভাল আছিল।

'সোণমাই কলে— মাকক বোলে সত্যাগ্ৰহলৈ লৈ যাব। বুঢ়ীৰো জেলত যোৱাৰ ইচ্ছা। ময়ো ওজৰ আপত্তি নকৰিলো। যা যি হ'ল হ'ল, জীৱনতটো একোৱে নহ'ল। জেলকে চাই আহগৈ"

"সেইখনতো জেল নহয়, লালন প্ৰসাদৰ ভেকো ভাওনা। ভাগ্যে টান বৰষুণ নাই। চাৰিও ফালে টিনৰ বেৰ, তাতে সুমুৱাই জেলত থয়। এঘণ্টা আধাঘণ্টা ৰাখি মুক্তি দিয়ে। আচল জেলত কেমাহ মান ৰাখিলে মোৰো যোৱাৰ ইচ্ছা আছিল। পুৰণি কাহিনীৰ পুনৰ সোৱাদ লবলৈ। পিছে সেইটো নহয়। কি যাবা।"

"বুঢ়ীৰ প্ৰবল হেপাহ।"

"বান্ধৈ, কি হেপাহ নহবহে। তুমি জেলত গৈছা, আন্দোলনত ঘূৰি ফুৰিছা, তোমাৰ পুতেৰ গ'ল জেললৈ। এতিয়া পাল পৰিল নাতিহঁতৰ। তোমাৰ নাতি, জীৰ কথা মোৰ ঘৰত সদায় আলোচনা। এই সোণমা, তাইৰ লাজ, লাজতে কথা কব নোৱাৰে, মানুহৰ আগলৈ নোলাই, আমাক দেখিলে কথা কোৱাৰ ভয়ত লুকাই ফুৰে। তায়োতো সভানেত্ৰী হৈ গাঁটেই চহৰখনক হেন্দোলদোপ লগাই তুলিছে।

"হেৰা বৰুৱা! কালি সোণমাক মই কিবাকিবি কলো। তেৰা মাত নোহোৱা ছোৱালীজনীৰ কি মাত, কি কথা, ঘণ্টা জুৰি আথে ফুটা দি যি কথা কলে যেন মুখস্থহে কৰি লৈছে। মই মনে মনে ভাবিলো বৰুৱাৰহে জীয়েক। বাপ চাই বেটী হৈ গৈছে।

"মই শুনা নহয়, মোক দৈনিকে নাতি, বোৱাৰীহঁতে সোণপেহীয়ে ক'ত বক্তৃতা দিলে, ক'ত কি কৰিলে, আৰু বাতৰিখন আনি দেখুৱাই সোণপেহীৰ কৃতিত্ব। আৰু সিহঁতে বাপুৰ বিবৃতিবোৰ মোক শুনাই। মই বাতৰি কাকতৰ সেইবোৰ আভুৱা বুলি নপঢ়িছিলো। এতিয়া বাপুৰ বিবৃতিবোৰ পঢ়ি চাও তেতিয়া তোমালৈ মনত পৰে। সিহঁতক কও, বাপুক এবাৰ মতা বুলি কবিচোন, পিচ তাক ক'ত পায়। বান্ধৈ দিন উলটিল। বাতৰি কেখন বাপুৰে। আজি অসম খন তোমাৰ নাতিৰ দ্বাৰা পৰিচালনা হৈছে। যাওহক, বুঢ়াকালত যে তোমাৰ নাতিৰ দ্বাৰা দেশখনত এটা তোলপাৰ লগাব পাৰিছা তাৰ বাবে ধন্যবাদ।

"গ'ল বান্ধৈ, মোৰ আশা আকাঙ্খা সকলো চাৰখাৰ হ'ল। অবশেষত সি হবগৈ আধাডোখৰীয়া টাণ্ডান। আজি দুবছৰ ধৰি সি মোক লগ দিয়া নাই। সি ঘৰ দুৱাৰ এৰিলে। ক'ত থাকে, ক'ত খায় তাৰ কোনো খবৰ নাই। আগে পিচে গৈ ঘৰৰ পৰা টকা পইচা আনিছিল, এতিয়া সেইটো লেঠাও নাই। কেনেকৈ কি কৰিছে সিহে জানে

"দেশ কাল হিচাপে সিও চলিছে। তুমি আপচোচ কৰিলে কি হব।

'মই কোনো আপচোচ কৰা নাই। কৰিছো এটা কথাত। মোৰ ঘৰখনত হে এইবোৰ বতাহ পাই নে? প্ৰথম প্ৰথম মোৰ ঘৰ খনত লাগে বতাহ। ডাঙৰ ল'ৰাক ভাবিছিলো, এজন ডাক্তৰ কৰিম, সিও কৰিলে সেইটো। তাৰ পিচত নাতি ল'ৰাক পঢ়ুৱালো,

আশা আছিল উকীল এজন হৈ জীৱিকা কৰক, গাওঁ ভুই সমাজৰ লগত যোগাযোগ ৰক্ষা কৰি, যদি ৰাজনীতি কৰে কৰক। কিন্তু কি হব। অসমীয়া মাধ্যম আন্দোলন হ'ল পসন্তৰ চনত, সি পৰীক্ষা বন্ধ কৰা আন্দোলন চলালে। পৰীক্ষা দিয়া শেষ। সেইবেলি সি আছিল বি এচ চি ফাইনেলৰ ছাত্ৰ। তাক চি আৰ পিযে পিটিলে। মূৰত আঘাত পালে। তাৰ পিছ বছৰত কতো এডমিচন নাপালে। এড্‌মিচন পাই চাবজেক্ট নিমিলে' বৈ গ'ল সেই বছৰো। মই তেতিয়াও তাক উৎসাহ দি আছিলো, বি এচ চি টো পাছ কৰ। চাকৰি কৰিব নালাগে। মোৰ ঘৰত এটা ডিগ্ৰীধাৰী হ'। কি হব। তৃতীয় বছৰ পৰীক্ষা দিবলৈ ঠিক কৰিলে আহিল এই আন্দোলন। আন্দোলনত সি নামি পৰিল। তাকেই মনে মন ভাবি থাকো মোৰ বংশত আৰু পঢ়া শুনা নহব। কত চেষ্টা সকলো ব্যৰ্থ হ'ল। আন্দোলন যি দৰে আহিছে সেইদৰে শেষ হব। কিন্তু তাৰ কি হব? সি কি কৰিব? সকলো পৰিহাৰ কৰি মোৰ দৰে হালত ধৰিব লাগিব। মুঠতে মোৰ চেষ্টাৰে নোৱাৰিলো।"

'সিটো বেচ অমায়িক, অতি ভদ্ৰ ল'ৰা। আন ল'ৰাৰ দৰে কোনো হৈ-চৈত নাই। মোৰ ঘৰতো আহি থাকিছিল। ঘৰখনৰ সকলোৰে মৰম কৰিছিল। মোৰ নাতিহঁতৰ সি হ'ল দাদা। সি আহিলে কিবা এবিধ নোখোৱাকৈ যাব নোৱাৰে সি অহাৰ পিচতহে শুনো বাপু আহিছিল। মই নাতি বোৱাৰীহঁতক গালি পাৰো, বোলো বাপু যদি আহিছিল মোক নকলি কেলেই, তাৰতো আতাকৰ খবৰ বাতৰিকে লব পাৰিলো হৈ। পিচে সি বোলে সিহঁতৰ লগত চুক্তি কৰে, তাৰ আগমনৰ কথা মই যাতে কোনো মতে জানিব নোৱাৰো। মই বাট চাই আছিলো, যদি সি আহে খবৰ পালেই তাক জব্দ কৰিম। পিচে ক'ত পাবা। ইহঁতে সেইবোৰ কথা কৰ্ণপাত কৰে

নে? এদিনাখন আকৌ কণবাপুক কাছাৰী ঘৰৰ আগতে পালো। সি ল'ৰাটো ক্ষীণাই শুকাই নোহোৱা হৈছে। মই সুধিলো তই খোৱা লোৱা কৰিছনে নাই। তাৰ উত্তৰ সি দি গ'ল। মই বুজি পালো হোষ্টেল নাই, মেচ নাই সি ক'ত খাব? মই তাক কলো, তোৰ লগত কথা আছে, ব'ল মোৰ লগতে। তাৰ ইচ্ছা নাই তথাপি আহিল। ঘৰ আহি পোৱাত তাক গা ধুব কৈ ভাত খাব কলো। সি কিন্তু অবাধ্য নহ'ল। সিদিনা ৰাতি থাকি ৰাতিপুৱাই মই সুঠোতে পলাই গ'ল। মোৰ নাতিহঁতো সিহঁতৰ দলৰে গতিকে সহায় পালে। তাক বুজালো বোলো কণবাপু! এইবোৰ কৰি থাকিলে দেউতাৰাই বুঢ়া বয়সত দুখ পাব। তহঁতক পঠিয়াইছে পঢ়িবলৈ। তহঁতক খৰচ পাতি যি লাগে দি আছে। তহঁতক সকলো ক্ষেত্ৰতে কষ্ট পাবলৈ দিয়া নাই। তহঁতে যদি নপঢ়, দেউতাৰৰ লোকচান নহয়, হব তহঁতৰ। দেউতাৰে মোলৈ চিঠি লিখি থাক, তহঁতৰ খবৰ লবলৈ। মোৰ তহঁতৰ খবৰ লোৱাও এটা কৰ্ত্তব্য। দেউতাৰৰ লগত মোৰ নাল গলে লগা বন্ধুত্ব। দেউতাৰে নকলেও তহঁতৰ খবৰ ৰখা মোৰ কৰ্ত্তব্য। তহঁতৰ লগত মাহে কিমান টকা খৰচ হৈ আছে ভাবচোন। টকা কেনেকৈ মূৰৰ ঘাম মাটিত পেলাই অৰ্জন হব তহঁতে বুজ। তহঁতৰ ওপৰত আমাৰ আশা। তহঁতে পঢ়ি শুনি মানুহ হিচাপে গঢ় লবি সেয়ে আমাৰ আনন্দ। তাক আমি বিচাৰো।"

"মই ল'ৰাহঁতৰ কাৰ্য্য কলাপবোৰ চাবলৈ মাজে মাজে জৰ্জ ফিল্ডলৈ যাওঁ। সিহঁতৰ সংগঠনবোৰ দেখি দেখি মোৰ মন নোৰোৱা হৈছে। মই কি কৰে কি নকৰে তাৰ গম গতি লৈ থাকিবৰ ইচ্ছাৰে যাও। সিদিনা আছিল গণসমাবেশ। মই শুনিলো গণসমাবেশত বোলে প্ৰধান বক্তা বাপু। মই সি কি কয়, কেনে বক্তৃতা দিয়ে লোভ সামৰিব নোৱাৰি গলো শুনিবলৈ। টাউনখনৰ প্ৰায় মানুহটো আহিছেই, গাওঁ ভুইবোৰৰ পৰাও বাচ ট্ৰাকেৰে মানুহ আহিছে। ফিল্ড

খনৰতো ঠাই নোহোৱা হ'ল, বাটে পথেও নধৰা হ'ল। মই ভালকৈ জ'জ কাছাৰীৰ বাৰাণ্ডাত বহি ললো। তোমাৰ তেজস্বী বক্তৃতাই মনত পৰিল। বাপুৱে কেবা ঘণ্টাও একেৰাহে বক্তৃতা দিলে। তাৰ বক্তৃতাত গোটেই সমাজখন কাহ পৰি জীন গৈছিল। কোনো প্ৰকাৰে হাই উৰুমি নাই। তাৰ কি তেজস্বী বক্তৃতা। বক্তৃতা শুনিলো নীলমনি ফুকনৰ, ৰাভাৰ, ফণী বৰাৰ, শুনিলো চাভাৰকাৰ, লোহিয়া, নেহেৰুৰ। সকলোকে বাপুৱে চেৰ পেলালে। প্ৰায চাৰি ঘণ্টামান সি বক্তৃতা দিযেই আছে লাচিত বৰফুকনৰ পৰা কলিযা ভোমৰালৈ এৰা নাই। ইষ্ট ইণ্ডিয়া কোম্পানীৰ আমোলত বঙালী, বিদেশী, ভাৰতীয় সকল কেনেকৈ আহিল, সেই যি প্ৰব্ৰজন আৰম্ভ হ'ল তাৰ আৰু যে শেষ নাই সি গোটেইবোৰ ক'লে। ইংৰাজ চাহাব সকলে চাহ বাগিচা পাতি মুণ্ডা, চাওতাল, মৰাং আদি ভাৰতীয লোক সকলক লৈ আহিল। এক বৃহৎ সংখ্যাৰ। তাৰ পিছত লিড্, মাৰ্ঘেৰিতা ডিগবৈ তেল, কযলাৰ খনিৰ বাবে আমদানি কৰিলে পাঞ্জাৱী, মাদ্ৰাজী হিন্দুস্থানী, বঙালী। ইংৰাজৰ সেনাবাহিনী গঠন হ'ল পাঞ্জাৱী, নেপালী, হিন্দুস্থানী লোকেৰে। ৰেল লাইন প্ৰতিষ্ঠা কৰি বংগদেশৰ অধিকাৰ কৰি তুলিলে। ব্যৱসায কৰিবলৈ আহিল ৰাজস্থানৰ মাৰোৱাৰী সকল। ইংৰাজ সকলে শাসনৰ বাবে অফিচ কাছাৰী আৰম্ভ কৰি কাৰ্য্যালয চলাবলৈ আমদানি কৰিলে ভাৰতীয মানুহ। যি সকল আহিল আৰু নগ'ল। যিযে আহিল তেওঁলোকৰ জনসংখ্যা বাঢিবলৈ লাগিল, মিতিৰ কুটুম সকলক আহ্বান জনালে। ৰেসত অসমীয়া মানুহ সুঠিল, অসমলৈ বুলি ভাৰতীয সকলৰ এক প্ৰবাহ সোঁতত। যি সোঁত আজিও বন্ধ নহ'ল। সেই সকল হ'ল অসমৰ স্থায়ী বাসিন্দা। তেওঁলোক লাগিল নিজৰ নিজৰ ল'ৰা ছোৱালীক নিজ ভাষাৰ মাধ্যমত শিক্ষা দিবলৈ, বঙালী, হিন্দী আদি স্কুল প্ৰতিষ্ঠাৰ নতুন জাগৰণ আনিলে লগে লগে আহিল সংস্কৃতি,

সাহিত্যৰ, ধৰ্মৰ প্ৰচাৰৰ মাধ্যমত নিজৰ গোষ্ঠীৰ মাজত ঐক্য স্থাপন কৰিবলৈ সপোন দেখিলে। আচনি ললে। এই দেশ, এই ভাষা, এই জাতি ৰাহু কেতুৰ দ'ৰ গ্ৰাস কৰাৰ। ইংৰাজ সকলে প্ৰথম কাছাৰী, আদালত, পঢ়াশালী আৰম্ভ কৰোতে বঙালী ভাষাৰ মাধ্যম লৈছিল। সেই বঙলা ভাষাৰ গ্ৰাসৰ পৰা অসমীয়াক ৰক্ষা কৰিবলৈ প্ৰথম যুঁজ হ'ল। সেইদিন ধৰি আমি হ'লা পাহাৰী, জংগলী, বৰ্বৰ। তাৰ আগত ভাৰতীয় সকলে অসমক জয় কৰিব নোৱাৰি বাৰবাৰ পৰাস্ত হৈ অৱশেষত অসমৰ বীৰ সকলক অসুৰ আখ্যান দিলে। অসুৰ, বৰ্বৰ জাতিৰ অপবদনামৰ বাবে নানা তন্ত্ৰ মন্ত্ৰৰ পুথি ৰচনা কৰিলে। বলে নোৱাৰি বুদ্ধি কৌশলেৰে আমাক এই পৃথিৱীৰ পৰা বিলুপ্ত কৰিবলৈ বিচাৰিলে। বৌদ্ধ বিহাৰ সমূহ মানুহ লগাই চূৰ্ণ বিচূৰ্ণ কৰি কালাপাহাৰৰ নামাকৰণ কৰি বুৰঞ্জীৰ পাত ক'লা চেকা সানিলে। অসমত বৌদ্ধ মন্দিৰ নাই-কিয়া কৰিলে, বৌদ্ধদেৱৰ মহাপ্ৰয়াস এই কামৰূপতে হৈছিল। বৌদ্ধ মহামেল এই কামৰূপতে হৈছিল। ৰজা অজাত শত্ৰুৰ দৰে শক্তিশালী ৰাজ ৰাজেশ্বৰ পৰাজিত হ'ল এই কামৰূপতে।

অসমৰ বুৰঞ্জী সম্বন্ধে বুৰঞ্জীবিদ সকল নিমাত। অসমৰ শঙ্কৰ মাধৱক লুপ্ত কৰি ইয়াত আৰম্ভ কৰিলে গৌৰীয় মঠ, মৎমদ, সাঁই বাবাৰ যাদুখেল। এই ভাৰতীয় সকলে অদ্ভুত অদ্ভুত যাদুখেল পাতি আমাৰ মানুহক হাতত লৈ খৃষ্টান পাদুৰী সকলৰ দৰে আমাক ধৰ্মৰ বাণী শুনাবলৈ হৈ গোটেই অসম জুৰি বঙালী কীৰ্ত্তন আৰম্ভ কৰি এমুঠি মুষ্টি ভিক্ষা'ৰ দেশখন লুট কৰাৰ চেষ্টা চলাইছে। প্ৰতিটো ৰেল ষ্টেছনে হ'ল তেওঁলোকৰ ধৰ্ম সাংস্কৃতি প্ৰচাৰৰ ঠাই। আমি মুবুজা বুজাৰ যি ফেৰা জ্ঞান আছিল তাকো হেৰাই পেলালোঁ। আমাৰ কলা-কৃষ্টি হেৰুৱালোঁ। সেই শঙ্কলাদিব, ভগদত্ত, ভাস্কৰ বৰ্মা, লাচিত ফুকনৰ নাম সোঁৱৰণ কৰাৰ দিন আহিল। পুনৰ পূৰ্বৰ

তেজ লৈ আগবাঢ়িব লাগিব। কোনো চুক্তি কোনো আপোচ আমি নামানো। আমি কাৰো কৰতলীয়া হৈ নাথাকো। যেতিয়ালৈ আমি স্বাধীন হব নোৱাৰো তেতিয়ালৈ আমাৰ সংগ্ৰাম চলিব।

এজন অসমীয়া জীয়াই থকালৈ শৰীৰত তেজ থকালৈ আমি যুঁজিম। ভিয়েটনাম, কাম্পুচিয়াৰ দৰে স্বাধীন নোহোৱালৈকে আমি যুঁজিম। ভাৰতীয় নেতা সকলে বুজক, মহাত্মা গান্ধীৰ অহিংসাৰ কথা কলে যে ভুলি নাযাও গান্ধীৰ কথা কৈ আমাক ঘৰাব নোৱাৰিব। ভাৰতীয় শোষক, শাসক সকলে অসমীয়াৰ দুৰ্বলতা বুজি, মহাত্মা গান্ধীৰ অহিংস মন্ত্ৰ জপি জপি গোটেই দেশ শেষ কৰিলে। দেশৰ পৰিকল্পনা জহন্নামে গ'ল, পৰিকল্পনাৰ টকা আহি নিজৰ ঘৰ পেৰাৰ ভিতৰ সোমাল। গোটেই দেশবাসীৰ খাবলৈ ভাত, পিন্ধিবলৈ কাপোৰ নাই, কিন্তু নেতা সকলে ঘৰ ভৰাই পেলালে দেশবাসীৰ প্ৰবঞ্চিত ধনেৰে। ধনী সকল ধনী হৈ গ'ল, কোটি কোটি টকাৰ মালিক হৈ পৰিল। চাহুল্লা চাহাবৰ চেষ্টা আছিল অসমক পাকিস্তান বনোৱাৰ। তেওঁৰ ৰাজত্ব কালত পূৰ্ববংগৰ লোকেৰে ভৰাই পেলালে। পাকিস্তানী ভোটৰ আশা কৰি আমাৰ পূৰ্ববৰ্ত্তী কংগ্ৰেছ নেতা সকলেও সেই সূত্ৰ প্ৰয়োগ কৰি লক্ষ লক্ষ ভগনিয়াৰ আনি থিতাপি লগাই ভোট খেলত দিগ্বীজয়ী হৈ পৰিল। দেশ ধ্বংস হ'ল সেইটোলৈ তেওঁলোকৰ চকু নপৰিল। কেনেকৈ গাদী ৰক্ষা কৰিব পাৰে তাৰ চেষ্টাত থাকিল। কংগ্ৰেছী সকলৰ সেই আদৰ্শকে কমিউনিষ্ট সকলে লৈ বঙালী ভোটৰ আশা কৰি যিকেখন ৰিজাৰ্ভ আছিল ভূমিহীন কৃষকক মাটি দিয়া দেখুৱাই অসমত কমিউনিষ্ট আন্দোলন কৰিলে। তেওঁলোকে মাৰ্ক্সবাদৰ কথা কয়। মাৰ্ক্সৰ জাতীয়বাদৰ সূত্ৰ তাক নামানে। এই কমিউনিষ্ট সকলে সৰ্বহাৰা বিপ্লৱৰ কথা কৈ কলিকতীয়া সৰ্বহাৰাৰে অসম ভৰালে কেনেকৈ বঙালী সকলক চাকৰি দিব

পাৰে, সুবিধা ।দব পাৰে সেয়ে হ'ল চিন্তা। ভোটাৰ লিষ্টত নাম ভৰাই এওঁলোকৰ আদৰ্শ মানৱ প্ৰেম দেখুৱাবলৈ বিচাৰে। কলেজৰ প্ৰফেচাৰ এক শ্ৰেণীয়ে ছাত্ৰক পঢ়ুৱাব এৰি সৰ্বহাৰা বিপ্লৱৰ কথা কৈ এক শ্ৰেণীৰ ছাত্ৰক অসমীয়া বিদ্বেষী কৰি গঢিবলৈ চেষ্টা চলাইছে। চীনদেশে যেতিয়া নিজৰ অধীনলৈ নিব বিচাৰিছিল তেতিয়া ভিয়েটনাম বাসীয়ে মুক্তিৰ যুদ্ধ কৰি চীন সৈন্যক পৰাস্ত কৰি নিজৰ স্বাধীনতা অক্ষুন্ন ৰাখিলে তাক কমিউনিষ্ট সকলে নুবুজে। কমিউনিষ্ট সকলে নিজে পুঁজিবাদী, সামন্তবাদী বিৰোধী বুলি কৈ ফুৰে। কিন্তু নিৰ্বাচনবোৰত কেতিয়াবা ইন্দিৰা গান্ধীৰ সৈতে, কেতিয়াবা জনতা দলৰ সৈতে মিত্ৰতা কৰি স্বাৰ্থ পূৰণত লাগি যায়। কমিউনিষ্ট সকলে আমাক ভুৱা পথেৰে পৰিচালনা কৰিবলৈ বিছাৰিছে। আমি ৰক্ষা পাবলৈ সকলো ভাৰতীয়ক খেদিব লাগিব।

আমি বুজি লব লাগিব ভাৰতীয সকল আমাৰ শত্ৰু। আমি নিজৰ দেশ গঢি তুলিব লাগিব। ভাৰতৰ সংবিধান যদি আমি মা'না তেনেহলে সংবিধানৰ দোহাই দি আমি নিজে ধ্বংস হম। আমাৰ মুক্তি নাই। আমি বগা বঙালৰ পৰিবৰ্ত্তে ক'লা বঙালৰে দাস হৈছো। আমাৰ দিন আহিছে, আমি ঘোষণা কৰিব লাগিব স্বাধীনতাৰ। অসমত অসমীযা ডেকাই নিবনুৱা হৈ ঘূৰি ফুৰিছে অসমীযা মানুহে আজি এমুঠি অন্নৰ বাবে খৰে ঘৰে ঘূৰি ফুৰিছে। ভিক্ষা বিচাৰি। ইযাত পৰ লজ্জাজনক কি হব পাৰে। আমি পঢিলো লাভ কি হ'ল। পঢি শুনি যদি বেকাৰ হৈ ঘূৰি ফুৰিব লাগে এই শিক্ষাৰ লাভ কি? এই শিক্ষা নোলোৱাই ভাল। চীন দেশৰ ছাত্ৰ সকলে যদি দেশৰ স্বাধীনতাৰ আন্দোলন কৰিব পাৰিছিল আমি কিয নোৱাৰিম। ফ্ৰান্স দেশৰ ছাত্ৰ সকলে যদি এঘাৰ বছৰ কাল আন্দোলন চলাব পাৰে আমি কিয় নোৱাৰিম। প্ৰথম লাগিব আমাক সংস্থান। আমি প্ৰথম সংস্থাপনৰ আন্দোলন কৰিছো।

আমাৰ ছাত্ৰ ভাই সকলৰ যেতিয়া, যি মুহূৰ্ত্তত সংস্থাপনৰ দিহা হব, সেই মুহূৰ্ত্তত আন্দোলন পৰিহাৰ কৰি সোণৰ অসম গঢ়াৰ বাবে নতুন পৰিকল্পনা লৈ আগবাঢ়িব লাগিব। আমাৰ এই আন্দোলন কোনো ধৰ্মৰ বিৰুদ্ধে নহয়, আমাৰ আন্দোলন বিদেশী খেদি পঠিওৱা। আমাৰ আন্দোলন মষীমূৰ কৰিবলৈ বিদেশী সৈন্য প্ৰযোগ কৰিছে। সেই বিদেশী সৈন্যক ওফৰাই দি আমি আমাৰ স্বাধীনতা অৰ্জন কৰিব লাগিব। আমাৰ মাজত বিভেদৰ সৃষ্টি কৰিবলৈ ভাৰতীয় দল সমূহে, ভাৰতীয় দালাল সমূহে নানা ধৰণে চেষ্টা কৰিছে। আমি এই দালাল সকলৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰিব লাগিব।

আমি আন্দোলন কৰিছো আমাৰ হক ৰক্ষাৰ বাবে। কিন্তু কলিকতীয়া বাতৰি সমূহে আমাৰ বিৰুদ্ধে নানা ৰটনা ৰচা কৰি প্ৰচাৰ চলাই আছে। কমিউনিষ্ট সকলে আমাৰ আন্দোলনতো ভংগ কৰাৰ বাবে নানাভাবে লাগিছে। তেওঁলোকে কিছুমান শিবিৰ পাতি ভগনিযাৰ সকলক ৰাখি আমাৰ আন্দোলনৰ পবিত্ৰতাত কলঙ্ক সানিবলৈ জঘন্য ভাবে প্ৰচাৰ চলাইছে। কলিকতাৰ কমিউনিষ্ট মুখ্যমন্ত্ৰীযে ভগনিয়াৰ সকলক এবাৰ ৰাবাই পঠিওৱা নাছিল নে? সেই বঙালী নিৰিহ ভগনিযাৰ ওপৰত পুলিচৰ হতুৱাই লাঠি চালনা কৰা নাছিল নে? তেতিয়া তেওঁ কমিউনিষ্ট মতবাদ কিয় পৰিহাৰ কৰিলে। এই ভাৰতীয় দালাল হঁতৰ দ্বৰা চালিত আমাৰ কংগ্ৰেছী মন্ত্ৰী সভাই তেওঁলোকৰ নাম অমৰ কৰি ৰখাৰ বাবে ভগনিযাৰ সকলক বহুৱাই দি একোখন নগৰ তেওঁলোকৰ নামত পাতি ললে। মহেন্দ্ৰ নগৰ, ৰূপ নগৰ, চলিহা নগৰ, সিদ্ধি নগৰ আদি নামাকৰণেৰে ভগনিযাৰ সকলে একোখন নগৰ পাতি বসবাস কৰি সেই বোৰতে অবাধে বঙালী ভাষা কৃষ্টি প্ৰচাৰৰ কেন্দ্ৰস্থলী পতা নাই নে? এই ভগনিযাৰ সকলক স্থান দি তেওঁলোকে দেশদ্ৰোহ কৰা নাইনে? আমাৰ যদি মাটিয়ে আছে তেনেহলে কোকৰাঝাৰৰ পৰা

ৰবো ভাই সকল দৈয়াং বিজাৰ্ভত কিয় আত্ম বলি দিলে। আজি হাটে-বজাৰে, অফিচে-কাছাৰীযে, ৰেলে-মটৰে-জাহাজে বিদেশী। গোটেই দেশৰ সংক্ৰামক ৰোগীবোৰক পঠিয়াই দিছে, এইবোৰ নানা বেমাৰৰ বাহ হৈ গোটেই অসমখনকে দুষিত কৰি পেলাইছে। মুঠ কথা অসমক ভাৰতীয় সকলৰ উপনিবেশ পাতিবলৈ নিদিও। যি সকল ভাৰত প্ৰেমী আছে তেওঁলোক সেই অন্ধপ্ৰেম ত্যাগ কৰি অসমক ভাল পাবলৈ মই আহ্বান জনালো। আমাৰ মুক্তি আন্দোলনত যোগদান কৰি বাংলাদেশৰ দাৰ মুক্ত হওক। নহ'ল ত্ৰিপুৰাৰ যেনে ভাগ্য বিপৰ্য্যয় হ'ল ত্ৰিপুৰী লোকতকৈ বঙালী শৰনাৰ্থী, ভগনিযাৰৰ সংখ্যা অনেক গুণে বেছি হোৱাত ত্ৰিপুৰী সকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈ পৰিছে।"

কি কবা, মানুহৰ দলদোপ হেন্দোলদোপ। তাৰ বক্তৃতাৰ লগে লগে যেন মানুহ'বাৰে সিহঁতক ধৰিবহে শ্ৰোতা সকলক একেবাৰে জাগ্ৰত কৰি পেলালে বান্ধৈ। ভাল নাম জলা হৈ উঠিল। খালি শুনা মানে বাপুৰ নাম। ইপিনে প্ৰচেছন বাপু জিন্দাবাদ, সিপিনে প্ৰচেছন শুনিবা—"এই জুই জ্বলিছে জ্বলিবই," সিপিনে শুনিবা—"চি পি আই, চি পি এম মুৰ্দাবাদ মুৰ্দাবাদ। ভাৰতীয় দালাল হুচিয়াৰ, হুচিয়াৰ, তেজ দিম দেশ ৰাখিম, আমি অসমীয়া নহও ভাৰতীয়।" ৰাতিপুৱা উঠাৰ পৰা এই দৃশ্যবোৰ চাই থাকো। এই আহিল ছাত্ৰ সমদল, তাৰ পিছতে দেখিবা যুৱতী মহিলা সমদল, কেতিয়াবা দেখিবা বয়সস্থ মানুহৰ সমদল। ঘটনা কি হ'ল, কোনে এইবোৰ সংগঠন কৰিলে, এতিয়া আকৌ অগ্নিকাগিৰিৰ পিচত কোন গুলাল, বাহিৰৰ বাৰান্দাত বহি এইবোৰকে চাই থাকো। দেশখনত কি হ'ল। ছাত্ৰ সকল পঢ়াৰ বেজাৰতে ষ্ট্ৰাইক প্ৰচেছন কৰিছে, এই মহিলাসকলক কিহে পাইছে। তেওঁলোকৰ ৰন্ধা-বঢ়া কোনে কৰিছে, নে নিজৰ মৰদ সকলক ৰন্ধা-

বঢ়াতে লগাই নিজে একোজনী মূলাগাভৰু হৈ গলোঁ। বাৰু কথা কি কাম আমি এতিয়াও অলপ বুঢ়া হোৱা নাই, তথাপি ঘৰখনৰ কোনেও কোনেও নকৰে। ৰাতিপুৱাৰ চাহ। তাৰ পিছতে তুমি চিঞৰি থাকা। বুঢ়ীতো আছে কাৰণে ভাতকেইটা পাইছো। ৰন্ধা-বঢ়া এৰি গ'ল বোৱাৰী কৰবাৰ প্ৰচেছনত, নাতিহঁতৰতো কথাই নাই। সিহঁতক এইবোৰ কৰিবলৈ হাক দিবা মুখে মুখে কৈ উঠিব, "আপোনালোকে দেশখন খালে, আপোনালোকে আমাৰ এন্ধাৰ কৰি পেলাইছে। ওঁঠ টিপিলে গাখীৰ ওলোৱা ল'ৰাকেইটাৰ মুখত যেতিয়া তেনে ভাষা, মই আৰু বাক্য নামাতো। যা যিপিনে যাব যাই থাক। যিদিনা পোষ্টাৰ সেইদিনা সোঁৱৰিবি। বোৱাৰীজনীৰ আবুৰ নাইকিয়া হৈ পৰিল। কিন্তু তিথিৰ কথা বাদে, কেতিয়াবা ঘৰৰ পৰা বাহিৰ ওলালে ভৱিত উবুৰি হৈ পৰিছিল, আজি সেই বোৱাৰীয়ে শাহুৱেকৰ লগত প্ৰতিবাদ কৰে আমি বোলে যাক নগলো আপোনালোকৰ সুধিবৰ কি আছে। সিদিনা মোৰ ভৰি হাত কঁপিব ধৰিলে, মূৰ গৰম হৈ উঠিল। খঙতে গোটেই শৰীৰ কঁপিব ধৰিলে যেন মযো ধৃতৰাষ্ট্ৰৰ দৰে ভীমৰ মূৰ্ত্তিটো ভাঙি মোহাৰি পেলাম। সেইদিন ধৰি মই বেটা-বোৱাৰী, নাতি-হঁতক আৰু মাত বোল কৰা নাই। বুঢ়ীজনীয়ে কবহে পালে— "হেৰৌ বোৱাৰী হৈ দেশৰ মতা মানুহবোৰৰ লগত যে ঘূৰি ফুৰ লাজ নাপাৱ নেকি?" উত্তৰ দিলে— "এতিয়া আমি ৰেণিৰ তলত নাই। চাৰিবেৰৰ মাজৰ সতী হোৱা দিন নাই। এই দেশ মূলা-গাভৰুৰ দেশ। চিনাকী অচিনাকী, আপোন পৰ আমাৰ মাজত নাই, গোটেই দেশবাসীয়ে আমাৰ আপোন।" কথা শুনি আৰু ধৈৰ্য্য নাথাকিল, লাঠিডাল লৈ দিলো চোচা বুঢ়ীযেহে ৰাখিলে। এতিয়া আৰু মোৰ বুজিবলৈ বাকী নাই। কোনে কি খালে, কিবা আছে নাই, কোন আহিল আৰু খবৰ নাই। আন্দোলননো আমি কৰা নাছিলোনে? ইহঁতে যিখন আন্দোলন কৰিছে বুজিম নহয়

কেদিনমান পিছত। সেযহে তুমি অহা শুনি, মই আৰু ৰ' কৰা নাই, বহুদিন মনৰ কথা কবলৈ মানুহ পোৱা নাই।"

"হেৰা, কালি মৰ আগত সোণমাই যি বক্তৃতা শুনালে, মইতে আচৰিত। মাত নোহোৱা ছোৱালীজনীৰ মুখত ইমান কথা। ক'ত পঢ়িলে, ক'ত শুনিলে মই অবাক। তাইৰ মুখৰ পিনে চাই মই শুনিযেই থাকিলো মযো ভাবিছো পৰিবৰ্ত্তনৰ কথা। দেশ খন পৰিবৰ্ত্তনৰ গতিত।"

"কথা এটা মন কৰিছা নে বৰুৱা? আন্দোলনৰ নামত প্ৰতি লৰা ছোৱালীৰ ছাত্ৰ অনুশাসনৰ পৰা আতৰি আহিছে। পৰিযালৰ শাসন মানিবলৈ টান পোৱা হৈছে।"

"সিহঁতে শাসন নামানে। কোনো এটা ল'ৰা ঘৰৰ কামত নাই। ঘৰৰ গৰু ছাগলী গোহালিত বন্ধাই থাকে তথাপি সিহঁত ফিৰি নোচোৱা হ'ল। বাতিটো ঘৰত পৰি থাকিব। বাতি পুৱাল নে ওলাল, আৰু ক'ত পোৱা। এইবেলি পথাৰত কোনো এজন ল'ৰাই ধান চপোৱাত নেনামিল। খৰাং বতৰ। খেতি বাতি নহ'ল, সেই বোৰলৈ চাই পিতাকহঁতে ৰবিশস্য লগালে, কৰবাত এমাহ দুমাহৰ শস্য পাম বুলি। হাল পাও কলে পিছে কি কৰিবা গৰু চৰায কোনে? গৰুবোৰ এৰি দিলে। গৰু ছাগলী উদং পাই পথাৰ তহিলং কৰিলে। গৰুৱে উদং পাই বাৰী ঘৰ একেবাৰে চাফা কৰিলে। বাঁহ এটাৰ দাম হ'ল পাঁচ টকা। কেই ঘৰৰ বাঁহ আছে, বাঁহ কাটি বেৰ দিবলৈ। তৰি তৰকাৰি একো বিক্ৰি নোহোৱা হ'ল। যি সামান্য বিক্ৰী হয় তাৰো মূল্য নাই। ইপিনে কেৰাচিনৰ লিটাৰত পাঁচ টকা, নিমখৰ কেজিত দুটকা। ডালি তেলটো কথাযে নাই।"

"এই মাৰোৱাৰী ব্যৱসায়ীবোৰে ল'ৰাহঁতক যেনেকৈ আন্দোলন কৰিবলৈ উদ্গনি দিছে, তেনেকৈ বযবস্তুৰ দৰ তুলি দি

একেবাৰে লুট আৰম্ভ কৰিছে। এই কেইমাহত বস্তুৰ দৰ একেবাৰে উঠি গল। বজাৰলৈ গৈ ত্ৰাহি ত্ৰাহি সুমৰি আহিব লগা হয়।"

"লৰাহঁতে বয় বস্তুব দৰ যে বাঢ়িছে, এই বিষযে কিয নামাতে। সিহঁতেতো একোকে নকয়। খালি সিহঁতৰ এটাই কথা বিদেশী বহিস্কাৰ।"

"বাপেকহঁতে আৰ্জিছে, বজাৰ-সমাৰ কৰে বাপেকহঁতে। সিহঁতে খাব লাগে, এইবোৰত আৰু কি খবৰ কৰিব।"

"ইহঁতৰ শত্ৰু হ'ল কমিউনিষ্ট সকল। কমিউনিষ্ট সকল আগে কয় বস্তুৰ দৰ উঠিলে মেল, মিটিং, প্ৰচেছন আদি কৰি এটা স্থিতি অৱস্থাত ৰাখিছিল পিচে ল'ৰাহতে এতিয়া কমিউমিষ্ট দেখিলে মাৰিবলৈ খেদে। সিহঁত বোলে দেশদ্ৰোহী। বিদেশী বঙালহঁতক বোলে কমিউনিষ্ট পাৰ্টিযে আনি ৰিজাৰ্ভবোৰত বহুৱালে। কমিউনিষ্টৰ নাই চৰকাৰ, নাই ক্ষমতা। বিদেশী আনিবলৈ কি ক্ষমতা। সেইটো সুবুজ। ল'ৰাহঁতে কয, কমিউমিষ্ট বিদেশী খেদাত নাহে কিয? এই হ'ল সিহঁতৰ যুক্তি।"

"আৰম্ভনীৰ পৰা চোৱা এই আন্দোলনটো এক প্ৰকাৰ কবলৈ গলে কমিউনিষ্ট বিৰোধী আন্দোলন। ধনী, জমিদাৰ শ্ৰেণীযে এই আন্দোলনৰ গুৰি ধৰিছে। কমিউনিষ্ট সকলে মাটিৰ চিলিং দেশা জুৰি প্ৰবৰ্ত্তন কৰালে। এতিযা জমিদাৰ শ্ৰেণীয়ে কৰে কি? মাটি ৰাযতৰ হ'ল। জমিদাৰী লোপ পালে। ব্ৰহ্মত্তৰ, দেবোত্তৰ, সত্ৰীযা সকলে মাটিৰ মালিকনা উঠি যোৱাত এই সকলে কৰে কি? এতিযা কমিউনিষ্ট সকল লাগিছে, ব্যক্তিগত সম্পত্তিৰ ওপৰত চিলিং কৰোৱাত। কল কাৰখানা, উদ্যোগ সমূহ ৰাষ্ট্ৰীয কৰণ কৰিবৰ বাবে যেতিয়া লাগিছে এদিন কৰাবই লাগিব। শ্ৰীমতী গান্ধীক বাধ্য কৰিলে খাদ্য ব্যৱসায চৰকাৰৰ হাতত নিবলৈ। দেশৰ ৰাইজে বুজিলে

ৰাষ্ট্ৰীয় কৰণত যে বয় বস্তুৰ দৰ এক নিৰ্দ্দিষ্ট সূচীত থাকিল। বয বস্তুৰ দৰ একেমতে থাকিল। জনতা চৰকাৰ প্ৰতিষ্ঠিত হৈয়ে ধূলি-সাৎ কৰিলে। হলেও আমি কমিউনিষ্ট সকলে এৰা নাই। তেওঁ-লোকৰ দাবীৰ ভিতৰত কৃষিজাত সামগ্ৰী চৰকাৰী কৰণ কৰা আচনি আছেই গতিকে মহাজন, বেপাৰী, জমিদাৰ ইয়াৰ বিৰুদ্ধে লাগিল ল'ৰাহঁতক হগত ললে।'

'এই ল'ৰাহঁতক কিহে পালে।"

"ছাত্ৰক লাগে গৰম গৰম বক্তৃতা। সস্তীয়া ৰাজনীতি। জনতা পাৰ্টিয়ে উলিয়াই দিলে অসমত বহু হাজাৰ বিদেশী মানুহৰ নাম ভোটাৰ তালিকাত ভুক্ত হৈছে। অথচ এই সকল বিদেশী ভোটাৰৰ দ্বাৰা জনতা পাৰ্টিয়ে ক্ষমতাত অধিস্থিত হৈছিল। দেশত এটা নতুন আ লাড়ন লাগিলহেতো। জনতা চৰকাৰৰ শাসনত ব্যৰ্থ হ'ল, দলৰ মাজত আত্ম কন্দল লাগি পৰিল ইপিনে আহিল ভোট। গতিকে এটা আন্দোলন সৃষ্টি কৰিলে জনতা পাৰ্টিয়ে বিদেশী ভোট ভোটাৰ তালিকাৰ পৰা বাদ দিবলৈ। বিদেশী ভোটাৰৰ নাম ভোটাৰ লিষ্টৰ পৰা আতৰাই নিদিয়া পৰ্য্যন্ত নিৰ্বাচন স্থগিত কৰণৰ দাবী তুলিলে। ছাত্ৰ সন্থাৰ দাবী নামানি দিলে আই কংগ্ৰেছে মনোনয়ন। এয়ে হ'ল গোলমালৰ চুৰু। লাঠি চালনাত ছাত্ৰ মৰিল, ৰাজ্যজুৰি তেলাপাৰ লাগি পৰিল। তাৰ পিছত গুলী চালনা, সামৰিক বাহিনীৰ অতিসহ্যা, চি আৰ পিৰ অত্যাচাৰ। আন্দোলন দ্ৰুতগতিত আগবাঢ়িল। অসমৰ দাবী যেতিয়া কেন্দ্ৰীয় চৰকাৰে নেমানিলে, অসমৰো তেল বাহিৰলৈ যাব নিদিবলৈ সিদ্ধান্ত কৰি পেলালে। এয়ে আন্দোলন, ইয়াৰ বাবে পিকেটিং, সত্যাগ্ৰহ, গণসমাবেশ।"

"মেধি! মাৰোৱাৰীহঁতক প্ৰচেছনত দেখি কিন্তু মোৰ হাঁহি উঠিছে দেই।"

"অকশতো মাৰোৱাৰীয়েই নহয়, পাঞ্জাবী, দেছোৱালী, বঙালী সকলে সত্যাগ্ৰহ, পিকেটিং সমাবেশত যোগদান কৰি তেওঁলোক যে থলুৱা তাক প্ৰমাণ কৰিবলৈ বিছাৰিছে।"

'সেই সকল নাহিলে ছাত্ৰ সকলে এৰিলে হৈ।"

"এইটো আন্দোলনৰ সুবিধা লৈ কিছুমান বাতৰি কাকতৰ ভাল ব্যৱসায় হ'ল। কোনো বাতৰি নিকিনি, আন্দোলনৰ কথাকে ৰহন সানি গ্ৰাহকৰ মন আকৰ্ষণ কৰি বেচ প্ৰচলন কৰিছে।"

"মাৰোৱাৰী, বিহাৰী, পাঞ্জাবী, নেপালী, বঙালী সকলে আন্দোলনত সহযোগ কৰি তেওঁলোক ইয়াৰ থলুৱা বুলি প্ৰমাণ কৰিব গ'ল। কিন্তু ল'ৰাহঁতে বহিৰাগত কৈ আছে তাৰ গতিটো ওলোটা কৰিবলৈ এই প্ৰচেষ্টা।"

"যি জন ভাৰতীয় নেতাই এই আন্দোলন সমৰ্থন কৰি বক্তৃতা দিছে তেওঁলোক আন্দোলনকাৰী সকলৰ বেছ প্ৰিয়ভাজন হৈ পৰিছে।"

"আন্দোলনে যিমান প্ৰবল ৰূপ ধৰিছে মাৰোৱাৰীসকলে সুকুঙা উলিয়াই ভাল ব্যৱসায় কৰিছে।"

"আন্দোলনৰ চেগ বুজি পুলিচৰ পৰা চাপ্ৰাচীলৈ য'ত যিমান টকা ঘটা কাৰ্য্যালয় আছিল গোটেইবোৰ বিষয়াই ভাল ধন ঘটিলে। কি যে সুযোগ মিলালে। ইপিনে বিদেশী বহিস্কাৰ আন্দোলন প্ৰবল গতিত চলি আছে আনহাতে বিষয়া সকলে টকা লৈ লৈ বিদেশী সকলক চাকৰি দিয়ে আছে। কি যে কাণ্ড কৰা নাই। উকীল সকলে দেশৰ প্ৰতি শ্ৰদ্ধা জনাই নে দেশক ভাল পায় সত্যাগ্ৰহ, সমাবেশত যোগদান কৰি নামো প্ৰচাৰ কৰিছে, ভৱিষ্যতৰ ফিল্ড খনো বনাই আছে। কৰ্ট কাচাৰীও যেতিয়া নাই ইয়াকে কৰি নাম অৰ্জন কৰিছে।"

"শিক্ষক সকলে আন্দোলনত যোগ দিছে, সমৰ্থন কৰিছে।

ছাত্র সকলক লগাই চৰকাৰক পাৰ নোপোৱা কৰিছে। তেওঁলোকৰ বল শক্তি দেখুৱাই, দমহা বৃদ্ধি আৰু যিমান যি চৰ্ত আছিল পূৰণৰ বাবে।"

"আমোলা বিষয়া সকলে যোগ দিছে, যাতে মুক্ত ভাৱ কামত গাফিলতি কৰিব পাৰ যাতে তেওঁলোকৰ কৈফিয়ৎ বিচাৰিবলৈ আৰু কোনো নাথাকে।'

"তিৰোতা সকলে যোগদান কৰিছে দুপৰীয়াৰ এক অৱসৰ বিনোদ হিচাপে। অকণমান কোঠা এটাৰ ভিতৰত আৰু কিমান সোমাই থাকিব ? ইপিনে পৰিয়াল পৰিকল্পনাৰ আচনিৰে একেবাৰে জঞ্জাল বিহীন হৈ পৰিছে। ঘৰৰ পৰা ওলাই কত বান্ধৱী পাইছে। কতনা মেল পকাবলৈ সুবিধা কৰি তুলিছে, নেযায কি কৰিবহে। আন্দোলন শেষ হলে মহিলা সকলৰ বিপদ হব দেই। ঘৰতো মন নবহিব ?"

"ছাত্র সকলে হৈ চৈ কৰিবলৈ বিচাৰিয়ে থাকে, পঢ়িব নেলাগিলে, পৰীক্ষা দিব নেলাগিলে কিমান আনন্দ। এনে সুযোগ কেনেকৈ এৰে বাৰু ?"

"আৰু যি সকল পঢ়িব এৰা, চাকৰি বিচাৰি ঘূৰি ফুৰা ডেকা আছে, এইটো এটা সুযোগ কৰি লৈ নিজৰ নিজৰ স্বাৰ্থ পূৰণত পোন বাট তেৰা বাটে লাগি পৰিছে। এইটো এটা সুযোগ, এৰে কেনেকৈ ?"

"এনেবোৰ সমস্যা, কাৰণ বশতঃ আন্দোলনটো জোৰদাৰ হৈ উঠিছে বুলি মই ভাবো। নহলে ইমানদূৰ আগবাঢ়িব নোৱাৰিলেহেঁতেন।"

"পইণ্ট কিন্তু আৰু আছে দেই। যুৱতী গাভৰু সকলে যে একেবাৰে মুক্তভাৱে যোগদান কৰিছে, আমাৰ বিহু নোহোৱা হ'ল নহয়, এনে মেলা ঠাই আৰু ক'ত পাব। যুৱতীহঁতক দেখি যুৱক-

বোৰে কেনেকৈ থাকে কোৱাচোন।”

“এই বিদেশীবোৰক জানো আমাৰ মানুহে প্ৰশ্ৰয় দিয়া নাই, আমাৰ অসমীয়া মানুহে সিহঁতক বহুৱাইছে, সুবিধা দিছে আজি কমিউনিষ্টক গালি পাৰিলে কি হ’ব?”

“বিদেশীক সুবিধা দিলে আমাৰ দলে, সত্ৰকেখনে। আৰু জমিদাৰ সকলে। অসমীয়াক মাটি দিলে সিহঁতৰ পৰা যি পাব লাগে নাপায় কাৰণে, সিহঁতক ববলৈ পাৰিলে, কাম কৰাই ললে, ফচলো ঠিকমতে পালে। তাৰ পিছত এই মণ্ডল কাননগো, এচ ডি চি সকল। মণ্ডল সকলৰতো অসমীয়া মানুহ দেখিলে জ্বৰ উঠেহে। যি পইচা বিচাৰে তাকে নিদিয়ে। গতিকে সিহঁতৰ নামতে তৌজি দি পিচত ম্যাদি কৰি দিয়ে।”

“এই আন্দোলনত এচ ডি চি সকলে একেবাৰে একাণপতীয়া ভাব লাগিছে। আৰু অৱসৰ পোৱা কৰ্মচাৰী সকলৰ এই আন্দোলনত বেছ উৎসাহ, তেওঁলোকে সক্ৰিয় ভূমিকা লোৱাও দেখা গৈছে। অৱসৰ পোৱা, চাকৰিৰ পৰা খেদা খোৱা বিষয়া সকলে বোলে আন্দোলন কৃতকাৰ্য্য কৰাৰ বাবে দলো খুলিছে ”

“সিহঁতৰনো কথা কবা কি? যেতিয়া মাটি পত্তন দিছিল তেতিয়া টকা পাইছিল। আন আন বিষয়া সকলে একো কৰিব নোৱাৰিলে অ’ৰ ফাইল ত’ত থৈ ধন ঘটাৰ ব্যৱস্থা কৰিছিল। আন্দোলন কৰি থকাৰ মাজতে যদি কোনোৱে নি টকাৰ টোপোলা আগত পেলাই দিয়ে, চব কৰি পেলাব। যেতিয়া তেওঁলো’ক চাকৰিত আছিল অসমীয়া ডেকাহঁতে তেতিয়া চাকৰি বি াৰি গৈছিল, তেতিয়া তেওঁলোকৰ কথা কবৰে সময় নাই। কিবা কব লগা হলেও যিহে মুখ বেকেটা কৰি কব, কি কবা সেইবাৰ কথা। বিষয়া সকলে চাকৰি দিম বুলি কৈ ঘৰত বৈ লয় তাৰপিছত হে চাকৰি, কোনোক আকৌ চাকৰিত নিযুক্তি

কৰি কিছুদিনলৈ তাৰ দৰ্মহা খিনিকে নিজে লৈছিল। এনেভাবে গোটেই ৰাজ্যত বঙালী, হিন্দুস্থানী, নেপালী সকলক চাকৰিত মকৰল কৰিলে। অসমীয়াৰ আৰু ক'ত ঠাই থাকে! সিহঁতক চাকৰি দিলে সন্মান পাই, টকা পাই, আমাৰ ল'ৰাক চাকৰি দিলে একোকে পাবলৈ নাই। গতিকে এইজাত মানুহে জাতিৰ উন্নতিৰ কথা নকৈ, কোনে কব। সেইবোৰ মানুহে যদি আন্দোলন নকৰে দেশবাসীক কোনে জগাব? নিজৰ বুলি, জাতিৰ বুলি এওঁলোকৰ কথা নাই, টকা নহ'লে কাগজখনো চাই নিদিয়ে।"

'হয় হয়, মায়া পাইছা। অফিচ আদালতত যদি কোনো আন জাতিৰ মানুহ থাকে তেওঁৰ পৰা যি মাত কথা পাবা, কাম খিনি যেনেকৈ আথে বেথে কৰি দিয়ে আচলতে ভাল লাগে। আমাৰবোৰে কামো নিশিকে, নকৰেও। যিখন অফিচতে মানুহ লগা হ'ল তেওঁলোকৰ দিন আহি পৰিল। চাকৰি দিব পাৰকে বা নোৱাৰক কথা নাই, টকাৰ খোখা পাতিবই। সৰু বাবুৰ পৰা বৰ বাবুলৈ। কত মানুহ হাবাথুৰি খাই ফুৰিছে টকা বিচাৰি, ধাৰ বিচাৰি, কিন্তু আমাৰ বাবু সকলে ধাৰ দিম বুলি মাহৰ পিছত বছৰ ঘূৰাই শেষত মঞ্জুৰ নহ'ল বুলি কৈ পঠিয়াই। অহাই প্ৰতি লাগে টকা। এনেকৈ বিশ পঞ্চাশকৈ দিওতে দিওতে মানুহজনৰ ঘটিযা উদং হৈ পৰে। অনা অসমীয়া পালে কি আনন্দ চাবা। সিহঁতে ধাৰো পাই সহজে। অসমীয়া বিষয়া মাত্ৰে কি যে চৰিত্ৰৰ কি কবা। আন নালাগে তুমি দিচপুৰলৈ যোৱা, দেখিবা অসমীয়াকেজন গপমাৰি বহি আছে। কিবা যদি সোধা উত্তৰ দিব এতিয়া সময় নাই। পিচলৈ মাতে। কিন্তু আন আন অনা অসমীয়াই হলে তুমি যি বিচৰা উত্তৰ দিব যথাযথ ভাৱে। আৰু যদি নোৱাৰে ক'ত কামটো হব সুন্দৰ ভাবে বুজাই দিব, সেয়েহে কৰ্মচাৰী। আমাৰ মন্ত্ৰী সকলে এওঁলোকৰ কাৰ্য্য কলাপত প্ৰায়ে দুখ কৰে। যিটো কাম লগে লগে হব লাগিছিল

তাক পেলাই থৈ কেমাহ লগাব তাৰ ঠিক নাই।”

“মোৰ ঘটনাতো কও শুনা, মই এটা ইণ্ডাষ্ট্ৰি লোণৰ বাবে চেষ্টা কৰিলো। যিমান যি কাগজ পত্ৰ লাগে সকলো যতনাই দিলো। ছমাহৰ মূৰত এখন চিঠি আহিল আপোনাৰ ইষ্টিমেটতো ঠিক হোৱা নাই ঠিক কৰি দিযক। যিজন বিষয়াৰ পৰা ইষ্টিমেট কৰিছিলো তেওঁক গৈ লগ ধৰি আকৌ বনাবলৈ কলো, তেওঁ কলে এইখনকে পুনৰ নতুনকৈ টাইপ কৰি পঠিযাই দিযক, মযো দিলো। তাৰ তিনিমাহ পিছত এখন চিঠি আহিল, আপোনাৰ বন্ধকী দিব খোজা মাটিৰ নন্ এন কমবৰেঞ্চ নাই, পঠিযাই দিযক। তাকো পুনৰ কৰি দিলো। আকৌ চাৰি মাহৰ মূৰত এখন চিঠি পালো আপোনাৰ মাটিৰ ভেল্যুৱেচন চাৰ্টিফিকেটখন দিয়ক। মই সেইখনো পঠিযালো। তাৰ পিছত কিছু দিনৰ মূৰত আহিল এখন চিঠি, আপোনাৰ ইণ্ডাষ্ট্ৰিত অভিজ্ঞতাৰ এখন চাৰ্টিফিকেট দিয়ক। তাকো দিলো। তাৰ পিছত আহিল, মেটেৰিযৰ লিষ্ট সহ মূল্য তালিকা এখন দিযক। এনে কৰোঁতে দুবছৰ পাৰ হ'ল। শেষত আকৌ খুজিলে 'নান্ এন কমব ৰঞ্চ চাৰ্টিফিকেট। এই গোটেইবোৰ কাগজ লৈ মই, মন্ত্ৰী চৌধুৰীৰ ওচৰত গলো। চৌধুৰীযে এটি হাঁহি মাৰি কলে -'এইবোৰ ৰঙা ফিটাৰ পাক। কথাটো আপোনাৰ হলে কেৰাণীজনৰ কি লাভ হব। আপোনাৰ এই কামটোৰ বাবে মই খবৰ কৰি আছো কেতিযাবা উত্তৰ পাও সেইজন বাবু বোলে ছুটিত গৈছে, কেতিয়াবা খবৰ পাও এই ফাইলটো এক্স পাৰ্টিৰ হাতলৈ গৈছে। শেষত মোক জনালে এইবছৰ বোলে ফাইলটো কভাৰ নকৰে। মই যেতিয়া ফাইলেঞ্চক কলো, কলে আগত কোৱা হলে কৰি দিলোহেঁতেন। তথাপি অহা বছৰ আৰম্ভণীতে কৰিবলৈ চাম। মই খং জান কৰি গুছি আহিলো আৰু এইবাৰ এৰি পেলালো। এযে যদি আমাৰ স্বাধীন দেশ হয়, আৰু

এইলোক সকলে যদি অসমীয়া জীযাই ৰখাৰ সংগ্ৰাম ক'ৰ, সেই আন্দোলন কোন বিধৰ হব কোৱাচোন—”

“চাকৰিয়াল সকলে আন্দোলনত নামিছে, কাৰ কি লোকচান হৈছে? আন্দোলন কৰিছে দৰ্মহা পাইছে। আৰু যেতিয়া দৰ্মহা কৰ্তনৰ হুকুম কৰিব, তেতিয়া প্ৰথম কেজুৱেল লবলৈ চাব, আৰু যদি তাত হয় তেতিয়া ভৱিষ্যত আন্দোলনৰ লগত কৰ্তন দৰ্মহা দিয়াৰ বাবে দাবী চনদ কৰা হব। যি সকল বিষয়া এইবোৰ দিন আগধৰি টুৰ প্ৰোগ্ৰামত সুমুৱাই থৈ দিব। ৰাইজক দেখুৱাব আন্দোলন কৰা বুলি। চৰকাৰকো ফাঁকি দিলে, ৰাইজকো ফাঁকি দিলে, তেওঁলোক আহিল ৰাইজৰ গণ আন্দোলন কৰিবলৈ। আমাৰ বিষয়া সকলৰ যদি পচিশ পইচাও দেশাত্মবোধ থাকিলহেঁতেন, এইখন দেশ এনে ভাৱে কঙাল নহয়। এওঁলোকে কি বুজিব দেশখনৰ স্বাধীনতা অনাত যে কিমান কষ্ট হ'ল, এইলোকেতো বুজি নেপায়।”

“বৰুৱা! দিনৰ সাঁজ ইয়াতে তিনিও কাটকিয়ানে খাও কি কোৱা—”

“কথাটো গোটেই বেয়া নহয়। ঘৰততো কোন ক'ত গৈছে নেজানোই।”

“কাইলৈ তোমাৰ ঘৰতে খোৱা হওক, কি কোৱা।”

“কবলৈ নাই, ৰাতিপুৱাই তুমি যাবা। বাকীক আজিয়ে মই কৈ যাও।”

“কালি যেতিয়া তোমাৰ ঘৰত হ'ল তেনেহলে বড়া আৰু চৌধুৰীকো নিমন্ত্ৰণ দিয়া। বেছ জমিব।”

“কথাটো বেয়া নহয়, পিচে বোৱাৰীহঁতে থাক নাথাকে সেয়েহে কথা। গ'লও গ'ল। বুঢ়ীতো আছেই। দুয়ো বুঢ়া বুঢ়ী লাগি যাম।”

“আমাৰ বুঢ়ীতো আহিবই।”

"আমাৰ বুঢ়ীকেইজনীকো নিব পাৰো নহয়, তেতিয়া একেবাৰে পিকনিক হৈ পৰিব। পুৰণি দিন আকৌ ৰচনা কৰা হব।"

"বৰ ভাল কথা। বৰ ভাল কথা।"

"বকুৱা, তোমাৰ বোৱাৰীহঁত যদি কৰবাত যাব খোজে যাব দিয়া। আমিয়ে চব কৰি লেগাম।"

ইতিমধ্যে ভাত খোৱাৰ আহ্বান আহিল। তিনিওজন হাত ধুই খাবলৈ বহিল।

"বোলো আমাৰ মেধিযনী সত্যাগ্ৰহত যোৱা নাই নেকি ?"

"কিয় নেযাম। বুঢ়া কেজনে জেল খটাৰ কথা কৈ থাকে আমি জেলত গলে অপৰাধ হবনে ? আপোনাৰ বুঢ়ীজনীক লৈ অহা হলে বৰ ভাল হ'ল হেঁতেন।"

"বুঢ়ীক আনিছো, ভয় কৰিব নালাগে।"

"আমাৰ তালৈ কিয নানিলে।"

"আজি জীয়েকৰ লগতে সত্যাগ্ৰহলৈ গ'ল।"

"গুৱাহাটীখন পাই সত্যাগ্ৰহত যাব লগা হ'লনে ? খবৰ পালে একেলগে যাব পাৰিলো হৈ নহয়। একে বয়সৰ মানুহ একেলগে লগ হৈ যাব পাৰিলে ভাল লাগিলহেঁতেন।'

'আপুনি কেদিন মান গ'ল।"

"দুদিন গৈছিলোঁ। বোৱাৰী, ছোৱালীহঁতৰ লগত গৈ ভাল নালাগে নহয়। ডেকাহঁত যুৱতীহঁতৰ লগত ওমলা খেল খেলি নাক কোচ খায যায যেন ৰাসলীলা হে হৈছে।"

"কিমান যে ল'ৰা ছোৱালী নষ্ট হব।"

"হৰা মধি, এই আন্দোলনবোৰ মহামিলনৰ একাখনি কেন্দ্ৰ-স্থল। আজিৰ দিনৰ স্বয়ম্বৰৰ এযা প্ৰাৰম্ভিক।"

কাৰ কিমান উদ্দেশ্য আছে, এনেভাবে মুকলিমূৰীয়া হৈ আহ্লাদ পীৰিতিৰ মাজদি গণ বিপ্লৱৰ সোৱাদ গভীৰ হৈ পৰে।

"এইবেলি এনেকৈ কিছু যাব দেই। যোৱাত যাব পাৰিব, পিচে পাৰ পোৱাব।'

"সংসাৰ হোৱাৰ পিছত দাম্পত্য কলহ, কম পৰিমানে হ'লেও সকলোৱে ভোগে।

'দেশখন যে কি হ'ল, ইমান কষ্ট, অত মানুহৰ আত্মবলিদান সকলো শেষ কৰি পেলালে গান্ধীয়ে। এনে সুন্দৰ, এনে মহান কংগ্ৰেছ খন আজি ভাগি চিঙি ভঙা আইনাৰ দৰে টুকুৰা টুকুৰ কৰি পেলালে। সেইবোৰ দেখি দুখে লাগে বন্ধু। আমি কব বিচৰা নাই, পদবী বিচৰা নাই, যেতিয়াই যি নিৰ্দেশ দিয়ে তাকে অকাতৰে পালন কৰিছিলো। কিন্তু সেইবোৰ দুখ কষ্ট অথলে গ'ল।"

"এতিয়া আমাৰ দিন নাই, আমিও নিবিচাৰো, আমাকো নিবিচাৰে।"

"কংগ্ৰেছ বুলিলে এতিয়া ডেকাইতৰে। বুঢ়া ভগীয়া কোনো নাই।"

"প্ৰত্যেক বিচাৰিছে আজি ক্ষমতা। খদ্দৰৰ চোলাটো পিন্ধি হৈ পৰিছে মহানেতা কৰবাত এখন মিটিং হ'লে এই সোপাই আগধৰি ঠাই দখল কৰি বহিব। কোনো এটা কথা হ'লে এই সকলৰ উলহ-মালহ। গোটেই দেশ জুৰি দুৰ্নীতি সোমাই পৰিল। মন্ত্ৰী কেইজনাইও এইবোৰক আগত লৈ দৌৰা হ'ল। কংগ্ৰেছ দলৰ সৌষ্ঠৱ নাইকিয়া কৰি তুলিলে। এইবোৰ নেদেখাকৈ মৰি যাব পাৰিলেও ভাল আছিল।"

"পুৰণা মানুহ বুলিবলৈ দেখাকে নোপোৱা হ'ল। মইতো কংগ্ৰেছ অফিছ বুলি আজি বহুদিনে যোৱা নাই। এতিয়া আমাকো নিবিচাৰে। নতুন নতুন মানুহ আহিল, ডেকা সকলে কমিটিবোৰ দখল কৰিলে, আমি আৰু ক'ত ঠাই পাম। আগতে আমি মেম্বাৰ কৰিছিলো, ঘৰে ঘৰে গৈ প্ৰত্যেককে লগ ধৰি, সভ্য ভৰ্ত্তিৰ পইচা

ঠিক মতে আনি জমা দিছিলোঁ। কোনে কিমান মেম্বাৰ কৰিলে এটা হিচাব হয় পুৰণি মানুহ খিনি যাতে বাদ নপৰে আমি তালৈ লক্ষ্য ৰাখিছিলোঁ আৰু বাদ পৰাও নাছিল। মিটিংবোৰো বেছ গাম্ভীৰ্যপূৰ্ণ আছিল। আমি প্ৰত্যেকে প্ৰত্যেকক মান সন্মান কৰিছিলোঁ। নিজৰ পৰিয়ালৰ দৰে লাগিছিল। কিন্তু এতিয়া সকলো উলটি গ'ল। কংগ্ৰেছৰ মিটিং বুলিলে তাত এখন হাল্লা চিৎকাৰ হে লাগি পাৰে। কংগ্ৰেছ বুলিলে যি মৰ্যাদাৰে চাইছিল সেযা পুৰি চাই হৈ গ'ল। মন্ত্ৰী সকলো হ'ল লোভী লুচ্চা। গতিকে কোনে কাক শাসন কৰে।"

"আজি উপযাচিয়ে খালো। কাইলৈ মোৰ ঘৰত বুঢ়া বুঢ়ী উভয়কে নিমন্ত্ৰণ দিলো।"

"মইনো ঘৰখন এৰি যাওঁ কোনকৈ। বোৱাৰীহঁতকেতো কথা শুনাব নোৱাৰো।"

"বোৱাৰীহঁতক যদি ঘৰ চুৱাব নালাগে বুঢ়া-বুঢ়ীক কিয় লাগেহে। কাইলৈ বৰুৱা-বৰুৱানীকো মাতিম। পাৰিলে চৌধুৰী, বড়াকো মাতিম।"

'কিবা সকাম নিকাম হবলা।"

"নাই, নাই মোৰ আৰু পঞ্চামৃতৰ দিনো নাই, অন্নপ্ৰাসনৰ পৰ্বও নাই। বান্ধ আছিল বহু দিনৰ মূৰত। বুঢ়ীজনীও আছিল। একেলগে লগ হৈ বন্ধু বান্ধৱী সমন্বিতে এসাঁজ খাও। এনে দিননো আৰু ক'ত পাম। পিচে ৰাতিপুৱাই গৈ জোগাৰ কৰিব লাগিব। তেতিয়াহে—"

"কিয়, নাতিনী বোৱাৰীহঁত নাই নেকি?"

"সিহঁতৰ কথা আমাৰ লগত নৰাজে। আমি হলো ভাৰতৰ মানুহ আৰু সিহঁত হ'ল জয় আই অসমৰ। যি ৰাতিপুৱাই ওলাই যাব, ৰাতিখন ওলাবহি। সেইবাৰ এতিয়া এৰি পেলাইছো। দুয়ো বুঢ়া-বুঢ়ীৰ কেইটা খাই পৰি থাকো।"

'বোৱাৰীহঁতক কিহে পালে নেজানো, কি যে চখে ধৰিলে। গিৰিয়েকহঁতে কিবা কলেও কাণসাৰ নকৰে। সিদিনা ল'ৰাই বোৱাৰীক কলে "তুমি এইবোৰত যাব নোৱাৰা। ইযাৰ পৰা কোনো কামত নাহে। ঘৰখন চাব লাগে। এনে ধৰণে ঘূৰি ফুৰিলে মান সন্মান লাঘৱ হব।''

কবহে পালে একেবাৰে ফৰিংচিটিকা দি পৰিল। যি হে কলে বোৱাৰী দিনত এনে কথা মুখলৈ অহা নাছিল। আমি ঘৰ ঘৰ কৰি থাকিলে কিহবহে দেশখনে ঘৰ বুলি ভাবিব লাগিব। নিজৰ মৰদ জনে যে মানুহ সেই কথা উঠি গ'ল। এতিয়া দেশখনৰ সকলোৱে নিজৰ।" দুয়োৰো মাজত ভালকৈয়ে লাগিল। তেতিয়াৰ পৰা বোৱাৰীও চকুৰ পিনে নাযায়। ল'ৰায়ো ৰাতিটো কৰবাৰ পৰা আহি পৰি থাকে। খোৱা লোৱাৰ কোনো চিন্তা নাই।

"তেনেহলে শনিয়ে আপোনাৰ ঘৰতো লম্ভিছে।"

"বোৱাৰী অহা দিন ধৰি শনি সোমাল। এওঁহে মন নকৰে কিবা কলেও কয় হেৰা আমাৰ এতিয়া দিন নাই, যি মিলে তাকে খোৱা। সিহঁতৰ কাৰ্য্যত চকু নিদিবা। পিচে ভাত কেইটাও নাপাবা। সেয়ে হ'ল। বোৱাৰীৰ পৰা কিবা পাম আশা গৈছে আৰু।"

"ঘৰুৱা কথাবোৰ ভাবি কি লাভ। সিহঁতক বিযা বিচু কৰাই ঘৰ পাতি দিলো। ঘৰ লাগে ৰাখক। নেলাগিলে আমি কি কৰিম। শিক্ষা দিছো, সম্পত্তি দিছো তাক যদি চলাই খাব নোৱাৰে মই কি কৰিমহে। চলিব পৰা দিন কেইটা চলা।"

"পিচে মই হলে উপযুক্ত বোৱাৰী পালোঁদেই। আজি পৰ্য্যন্ত শাহুয়েকৰ লগত এষাৰ প্ৰতিবাদ নাই। ঘৰৰ কাম বন কৰি ঘৰখন নিয়াৰিকৈ ৰাখে।"

"বৰুৱা তুমি থাকিলা গাঁৱত। চহৰত থকা হলে মহিলা সমিতিৰ পাল্লাত তোমাৰো শান্তি হেৰালহে। এই আন্দোলনৰ দিনত তুমি ঘৰত পালা হৈ জানো।"

"বান্ধ ! তুমি বৰ সুখত আছা। স্বাধীনতা তুমিয়ে ভোগ কৰিছা আমি কৰিছিলোঁ দেশৰ স্বাধীনতা আন্দোলন। বোৱাৰীহঁতে লাগিছে নাৰী মুক্তি আন্দোলনত। যিহে ককালত চাদৰখন বান্ধি লৈ খোজ দিব, যেন যুদ্ধৰ কাৰণেহে আগবাঢ়িছে।"

"আন্দোলন সকলোৱে কৰে। বুকুৰ তেজ উলিয়াই মুক্তিপনত সাক্ষৰ কৰা তেজপুৰৰ মহিলা সকল, বৰডিলাত ব'ম পৰোতে, কোন কেনি পলাল, ঘৰ থাকিল ক'ত, লৰা ছোৱালী গ'ল ক'ত, বুকুৰ তেজেৰে লিখা পণৰ কাগজ ক'ত গ'ল, কোনো পাত্তাই নোহোৱাই হ'ল। বুজিছা তেজপুৰৰ ঘটনাৰ প্ৰতি চাই ইচ্ছামতে হাঁহিলোঁ। এয়া হ'ল আমাৰ নব্য মূলাগাভৰৰ দেশ।"

"আঞ্জা ভাত বেছ সোৱাদ হৈছে দেই।"

"নহব কিয়, আমাৰ মেখিয়নীহে ৰন্ধা। আজি তেওঁ তিনিজন বুঢাকে পোহ দিলে আঞ্জা-ভাতৰ জুটি নহবনে।"

"হলেও বাপুৰ আইতাকৰ দৰে নহয়।"

"কিয় তেওঁতকৈয়ো ভাল হৈছে।"

"তেওঁৰ দৰে আঞ্জা ভাতৰ যুটে নাজানো। যি হে ৰান্ধনী।"

"ৰান্ধনী কিয় ভাল নহব! বকৰা কাষতে বহি জা-জোগাৰ খিনি গোটাই দিয়ে আৰু ভাল নহব পাৰেনে।"

"বান্ধৈৰ বিয়াৰ আঠমঙ্গলাৰ খানা আৰু পাহৰিব নোৱাৰো দেই। ইমান খন আঞ্জা। প্ৰত্যেক খনৰে জুটি উঠিছিল। যি খনে মুখত দিয়া, সেইখনকে খাই থাকিবলৈ মন যায়। খালো দিয়া সেইদিনা, খুজি খুজি খালো।"

"বিয়াৰ ভোজ জানো বেয়া হৈছিল। খোৱা সকলে উগাৰ মাৰি, উগাৰ মাৰি স্বীকৃতি দিছিল।"

"আজি পিচে বুঢী জনীক অনা হলে বৰ সুখ পালোহেঁ।"

"বুটী এতিয়া জীয়েকৰ ঘৰত। মোৰ অধীনত নাই। অহাৰ প্ৰগ্ৰেম ঘৰতে কৰা হৈছে। সোণমাই কোন পথে লৈ ফুৰে নেজানো।"

খোৱা-লোৱা হ'ল। গুৰগুৰিটো মাজতে লৈ তিনিওজন বহিল বাহিৰত।

"হেৰা মেধি। চৌধুৰীক মাতি আহিব পাৰিলে বেয়া নাছিল। দিনটো ইযাতে গ'ল। তেওঁক মাতিবলৈ আৰু ক'ত সময় পাম। নহলে মযে আগবাঢো।"

"বহা, বহা। খোৱা ভাগৰটো যাওক। চাহ-পানী খাই উঠি কিবা এটা কৰিব লাগিব।"

"মেধি। বাহিৰে বাহিৰে চৌধুৰীকো দেখা দিব পাৰিলে ভাল আছিল। নহলে বলা তিনিও জনে যাওঁ।"

"হেৰা যাব পাৰোঁ। তিনিওজনক দেখিলে বাটৰ মানুহে আঙুলিযাবহে।"

"আমাক আৰু আঙুলিযাবৰ দিন নাই। গাল সোৰোপা দেখিও যদি কোনো আহে আপত্তি নাই।"

"তোমাৰ বুটীযে ঢেকী থুৰালৈ খেদালে বাট চাইছা নেকি?"

"বুটীযে নেখেদে।"

"তেনেহলে সত্যাগ্ৰহ কৰিবলৈ গলে লগতে আনিব পাৰাহে।'

"বাৰু মেধি। তোমালোক জনা বুজা লোক। কাগজ পত্ৰবোৰ পঢ়ি থাকা। আলোচনা-বিলোচনাও হৈ থাকে। এই আন্দোলনটো ক'ৰ পৰা কেনেকৈ হ'ল জানানে? কমিউনিষ্ট সকলে কয ইয়াৰ গুৰি ধৰিছে বোলে আমেৰিকান চি আই, ভাৰতীয় আৰ এচ এচ দলৰ যোগে। বাৰু মূল লক্ষ্য ক'ত?"

"দেশত এটা অশান্তিৰ সৃষ্টি কৰা।"

"তাৰ পৰা সিহঁতৰ কি লাভ।"

"এইবোৰ কথাৰ তলি পোৱা টান। ইন্দিৰা গান্ধীয়ে আন্দোলনৰ বুজ লবলৈ দুজন কটকী পঠিয়ালে। তেওঁলোকে গৈ কলে অসমৰ আন্দোলন আৰ এচ এচৰ দ্বাৰা পৰিচালিত আৰু ইয়াত বিদেশী শক্তি জৰিত আছে। আকৌ কেদিন মান পিছতে কোনো এজন কাপুৰে কলে এই আন্দোলন বোলে চি পি আই, চি পি এমে লগাই দিছে। এইটো মিছা। শ্ৰীমতী গান্ধীৰ চি পি আই, চি পি এমৰ ওপৰত থকা বেযাভাবৰ পোষণ মাত্ৰ। চি পি আই, চি পি এমৰ বহু কৰ্মীকে মাৰ ধৰা কৰা সুনিছো। চি পি আইৰ হেনো নও দহ জন আগ শাৰীৰ কৰ্মীকে মাৰি পেলালে। ঠায়ে ঠায়ে কমিউনিষ্ট সকলৰ কাৰ্য্যালযবোৰ ভাঙি পেলাইছে। আন্দোলনৰ ধ্বনি হ'ল চি পি আই, চি পি এম মুৰ্দাবাদ মুৰ্দাবাদ বিদেশীৰ দালাল চি পি আই, চি পি এম মুদাবাদ। কমিউনিষ্টবোৰ যে ঘৰত কেনেকৈ আছে বুজিয়ে নাপাও। ইপিনৰ পৰা কেজনমান আহি ইজন কমিউনিষ্টৰ ঘৰত ফটকা মাৰিব, সিজোৰা অলপ পিচতে আহি ফটকা মাৰিব। এনেকৈয়ে আন্দোলন চলিছে। কমিউনিষ্টৰ ঘৰ পালে অকল ফটকা মাৰাই নহয় যিহে ধ্বনি তুলিব, বিয়াৰ গীত নে বনগীত নে জিকিৰ ধৰিবই নোৱাৰি। সেই ৰাতিপুৱাৰ পৰা সেই ৰাতিলৈ এনে ধৰণে চলি আছে। চহৰৰ এনে এটা পথ নাই, যিপিনে প্ৰচেচনৰ দল যোৱা নাই, জযধ্বনি তোলা নাই। ফাকুৱাৰ ৰং সানে, এই আন্দোলনত ফটকা মাৰে।"

"চি পি এম, চি পি আইৰ আকৌ বিৰোধী হ'ল কিয়?"

"এইবোৰ নানা মুনিৰ নানা মত। মূল সত্য কি ধৰিবাকে পৰা নাই। কিছুদিন গালে কংগ্ৰেছৰ বদনাম। দেব বৰুৱা, শৰৎ সিংহক ইচ্ছা মতে শাও দিলে। কংগ্ৰেছে হে বোলে দেশখন শেষ কৰিলে, দেশৰ শত্ৰু বোলে কংগ্ৰেছী সকলহে। যিমান, যি ৰকমৰ অশ্লীল ধ্বনি, অশ্লীল মাত নীৰৱে সহ্য কৰি আছো। কি কৰা,

কথা বোৰ শুনিলে গাৰ তেজ গৰম হৈ উঠে। শৰৎ সিংহই বোলে বিদেশী বোৰক আনি বহুৱালে। এতিয়া দিন গৈ আছে মানে কংগ্ৰেছৰ বদনাম গোৱা কিছু কমিছে। এতিয়া আক্ৰমণ চলাইছে কমিউনিষ্ট সকলৰ ওপৰত। অসমৰ কোনো কংগ্ৰেছীয়ে মাত মতা নাইতো, সেই কাৰণে মুখ বিষাল। কমিউনিষ্টবোৰো কম নহয়, সিহঁত মৰিলেও নমৰে। এই জুলা জুইত আকৌ আন্দোলনৰ বিৰোধিতা কৰি ঘিউ ঢালিছে আছে। কমিউনিষ্ট হলে আন্দোলনৰ আৰম্ভণীৰ পৰা বৰ্ত্তমানলৈ মাত মাতি য় আছে। আন্দোলনৰ প্ৰতিবাদ কৰিয়ে আছে। কমিউনিষ্টৰ প্ৰতি কৰা অত্যাচাৰলৈ চাই ভাব হয় এই আন্দোলন কমিউনিষ্ট বিৰোধী আন্দোলনহে। আকৌ যেতিয়া সাৰ্বভৌম ৰাষ্ট্ৰৰ কথা কয়, স্বাধীনতাৰ কথা ঘোষণা কৰে তেতিয়া আকৌ বেলেগ ভবা যায়। আগতে আক্ৰমণ চলাইছিল ভাৰতীয় মানুহৰ ওপৰত। প্ৰথম ধ্বনি আছিল বহিৰাগতক খেদা। সুনা গ'ল নেপালী, বিহাৰী, বঙালী আৰু চাহ বাগিছাৰ মানুহৰ ওপৰত আক্ৰমণ। ভাৰতীয় কাগজ পত্ৰই নানা সমালোচনা কৰিব ধৰিলে আৰু ভাৰতৰ সকলো ৰাজ্যৰ মানুহে আক্ৰমণৰ প্ৰতিবাদ কৰিব ধৰিলে। তাৰ পিছত সেইটো থামিল। তাৰ পিচতে বঙালী সম্প্ৰদায়ৰ ওপৰত অত্যাচাৰ আৰম্ভ হ'ল। গাওঁ-ভুই জ্বলাই দিলে। দুই চাৰিজনক মাৰিলেও। তাৰ পিছতে বাংলাদেশী বুলি বঙালী, হিন্দু, মুছলমানৰ ওপৰত আক্ৰমণ হ'ল। এই আক্ৰমণ অব্যাহত হৈ আছে। আক্ৰমণ কি একেবাৰে তুফান বলা দি বলিল। বহু মানুহ মৰা বুলি ওলাল। ঘৰ-দুৱাৰ বহুতৰে পুৰিলে। তাৰ পিছত আকৌ পাল্টা আক্ৰমণ। উত্তৰ কামৰূপত বোলে অসমীয়া মানুহৰ ঘৰত জুই লগালে। চাৰিওফালে কাৰ্ফিউ লগালে, চি আৰ পি, সৈন্য বাহিনী নামিল। আন্দোলনৰ তুফান গতি বন্ধ হ'ল। তাৰ পিছত আন্দোলন আকৌ আৰম্ভ হ'ল-সামৰীক বাহিনীৰ আতি-

সহ্য, নাৰী ধৰ্ষণ, নাৰীৰ ওপৰত চলা নিৰ্য্যাতন আৰু আশ্ৰয় প্ৰাৰ্থী শিবিৰলৈ দান বৰণী। আন্দোলনটো কোন মূহুৰ্ত্তত কিগতি লয় ধৰিব নোৱাৰা হৈছে। আন্দোলন মুঠতে আগবাঢ়ি গৈ আছে। কেন্দ্ৰীয় চৰকাৰৰ আওকাণ মনোভাবৰ বাবে এতিয়া লাগিছে অসমৰ বাহিৰলৈ তেল পঠোৱা বন্ধ। তাৰ বাবে দিনে নিশাই পিকেটিং। এতিয়া ভাৰতীয় মানুহৰ লগত সদ্ভাৱ মিলাপ্ৰীতি দেখা গৈছে। বঙালী লোক সকলো অবাধে চলা ফুৰা কৰা দেখা গৈছে। এই আন্দোলনত টকা পইচা যিমান খৰছ হৈছে, পিকেটাৰ, সত্যাগ্ৰহীৰ মাজত কমলা, আপেল, পুৰী-তৰকাৰী যিমান বিতৰণ হৈছে সেইবোৰ দেখিলে আন কথাও ভবা যায়। গুৱাহাটী বজাৰত ইমান সংখ্যক আপেলষ্টক হোৱা কোনো দিনে দেখা নাছিলো। লক্ষ লক্ষ আপেল ক'ৰ পৰা কেনেকৈ আহিল, কোনে পঠিয়ালে, কোন বাটে আহিল প্ৰশ্নবোৰ হলে বহু কথাই সন্দেহ হয়। তাৰ পিছত আন্দোলন এক ভাবে লাগি গ'ল বাংলাদেশীক বিদেশী হিচাপে লৈ। ভোটাৰ তালিকাৰ পৰা এই সকলৰ নাম বিলুপ্ত কৰি এই সকলক দেশৰ পৰা বহিষ্কাৰ কৰা। এইলৈ সত্যাগ্ৰহ, পিকেটিং, সমাবেশ হৈয়ে আছে। সকলো কৰ্মচাৰীয়ে এই আন্দোলনত প্ৰকাশ্যে যোগদান কৰে। কৰ্মচাৰী সকলে স্বকীয়া ভাৱে অফিচ কাচাৰী বৰ্জন কৰে। আনকি কৰ্মচাৰী সকলে সত্যাগ্ৰহত যোগদান কৰি গ্ৰেপ্তাৰ বৰণ কৰে। চৰকাৰে কৰ্মচাৰী সকলক, এই আন্দোলনত যোগদান কৰিলে শাস্তি বিহা হব বুলি ধমকিও দিছে। নবেম্বৰ মাহত অফিচ বৰ্জন কৰাৰ বাবে দৰ্মহাও কৰ্ত্তন কৰা হ'ল। দৰ্মহা অৱশ্যে ঘুৰাই পাব বুলি সকলোৰে আশা। হেজাৰ হওক আমাৰ চৰকাৰ হ'ল ভোট বিচৰা চৰকাৰ। আন্দোলনটো শামকটা যেন হয় আকৌ কিবা এটা হৈ পুনৰ সঞ্জীৱিত হয়। যোৱা জানুৱাৰী মাহত শিক্ষা বিভাগে পৰীক্ষা লোৱাৰ দিন বাৰ স্থিৰ কৰি পৰীক্ষাৰ ঘোষণাকৰিলে। চাৰিও

ফালে মেল মিটিং, প্ৰস্তাৱ হ'ল পৰীক্ষা পিচুৱাবলৈ। কৰ্তৃপক্ষ পৰীক্ষা পিছুৱাবৰ বাধ্য হ'ল।

চাহ পানী খাই চৌধুৰীৰ ঘৰলৈ যোৱাৰ সিদ্ধান্ত কৰিলে। মেধিয়ে কলে— তেওঁ বা আছে নে নাই।

"নহলেও কি কথা আছে, জলপান নোপোৱাকৈ নাথাকো যোৱাত কি ক্ষতি।"

"ৰবাহে মেধি, ৰাতিপুৱাতে ওলালো ৰাজ্যৰ বিচাৰি, দুপৰীয়া তোমাৰ ঘৰতে অনিমন্ত্ৰিত আলহী হলো। এতিয়াও যদি নাযাও ঘৰৰ বুঢ়ীজনীৰ হাহাকাৰ হে লাগিব।"

"হেৰা, আজি আৰু কোনেও কাকো বিচৰাৰ দিন নাই। তুমি নাই বুলি কোনো লাঘোণে নাথাকে। কোনোৱে বিচাৰ কৰিলে, কোনোৱে উত্তৰ কৰিলে সত্যাগ্ৰহ বা পিকেটিঙলৈ গৈছে বুলি সকলোৱে ফস্তি মাৰি শুই পৰিব, বুজিছা বৰুৱা, বুঢ়াৰ বাবে কন্দা দিন নাই। এতিয়া ডেকাৰ দিন। আমি ঠাই এৰিবৰ হ'ল। এই যুগ ডেকা বুঢ়াৰ সংঘৰ্ষৰ যুগ।"

"বান্ধক অৱশ্যে বুঢ়ীজনীয়ে খবৰ কৰি থাকিব।"

"হেৰা, সিও ভাল। শিশু কালতে ঘৰৰ পৰা পলালো, শৈশৱত আন্দোলনত ঘৰৰ পৰা নোহোৱা হলো। অতদিন মাজতে গেপ গ'ল। এতিয়াও অলপ পৰিমানে ৰং কৰি দেখুৱাই যাওক। বাৰু ৰাতিলৈ বুঢ়ীযে কেনেকৈ কি সূত্ৰেৰে বুঢ়াৰ খা-খবৰ কৰে দেখা যাওক। ইও এক আমোদ হবহে।

তিনিওজন চৌধুৰীৰ ঘৰ বুলি যাত্ৰা কৰিলে।

"হেৰা বৰুৱা। আজি এটা নতুন নতুন লাগিছেহে। মনবোৰ বেছ উৎফুল্ল হৈ পৰিছে। শৰীৰটোত কোনো প্ৰকাৰৰ বেদনা নাই। যেন এক যৌৱনহে পাইছো।"

"আজি অত বছৰৰ মূৰত এনেভাৱে ওলাইছো, কত কথা কলো, অতীতক সুমৰিলো, আৰু ভাল নলগাতে আছে নে ?"

"এনেদৰে কেদিনমান ফুৰিব পাৰিলে আকৌ ডেকা হৈ পৰিম পৰিম যেন লাগিছে ।"

"ডেকা হোৱাত কথা নাছিল। বোৱাৰীবোৰ কোচাইহে আপদ চপালো নহলে আমাৰ বয়সতো যি শক্তি লৈ আছো, আজিৰ ডেকা-হঁতৰ ককাল পৰিছে ।"

' নকবা, নকবা ডেকাহঁতৰ কথা। লংপেণ্ট পিন্ধা, তপিনাৰ ফেৰ উলিযাবলৈ তুনিযাৰ চিৰা কাপোৰবোৰ মেৰিযাই লয । যুৱতীহঁতৰ আকৌ কি চাবা ; কিবা বোলে ফলচ্ তপিনা বজাৰৰ পৰা কিনি আনি তপিনাখন ফেৰত তুলি লয। ইপিনে মূৰতছো আছেই ফলচ্ হেয়াৰ, আকৌ বুকুখন উঠন কৰিবলৈ ব্ৰেষ্ট কিনি আনি লয ।"

"তাৰ মানে যুৱতীহঁতৰ চেহৰা কিনা কুটাৰ ওপৰতে ।"

"নহয়নো কি। স্ন, পাওদাৰ, লিপষ্টিক, আইক্ৰ, চুলিত মৰা জাল তাৰ উপৰি ৰমক জমক কাপোৰবোৰতো আছেই । সেইবোৰ পিন্ধি উৰি সাইলাখ দেবী মুৰ্ত্তি হৈ উঠে ।"

"এই যুৱতী সকল বিযাৰ পিছত ধৰা নপৰে নে ।"

"হেৰা ল'ৰাক চকুৰ পাকত, মুখৰ ঘেহনতি, গাৰ ভাজ আৰু আধা ফুটা মাতত কুলি কেতেকীৰ মাতত কবিসকল ভোল যোৱাৰ দৰে আমাৰ ডেকা সকলো ষোড়শী ভাৰ্য্যাৰ কাৰু কাৰ্য্যত আৰু কি হৈ পৰে কোনে জানে ? বজাৰখনলৈ যাব নোৱাৰো, দোকানবোৰ আযতি সকলৰ সাজোৱাৰ দ্ৰব্যৰে পৰিপূৰ্ণ । খোৱালোৱাত মন নাই, সকলোবোৰ ধুন পেচতে মও । ল'ৰাহঁতে ইমানখিনি দৰ্মহা পায, গোটেইখিনিযে যুৱতী ভাৰ্য্যাৰ সুকান দেহাটোক টালি তাপলি ভেজা দিওতে যায । বেচেৰা হঁতৰো এক বিপৰ্য্যয়। এতিযা দেখিছা নহয় চহৰ খনত কিমান খন ফাৰ্মাচী। পঞ্চাশ জোৰা নব-দম্পতী থাকিলে এখন ফাৰ্মাচী চলিল ।"

"হেৰা! বিযাৰ অপেক্ষাত যুৱতীহঁতৰ যৌৱন শেষ হয়। বিয়া হয় বুঢ়া বয়সত। পিচে নোপোৱাই পোৱাদি যৌৱনৰ তেজ হুপিবলৈ ধৰিলে বযসে সহ্য কৰিবনে? ফাৰ্মাচী লাগিবই। ল'ৰাই চাকৰি বিচাৰি বযস খেদাই, ছোৱালীয়েও উপযুক্ত দৰাৰ সন্ধানত ৰওঁতে তেওঁৰ, পঢ়া-সুনা একেবাৰে শেষ হৈ পৰে, তাৰ পিচতো কেইবছৰ ৰব লাগে। গতিকে ইও এক যুগৰে ধৰ্ম।"

"আজি কালি প্ৰেমবোৰৰ পৰিবৰ্ত্তন ঘটিছে। ল'ৰাই ছোৱালীক ভাল পাই, আগৰ দিনৰ দৰে সিহঁত আৰু চিঠি নিলিখে, এতিয়া ল'ৰাই লগত লৈ ছোৱালীক এদিন চিনেমা দেখুৱাবই লাগিব। মাজে মাজে ৰেষ্টুৰাত লৈ যাব লাগিব। মাহে পষেকে দুই এজোৰ কাপোৰ দিব লাগিব। এইখিনি কৰোঁতে ৰাসলীলাৰ সামৰণী পৰে। ছোৱালীয়ে যদি আন ডেকাৰ পৰা বেছিকৈ পাই তেনেহলে লগে লগে সেই ল'ৰাক তালাক দিলে। আৰু এটা কথালৈ লক্ষ্য কৰিছানে, বিযাৰ পিছত দৰা কইনাই দুয়ো লগলাগি ইয়াৰ ঘৰে তাৰ ঘৰে, চিনেমাই ৰেষ্টুৰাই "হনিমুন" কৰি ফুৰে। সিহঁতক পিচে ৰিক্সা নহলে নচলে।

"হেৰা বান্ধৈ! দৰা কইনা যদি ৰিক্সাত উঠি নাযায়, পানচৈৰ গীত কেনেকৈ গাবহে। এইবোৰ আমাক শিকালে চিনেমাই। চিনেমাত ইন্ধন যোগালে আমেৰিকান হিপ্পীবোৰে। আমেৰিকাৰ ডেকা-ডেকেৰীবোৰ যেনেকৈ বাটে ঘাটে ঘূৰি ফুৰে। সিহঁতৰ কাৰ্য্য-কলাপ দেখিলে আমাৰ ডেকাসকল ৰয কেনেকৈ? আমেৰিকাৰ চৰকাৰে নিবমুৱা যুৱক-যুৱতীক দৰ্মহা দি পঠিয়াইছে ভাৰতত আমাক প্ৰেমালাপ শিকাবলৈ। আমি তাক গ্ৰহণ কৰিছো। সেই গীতাৰ কৃষ্ণৰ যুগ নাই, ৰাধাৰ লগত গুপুত প্ৰেমালাপ কৰাৰ।"

"শিক্ষা দীক্ষা হ'ল। দেশৰ গতিৰ পৰিবৰ্ত্তন ঘটিবই। আৰু কত পৰিবৰ্ত্তন ঘটিব। নোচোৱা কিয় আমাৰ দিনতে ৰেলগাড়ী, মটৰ-

গাড়ী, এৰোপ্লেন, ৰেডিঅ', টেলিভিশ্বন, ইলেকট্রিক কত বস্তু ওলাল। আমি পচোতে খোজ কাটি কাটি গুৱাহাটীলৈ আহিছিলো। যিদিনা গুৱাহাটীলৈ ওলাও, ঘৰত আত্মীয় কুটুমক মাতি আনি কি যে হুলস্থুল, কন্দাকটা। সেই ছুদিনৰ বাট আজি তিনি চাৰি ঘণ্টাৰ হৈ পৰিল। কি ঠিক গাঁৱে গাঁৱে যে এৰোপ্লেন নচলিব। বিজ্ঞান কি যে আশৰ্য্যজনক ভাৱে আগ বাঢ়িছে, আজিৰ ডেকাই তাৰ সোৱাদ লবই লব। আমাৰ দিন আছিল আঠীযা কল, বোকা চাউলৰ, আজিৰ যুগ হ'ল কটি কেকৰ।''

"এই কি পৰিবৰ্ত্তন দেখিছ। আৰু আছে।"

"একৈশ চনত আমি আন্দোলন কৰিছিলো, খোজ কাটি কাটি, কত নদী নালা, পৰ্বত পাহাৰ অতিক্ৰম কৰি কৰি। নাই এখন বাতৰি কাকত, নাই এটা হাতিয়াৰ। আজিৰ আন্দোলন হ'ল ৰেদিঅ' আৰু বাতৰি কাকতৰ যোগে। কিবা এটা ঘটনা ঘটিল, সন্ধিয়া ৰেডিঅত প্ৰচাৰ হ'ল। দেশৰ অগ্ৰগতিত আন্দোলন সমূহেও গা কৰি উঠিব পাৰিছে, নহলে সেইযুগ থকা হলে খোজ কঢ়াত এজনকো নেপালাহেতেন।"

"হয়তো দিযা কি অসাধাৰণ পৰিশ্ৰম কৰি বাঘ ভালুকৰ মাজে মাজে জীৱনৰ সংশয় কৰি ফুৰিছিলো, গৈ গৈ যতে ৰাতি হয় তাতে শুই পৰিছিলো, কিমান দিন লঘোনে গৈছিল।"

"সেই দিনবোৰ সাধু কথাৰ দৰে লগা হ'ল, আমাৰ ল'ৰাহঁতে আহি ঘৰতে যি গৌৰৱ কৰেহি, আজি কোনে জেলত গৈছিল, সিজন আহি কব মাযা জেলত গৈছিলা, বোৱাৰী আহি কব আমাকনো সিহঁতে কিমান দিন জেলত ভৰাব, সদায় জেলত যাম। মই ভাবো জেলখন ইমান সস্তীযা কৰি পেলালে? পিচে বুজিলো জেলখনো বোলে আধুনিক। গতিকে সিহঁতো জেলত গ'ল আমিও গৈছিলো, প্ৰভেদ কি?''

"কেজন মানক জেলত কিছুদিনৰ বাবে আটক কৰি ৰাখিলে. গম পোৱা গ'লহেঁতেন। আমাৰ দিনত সত্যাগ্ৰহ আছিল, লগে লগে ধৰি নি কাৰোবাক ছমাহ, কাৰোবাক নওমাহ, এতিয়া সেইবোৰ কথাই নাই। সেই দিনৰ পুলিচ মিলিটেৰী দেখিলে হাত ভৰি লুকাইছিল, আজিকালিৰ লৰাহঁতে মূৰৰ টুপীটোও কাঢ়ি লৈ যায়।"

"হেৰা গণতন্ত্ৰ। এই সকলো গণতন্ত্ৰৰ মহিমা।"

"চৌধুৰীৰ ঘৰ পালোহিয়ে।"

"এৰা অহা যেনে নালাগিল।"

চৌধুৰী বাৰাণ্ডাখনতে বহি বাটৰ পিনে চাই আছিল। এজন লোকক কিছু দূৰত্তে দেখি চিনাকি যেন অনুমান কৰি উৎকণ্ঠা হৈ অলপ পদূলিৰ পিনে ওলাই আহিল। তেওঁলোক ওচৰ চাপিলত চৌধুৰীয়ে দেবী বৰুৱাক দু-হাতেৰে আকোৱালি ধৰিলে আৰু ক'ৰ পৰা আহিলা ভাই বুলি কৈ ঘৰৰ ভিতৰলৈ তিনিও জনক মাতি লৈ গ'ল। চৌধুৰিণীক মাত লগাই কলে —হেৰা কোন আহিছে চোৱাহি।

চৌধাৰিণী ভিতৰৰ পৰা আহোঁতে কৈ ওলাই আহি কলে" ওৱা ক'ৰ পৰা আহিল মানুহজন। বুঢ়ীজনীক ব'ত এৰি আহিল।"

"বুঢ়ীজনীৰ হে খবৰ কাৰে সকলোৱে।"

"হেৰা মেধি। বুঢ়ীজনীৰ কথা পাহৰিব পাৰিবনে ? দিনটোৰ ভিতৰত বুঢ়ীজনীৰ কথা এবাৰ নহয় এবাৰ ওলাবই। বয়স গ'ল বুলিহে, বুঢ়ীজনী ওলাব সোমাব পৰা নাই, নহলে ইমানদিনে নেদেখাকৈ থাকিব নেলাগিল হেঁতেন। ইলেকচন আহিল বুলিলে, বুঢ়ীজনীক কিমান কষ্ট দিও, কাপোৰ-কানিবোৰ সুন্দৰকৈ ধুই মিলি দিছিল, কৰবাত ওলাই যোৱাৰ আগতে জলপানৰ বাতিটো আগত আনি দিছিল। পুৱাবাতি ওলাগৈ, তেতিয়াও টোপনিৰ পৰা উঠি ভাত ৰান্ধি খুৱাইছিল। কি যে মৰম লগাইছিল। পূৰ্বজনমৰ কোনোবা নিজৰ যেনহে লাগে। এই জীৱনটোত কিমানক লগ পালো। কিন্তু

আনবোৰলৈতো মনত নাই। তেওঁক ক'ত এৰিলা নে আন নাই।''

''আনিছো, টোপোলা বান্ধিয়ে আনিছো। এতিয়া সোণমাৰ হাতত গটাই থৈ আহিছো।''

''কিয় লগত নানিলা। বৰ ভুল কৰিলা। বাৰু গাড়ীখনকে পঠিয়াই লৈ আহো।''

''বুঢ়ীক ক'ত পাব। বুঢ়ী আহিছে জেলত যোৱাৰ তালত। বুঢ়ীক আৰু ক'ত পাব। জীয়েকক পাই সাত হামলা মাটি খাই সত্যাগ্ৰহত ওলাল।''

''এইযা এতিয়া। লোকে গাঁৱৰ পৰা আহিও সত্যাগ্ৰহত গ'ল, খালি মোৰ কাৰণেহে বাধা। কিমানদিন ওলালো, এওঁ বোলে সেই-বোৰ ভাল নাপায়। এই আন্দোলন বোলে এওঁৰ নহয়। দেশখনৰ মানুহ গোটেই গ'ল পিছে আমাৰ ঘৰখনহে চন পৰিল। ল'ৰা, ডেকা, বুঢ়া, বুঢ়ী, ডেকা, ডেকেৰী সকলো গ'ল, আমাৰ এওঁ এইবেলি মৌন হৈ ৰৈছে। কিজানি ঘৰ পাইছে গৈ গাড়ীখন পঠিয়াই দিয়ক। কত দিন যাও বুলিলো, তেওঁৰ হে সময় নহয়, আজি বোলে গাৰ বিষ কালি বোলে মূৰৰ কামোৰ। নিজৰ ভনী যেন পাও, সদায়ে মনত পৰি থাকে। এইবেলি আৰু যাব নিদিও।''

''বাৰু সেইবোৰ হৈ থাকিব, এতিয়া অভ্যাগত সকলক অভ্যৰ্থনা কৰা। হৰিক বজাৰলৈ পঠিয়াই দিয়া, আজি বহুদিন লগ লাগি খোৱা নাই। এসাঁজ লগ লাগি খাও। কিবা মন মাৰি থাকোতে দিন-বোৰ পাৰ হৈ গ'ল। ৰাতিৰ সাজ লগৰ লগতে আমোদ কৰি খোৱা যাওক।''

''মই হলে ৰাতি খাবলৈ থাকিব নোৱাৰো।''

''কিয় হে! কিহৰ উপবাস।''

কথা সৰ্ব্বনাশ। ৰাতিপুৱাই গৈ সোণমাইৰ ঘৰ পালো। পদূলি মুখতে জোৱাই কলে বোলে আমাৰ বুঢ়া মেধিৰ ঘৰলৈ গ'ল।

তৎমুহূৰ্ত্তে মযো যেতিয়া ঘৰলৈ ঢোকা দলো। যেতিয়া ঘৰতে ঘুণাৰীয়াৰ সাঁজ দলো। তাগো বাতিপুৱাই গাটো ধোৱা অভ্যাস আছিল বুলিহে। এতিয়া যদি বাতিৰ সাঁজ ইয়াতে খাও, তেনেহলে ঘৰলৈ গৈ বুঢীৰ মুৰত পানী ঢালিব লাগিব।

"সিও ভাল বুজিছা।" বুঢীয়ে বুঢাক বিচাৰি হাইৰণি হৈ পৰক। তেতিয়াহে বৃদ্ধ বয়সৰ মজা পাবা। কোনো খা-খবৰ দিব নালাগে। অতদিনৰ মূৰত তিনিজনকে একেলগে পালো। অবাচোন আজি কিমানদিনৰ মূৰত লগা-লগি হলো। আজি আৰু এবিৰলৈ নাই। বডাকো মাতিয়ে আনো যেচ জমিব। হেৰা ঘৰৰ আগত কটকা মাৰে, ল'ৰাহতে শ্লোগান দিয়ে কংগ্ৰেছ দেশৰ শত্ৰু, কংগ্ৰেছ দেশ খালে, কি যে মৌন অৱস্থাত ঘৰৰ ভিতৰতে আছো, কি কৰা ৷ বাহিৰলৈ মটৰখন উলিয়াব নোৱাৰো শিলগুটি মাৰে, গাড়ীখন দেখিলেই ল'ৰাহঁতে জব্দ কৰিবলৈ বিচাৰে, সিহঁতক বোলে গাড়ীখন লাগে। কি দিন যে হ'ল। এইবোৰ ভাবি ভাবি, বজ্ৰপাত পৰা কপৌৰ দৰে ইয়াতে বহি বহি বাটৰ মানুহ গণি থাকো। বাটৰ পৰা, বাটেৰে যোৱাবোৰে মোলৈ আঙুলিয়াই দেখুৱায়। কি কয় শুনো; সিহঁতে হে জানে। মুঠতে আমাৰ দেশদ্ৰোহৰ কথাকে কয়। পুলিচ মিলিটেৰীকো ভয় কৰা নাছিলো। কিন্তু এইবেলি হলে বুকু কপাই তুলিছে। বুজিলা, বাটে পথে ওলাম যদি অপমান কৰে, কি কৰিবা, এইবোৰ ভাবি চিন্তি কতো কলৈকো নোলোৱা হলো। অবাধে ঘূৰি ফুৰা মানুহ আজি জব্দ হৈ পৰিছো, কি কৰা ফুৰিবলৈ যেপাৱ গাৰ মাংসপেশীবোৰে কামুৰিব ধৰিছে। ঘকয়াৰ ঘৰলৈ বাবলৈ মন মেলো, জানোচা বাটতে ল'ৰাহঁতে পাই, সুদাইজো নেৰিব। সেইবোৰ ভয় কৰি বুঢ়ী জনীকে লৈ ঘৰতে আছো দিয়া। বন্ধু বান্ধৱ কোনো কতো নহা হ'ল। বোধকৰো মোৰদৰে একে অৱস্থা। বাতি ভাবো আন্দোলন আৰু বেছি দিন নেথাকে, ইহঁত কোন ক'ৰ

পলাই ঠিক নাই। পিচদিনা দেখো আকৌ সেই তেজৰে কমলা পতি। আজিহে মুখৰ মাত ওলাল। আজিহে জীয় পালোহে। মোকো কিয় দিনত খবৰ নকৰিলা, ভুল কৰিলা, একেলগে খাব পাৰিলোহেঁ। কি কবা দুখৰ দিন আজি আঠ মাহ মোৰ ঘৰলৈ কোনো কতো দুবৰি গছকিবলৈ অহা নাই। কি যে দুৰ্যোগ। ফোনটো আছিল, সিও বেয়া হ'ল, কত খবৰ কৰিলো, নাই কোনো নাহে। দেশদ্ৰোহীৰ মুখ কোনে চায়। দুখ-নিৰ্য্যাতন, কাৰাবৰণ সকলো নিমিষতে শেষ হৈ পৰিল। মই মনৰ দুখত চেক্ৰেটৰীক জনাই দিছো, মই আৰু পলিটিকেল চাফাৰৰ পেন্সন নলও। আমি হলো দেশদ্ৰোহী, বদন। গোটেইখন ৰাইজে যেতিয়া দেশদ্ৰোহী আখ্যান দিছে, মোৰ এনে লাগিছে এই দেশৰ মাটিতে যেন নেথাকিম। বুজিছা। সেই ডেকা তেজ থকা হলে হিমালয় পাৰ হৈ হলেও এই দেশ এৰিলো হেঁ। কি যে অসহ্য তাৰণা। মোৰ পদূলি মুখত সিহঁতে কৰে ধ্বনি, সিহঁতে ফুটাই ফটকা। সেই পুৱতি নিশাৰ পৰা গহীন নিশালৈ। কেতিযাবা ভাব হয়, এইবাৰ ল'ৰাহঁত ভিতৰ সোমাল, এই ঘৰ আৰু নাথাকে। পিচ মুহূৰ্ত্ততে যেতিযা আতৰি যায় তেতিয়াহে শান্তিৰ নিশ্বাস পেলাও। মাটি, পানী, আকাশ বতাহ গোটেই ৰাজ্যখনে লাচিতৰ ৰাজ্য হৈ পৰিল। চাৰিজনে মানিছিল, চাৰিজনে আহি দিহা পৰামৰ্শ ৰিচাৰিছিল, চাৰিজনে সন্মান কৰিছিল আজি সকলো ধুলিসাৎ হৈ গ'ল। কি যে বতাহ, কি যে তুফান। কি যে আন্দোলন, কি যে হেন্দোলনি। উস্ বাপ। এই জ্বলা জুইত এৱেঁ। আকৌ মোক জগৰীয়া কৰি তোলে আমিয়েহে বোলে বিদেশীক ঠাই দিলো। আৰু কি কয় জানা পাপ কৰিলেতো প্ৰায়শ্চিত হবই লাগিব। তেতিয়া আৰু গৰম হৈ উঠো। মূৰ গৰম হৈ উঠে। বুজিছা। মই এতিয়া চৰকাৰী নথি পত্ৰবোৰ পঢ়িব ধৰিছো। সদায় চিন্তা কৰো, আমি ক'ত ভুল কৰিলো যাৰ বাবে

আজি এই আন্দোলন গঢ়ি উঠিছে। নিশ্চয় কৰবাত আমাৰ ভুল হৈ গৈছে। কি বক্তৃতা, আমি বোলে অসমীয়া জাতিৰ তেজ শুহি শুহি আমাৰ ভৰাল চহকী কৰিছো। তেনেবোৰ দেশদ্ৰোহীক গুলিয়াই মাৰিব লাগে। এইবোৰ বক্তৃতা শুনিলে বুঢ়ীৰ আকৌ মোৰ প্ৰতি সদয় আহি পৰে। তোমালোক কেনেকৈ আছাহে। বোধকৰো তোমালোক বৰ শান্তিত আছা।

"শান্তি আমাৰ কোন কাহানিবাই শেষ হৈছে। এতিয়া নিজৰ নাতি, বোৱাৰীয়ে আমাক ধমকি দিবলৈ বিচাৰে। দিনৰ সাঁজ খাই উঠি ৰাতিৰ সাঁজলৈ ভৰা হৈছো। ঘৰৰ মানুহ জনীয়েনো এই বয়সত ঘৰৰ আটাইখনকে ৰন্ধা বঢ়া কৰি পুৰাব পাৰেনে? ৰন্ধা বঢ়াই নহয় ঘৰ মচা সৰাৰ পৰা বাচন বৰ্ত্তন ধোৱালৈ বুঢ়ীৰ কষ্ট দেখি ময়ো সহায় কৰাত লাগি দিও। কালিহে বহুত দিনৰ মূৰত বাট ওলালো। কাকো কতো দেখা নেপোৱা হলো। কি যে হ'ল।"

চাহ জলপান আহিল। খাবলৈ ধৰি চৌধুৰীয়ে ল'ৰাটোক কলে, তই বডা চাহাবক মতা বুলি কৈ আহ। এখন চিঠিও লৈ যাবি। তাৰ পৰা আহি বজাৰত যাগৈ। ডাঙৰ মাছ এটাকে লৈ আহগৈ। আৰু যি লাগে লৈ আহগৈ। ডাঙৰ ৰৌ চিতল চাবি। ৰৌৰ মূৰা পাৱ যদি আনিবি। আজি খানা ভাল হব লাগিব, একেবাৰে পিক্‌নিকৰ দৰে বুজিছ।

"মই বৰ দুখ পাইছো বুজিছা। তুমি আঘাট পোৱা বুলিয়েই মই লিখা নাই। বাপুক মই নিজে হোষ্টেললৈ গৈ মাতি আহিলো। সিও আহিল, মই বুজলো। চা বাপু! দেউতাৰৰ মনোবাঞ্চা তই পূৰণ কৰ। পৰীক্ষাটো দে। এইবোৰ কোনো আন্দোলন নহয়। এচাম প্ৰফেচাৰে চলোৱা ভাষা মাধ্যম আন্দোলনহে। সংবিধানে আমাৰ ভাষাক স্বীকৃতি দিছে। অসমীয়া ভাষা ৰাজ্য ভাষাও হৈছে। শিক্ষাৰ মাধ্যমো হৈ গৈ আছে। একেদিনাই এইবোৰ কাম নহয়।

কিতাপ পত্র যুগুত কৰা, কিতাপ পত্ৰবোৰ ছপাই উলিওৱা মুখৰ কথা নহয়। হলেও কামবোৰ হৈ আছে। ইয়াৰ বাবে কোনো আন্দোলন নকৰি চৰকাৰক তাগিদা দিব লাগিছিল। তইঁতে পৰীক্ষা নিদিয়াৰ সিদ্ধান্ত কৰিছ। পৰীক্ষা হবই। যি কেজনে পৰীক্ষা দিয়ে সেই কেজনৰে পৰীক্ষা চলাব। পৰীক্ষা বন্ধ কৰি এটা বছৰ নষ্ট কৰাৰ কি প্ৰয়োজন। অহা বছৰ বা কি দুৰ্য্যোগ হয়। তোৰ পিতাৰে এটা ডিগ্ৰী লব নোৱাৰাত দেউতাৰাৰ বৰ দুখ। মোক অহাই প্ৰতি খবৰ লবলৈ কৈ যায়, তাৰ উপৰিও চিঠি পত্ৰ যি লিখে তাতো তোৰ বিষয়ে একলম নহয় একলম লিখিবই। পৰীক্ষা নিদিবি অহা বছৰত তোক কলেজে এড্‌মিচন নিদিয়ে আকৌ গৈ সুকীয়া কলেজ বিচাৰ। তোৰ চাব্‌জেক্ট আকৌ পাব নে নেপাব সিও এটা কথা। আন কলেজত গৈ যদি তোৰ চাব্‌জেক্ট কেইটা নাপাব সিও এটা ডাঙৰ কথা। তই পৰীক্ষাটো দে, তইতো পাচ কৰিবি। সকলোৰে মনোবাঞ্ছা পূৰণ কৰ। অসমীয়া মাধ্যম কলেজত হোৱাটো মই পচণ্ড নকৰো। এদিন আমি ইংৰাজী ভাষাৰ বিৰুদ্ধে ধ্বনি তুলিছিলো, এতিয়া বুজিছো সেই ধ্বনি ভুল হৈ আছিল। তই বুজি পালে তযো সমৰ্থন নকৰিবি। গাঁৱৰ লৰা কেজনে অসমীয়া মাধ্যমত শিক্ষা লব পাৰিব ই সহজ কথা। কিছুমান বিষয় আছে অসমীয়া মাধ্যমৰ নহয়। ইংৰাজী এটা আন্তৰ্জাতিক ভাষা। ইংৰাজী মাধ্যমত যি কোনো বিষয়ে, যি কোনো বিশ্ববিদ্যালয়তে পঢ়াৰ সুবিধা কৰিব পাৰিবি। কিন্তু অসমীয়া মাধ্যম হলে ধুবুৰীৰ পৰা ডিব্ৰুগডৰ ভিতৰত আবদ্ধ থাকিব লাগিব। ডি চি অফিচৰ কেৰাণী নাইবা কোনো স্কুলৰ মাষ্টৰৰ বাবে অসমীয়া মাধ্যম যথেষ্ট। কিন্তু ডাক্তৰ ইঞ্জিনিয়াৰ, আইন আদি কাৰীকৰী বিষয় সমূহত যদি পঢ়িব যায় এই ভাষাৰ গুৰুত্ব আছে। আইন জানিবলৈ হ'লেও গোটেই বিশ্বৰ আদালতৰ ৰায় হওক, আইন জানিব লাগিব ইংৰাজী আলোচনী কিতাপৰ যোগে।

ঠিক তেনেকৈ ' ইঞ্জিনিয়াৰিং কৰ, মেডিকেল চায়েঞ্চ এ কৰ,' তাৰ জানে'লবোৰ যদি নিয়মিত পঢি নাথাক তেনেহ'লে মেলেৰিয়াৰ ডাক্তৰৰ বাদে আন চিকিৎসাত হাত দিব নোৱাৰ। ভাৰতীয় যি কোনো প্ৰতিযোগিতাত নামিলেই লাগিল ইংৰাজী। বঙালী, হিন্দী, তেলেগু ভাৰতীয় ভাষা কেইটাৰ ভিতৰতে চহকী। আজি হিন্দী অলপ অচৰপ হলেও ভাৰতীয় মানুহে অৰ্ধেক সংখ্যাকে বুজে। কিন্তু তেওঁলোকে ইংৰাজী আৰু নিজৰ ভাষাটোক মাধ্যম হিচাপে লৈ আগ-বাঢিছে। যি সকল ছাত্ৰই আগুৱাই যাবলৈ ইচ্ছা কৰে, আন ঠাইত শিক্ষা লবলৈ ইচ্ছা কৰে বা কাৰীকৰী দিশত শিক্ষা লবলৈ ইচ্ছা কৰে সেইবোৰ ছাত্ৰই ইংৰাজী মাধ্যমকে লৈ আগবাঢিছে। আনকি ভাষাৰ জ্ঞান পাবলৈ হলেও ইংৰাজীৰ প্ৰয়াজন থাককৈয়ে আছে। ইংৰাজী জনা অতি প্ৰযোজন। ইংৰাজী মাধ্যম উঠি গলে গাঁৱৰ লৰা, চহৰৰ মজলীযা শ্ৰেণীৰ ল'ৰা নিজৰ ভাষাৰ মাধ্যমত আৱদ্ধ থাকিব। ধনী মানী সকলে নিজৰ ল'ৰা-ছোৱালীবোৰ পঢুৱাব ইংৰাজী মাধ্য মত। চহৰৰ ধনী মানুহ খিনিযে'তা তেওঁলোকৰ ল'ৰা ছোৱালীক প্ৰাইমেৰীৰ পৰা ইংৰাজী মাধ্যমতে শিক্ষা দিবলৈ লৈছে। ইমান খৰচ বহন কিয় কৰিব লগা হৈছে। প্ৰাইমেৰীৰ পৰা ইংৰাজী ভাষাত অধ্যয়ন হয় তেনেহলে ওপৰৰ শ্ৰেণীত আগবঢাত কোনো অসুবিধা নাপায়। ক্ৰমান্বয়ে হাইস্কুল সমূহত ইংৰাজী দুৰ্বল হৈ পৰাত ছাত্ৰ সমূহো শিক্ষাৰ ক্ষেত্ৰত দুৰ্বল হৈ পৰিছে। অৱশ্যে এইটো ঠিক এক শ্ৰেণীৰ ছাত্ৰৰ বাবে ভালেই হৈছে। সহজতে প্ৰৱেশিকাটো পাছ কৰিব পৰা হৈছে। পিচে গাঁৱতে মেধাবী বুদ্ধি সম্পন্ন ছাত্ৰৰ সংখ্যা সৰহ। গাঁৱৰ এই মেধাবী ছাত্ৰ সকলৰ ক্ৰমোন্নতিত বাধা জন্মাবলৈ এক শ্ৰেণীয়ে আন্দোলন গঢি তুলিছে। গাঁৱৰ পৰা জকৰা, পইন্তা খাই অহা ছাত্ৰবোৰে কলেজ সমূহত যেতিয়া শীৰ্ষস্থান অধিকাৰ কৰে, চহৰৰ সম্ভ্ৰান্ত পৰিয়ালৰ ছাত্ৰবোৰ পিচ পৰি যায়। চাকৰি বাকৰিৰ

ক্ষেত্ৰতো প্ৰতিযোগিতাত নোৱাৰি সদায় পিচ চুৰাবৃেদি খাব লগাত পৰে। অসমীয়া মাধ্যম আন্দোলনে চহৰৰ ধনী আৰু অভিজাত্য পৰিয়ালবোৰক এক চেতিযা সুবিধা দিয়াৰ এইবোৰ ফন্দি নহয়নে। হাইস্কুল সমূহত যেতিয়া ইংৰাজী শ্ৰেণীত শিক্ষকে বিশেষ গুৰুত্ব দিব এৰিলে, সেই ছাত্ৰসকলে কলেজত আহি পোনে পোনে টান পাবই। তই চা অসম বা ভাৰতৰ কথাকে কৱ, চাকৰিৰ ক্ষেত্ৰত, প্ৰতিযোগিতাৰ ক্ষেত্ৰত শীৰ্ষস্থান অধিকাৰ কৰি আছে গাঁৱৰ পৰা অহা মেধাবী ছাত্ৰ সকলে। সিহঁতক নানা কৌশলেৰে যেতিয়া প্ৰতিযোগিতা সমূহত ঠেলিব নোৱাৰে ধনীৰ শ্ৰেণীযে হওক, সম্ভ্ৰান্ত অভিজাত্য শ্ৰেণীৰ ল'ৰাই হওক পিচ হুহুকি আহিব লগা হোৱাতো তেওঁলোকৰ কাৰণে মাৰাত্মক দুখৰ কথা। এইবোৰ আন্দোলন ধনীক আৰু অভিজাত্য শ্ৰেণীৰ লোকে লগাই দি গটি তোলে। আৰু শ্বহীদ হয় গাঁৱৰ ল'ৰাবোৰ, সেই মেধাবী সম্পন্ন ল'ৰাবোৰ। তেওঁলোকৰ হাতত আছে বাতৰি কাকত নানা প্ৰচাৰৰ মাধ্যম। প্ৰচাৰ কাৰ্য্য এনেভাৱে চলাই যে, সৰ্বসাধাৰণ ৰাইজে যাতে সহজতে মানি লয়, কিযনো প্ৰচাৰ মাধ্যমত সুন্দৰ সুন্দৰ যুক্তিবোৰ ডাঙি ধৰে। প্ৰফেচাৰ সকল হ'ল বুদ্ধিজীৱী। ছাত্ৰ জীৱনত যদি কোনো জন দুখীয়া আছিল, চাকৰিৰ পিছত দুখীযা নহয়। ভাগী বংশ, আত্মীয় স্বজনলৈ তেওঁলোকে ফিৰি নাচায। আত্মীয স্বজনৰ প্ৰতি ফিৰি চালেই বা খা খবৰ লবলৈ গলেই লাগিল টকা পইচা, ফিৰি নোচোৱাটোকে ভাল উপায হিচাপে লয়। গাঁৱৰ মেধাবী ছাত্ৰ সকলে, পৰীক্ষা বা প্ৰতিযোগিতাৰ মাজেৰে উত্তীৰ্ণ হৈ যেতিয়া ভাল চাকৰি পোৱাৰ পিছতে ধনী সম্ভ্ৰান্ত পৰিযাল বোৰৰ চকু পৰে, তেওঁলোকলৈ। তেওঁলোকে নানা যত্ন কৌশল কৰি নিজৰ ছোৱালী এজনী বিযা দি নিজৰ কৰি লৈ তেওঁৰ মানদণ্ড শহুৰেকৰ শাৰীলৈ লৈ আহে। ধনী সম্ভ্ৰান্ত বংশৰ ছোৱালীযে সহজতে স্বামীক পৰাভূত কৰি অভি-

জাত্যৰ ঢংলৈ সহজতে পৰিবৰ্ত্তন কৰি পেলায়। তই চা, তোৰ পিতাৰ দেউতাৰ অৱস্থাপন্ন বাবে সকলো খৰচ বহন কৰি আছে। কিন্তু যি সকল ছাত্ৰৰ ঘৰৰ অৱস্থা একেবাৰে নিম্ন খাপৰ, যিয়ে মাটি বন্ধক থৈ, মাটি বিক্ৰী কৰি নতুবা কোনো মহাজনৰ পৰা টকা ধাৰ লৈ পঢ়িছে সিহঁতৰ এটা বছৰ ক্ষতি হোৱা মানে কেনে বিপৰ্যয়। আৰ্টছৰ কথা নকয়ে, চায়েঞ্চ লোৱা ছাত্ৰই জানো অহাবছৰ ক্লাচ কৰিব নালাগিব? কোন কলেজত এড্‌মিচন দিব? ইয়াৰ একমাত্ৰ গত্যন্তৰ হ'ল আকৌ দ্বিতীয় বাৰ্ষিকত নাম লিখা। নতুবা নতুন কলেজত ভৰ্ত্তি হোৱা। কেইজন ছাত্ৰৰ এনে আৰ্থিক শক্তি আছে যিযে ইমানখিনি টকা পানীত পেলাই দিব পাৰে। এইবোৰ হ'ল কোনো ৰাজনৈতিক দলৰ কু চক্ৰান্ত। ছাত্ৰবোৰক বিপথগামী কৰি তোলা। চৰকাৰক বিপথে নিয়া নতুবা চৰকাৰৰ পৰা কিবা এটা আদায় কৰাৰ লক্ষ্যত এই আন্দোলন। পৰীক্ষা নিদিয়া, নপঢ়া এটা আন্দোলন হবই নোৱাৰে। আমাৰ নেতাসকলে যি কোনো আন্দোলন আহিলেই ছাত্ৰ সকলক আহ্বান কৰে। আন্দোলনত ছাত্ৰ সকল জপিয়াই পৰে। ফলাফল কি হয় ছাত্ৰ সকলে নেভাবে। এইটো আমাৰ ৰাজনৈতিক নেতা সকলৰ ডাঙৰ ভুল। পিচে এইটোও সত্য, যি আন্দোলনত ছাত্ৰ শক্তিয়ে অংশ গ্ৰহণ কৰা নাই সেই আন্দোলন ব্যৰ্থ হৈ পৰে। ছাত্ৰ সকলৰ হতুৱাই আন্দোলন জযী কৰিবলৈ নেতা সকলে আপ্ৰাণ চেষ্টা কৰে। ছাত্ৰ সকলক আন্দোলনত নমোৱা অতি সহজ। ছাত্ৰ সকল হ'ল অতি পবিত্ৰ অন্তৰৰ, নিভাজ নিস্বাৰ্থৰ। সেযে সহজতে বেয়া ফালটো দেখিলে অসহনীয় হৈ উঠে। ছাত্ৰ সকল সৎ সাহসী। সংসাৰৰ দায়িত্ব নাই, মুক্ত। দুৰ্নীতি অন্যায় অবিচাৰৰ প্ৰতিবাদ বিচাৰে। যি সকল ছাত্ৰৰ অভিভাৱক অৱস্থাপন্ন, তেওঁলোকে বহু শ্ৰম কৰি হলেও টকা পইচা খৰছ কৰি হলেও তেওঁলোকৰ ল'ৰা ছোৱালীক পঢ়ুৱাই। মুঠতে যি কোনে

প্ৰচেষ্টাৰে হলেও ল'ৰাক পঢ়ুৱাবই পঢ়ুৱাব। কিন্তু যি সকল অভিভাৱক দুৰ্বল, অৱস্থাৰ পিনৰ পৰাও নিশকতীয়া তেওঁলোকৰ ছাত্ৰবোৰে আন্দোলনৰ সামৰণীৰ পিছতে চিৰকালৰ বাবে শিক্ষাৰ সামৰণি পেলায। উনৈশ শ একৈশ, উনৈশ শ একত্ৰিশ, উনৈশ শ বিয়াল্লিশ আৰু উনৈশ শ বাৱন্ন চনৰ কমিউনিষ্ট আন্দোলনে দেশত ছাত্ৰ সকলৰ যি বিপৰ্য্যয় আনিলে তাৰ ক্ষতি কোনো দিনেই পূৰ নহব। আন্দোলনত যি সকল ছাত্ৰই স্কুল কলেজ এৰিলে তেওঁলোকৰ ৰাজনৈতিক সন্মানো একো নহল, সাধাৰণ শিক্ষা লৈ সাধাৰণ হিচাপে জীৱন যাপন কৰিব ধৰিলে। ৰাজনৈতিক নেতাসকলে এই সকল ছাত্ৰৰ বাবে কোনো দিন ভবা নাই, নেভাবেও। আমাৰ অসমৰ পৰীক্ষা বন্ধ আন্দোলনটো বিশেষকৈ শৰৎসিংহৰ গাদীচ্যুত কৰাৰ আন্দোলন। প্ৰফেচাৰ সকলে নিজে নোৱাৰি, ছাত্ৰ সকলক উচতাই দিছে ভাষা মাধ্যম আন্দোলন হিচাপে। মূল কথা হ'ল কুঠাৰী আয়োগৰ প্ৰতিবেদন খন যদি অসম চৰকাৰে মানি লয় প্ৰফেচাৰ সকলৰ স্বাৰ্থত আঘাট পৰে। বহু সংখ্যক প্ৰফেচাৰে কলেজ এৰিব লাগিব, সেইবোৰ কথা ছাত্ৰ বা ৰাইজক জনাবনে? অ'ৰ নালে ত'ৰ নালে লাগি দিছে। ছাত্ৰৰ অন্যায় হ'ল, ছাত্ৰৰ পঢ়া নহ'ল তাত তেওঁলোকৰ কোনো ক্ষতি নহয়। দৰ্মহাও পাই থাকিব চাকৰিও কৰি থাকিব। অন্যায় হব ছাত্ৰৰ, অন্যায় হব অভিভাৱক সকলৰ আৰ্থিক দিশৰ পৰা। শতকৰা নিৰানব্বৈ জন অভিভাৱকে নিজৰ ল'ৰাটোৱে কেতিয়া পঢ়াৰ সামৰণি মাৰি এটা চাকৰি লব পাৰে আৰু চাকৰিটো লৈ পৰিয়ালটোক ধাৰ ঋণৰ বোজাৰ পৰা উদ্ধাৰ কৰিব পাৰে তাৰে আশা পাতি থাকে। আৰু এটা কথা জানি লবি আন্দোলন বোৰত প্ৰথম জপিয়াই পৰে চোকা, তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ সকল। তাৰ পিচতহে বাকীবোৰ। বৰ্ত্তমান কলেজে হওক বা বিশ্ববিদ্যালয়ে হওক প্ৰফে-চাৰ সকলৰ দুৰ্নীতি প্ৰবল ভাবে হৈ উঠিছে। এই দুৰ্নীতি বোৰ

সাধাৰণ প্ৰশাসনে ঢুকি নপায়। কলেজ, বিশ্ববিদ্যালয় বোৰৰ ছাত্ৰ সকলে এই দুনীতি বোৰ দেখি প্ৰতিকাৰ বিচাৰি আন্দোলন কৰি থকা দেখা গৈছে। কিমানজন প্ৰফেচাৰক লঘু লাঞ্চনা কৰিলে যে তাৰ হিচাপ নাই। প্ৰফেচাৰ সকল ছাত্ৰৰ পৰা হাত সাৰাৰ উপায় বিচাৰি এনেধৰণৰ আন্দোলন সংগঠিত কৰি ছাত্ৰ সকলক মূল আন্দোলনৰ পৰা আতৰাই লৈ আহি জাতীয় আন্দোলনৰ শ্বহীদ কৰিছে। তই মোৰ কথা ৰাখ। পৰীক্ষাটো দে। বাপুৱে মোৰ আগত পৰীক্ষা দিব বুলি সন্মতি দি গ'ল। মই খবৰ পোৱামতে সি পৰীক্ষা দিব গৈছিল, লগৰ ছাত্ৰসকলে পিকেটিং কৰি পৰীক্ষা বন্ধ কৰিলে। গোটেই হোষ্টেল খন ছাত্ৰবোৰে ঘেৰাও কৰি থাকি পৰীক্ষা দিব খোজা ছাত্ৰ সকলক পৰীক্ষা দিয়া বন্ধ কৰিলে। বাপু আহি মোক কলে দেউতা পৰীক্ষা দিব নোৱাৰিলো। মই তেতিয়া ক'লো কোনো কথা নাই আকৌ পঢ়। সি কোনো কলেজত ঠাই নেপালে। সি বছৰ তাৰ পঢ়া নহল। তাক হতাশ হবলৈ মানা কৰি আছো। পিছৰ বছৰত মই কলো তই কলিকতালৈ যাগৈ মই সকলো ব্যৱস্থা কৰি দিম। তেতিয়া সি কলে ইয়াতে এইবেলি চিট হব, ইয়াতে নাম লিখিম। মই কোনো আপত্তি নকৰি তাৰ কথাতে সন্মতি দিলো। বুজিছা বৰুৱা। মই বাপুৰ কাৰণে নিজকে অপৰাধী অপৰাধী যেন পাইছো। মুঠতে মই তাৰ গঢ় লগাব নোৱাৰিলো। এই বেলি গৰমৰ বন্ধৰ পিছত মোৰ তালৈ অহাত মই এটা প্ৰস্তাৱ আগবঢ়ালো, বাপু হোষ্টেল বোৰ বৰ্ত্তমান পঢ়াৰ পৰিবেশত নাই। সকলো বতাহ গৈ আগতে হোষ্টেলত লাগে। তাত থাকে নানা ধৰণৰ ছাত্ৰ। বৰ্ত্তমান হোষ্টেলবোৰ ৰাজনৈতিক দলৰ একোটি কেন্দ্ৰস্থলী হৈছে। গতিকে তই মোৰ ঘৰতে থাক। হোষ্টেল এৰ"। তাৰ মুখৰ মাত নেপালো। মই বুজি পালো মোৰ ঘৰত স্থায়ী হিচাবে থাকিবলৈ ভাল নাপাব। তাৰ ব্যক্তিগত মতামতত মই বাধা দিবলৈ

ইচ্ছা নকৰিলো, ডেকা সকলৰ ইচ্ছাৰ বিৰুদ্ধে যোৱা উচিত নহয় বুলি ভাবিয়ে। কিন্তু সেইটোৱে মোৰ ভুল হ'ল। কলিকতালৈ জোৰ কৰি হ'লও পঠিয়াব লাগিছিল। কথা শেষৰ পিচত চৌধুৰীৰ দুগালে দুধাৰী লো ওলাই আহিল। সকলো কেজন মৌন হৈ পৰিল ক্ষন্তেকৰ বাবে।

বড়া আহি ঘৰৰ দুৱাৰ মুখৰ পৰা চিঞৰি চিঞৰি কৈ আহিল বোলো চৌধুৰীৰ ঘৰত আজি কিহৰ দৰকাৰ। ঘৰৰ ভিতৰ সোমাই দেবীৰাম বৰুৱাক দেখা পাই আকোৱালি ধৰি ক'লে তুমিনো ইমান গোপনে আহানে? কেতিয়া আহিলা, ক'ত উঠিছা, পাগ্ৰেম কিমান দিনৰ, ঘৰৰ পিনে সকলোৱে ভাল নহয়, বুঢ়ীজনীৰ অৱস্থা কেনে ইত্যাদি বহু প্ৰশ্নকে নিমিষতে সুধি পেলালে।

"বহু দিনৰ মূৰত আমি লগালগি হলো। সেয়ে হে তোমাকো সঙ্গত আনি বৈঠকী খন গহীন কৰিবলৈ বিচাৰিছো। ৰাতিৰ সাঁজৰ আয়োজনো কৰিছো।"

"অতি উত্তম। অতি উত্তম। একেবাৰে তোমাৰ চোতালতে কলপাত পাৰি আজি পিকনিক খাম। লগত বুঢ়ী কেজনী থকা হলে বৰ মজা হ'লহেঁতেন। পিচে ইমান খৰ ধৰকৈ নহব, পিকনিক আযোজনত আছে কি কি?"

"মাছ মঙহ, ৰৌৰ মূৰী ঘণ্টো কাৱৈ মাছৰ জোল, বিলাহীৰ অম্বল।"

"মাছ মঙহ আজিকালি শালপতিক মাতিলেও খুৱায়। মই সেইটো কোৱা নাই। পিকনিকৰ যি বস্তু সি জোগাৰ হৈছে নে নাই।"

সকলো কেজনে হাঁহিৰ ৰোল তুলি ঘৰটো ৰজন জনাই তুলিলে। "পিকনিক খাবলৈ লাগিছিল আমাৰ বৰুৱাৰ ঘৰতহে। বৰুৱাৰ নাতিৰ গৌৰৱৰ বাবে।"

"বৰুৱাৰ গুৱাহাটী অভিযানৰ কথা জানে নে নেজানে।"

"কি বাক হব, বৰুৱা বৰুৱানী দুয়োজনে নাতিয়েকৰ আহ্বান ক্ৰমে সত্যাগ্ৰহত অংশ গ্ৰহণ লবলৈ আহিছে।"

"বুঢ়ীক আমি লগ নেপাওতে বুঢ়াক এৰি গ'ল। মইহে বুঢ়াক বুজাই বঢ়াই লৈ আহিছো।"

"তেনেহলে এটা কাম কৰা হওক। ৰাতিৰ সাঁজ খাই বৈ উঠি ৰাতিপুৱাই চৌধুৰীৰ ঘৰৰ পৰা সত্যাগ্ৰহ কৰিবলৈ বুলি পদ যাত্ৰা কৰো।"

"সেইবোৰ আলোচনাৰ বাবে এই মহামেল।"

"এ'কেবাৰে মুৰা মূৰী সমযতে হৈছে। আৰু হলে বেছি দিন নাই সামৰণিলৈ। গতি'ক 'এণ্টাডৰ ৰাগ শেষ ৰাত্ৰিয়ে ভাল' আমি হলো পাঁচজন। আমাৰ বুঢ়ী সহ দহ। আমি বুঢ়া বুঢ়ী হাল হিচা'প নাতিৰ উৎসৱলৈ যাম। কি মজা।"

"দলটো সৰু হব।"

"কিহৰ সৰুহে। আমি যে মানুহকেজন ডাঙৰ ডাঙৰ।"

"আনবোৰ পাৰ্টিত বহু মানুহ, আমাৰো সংখ্যা সৰহ কৰিব পাৰিলে ভাল হয়।"

"তেনেহলে চৌধুৰী! এক কাম কৰা। ৰাতিৰ ভিতৰতে যি'বাৰ লোক সত্যাগ্ৰহত যোৱা নাই, গোটেই বোৰকে তোমাৰ নগুলালৈ মাতা। লাগিলে যদি ৰাতিৰ ভিতৰতে গড সাজি উলিয়াব পাৰে, আমিনো মানুহখিনি জোগাৰ কৰিব নোৱাৰিম নে?"

"নিশ্চয় পাৰিম।"

"পাৰিম নহয পাৰিবই লাগিব। এইটো দেশ মাতৃকাৰ আহ্বান। ককালত টঙালি মেৰিয়াই দেশ মাতৃৰ উদ্ধাৰৰ হেতু কালিলৈ আমি হুঙ্কাৰ দি ওলাম। কোনে ক'ত আছ আহ' দেখিলম।"

"হেৰা, আমাৰ প্ৰত্যেককে একোধাৰী মালা লাগিব।"

"কি কথা আছে হয় শুক্ৰেশ্বৰ নহয় কামাখ্যালৈ যোৱা লৈ আহা এতিক্ষণে।

এখন পতাকা লাগিব নহয়।”

সেযেতো বিপদ। আৰ্টিষ্ট মাতা ৰাতিৰ ভিতৰতে। পতকাৰ চিহ্ন আঁকি দিযক।”

“হেৰা! আমাৰ এই আহ্বান দেশ মাতৃকাৰ। গতিকে আমাৰ বিজয় যাত্ৰাত লাগিব বেজবৰুৱা দেৱৰ গীতৰ, শঙ্খ, শিঙা, ডবা, ঢোল, খোল, মৃদঙ্গ আৰু বৰকাঁহ।”

‘হৈ যাব। পইচা দিলে হৈ যাব. তেনেহলে লিষ্ট কৰা। ভাগত কি পৰিব।”

“প্ৰত্যেকে কিন্তু ন-বস্ত্ৰ পৰিধান কৰিব লাগিব দেই, এয়া হ'ল দেৱীৰ প্ৰাৰ্থনা। এতিযাই সকলো জোগাৰ কৰা।”

“আছিলো বহি নীৰৱে, এতিযা আৰু নৰও, বলবীৰ্য্য বাহুত লৈ আগুৱাই যাম। এবৈশত গলো, বিয়াল্লিশত গলো এইবাৰ যাম উনাশীত। এয়ে আমাৰ শেষ যাত্ৰা। জীৱনৰো শেষ, জেল খটাৰো শেষ। কি কোৱা।”

“আমাৰ জীৱন কাহিনীৰ বুৰঞ্জী পূৰ্ণ হৈ পৰিব। ভাল কথা।”

হৰি গাড়ীখন লৈ যা। সোণমা আৰু মাবক লৈ আহ গৈ। সোণমা নাহিলেও মাকক লৈ আহিবি। বজাৰ হ'ল নে নাই গোটেই। যা সোণকালে আহগৈ।

“বৰুৱা, আমাৰ ঘৰৰে নাতি হৈ, বাপুৱে আমাৰ বিৰুদ্ধে ৰণ-হুঙ্কাৰ বজাইছে, কি কৰা ”

“কৰিম আৰু কি? দেশৰ ৰাজনীতিজ্ঞ সকলৰ কাণ্ড কাৰখানাত প্ৰতিজনে অতিষ্ঠ হৈ উঠিছে। আমি আৰু দেশবাসীক কিমান আশাৰ টোপ দি থাকিম। আমি ৰাইজক দিম কি? দিলো কি? কিছুমান আচনি, কিছুমান আচহুৱা কথা আৰু কি? তাৰ দ্বাৰা জানো পেটৰ ভোক মৰিব। আমি পৰাধীনতাৰ শিকলি চিঙাৰ বাবে আন্দোলন কৰিছিলো। আজি ল'ৰা ডেকাহঁতে

আন্দোলন কৰিছে পেটৰ ভোকৰ বাবে, একোটি চাকৰি লাগে, সংস্থাপন লাগে। আমি জানো দিব পাৰিছো। আজি বত্রিশ বছৰে খোৱা পানী টোপা নাপালে, বেমাৰৰ চিকিৎসা নাপালে, খেতিৰ সুবিধা নাপালে। যিটো পৰিয়ালত বছৰেকত শ' শ' মোন ধান বিক্রী কৰিছিল, গাখীৰু কল আমদানী খাইছিল, তাৰ আজি পেটৰ ভাত নিমিলা হৈছে। এইবোৰ জানো আমি সৃষ্টি কৰা নাই? প্রতি ঘৰে ঘৰে নিবনুৱা সমস্যা, যুৱতী সকলে নিজৰ যৌৱনৰ ক্ষণ গণিছে, ডেকা হঁতৰ সংস্থান নাই আৰু সংসাৰ কেনেকৈ কৰে। বয় বস্তুৰ দৰ হ'ল একে বাৰে চৰা। গাঁৱৰ মানুহে উৎপাদন কৰে কিন্তু সিঁহতৰ উৎপাদিত বস্তুৰ মূল্য নাই আৰু সিহঁতে যি কিনিব লগা তাৰ দাম অতি চৰা। আমি স্বদেশীৰ নামাকৰণ কৰি, বিদেশী বস্তু জুইত জাপি যি মহা যজ্ঞ পাতিছিলো তাৰ ফলত মান চেষ্টাৰে আমাৰ পৰা পইচা নাপালে সচা কিন্তু আমাৰ পইচা ললে আমাৰ স্বদেশী সকলে। স্বদেশী নাম লৈ এক লুণ্ঠনৰ যজ্ঞ আৰম্ভ কৰিছে। তেওঁলোকে দেশ বাসীৰ কথা পাহৰি গ'ল। কেনেকৈ টকা হয় কেনেকৈ ধন হয় তাৰ চিন্তাত লাগি গ'ল। ধনৰ নামত শোষণ লুণ্ঠন আৰম্ভ হ'ল। বজাৰৰ বস্তু খাব নোৱাৰি, লাভৰ আশাত গোটেইখনতে কৰিলে ভেজাল। ভেজাল বস্তু খাই খাই দেশবাসীয়ে অকালতে জীৱন অৱসান কৰিবলৈ লৈছে। প্রতিজন মানুহে ৰুগী বেমাৰী। চিকিৎসাৰ নামত আমাৰ স্বদেশী ডাক্তৰ সকলে লুট আৰম্ভ কৰিছে। যি লুণ্ঠনত সৰ্বসাধাৰণ চিকিৎসা গ্রহণৰ পৰা আতৰি পৰিবৰ বাধ্য হৈছে। আমি আন্দোলন কৰিছিলো, জেল খাটিছিলো দেশৰ স্বাধীনতা আনিলো কিন্তু ঠিকাদাৰ বিছুমান পুঁজিপতি গঢ়িবলৈ নে? দেশবাসীয়ে অকল অনাহাৰত দিন নিযাব ধৰিছে, থকা ঘৰৰ অভাৱত ফুটপাথ, অ'ভাৰব্রীজৰ তলত, নদীৰ বালি চৰত, ইযাৰ তাৰ ঘৰৰ বাৰাণ্ডত জীৱন কটাবলৈ ধৰিছে। আমাৰ

মানুহে ভোকৰ জ্বালাত নলা নৰ্দমাৰ পৰা খাদ্য বুটলি খাই জীৱন নিৰ্বাহ কৰিবলৈ লাগিছে। এপিনে কুকুৰে খায় এপিনে মানুহে খায। এয়েতো আমি গঢ়া দেশৰ চিত্ৰ। দেশনেতা সকলৰ স্বাৰ্থপূৰণৰ বাবে দেশত হেজাৰ হেজাৰ কলেজ, হাইস্কুল গঢ়ি উঠিল, প্ৰফেচাৰ সকলে গাঠে গাঠে টকা পালে কিন্তু দেশখনত কিমানজন মানুহ অক্ষৰী হ'ল? দেশৰ এক তৃতীয়াংশই আজি শিক্ষাৰ পোহৰ পোৱা নাই অথচ আমাৰ ৰাজ ভৰালৰ শিক্ষাৰ শিতানৰ টকাৰ হিচাব দেখিলেই ভয়ংকৰ। টকাৰ সংখ্যা গণিলে বুকু কঁপি যায়। কৃষৰ কাৰণে বক্তৃতা কোনে নিদিয়ে, আমিও দিছিলো, হে খেতিয়ক ভাই সকল আপোনালোক দেশৰ মেৰুদণ্ড। আজি সেই দেশৰ মেৰুদণ্ড সকলৰ বিলাই, 'মেলেৰিয়াৰ আগৰ দণ্ডাৰাম' হৈ পৰিল গোটেই দেশখন। সিহঁত গাঁৱত থাকে, সিহঁতে খেতি কৰে কিন্তু সিহঁতৰ মাটি নাই। হাল বাবলৈ গৰু নাই, থাকিবলৈ ঘৰ নাই, বিধান, সাৰ কিনিবলৈ পইচা নাই। সিহঁত খেতিয়ক কিন্তু সিহঁতে থাকে লঘোণে। দেশৰ কৃষি শিতানৰ ধন আৰু যে ভয়ঙ্কৰ। কৃষিৰ উন্নয়নৰ বাবে কৃষি বিশ্ববিদ্যালয়, কৃষি কলেজ গঢ়ি তুলিলে, নদীৰ দুয়োপাৰে মঠাউৰী দিলে, বিজুলী পাম্পেৰে পানী উলিয়ালে কিন্তু কৃষকৰ জানো কিবা উপকাৰ হ'ল? এইবোৰ আমি কি কৰিলো। চহৰ বোৰলৈ চোৱা, গাঁৱৰ পৰা মানুহ উজান ধৰিছে পেটৰ ভাত বিচাৰি। চহৰলৈ আহিছে হেজাৰ হেজাৰ যুৱতী গাভৰু বেশ্যাগামী ব্যৱসায়ত। আমি দেখিলো, সিঁহতক দেখি আমি চৰিত্ৰহীন বুলি আখ্যা দিছোঁ। ডেক সকল আহিল কাম বিচাৰি, কাম নাপাই সিঁহত হ'ল চোৰ, ডাকু, মাতাল, আৰু তাৰবাবে আমি সিঁহতক ধৰি পিটো। এইবোৰৰ বাবে আমি দেশৰ স্বাধীনতা আনিলো নহয়নে?

"বৰুৱা একেবাৰে কমিউনিষ্ট হৈ গলা দেখোন।। যি কথা একেবাৰে পাকা কমিউনিষ্টৰ কথাকে।

"অন্তৰ প্ৰকাশ কৰাকে যদি কমিউনিষ্ট বোলে মযো জেনে কমিউনিষ্ট। কমিউনিষ্ট সকলক মযো আগতে হেয় ভাৱে চাই ছিলো ভাবিছিলো দেশৰ অগ্ৰগতিত বাধা দিবলৈ বিদেশীহঁতে কমিউনিষ্ট সকলক মেলি দিছে। তাৰ পিছত নেহেৰুৱে যেতিয়া সমাজবাদৰ কথা কবলৈ ধৰিলে তেতিয়া মোৰ চিন্তাত আহিল কমিউনিষ্ট সকল। সিঁহতৰ মাজে মাজে মিটিংবোৰ শুনো, দুই এখন কিতাপো পটিলো। মোৰ সেই হেয় ভাৱ আতৰি পৰিল। এতিয়া সিঁহতৰ প্ৰতি সহানুভূতশীল হলা। কমিউনিষ্টৰ ইতিহাস পটিলো। সিঁহতো বহুতে স্বাধীনতাৰ আন্দোলনত জেলত গ'ল, ফাচীত গল, বহুতক ফাঁচীৰ মঞ্চলৈ আইনেৰে প্ৰস্তুত কৰালে। প্ৰতি আন্দোলনতে সিঁহতে আগভাগ লৈ আছে। সিঁহত অবিৰাম গতিত যুঁজি আছে। কিন্তু আমাৰ কংগ্ৰেচে নন কৌশলেৰে সিঁহতৰ বেগবোৰ ভঙ্গ কৰি দি আমাৰ শাসন গাদী ৰক্ষা কৰি আহিছে। কংগ্ৰেচে প্ৰথম প্ৰথম জেহাদ ঘোষণা কৰিছিল। দেশত কুটীৰ শিল্প গঢ়াৰ বাবে। কিন্তু কমিউনিষ্ট সকলৰ আন্দোলনত বাধ্য হ'ল গধুৰ শিল্প গঢ়াৰ বাবে। সময় কমিউনিষ্টৰ প্ৰস্তাৱকে মানিবৰ বাধ্য হৈ গৈ আছে। ৰজা মহাৰজা সকলৰ পেন্সন উঠাই দিলে কমিউনিষ্টৰ হেচাত। এইবোৰ পেন্সন বন্ধ কৰাত আমাৰ দেশৰ ভৰাল চহকী হৈ পৰিল। বেংকবোৰ ব্যক্তিগত মালিকনাৰ পৰা ৰাষ্ট্ৰীয়কৰণ কৰাত দেশৰ ধনৰ ভৰাল আৰু সমৃদ্ধিশালী হ'ল। সৰ্বসাধাৰণে বেংকৰ পৰা সহায় পাবলৈ ধৰিলে। কিন্তু তাতো শাসকবৰ্গই বাধা আৰোপ কৰি, বেংক ৰাষ্ট্ৰীয়কৰণৰ ক্ষেত্ৰত বিধি পঠালি দি গৈ আছে। মাটিৰ চিলিং কৰি দেশত প্ৰবঞ্চক দলক মাটিৰ অধিকাৰৰ অধিকাৰৰ পৰা আতৰাই পঠিয়ালে।

এইবোৰটো কমিউনিষ্টৰ প্ৰস্তাৱ। সিহঁতৰ প্ৰস্তাৱ আচনি কোনো-টোৱে মেয়া নহয়। তেনেহলে আমি ভয় কৰো কিয়, কমিউনিষ্টক সুবিধা দিয়াত। ইন্দিৰা গান্ধীৰ দিনত প্ৰজাস্বত্ব আইন প্ৰৱৰ্ত্তন কৰি মাটিৰ দখলকাৰী খেতিয়ক সকলক মাটিত সুবিধা দিলে। নিজৰ মাটি হিচাপে অধিকাৰ সাব্যস্ত কৰিলে। কৃষি ফচল চৰকাৰে গ্ৰহণ কৰিলে। সকলো বয় বস্তুৰ দৰ নিয়ন্ত্ৰিত হ'ল। কমিউনিষ্টে বিচাৰে কি, এখন শোষণ মুক্ত সমাজ। য'ত ধনী নাই, য'ত দুখীয়া নাই, য'ত প্ৰত্যেকে কাম কৰিবলৈ সুবিধা পাব, প্ৰত্যেকে খাবলৈ পাব, মানুহৰ জীৱনৰ দায়িত্ব ৰাষ্ট্ৰৰ হব। কৰ্মত আছে সন্মান। য'ত কৰ্মৰ বিভাজন লৈ হীন্ পৰ নাই কিন্তু কমিউনিষ্টক দেখুৱাবলৈ হওক বা কমিউনিষ্টৰ আন্দোলনত বাধা আৰোপ কৰাৰ কাৰণে হওক আইনবোৰ দেখুৱাই প্ৰৱৰ্ত্তন কৰিলে, কাৰ্য্যত নাই। এইটো আকৌ কিয়?

## ৪ৰ্থ খণ্ড

"বন্ধুৱা! আমাৰ আলোচনা বৰ গভীৰ কৰি তুলিলাহে। তোমাৰ প্ৰতিটো কথাই বাস্তৱ সত্য। কি কৰিবা। সেই কংগ্ৰেছ আৰু নাই। সেই জেল খোৱা কয়দীহঁত এতিয়া কংগ্ৰেছত নাই, সিহঁতৰ বাবে তাত স্থানো নাই। প্ৰত্যেকে ঘৰত বহি গ'ল, প্ৰত্যেকে নিজম পাৰিলে। দুখ লাগে। কলিজাৰ ৰঙা তেজ দি অনা স্বাধীনতাক আজি স্বাৰ্থপৰ দলে হাতৰ পুতলা কৰি ললে। আমাক সিহঁতে কয় অন্ড মেন। কাৰ্য্যকলাপবোৰ দেখিলে গাত জ্বৰ বিষ উঠে, শৰীৰ গৰম হৈ পৰে। কিন্তু উপায নাই। এতিয়াও ইচ্ছা হয সিহঁতৰ মিটিঙলৈ গৈ হাতৰ লাঠিৰে এটা এটা কৈ কোবাই বাহিৰ কৰি দিবলৈ। কিন্তু সেই শক্তি নাই। আমাৰ উৎসাহ উদ্দীপনা, উদ্যম সকলো শেষ হৈ গ'ল। আমাৰ দোষৰ বাবে ল'ৰাহঁতে বাটৰ পৰা আমাক দেশদ্ৰোহী বদন বুলি চিঞৰিবলৈ ধৰিছে। আমাৰ কীৰ্ত্তি কলাপক চেলেঞ্জ দি ল'ৰাহঁতে আমাৰ ঘৰত ফটকা ফুটুৱাই। অসহ্য যন্ত্ৰণাত চটফটাই আছো। কবলৈ ইচ্ছা হয, আমি নহয়! আমাৰ গাত দোষ নিদিবা। যিসকল স্বাৰ্থপৰ দস্যুযে দল ভাঙি চিঙি টুকুৰা টুকুৰ কৰিলে আজিও শাসনৰ গাদীত বহি ৰাম ৰাজ্যৰ সপোন দেখি আছে সেইবোৰক ধৰা। কিন্তু কাক ক'ত পাবা। সিহঁতৰটো আমাৰ কথা শুনিবলৈ সময় নাই, সিহঁত আৰু কিমান লাঞ্ছিত বঞ্চিত হব। এই জ্বলা জুই নুমাই যোৱাৰ পিছত সিহঁতো শেষ হৈ পৰিব। সেইটো বুজি যে সিহঁত দৌৰি আছে কত যাব নেজানে, কোন পথে সিহঁতৰ মুক্তি আনিব নেজানে। সিহঁতৰ আমি ধৈৰ্য্য হেৰুৱাই পেলাইছো। অসম নহয়, গোটেইখন দেশে অশান্ত, অশৃঙ্খল। দেশত অশান্তি, অশৃঙ্খলতা প্ৰতিষ্ঠা কৰাই ক্ষমতা লিপ্সা দলৰ বৰ্ত্তমান প্ৰধান সম্বল। এই অশৃঙ্খল পৰিবেশৰ দ্বাৰা সিহঁতৰ শাসন কপকপীযা কৰি লৈ দেশবাসীক লুট কৰি হাড়-

চালে লগাই জঠৰ কৰি তুলিব বিচাৰিছে। বৰঞ্চ অকলে তুমিয়ে বিদ্ৰোহী নহয়, বিদ্ৰোহী আমি সকলোৱে। কিন্তু আমি অচল। কংগ্ৰেছৰ কথা শুনিলে গা শিয়ৰি উঠে। মনলৈ ভাব হয় কি ভুল কৰিলো। যিবোৰ আছিল কংগ্ৰেছ বিৰোধী মানুহ, যিসকলে স্বাধীনতা বুলিলে কাণ মূৰ ঠিয় কৰি তুলিছিল, সেইসকলে পুলিচ লগাই ভলণ্টিয়াৰবোৰ ধৰাই দিছিল সেইসকলে বৰ্ত্তমান দেশসেৱী।”

আজিৰ কংগ্ৰেছত সোমালে তুমি পাৰ্মিট পাবা, ঠিকা পাবা, ল'বাৰ বৃত্তি, চাকৰি সকলো পাবা। দেশৰ মানুহক ঠগিবলৈ নানা আহিলা পাবা। আমাৰ কংগ্ৰেছ আছিল পুলিচৰ কোব আৰু মানুহৰ ঘৃণাৰ। আজি দেশৰ বেপাৰী, মহাজন, ভেজালকাৰী, উদ্যোগপতি সকলৰ হাতৰ মুঠিত কংগ্ৰেছ। কংগ্ৰেছ দলটোক ললে প্ৰত্যেকে অস্ত্ৰ হিচাপে। শাসন-শোষণ, উৎপীডন, নিৰ্য্যাতনৰ বাকচ হিচাপে। প্ৰত্যেকে কংগ্ৰেছত সোমাল কোনো হব এম, এল, এ, কোনো হব মন্ত্ৰী কোনো হব কিবাৰ সভাপতি। অত্যাচাৰ উৎপীডনত দেশৰ ৰাজহাৰ বেকা হৈ পৰিল। দেশখন অন্ধকাৰ হৈ উঠিল। দেশৰ প্ৰতিচ্ছবিত দেশৰ ডেকা সকলে ধোঁৱা ধোঁৱা দেখিছে। সিহঁতৰ চিন্তা আহিলে পটিলে কি হব? সিহঁত বিদ্ৰোহী হৈ পৰিল। সিহঁতে বিদ্ৰোহ কৰিলে আমাৰ বিৰুদ্ধে। আজি ফটকা ফুটাইছে, শ্লোগান দিছে, পিকেটিং কৰিছে, সত্যাগ্ৰহ কৰিছে, সবাকো কৰিছে ভালেই হওক এক অহিংস, পথ। কিন্তু এইবোৰেও যেতিয়া ল'ৰাহঁতক একোকে দিব নোৱাৰিব, দীৰ্ঘদিন ধৰি আন্দোলন কৰিও যেতিয়া ফলৱতী নহব, তেতিয়া এই ডেকাহঁত আগবাঢিব আমাৰ নিচিনা দেশদ্ৰোহীৰ মূৰত মাৰিবলৈ। আমি মাটিত বাগৰি যাম জ্ঞান হেৰুৱাই, তেতিয়াও সিহঁতে আমাৰ দেহৰ ওপৰত লঠিয়াই প্ৰতিশোধ লব। ডেকাসকলে বিচাৰি আছে চাকৰি কৰ্মসংস্থান। দীৰ্ঘকাল বিচাৰি হাবু ডাবু খাই পৰিল। কোনোৱে লগাই দিলে বিদেশী খেদ। বিদেশীয়ে আমাৰ

ৰস চুহি খাই আছে। সিহঁত গলেই আমাৰ সমস্যা সমাধান হব। যি বিচাৰো তাকেই পাম। সিহঁত লাগি গল দেশৰ পৰা বিদেশী, বহিৰাগত সকলো ভাৰতীয়ক বহিষ্কাৰ কৰাৰ বাবে। আন্দোলনে ৰূপ সলাই আছে। আন্দোলন ইমানকৈ বিয়পিল, গোটেইখন মানুহ কি ছাত্ৰ, কি কৰ্মচাৰী, শিক্ষক-অধ্যাপক, দোকানী-পোহাৰী, যুৱক-যুৱতী, বুঢা-বুঢী প্ৰত্যেকে মানি লৈছে কৰ্মচাৰী সকলে ভয় কৰা নাই, ভয় কৰা নাই চাকৰি যোৱাত প্ৰত্যেকে লাগি গৈছে অন্তৰত পুহি ৰখা আবেগেৰে, এইটো হলে জুকিয়াই চোৱা নাই, আন্দোলন ফলৱতী হলেও সমস্যাৰ সমাধান নহয়। এই আন্দোলনে চাকৰি দিব নোৱাৰে, নোৱাৰে কৰ্ম সংস্থাপন দিব। এই আন্দোলনৰে ভাত কাপোৰৰ সমাধান নহয। তেনেহলে কি হব? কেইলাখমান বিদেশী গলেই সমস্যা সমাধান হব নোৱাৰে। দেশবাসী আজি জাগ্ৰত। কিন্তু পথ পোৱা নাই। কোন পথে এই অন্বেষণ কৰিব পাৰিব। আন্দোলন দীৰ্ঘদিন চলিল। ক্ৰমান্বয়ে আন্দোলনকাৰীৰ এক অংশ হতাশ হৈ পৰিছে। এক অংশ লাগি আছে, লাগি থাকিব। সুবিধা লৈছে চৰকাৰে, চৰকাৰী বিষয়াসকলে। সুবিধা লৈছে ব্যৱসায়ী শ্ৰেণীয়ে। আন্দোলন জাগ্ৰত কৰি আছে, বযবস্তুৰ দাম ক্ৰমান্বয়ে বঢাই গৈ আছে। আন্দোলনৰ নামত ব্যৱসায়ী শ্ৰেণীয়ে সুবিধা ভোগ কৰি আছে। যত যিমান ঠিকাদাৰ আছে সংখ্যাৰ পিছত শূন্য বহুৱাত ব্যস্ত। অসমত এই ছাত্ৰৰ আন্দোলন, কৰবাত হিন্দু মুছলমানৰ মাজত, কৰবাত হৰিজনৰ লগত উচ্চ হিন্দুৰ, কৰবাত লাগিছে জনজাতি আৰু অনা জনজাতিৰ মাজত। শান্তি আৰু নাই। দেশ আগবাটি গ'ল বিশৃঙ্খল আন্দোলনৰ মুখলৈ।

"দেউতা! আইতা নাই। ঘৰত টলা লগোৱা। ওচৰৰ মানুহেও নেজানে।

কথা শুনি প্ৰত্তিজন আশ্চৰ্য্য হৈ পৰিল।

আজি জীয়েকক পাইছে! আৰু ক'ত পাবা। অতদিনে ঘৰৰ ভিতৰত সোমাই থাকি থাকি, যেতিয়া মুকলি আকাশ পাইছে আকাশৰ তলতে ঘূৰিব।"

"সিহঁতে কিজানি তোমাকে বিচাৰিছে।"

"মোক বিচাৰিব কিয়? ৰাতি হব মই যাম। আকৌ মোক বিচাৰিব কিয়?

"তেনেহলে গ'ল কলৈ?

"যোৱাৰ কথা আছিল সত্যাগ্ৰহ কৰিবলৈ। হয়তো তাৰপৰা কিজানি চিনেমাতে ভুমুকি মাৰে। তাৰপৰা আহি বন্ধা-বঢ়া কৰিব। মাক জীয়েকৰ কথা। শহুৰেক থাকিলেও যেন তেন।"

"কিয় জোৱাই তো ঘৰত থাকিব পাৰে।

"সিও কিজানি কৰবাত প্ৰগ্ৰেম কৰিছে

"চি আই বোৰে কেনেকৈ শিপালেহে।

"আমাৰ দেশখনৰ আছে নো কিহে। হৰপ্পা আৰু মহেঞ্জো-দাৰো আৰু মোগলৰ কিছুমান কাৰুকাৰ্য্য আৰু কেইখনমান বেদ উপনিষদ কাব্য। তাকে লৈ আমি সভ্যতাৰ জখলাত উঠো তাকে লৈ গৌৰৱ কৰো। মানুহৰ প্ৰকৃত গণনা নোহোৱাকৈ ডাঙৰ হিচাব এটি জগৎ বাসীৰ আগত ডাঙি ধৰিছো। গোটেই পৃথিৱীকে জনাই দিছো আমি গণতন্ত্ৰ, ধৰ্মনিৰপেক্ষ দেশ। নেহেৰুৰ ৰাজত্ব কালত পি এল ৪৮০ চুক্তি মতে কোনোমতে জোৰা মাৰি দেশবাসীক খুৱাই আছিল। এতিয়া জানিবা পি এল ৪৮০ চুক্তি নাই। নহলেও বিভিন্ন দিশত আমেৰিকা আৰু ৰাছিয়াৰ ওচৰত হাত পাতি মহান জাতিৰ ঐতিহ্য ৰক্ষা কৰি আছে। গধুৰ শিল্প আটাইখিনিয়ে প্ৰায় চোভিয়েট ৰাছিয়াৰ অৱদান। এই গধুৰ শিল্প কাৰখানা কেইটা প্ৰতিষ্ঠা হোৱাৰ পৰা দেশখনৰ মুখত যেনিবা পানী আহিছে। নিবনুৱাও নিযুক্তি হৈছে আনহাতে দেশখনৰ শিল্প

ক্ষেত্ৰত বহু পৰিমাণে স্বাৱলম্বী হৈছে। আমেৰিকাৰ বিভিন্ন সংস্থাৰ পৰা চুক্তি কৰি খেতিত লগাইছে, স্বাস্থ্য বিভাগত, শিশু খাদ্য, পৰিয়াল পৰিকল্পনা, ঔষধপাতি, চিনেমা, খেলা-ধূলা, শিক্ষা, ইলেক্‌ট্ৰিকত লগাইছে। আমাৰ চৰকাৰে চুক্তি কৰিছে সিহঁতে যোগান দি আছে অবিৰাম গতিত। সিহঁতৰ যোগান সামগ্ৰীত কতজন ঠিকাদাৰ হ'ল, কিমানজন ক্ৰোড়পতি তাৰ হিচাব কোনে ৰাখিছে। আমেৰিকা হ'ল চালাকী দেশ। সিহঁতৰ প্ৰত্যেক ক্ষেত্ৰত লক্ষ্য, সিহঁতৰ ওচৰত পৃথিৱীৰ দেশসমূহে যাতে সাহায্য বিচাৰি থাকে আৰু সেই সাহায্যৰ চুক্তিত সাহায্য লোৱা দেশ সমূহে যাতে সিহঁতৰ বহতীয়া হৈ চলে তাৰ ব্যৱস্থা সিহঁতে ৰাখিছে। সিহঁতে এহাতে ধন দি সাহায্য দিছে, দেশখনক আগুৱাই নিবলৈ মন কৰিছে। আনহাতে সিহঁতৰ মানুহবোৰ সিচৰিত কৰি গোটেইখন দেশতে সুমুৱাই দিছে। এইবোৰ হ'ল সিহঁতৰ লগত হোৱা চুক্তিৰ স্বৰ্ত। জনসংখ্যাৰ হিচাবত আমেৰিকাতকৈ ভাৰতত জনসংখ্যা বহু বেছি। আমেৰিকাই বেকাৰবোৰক সিহঁতৰ ধাৰৰ যোজনা সমূহ পৰিদৰ্শনৰ বাবে কিছু বেকাৰক নিয়োগ কৰি ভাৰতলৈ পঠিয়াইছে। কিছুমান বেকাৰক টুৰিষ্ট হিচাপে পঠিয়ালে ভাৰতত। সিহঁত অবাধে ভাৰতত ঘূৰি ফুৰিবলৈ ধৰিলে আৰু আমাৰ ডেকা সকলৰ লগত বন্ধুত্ব কৰি তুলিলে। ভাৰতৰ পৰা ইংৰাজ শাসকহে গ'ল। কিন্তু তেওঁলোকৰ বহু মানুহ মিচনাৰীৰ নামত থাকি গ'ল। মিচনাৰী সকল মানৱ সেৱাত ব্ৰতী হোৱা দেখুৱাই দেশৰ অগ্ৰগতিত কেনেকৈ বাধা আৰোপ কৰিব পাৰে তাৰে পৰিকল্পনাত লাগি গৈছে। প্ৰথমে আমাৰ ডেকা সকলক চুলি ডাড়ি ৰখা হিপ্পী বনালে। তাৰ পিছতে ছুণ্ডা পেণ্ট, হলো পেণ্ট, মেক্সি, পেটকটা ব্লাউজ পিন্ধিবলৈ শিকালে। এই গ'ল প্ৰথম অধ্যায়। তাৰ পিছতে ডেকা সকলক মদ্যপান আৰু ভাং খুৱাবলৈ আৰম্ভ কৰিলে। তৃতীয় অধ্যায়ত যুৱক-যুৱ

তীক হাতত ধৰা ধৰি কৈ ফুৰোৱাৰ পথ দেখুৱালে। যুৱক সকলক মুক্তভাৱে যৌন শিক্ষা দিযাত লাগিল। দেশজুৰি চিনেমা, আলোচনী, বাতৰি কাকত সমূহত যৌন বিষযৰ ছবি ওলাবলৈ ধৰিলে।

বাটে ঘাটে চকু মেলি চোৱা ন-ন সাজপাৰ, দৈনিক পৰিবৰ্ত্তন। সিহঁতৰ নজৰ হ'ল উঠি অহা ডেকা শক্তিৰ ওপৰত। আমাৰ ভৱিষ্যত হ'ল এই ডেকা সকল। ডেকা সকলৰ মাজত ভোমোৰাৰ দৰে ঘূৰি ফুৰি নানা চল চক্ৰান্তৰ এটি উদভ্ৰান্ত পৰিবেশৰ সৃষ্টি কৰি ডেকা সকলৰ অগ্ৰগতিত বাধা আৰোপ কৰাই ইহঁতৰ লক্ষ্য। আমাৰ ডেকা সকলে যাতে লাহ বিলাসৰ মাজেৰে আগবাঢি নিজৰ জীৱনবোৰক যাতে লক্ষ্যভ্ৰষ্ট কৰি গোটেই দেশখন অকামিলা কৰি তুলিব পাৰে সেযে চেষ্টা। ইৰানত দীৰ্ঘকাল ৰাজত্ব কৰি সমগ্ৰ ইৰানৰ ডেকা শক্তিক পঙ্গু কৰিবলৈ বিচাৰিছিল। ইৰানৰ সৰ্বসাধাৰণক লাস বিলাসৰ মাজেৰে লৈ গৈ যৌন স্পৃহাৰ প্ৰতি আসক্ত কৰি গোটেই দেশখনতে সুৰা পানৰ প্ৰচলন চলাই আমেৰিকাৰ ব্যৱসায কটকটীয়া কৰি তুলিছিল। ধনী সম্ভ্ৰান্তশালী দেশ এখনৰ প্ৰগতি, সংস্কৃতি, শিক্ষাৰ বিকাশত বাধা পৰিল। পূৰ্বৰ বৰ্বৰতা আহি পৰিল। মহিলাসকল বাটে ঘাটে ওলাব নোৱাৰা হ'ল। নাৰীৰ ওপৰত ধৰ্ষণ, নিৰ্য্যাতন, অবিৰত চলিল। শিক্ষা দান আৰু শিক্ষা লাভৰ পাৰিপাৰ্শ্বিকতা নাইকিযা হৈ পৰিল। খুন, ডকাইটি হত্যাকাণ্ড অবাধে আৰম্ভ হ'ল। সৰ্বসাধাৰণৰ আৰ্থিক অৱস্থা শোচনীয হৈ পৰিল। শেষত পোন্ধৰ বছৰ কাল অজ্ঞাত নিৰ্বাস খাটি আযেতুল্লা খেমানি দেশত সোমাই ডেকাসকলৰ মাজত এক নতুন জোঁৱাৰ তুলিলে। সমগ্ৰ ইৰাণ বাসীযে আযেতুল্লাৰ নেতৃত্ব মানি ললে। আমেৰিক'ৰ কু-অভিসন্ধি কু-চক্ৰবোৰ বুজি পালে। ইৰাণৰ বিপ্লৱৰ ঢৌত আমেৰিকান সকল ফৰিং চিটিকা দি পলাল। অৱশেষত হ'লেও চি আইএৰ কবলৰ পৰা

ইৰাণ কিছু মুক্ত হ'ল। আমেৰিকান বাসীৰ বাবে ইৰানত কোনো ঠাই নোহোৱা হ'ল। যি সকল ইৰানীলোকে আমেৰিকাৰ সৈতে বন্ধুত্ব স্থাপন কৰি লুণ্ঠনত লাগিছিল সেই সকল লুণ্ঠনকাৰীকো ধৰি বন্দী কৰি পেলালে। ইৰানবাসীয়ে এনে কৰিলে, যে কোনো আমেৰিকানৰ বাবে তাত ঠাই নেৰাখিলে। ইৰানৰ লগত সম্বন্ধ হেৰাই দামুৰী হেৰোৱা গাইৰ দৰে আমেৰিকান সকলে চিৎকাৰ আৰম্ভ কৰিলে। পয়সত্তৰ চনতো CIA য়ে ইন্দিৰা গান্ধীৰ বিৰুদ্ধে ভাৰতীয় ৰাইজৰ এক অংশক জাগ্ৰত কৰিছিল।

এই জাগৰণৰ নেতৃত্ব বহন কৰিছিল জয়প্ৰকাশ নাৰায়ণ। গোটেই দেশখনতে গান্ধীৰ বিৰুদ্ধে হুঙ্কাৰ উঠিল। লক্ষ লক্ষ জনতাৰ মিছিল বাহিৰ হ'ল। মিছিল বাহিৰ হ'ল পাটনা, দিল্লী লক্ষ্ণৌ আদি বৰ বৰ চহৰবোৰত। এইটোৱে গোটেই ভাৰতকে শিপাইছিল। আন্দোলনৰ ধ্বনি আছিল গান্ধীৰ পতন হওক, লাগে তেওঁৰ দলৰ মানুহে প্ৰধান মন্ত্ৰী হওক। দলহীন গণতন্ত্ৰ, দলহীন সংসদৰ ধ্বনি বাহিৰ হ'ল। গোটেই দেশখনতে অশান্তিকৰ পৰিবেশ গঢ়ি উঠিল। মহিলা সকল বাটে পথে ওলাব নোৱাৰা হ'ল। মহিলা সকলৰ ডিঙিৰ পৰা দেখা দেখি গহনা কাটি আজুৰি নিবলৈ লাগিল। ৰেল বাচত উঠিব নোৱাৰা হ'ল, হত্যাকাণ্ড ডকাইটিৰ বাবে। জয়প্ৰকাশৰ প্ৰতি ভাৰতৰ প্ৰতিক্ৰিয়া শীল শক্তি সমূহে অকুণ্ঠে সমৰ্থন আগবঢ়ালে। একোতে গান্ধীক গাদীচ্যুত কৰিব নোৱাৰি সামৰিক বাহিনীক দেশৰ শাসন লবলৈ আহ্বান জনালে। দেশৰ শাসন ব্যৱস্থা অচল অৱস্থালৈ আহিল। এনে জনতাৰ কোঢালৰ মাজতে ৰাজনাৰায়ণে, ইন্দিৰা গান্ধীৰ নিৰ্বাচন অবৈধ কৰিবলৈ কৰা মোৰ্কদ্দমাৰ ৰায় হ'ল। এলাহাবাদ হাইকোৰ্টে ৰায় দিলে শ্ৰীমতী গান্ধীৰ নিৰ্বাচন অবৈধ। তৎমুহূৰ্ত্তে পদত্যাগ

কৰিব লাগে ।

আন্দোলনৰ গতি গহীন হৈ উঠিল । গোটেই দেশখনতে অৰাজকতাই স্থান ললে, চাৰিওফালে হুলস্থুল । অৱশেষত শ্ৰীমতী গান্ধীয়ে নিজক বচাবলৈ জৰুৰী কালীন অধ্যাদেশ জাৰি কৰি নিজৰ শাসন প্ৰৱৰ্ত্তালে । গান্ধীৰ বিৰুদ্ধে মাত মতা সকলক নি নিবাৰক আইনৰ মৰ্মে জেলত সুমুৱাই থলে । শ্ৰীমতী গান্ধীয়ে কুৰি ডফাৰ, আচনি লৈ তেওঁৰ শাসন চলাই গৈ থাকিল । সাময়িক ভাবে ভাৰতত চি আইৰ প্ৰতিপত্তি কমি গ'ল । চি আই এ গৈ লাগিল বাংলাদেশত

ফাৰাক্কা বান্ধৰ পানী বাংলাদেশত কম পৰিমানে গ'ল । গংগাৰ পানী বন্ধ হোৱা ধ্বনি তুলি বাংলাদেশত খেতিৰ অন্যায় হ'ল । বাংলাদেশৰ মাছমৰীয়া সকলৰ ব্যৱসায় নোহোৱা হ'ল । এনে ধৰণৰ নানা সমস্যাক বাংলাদেশে সন্মুখত লৈ ভাৰতৰ বিপক্ষে শীতল যুদ্ধ আৰম্ভ কৰিলে । ফাৰাক্কা বান্ধৰ পানীৰ সমস্যাত সমগ্ৰ বাংলাদেশ একত্ৰিত হৈ ভাৰতৰ বিৰুদ্ধাচৰণত লাগিল । ফাৰাক্কা বান্ধৰ কথা গৈ ইউ, এন অ'ত উঠিল । বাংলাদেশৰ এনে ভয়াবহ পৰিস্থিতিত আমেৰিকান সকলে হুৰাওৰাৰে কন্দা কটা আৰম্ভ কৰিলে । মুজিবৰ ৰহমানৰ সময়তে আমেৰিকান চি আই এ সকল সোমাই পৰিছিল নানা সাহায্যৰ আচনি লৈ । মুজিবৰক কিন্তু বাংলাদেশৰ কমিউনিষ্ট সকলে আমেৰিকাৰ সহায় লবলৈ মানা কৰিছিল তেওঁ মুগুনিলে । মুজিবৰ থাকিলে আমেৰিকাৰ ব্যৱসায় নচলে । অকল আমেৰিকাৰ পৰাই মুজিবৰ ৰহমানে সাহায্য লোৱা নাছিল, ভাৰত চোভিয়েট আদি দেশৰ পৰাও লৈছিল । গতিকে আমেৰিকাই বিশেষ প্ৰতিপত্তি বিস্তাৰ কৰিব পৰা নাছিল । সেয়ে হ'ল শেষত মুজিবৰ ৰহমানৰ সপৰিয়ালে প্ৰাণনাশ । মুজিবৰৰ হত্যাৰ পিছতে সৈন্য বিভাগে শাসনাধীস্ত হৈ পৰিল আৰু আমেৰিকাৰ

নিৰ্দেশত চলিবলৈ আৰম্ভ কৰিলে। তাৰ পিছত ফাৰাক্কা বান্ধ লৈ ভাৰতৰ বিৰুদ্ধে বাংলাদেশ লাগিল। ইউ, এন, এৰ সভাত হুলস্থুলৰ পৰিবেশ হ'ল। আমেৰিকাৰ মিত্ৰ দেশ সমূহে বাংলাদেশক সমৰ্থন জনালে। ভাৰতক কাবু কৰিবলৈ চি আই এৰ মানুহে বিচাৰি বিচাৰি নানা গৱেষণাৰ পিছত পালে এই ফাৰাক্কা। শেষত দুয়ো দেশৰ মাজত নিষ্পত্তি কৰিবলৈ এটা সিদ্ধান্ত হ'ল। ভাৰতৰ পৰা পঠিয়ালে কৃষিমন্ত্ৰী জগজীৱন ৰামক। প্ৰথম বেলি দুদিন ঢাকাত থাকি পানী লগা অসুখত ভুগি বাবুজী স্বদেশলৈ আহিল। আকৌ দিন কৰিলে আকৌ গ'ল। জৰুৰী কালীন অধ্যাদেশৰ আগে আগে জয়প্ৰকাশে এটা কথা কৈছিল, যদি জগজীৱন ৰাম প্ৰধান মন্ত্ৰী হয় তেতিয়াও আমি কংগ্ৰেছক অকাতৰে সমৰ্থন দিম। সেই কথা জগজীৱন ৰামৰ হৈ থাকিল সপোন। সেই দিন ধৰি শ্ৰীমতী গান্ধীয়ে কিন্তু ৰামক বিশেষ নজৰত ৰাখিছিল। দ্বিতীয় বাৰ তৃতীয় বাৰ আকৌ বাংলাদেশত যেতিয়া ফাৰাক্কাৰ আলোচনাৰ বাবে ৰাম গৈ উপস্থিত হ'ল, ফাৰাক্কাৰ লগতে ৰামক প্ৰধান মন্ত্ৰী পতাৰ বাবে চি আই এ পথ দেখুৱালে। আলোচনা আলোচনা হৈয়ে থাকিল। আমাৰ মাজত প্ৰকাশ পালে আলোচনা ফলপ্ৰসু হৈছে। ইতিমধ্যে ভাৰতৰ জেল সমূহত পিচ দুৱাৰেদি চি আই এ প্ৰৱেশ কৰি জেলত আবদ্ধ হৈ থকা ইন্দিৰা বিৰোধী নেতা সকলক একমতত উপনীত কৰি জনতা পাৰ্টি গঠন কৰিলে।

জেলৰ চেলৰ মাজতে জনতা পাৰ্টিৰ জন্ম হ'ল। জনতা পাৰ্টিৰ পতাকা, জনতা পাৰ্টিৰ নিৰ্বাচনৰ চিহ্ন পৰ্য্যন্ত জেলৰ মাজত সিদ্ধান্ত হ'ল। কিন্তু কোনো নেতাৰে মুখা মুখি আলোচনা নহ'ল, দেখাদেখিও নহল, কোনো প্ৰকাৰৰ যোগাযোগ নহল। ইপিনে দেশখনত জৰুৰী কালিন আইনৰ ক্ষমতাৰে, ক্ষমতাত অধিষ্ঠিত শাসক বৰ্গই পুৰণি শত্ৰু পৰাৰ পৰা নানা অপকৰ্মত লিপ্ত হ'ল। পুলিচ

বিষয়া সকলৰ অবাধ ৰাজত্ব হ'ল, পৰিয়াল পৰিকল্পনাৰ আচনিয়ে অবিস্মৰণীয় কাহিনী ঘটাই তুলিলে। জৰুৰী কালীন অধ্যাদেশৰ আগচোৱাত শ্ৰীমতী গান্ধীয়ে চমক প্ৰদ আচনি কেইখন মান গ্ৰহণ কৰিছিল তাক কাৰ্য্যকৰী কৰাত লাগি গ'ল। জমিদাৰী চেহ্ছদ হ'ল। জমিদাৰ সকল বিহ্বল হৈ পৰিল। জমিদাৰী গলে খাব কি, ঠগিব কাক, শোষণ কৰিব কাক, এই প্ৰশ্ন লৈ। দেৱোত্তৰ ধৰ্মোত্তৰ উঠি গ'ল। ধৰ্মৰ নামত ব্যৱসায় কৰা সকলে বেদনাত জৰ্জৰিত হৈ পৰিল, শোকাক্লিষ্ট হৈ উঠিল। ভেজাল কাৰী সকল ধৰা পৰিল কিছুমান জেলত সোমাল। চোৰাং, বেপাৰী, কলা বেপাৰী, লাভ খোৰ মহাজন সকল জেলত সোমাল। ব্যৱসায়ী গোষ্ঠীৰ মাজত এক সন্ত্ৰাসৰ সৃষ্টি হ'ল। কোন কেতিয়া জেলৰ ভিতৰ সোমাব লগা হয়, নিৰাপত্তা নোহোৱাৰ বাবে। দুৰ্নীতি পৰায়ণ, ঘোৰ ঘোৰ বিষয়া সকলৰ চাকৰি গ'ল, কোনো কোনো জেলতো সোমাল। কৰ্মচাৰী সকল অনুশাসনৰ বসবৰ্ত্তী হল। জেলতো প্ৰত্যেকে সময় মতে অহা, ঠিক মতে কাম কৰা অভ্যাসত পৰিণত হ'ল। বয়বস্তুৰ দৰ হ্ৰাস পালে। দোকানী পোহাৰী সকলে বয়-বস্তুৰ দৰ গ্ৰাহকে জনাকৈ গ্ৰাহকৰ আগত ৰাখিলে, ক্ৰেতা সকলক ৰচিদ দিয়াৰ ব্যৱস্থা হ'ল। টকা পইচা লেনা দেনা বেংকৰ যোগেদি কৰিবৰ বাধ্য হ'ল। যি সকল ৰায়তে মহাজনৰ পৰা আধি চুকানীৰে মাটি খাই আছিল সেই সকলো প্ৰজাস্বত্ব আইনৰ মৰ্মে কাৰাস্বত্ব হ'ল, ৰায়তে মাটি পালে। জৰুৰী কালীন আইনে কিন্তু ভাৰতৰ মূলধনী পুঁজিপতি সকলক স্পৰ্শ নকৰিলে, তেওঁলোকৰ গাৰ নোমে নলৰিল। এই সময়ত চি আই এ এজেণ্ট সকল গোটেই ভাৰতত পিয়া পি দি পৰিল। কোনো আছিল ধৰ্মযাজক, কোনো আছিল পৰিব্ৰাজক, কোনো আছিল শিক্ষাবিদ হিচাপে। জৰুৰী কালীন আইনৰ কবলত পৰা মৰ্মাহত জৰ্জৰিত হৈ পৰা

সকলক চি আই এৰ এজেণ্টে লম্ভিলে। সংগঠন গোপনে গোপনে চলিল আৰু কপকপীয়া হৈ পৰিল। ভাৰতৰ সাধাৰণ নিৰ্বাচনৰ ম্যাদ পিচুৱাই পাঁচ বছৰৰ পৰিবৰ্ত্তে ছয়বছৰ কৰিলে। কিন্তু হঠাতে সময় নৌ হওঁতে শ্ৰীমতী গান্ধীয়ে তেওঁৰ অনুকূলে দেশৰ প্ৰবাহ বলা বুলি জানিব পাৰি নিৰ্ব্বাচনৰ দিন কৰিলে। জৰুৰী কালীন অধ্যাদেশ কিছু পৰিমানে ৰেহাই হ'ল। জেলৰ পৰা ৰাজনৈতিক বন্দী বহুত খালাচ হ'ল, কিছুমান থাকিল। নিৰ্ব্ব্যাচনৰ হুঙ্কাৰ বাজি উঠিল। অৱহেলিত, নিৰ্য্যাতিত সকল একত্ৰিত হৈ নিৰ্ব্বাচনত নামি পৰিল।

পূৰ্ব্বৰ মোৰাৰজীৰ সাংগঠনিক কংগ্ৰেছ, সুৰেন্দ্ৰ মোহনৰ চচিয়েলিষ্ট পাৰ্টিৰ, চৰণচিঙৰ ভাৰতীয় ক্ৰান্তি দল, অটল বিহাৰী বাজপেয়ীৰ ভাৰতীয় জনসংঘ আৰু ৰাজাজীৰ স্বতন্ত্ৰ পাৰ্টি। দেশৰ হিন্দু, মুছলমান, খ্ৰীষ্টান সম্প্ৰদায়ৰ যত ধিমান ধৰ্ম যাজক আছিল সকলো একত্ৰিত হৈ পৰিল। আৰু সক্ৰিয়ভাৱে নিৰ্বাচনত নামি পৰিল। নিৰ্বাচনৰ ঠিক আগমুহূৰ্ত্তত জগজীৱন ৰাম ইন্দিৰা গান্ধীৰ মুঠিৰ পৰা ওলাই আহি চি, এফ, ডি নাম লৈ দল গঠন কৰি জনতা দলৰ লগত একত্ৰিত হৈ পৰিল। নিৰ্বাচন ইমান জোৰত জোৰদাৰ হৈ উঠিল, টকা ক'ৰ পৰা আহিল, কোনে কিমান খৰছ কৰিলে কোনো খবৰ নহল। জনতা পাৰ্টিৰ পৰা এক প্ৰতিশ্ৰুতি পাইছিল জগজীৱন ৰামকে প্ৰধান মন্ত্ৰী পতাৰ। নিৰ্বাচন শেষ হ'ল। বিপুল ভোটত জনতা পাৰ্টিয়ে জয়লাভ কৰিলে। চন্দ্ৰ শেখৰক হাতত লৈ মোৰাৰজী প্ৰধান মন্ত্ৰী হ'ল। হঠাতে মোৰাৰজী দলপতি হোৱাত অভিমান কৰি জগজীৱন ৰামে মন্ত্ৰীত্ব লোৱা নাছিল। মোৰাৰজীয়ে সপোন দেখিছিল প্ৰধান মন্ত্ৰী হোৱাৰ, লালবাহাদুৰৰ মৃত্যুৰ পিছতে। প্ৰধান মন্ত্ৰী হব নোৱাৰিয়ে কংগ্ৰেছ দল দুভাগত পৰিণত

কৰিলে, অৱশ্যে কিছুদিন পিছত। যা হওক অবিৰাম চেষ্টাৰ মূৰত প্ৰধান মন্ত্ৰী হ'ল। বেচেৰা জগজীৱন ৰামে ইকুলো নাপালে সিকুলো নাপালে মাজ পানীত জাজী হৈ থাকিল। আঢৈবছৰ পিছত জনতা মন্ত্ৰী সভাৰ পতন ঘটিল আত্ম কন্দলত। আকৌ নিৰ্বাচন আহিল। জনতা পাৰ্টিয়ে এইবেলি জগজীৱন ৰামক প্ৰধান মন্ত্ৰী পাতিবলৈ প্ৰকাশ্যে প্ৰতিজ্ঞাবদ্ধ হৈ ৰামক দলৰ নেতৃত্ব দিলে। আমাৰ অসমতো জাতীয় আন্দোলন গঢ়ি উঠিল এনেভাবে। জনতাদলে অসমত মন্ত্ৰী সভা গঠন কৰাৰ সুযোগ লৈ চি, আই, এৰ এজেণ্ট সমূহ অসমত ভালকৈ সোমাল। ইতিমধ্যে ভাৰতত জনতাৰ ৰাজত্বৰ সময়ত চি, আই, এৰ এজেণ্ট সবলে ভালদৰে খোপনি পুতি ললে। আমেৰিকাৰ সৈতে জনতা চৰকাৰে পূৰ্বৰ হেবোৱা মিতিৰালি আকৌ কপকপীয়া কৰি তুলিলে।

অসমত আৰম্ভ হ'ল, মঙ্গলদৈ বিদেশী ভোটাৰেৰে ভৰা, গতিকে ভোটাৰ লিষ্ট সংশোধন কৰিব লাগে। অথচ এই বিদেশী ভোটাৰৰ তালিকাৰে জনতাৰ প্ৰাৰ্থী আগতে বিপুল ভোটত জয়ী হৈছিল। এতিয়া আকৌ সন্দেহ হ'ল জনতা পাৰ্টিয়ে মুছলমান সম্প্ৰদায়ৰ ভোট পায় নে নেপায়। ইতিমধ্যে অসমত জনতা পাৰ্টিৰ ৰাজত্বৰ অৱসান ঘটিল। বিদেশী ভোটাৰৰ কথাটোলৈ সিংহাসনচ্যুত জনতা নেতা সকল দেহে-কেহে লাগি পৰিল। দিল্লীৰ বুথাৰী চাহেবে আন্দোলন চলালে, অসমত সংখ্যালঘুৰ ওপৰত অত্যাচাৰ চলিছে। লগে লগে মুছলমান ধৰ্মীয় নেতা সকলেও সংখ্যা লঘুৰ ওপৰত অত্যাচাৰ চলা কথাটোৰ বিবৃতি দিব ধৰিলে। অসমলৈ আহি পৰিল আৰ, এচ, এচৰ নেতা সকল, জনতাৰ নেতাসকল। প্ৰত্যেকে একমুখে কবলৈ ধৰিলে অসমৰ আন্দোলন, ন্যায্য আন্দোলন। আন্দোলন অহিংস পথেৰে আগবাঢ়িছে ভাৰত

চহৰকাৰক সে'নকা'ল মীমাংসা কৰিবলৈ দাবী কৰিবলৈ লাগিল। বাতৰি যোগনীয়াৰ, সাংবাদিক সকল আহিল, ফটো ল'লে, বৰ বৰ হৰফত বাতৰি উলিয়ালে অহিংস শান্তিৰ আন্দোলন বুলি। শ্ৰীমতী গান্ধীয়ে ৰাষ্ট্ৰদূত পঠিয়ালে আন্দোলনৰ গতিধাৰা নিৰ্ণয় কৰিবলৈ। প্ৰতিনিধি গৈ প্ৰতিবেদন দাখিল কৰিলে, সংখ্যালঘুৰ ওপৰত অত্যাচাৰ হৈছে, ইয়াত বিদেশী শক্তিৰ প্ৰভাৱ আছে। পুনৰাই শ্ৰীমতী গান্ধীয়ে বিশেষ ৰটকী পঠিয়ালে, আন্দোলন কাৰী সকলক আলোচনাৰ বাবে নিমন্ত্ৰণ জনাবলৈ। তৎমূহূৰ্ত্তে পাৰ্লিয়ামেণ্টত উপস্থিত নেথাকি বাজপেয়ী আৰু বৰ্মা আহি আন্দোলন কাৰী সকলক লগধৰি গোপনীয় দিহা পৰামৰ্শ দি গল। জনতা মন্ত্ৰী সভাৰ আমোলত আৰ, এচ, এচ দলৰ অধিনায়ক বাল চাহেব অসমলৈ ঘুৰাৰো আহে। ইতিমধ্যে অসমত স্থান বিশেষে আৰ, এচ, এচ দলৰ সংগঠন জোৰদাৰ হৈ উঠিল। ঠায়ে ঠায়ে ট্ৰেইনিং চেণ্টাৰ পাটি কৰ্মীসকলক আখৰাও দিলে।

চি আই এ, আৰ এচ এচ দলৰ লগত সহযোগী হৈ অসমত আন্দোলন চলালে। ঊনাশী চনৰ আগষ্ট মাহৰ কো'না এটি সংখ্যাত দিল্লীনগৰীৰ পৰা প্ৰকাশ হোৱা বহুল প্ৰচাৰিত দৈনিক পেট্ৰিয়ট নামৰ বাতৰি খনে অসম সহ পূৰ্বাঞ্চলত চি আই এ, ব্ৰহ্মপুত্ৰ প্ৰজেক্ট নামাকৰণ কৰি এই আন্দোলনৰ সূত্ৰপাত কৰিছে বুলি প্ৰমাণ কৰে। অকল অসমতে নহয়, মণিপুৰ, মেঘালয়, মিজোহিল, নেফা, ত্ৰিপুৰা নগা ৰাজ্যতো আন্দোলনৰ সূত্ৰপাত কৰিছে। ইৰানৰ পৰা পলোৱাৰ পিছত সিহঁতে পাকিস্থানত খোপনি পুতি তাৰ পৰা আফগানীস্থানত গৃহকন্দল লগাই তোলে। ভিয়েতনামৰ পৰা খেদা খাই আকৌ লাগিল কাম্পোচিয়াত। তাৰ পৰাও সিহঁত পলাব লগা হ'ল। সিহঁতৰ এতিয়া প্ৰধান ঘাটি বাংলাদেশ, পাকিস্থান আৰু ভাৰত

বর্ষ। বাংলাদেশক ফাব্যাক্কা বান্ধৰ লগতে ভাবহক কি দৰে কাবু কৰিব পাবে তাৰ বাবে সীমান্ত চকী সমূহত দিনে নিশাই অশান্তিৰ সৃষ্টি কৰিবলৈ ধৰিছে। প্ৰথমতে অসমত বিদেশী বহিষ্কাৰৰ আন্দোলনৰ লগতে চেষ্টা দিছে অসমীয়া হিন্দু মুছলমানৰ মাজত এটা সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰা, আনহাতে চেষ্টা চলাই আছে আদি অধিবাসী সকলৰ দ্বাৰা উদায়চল ৰাজ্য গঠন কৰা। আদিম অধিবাসী সকলে ট্ৰাইবেল বেল্টৰ অনা ট্ৰাইবেল সকলক উচ্ছেদ কৰাৰ এটা পৰিকল্পনা লৈছে।

চি আই এ লাগি আছে আন্দোলনৰ যাতে সামৰণি নঘটে। অসমীয়া সমাজৰ ছাত্ৰ সকল যাতে বিপথে পৰিচালিত হয়। ছাত্ৰ সকলে যদি কিবা কৰি দুবছৰ মান স্কুল কলেজ বন্ধ কৰিব পাৰে, তেনেহলে এই ছাত্ৰ সকলৰ ছাত্ৰ জীৱন শেষ। শিক্ষা নহলে চাকৰিৰ বাৰ উপযুক্ত নহব। ব্যৱসায় বাণিজ্যত নামিবলৈও কোনো প্ৰকাৰৰ সুবিধা নাপাব। দেশৰ অৰ্থনৈতিক দিশ ভাঙি পৰিব। সৰ্ব সাধাৰণ মানুহ জৰ্জৰিত হৈ পৰিব। ছাত্ৰ সকলৰ মাজত নানা দল উপদলৰ সৃষ্টী হব। ঐক্যবদ্ধ ছাত্ৰৰ মাজত অনৈক্যই দেখা দিব, আৰু এক অশান্তিৰ জুই নকৈ জ্বলি উঠিব খণ্ড খণ্ড হিচাবে। ছাত্ৰৰ নাম লৈ গুদামী কৰিব কিছুমানে, ডকাইটি কৰিব, চিৰ শান্তিৰ ৰাজ্যত অশান্তিয়ে বিৰাজ কৰি তুলিব। বুজিলা। চি আই এৰ সাহার্য্য। বিশ্ব বেঙ্কৰ টকা লৈ অসমত কৃষিৰ উন্নতি কৰাৰ অৰ্থে বিধান সভাত যিখন বিল আছিল, তাত কমিউনিষ্ট গ্ৰুপে নানা আপত্তি তুলিছিল। আজি যি বোৰ ঘটনা ঘটিছে আৰু ঘটিব। সেইবোৰ সকলো কথা যুক্তি সহকাৰে কমিউনিষ্ট গ্ৰুপে ডাঙি ধৰিছিল। কিন্তু শাসনাধিষ্ট কংগ্ৰেছ দলে সেইবোৰ যুক্তিত কৰ্ণপাত নকৰিলে।

"হেৰা! আমাৰ পিনে খবৰ কৰা। গল মুখ শুকাই গ'ল। ঘড়াও আছিল। কি অভ্যাৰ্থনা কৰা, কৰা।

"আজি আকৌ কেনেকৈ গেটেই কেজন লগ হ'ল বুজিয়ে নাপাও। ইমান দিনে ভালে আছিল। কোনো কতো অহা নাছিল, ঘৰখনত হাই উকমি নাছিল। কাঁহ পৰি জিন গৈ আছিল। কথা কবলৈ এজন মানুহ নাছিল। বৰ শান্তিত আছিলো। আজি আকৌ কি হ'ল? আন্দোলন তাৰ মানে শেষ।

"হেৰা তেনেকৈ কিয় কোৱা; নহা মানুহ আহিছে। আজি কত দিনৰ মূৰত চকিৰ ধূলি মচা গ'ল, চিন্তা নকৰা কিয়?

"আজি আকৌ বহুদিনৰ মূৰত কাপ প্লেট জোগাৰ কৰিব লাগিল, পাহৰি যোৱা অভ্যাস আকৌ মনত পেলাব লাগিল তো, সময় লাগিবই—।

"অসমৰ জাতীয় আন্দোলন চলাইছিল অম্বিকা গিৰিয়ে। তেওঁৰ সংগঠন কৰ্মলীলা আছিল টেলিগ্ৰাম আৰু বাওৰি কাকতৰ ওপৰত ভিত্তি কৰি। এই বেলিও প্ৰথমে জন্ম ললে জাতীয়তাবাদী দলে, তাৰপিচতে জন্ম পালে পূৰ্বাঞ্চলীয় লোক পৰিষদ। তাৰ পিছতে জাতীয়তা বাদী দলৰ দুভাগ হ'ল। আৰু এক বিপ্লৱী জাতীয়তা বাদী যুৱ পৰিষদ হিচাবে জন্ম পালে। এতিয়া আকৌ সকলো কেইটি দলৰ পৰা আৰু দলত নোহোৱা কিছুমানক লৈ নকৈ গঢ়ি উঠিল গণসংগ্ৰাম পৰিষদ। ছাত্ৰ সন্থাৰ পৰিচালনা কৰিছে কিছুমান বুদ্ধিজীৱী প্ৰফেচাৰ, অৱসৰ পোৱা কিছুমান লোকে। ছাত্ৰ সন্থাই আন্দোলন চলাই গৈ আছে; মাজে মাজে ঠায়ে ঠায়ে গণসমাবেশ পাতে। এই গণসমাবেশ বোৰত জাতীয়তাবাদী দল, সংগ্ৰাম পৰিষদ, পূৰ্বাঞ্চলীয় লোক পৰিষদৰ নেতা সকল গৈ বক্তৃতা দিয়ে। প্ৰকাশ্যে সেই সভাবোৰত ভোট বিচৰাৰ কথা কয়। অসমৰ

স্বাৰ্থৰ কথা কৈ সৰ্বভাৰতীয় দলবোৰক যা তা ধৰণে বিভৎস গালা গালি কৰি তেওঁলোকৰ দলক অহা নিৰ্বাচনত প্ৰতিষ্ঠা কৰিবলৈ আহ্বান কৰে। সৰ্বসাধাৰণ ৰাইজে বুজিলে এই আন্দোলন যে ভোটৰ বাবেহে। ভোট কেতিয়া হয় তাৰ স্থিৰতা নাই। ভোট আহিলে জানো এওঁলোক লগ হব পাৰিব? প্ৰত্যেক আসন বিচাৰি হুলস্থুল লগাই তুলিব। কোনোই হলে আসন এৰি নিদিয়। বুজিছা আমাক লাগে ক্ষমতা, প্ৰত্যেকৰে মনৰ আশা গাদীত বহা।

চাহ জলপান আহিল। এইবোৰ দেখি বডাই মাত লগালে

"এইবোৰ খালে আৰু ভাত কেনেকৈ খোৱা যাব!

"হেৰা খোৱা। আজি বাৰু পিকনিক বুলিয়ে ভাবাচোন। আনন্দ কৰা আৰু খোৱা।

"খাম বুলিয়ে আহিছো যেতিয়া আৰু নেখামনে?

"আজি কিমান মাহ ঘৰৰ পৰা ওলোৱা নাই, এবাৰ কথা কবলৈ মানুহ পোৱা নাই, আজি আৰু নেৰিছো।

"বাপুটিক মোৰ তালৈ পঠিয়াই খবৰটো দিব পাৰিলে ভাল আছিল।

"কিহে। ইমান চিন্তা ভাবনা। আমাৰ কাৰণে কোনে ভাবে।

'আমাৰ কথা ভবা নাছিলো, বুঢ়ীজনীৰ কাৰণেহে।

"কথা একো নাই, আজি বুঢ়ীৰ সতীত্বৰ পৰীক্ষা কৰা যাওক।

"পৰীক্ষা কৰিব নালাগে। গোটেই খনতে বিচাৰি চলাথ কৰিব।

"সিও ভাল বুজিছা বৰুৱা। তেতিযাও এক নতুনত্ব আছে।

"বান্ধৈ পুৱাৰ পৰা আমাৰ লগতে এতিযাও যদি ৰাতি হয় অৱশ্যে চিন্তাৰ বিষয় নাই, খাই বৈ ঘৰত গৈ ওলালে সকলো নিস্পত্তি হব।

"বাইলৈ কিন্তু দুপৰীয়াৰ সাজৰ বাবে মোৰ ঘৰলৈ নিমন্ত্ৰণ

জনালো। নিমন্ত্ৰণ প্ৰত্যেকে গ্ৰহণ কৰিব লাগে।

'হেৰা, আনে পোহে গৰখীয়া, কুমাৰী, ব্ৰাহ্মণ। বুঢা পোহা ব'ত শুনিছাহে। ল'ৰাখানে লগ পালে শুদাই নেৰিব বুজিছা। সিংহতে ভাবি লব আমি কিবা মিটিং পাতি আছো বুলি।

"ক'ৰ মুখত কিমান সোপা দিবাহে। সেই বুলিনো আমি লগ হৈ এসাজ নেখামনে?

"তাৰ মানে আমি প্ৰত্যেকৰ ঘৰত অৰ্থাৎ পাচ দিনে দিনে নিশাই আমাৰ খানা, প্ৰীতি মিলন প্ৰীতি ভোজন। বৰ ভাল প্ৰস্তাৱ। মনবোৰ শুদ্ধ হব, মনলৈ আনন্দ আহিব. নৈৰাশ্য আতৰি যাব।

"এজন কিন্তু ডাক্তৰ লাগিব দেই।

"হেৰা ৰাজনীতিত ঘূৰা মানুহক বেমাৰে চিনি পায়। এলাসেলা বেমাৰ আহিবলৈ ভয় কৰে। যি আহিব, সি একেবাৰে লিউ বুলিয়ে সৈন্য সামন্ত লৈ আহিব। যিমানে চিকিৎসা নকৰা একো ভাল নহয়—।

"কথা কিন্তু ঠিক। আগতে ৰাজনীতি কৰা সকলক ধৰিছিল টি বি এ। স্বাধীনতা পোৱাৰ পিছতে তাৰ ম্যাদ উঠিল। এতিয়া নকৈ লগ দিছে কেন্সাৰে. হাৰ্টট্ৰাবোল, হাই প্ৰেচাৰে।

আমাক বেমাৰে কি পীড়িব হে? আমাৰ ওপৰত খাইছে কোনে? শ্ৰম কৰে কেজনে! আজিৰ ল'ৰাক মাতাচান আমাৰ লগত খোজ কাঢ়ক। আজিৰ ল'ৰাৰ ঘৰৰ কাষতে কলেজ, স্কুল। আমাৰ দৰে আঠ দহ মাইল খোজ কাঢ়ি পঢ়িব লাগিলে ল'ৰা স্কুলতে নগ'ল-হেঁতেন। সেই দিন কি আছিল। আজি কি হ'ল কি আৱামৰ যুগ। পৃথিৱীৰ যি কোনো প্ৰান্তৰতে নথকা, বা কোনো গহ্বৰতে লুকাই থকা তেতিয়াও তুমি মূহুৰ্তৰ খবৰ বাতৰি বোৰ পাই থাকিবা।

চায়েন্সৰ অগ্ৰগতি। চায়েন্স যেনেকৈ আগবাঢ়ি গৈ আছে, তেনেকৈ নিমিষতে ধ্বংস হোৱাও কোনো আচৰিত নহয়।

"পৃথিবী প্ৰকৃতিৰ গতি। ধ্বংস মাজে মাজে হৈয়ে আছে। নহলেনো হৰপ্পা, ম'হঞ্জোদাৰো মিচৰৰ কাহিনী যোৱ শুনিলো হৈনে? কত নগৰ সাগৰত ডুব গ'ল, কত শ্মশান নগৰত পৰিণত হ'ল।

"বাক সেইবোৰ যাওক। আমাৰ মুখ্য অতিথি বৰুৱাৰে খা-খবৰ কৰা যাওক।

"মোৰ খবৰ আৰু কি হব। কালি বুটিজনীক লৈ আছিলো, বুটি আজি ৰাতিপুৱাই মোক এৰিলে গণ সত্যাগ্ৰহ বুলি। ডাঙৰ নাতিয়ে পঢ়া শুনা এৰি একেবাৰে লাচিতৰ হেং ডাং তুলি লৈছে, মাজু নাতিয়ে পঢ়া এৰি ছাত্ৰ সন্থাৰ যোগে নেতাৰ শাৰীলৈ যাব'ল খোজ লৈছে সৰু জনেও পাঠশালাৰ কাঠিৰ পৰাই দেশ মাতৃকাৰ চৰণ সেৱাত ব্ৰতি। এতিয়া থাকিলো মই ল'ৰা আৰু বোৱাৰীজনী। ল'ৰা পঞ্চায়ত সমবায়তে ব্যস্ত। গৰুৰ পৰা ছাগলীলৈ মোৰ গলতে লাগিছে।

'উত্তম কথা! আমি একোজন যুজাৰু মানুহ। আমাৰ বংশ পৰিয়াল প্ৰত্যেকে যেতিয়া যুদ্ধত অবতীৰ্ণ হবলৈ পাৰিছে, সেয়ে আমাৰ যথেষ্ট। মূঠ কথা ক্ষত্ৰিয় ক্ষাত্ৰিয়ই। তাৰ জিৰণি নাই, অৱসৰ নাই, অবিৰত যুদ্ধই।

"শুনা বৰুৱা। আমাৰো নাতি পুতি, ল'ৰা বোৱাৰী প্ৰত্যেকেই যুদ্ধৰ বেশত। ঘৰত কোনো নাই, কাকো নেপাবা। মোকে পাবা এখন বিচনাত দিবা ৰাত্ৰি। মোৰ বাবে পুৱাতে ভাত কেইটি আনি টেবুলত থৈ গ'ল দিনটোলৈ। ক'ত যায়, ক'ত কি কৰে জানিবৰ উপায় নাই। দিনৰ দিন হামি হেকতিয়ে আগুৰি ধৰে। আজি বহু-দিন ছুপৰীয়াৰ চাহ কাপো পোৱা নাই। কোনোদিনে অবাধ্য হোৱা নাছিল, বোৱাৰী খটা দিন ধৰি সন্মান কৰি আছিছিল। ঘৰৰ পৰা গুলাবলৈ ইচ্ছা নকৰিছিল। মোৰ জোৰতহে কেতিয়াবা কাশ্চিৎ আত্মীয় স্বজনৰ ঘৰে দুৱাৰে গৈছিল। সেইজনী মানুহৰ ইমান পৰি-

বৰ্ত্তন দেখি মই নিজে চিন্তা কৰিব লগা হৈছো। লৰা ইতৰ আন্দোলনে নো ইমান শিপালেনে ?

"এয়া আন্দোলন নহয়। জাতীয় উৎসৱ। শঙ্কৰী ঘটাৰ দিনৰ পৰা বোৱাৰীয়ে শাৰী পিন্ধে। মই কিমান দিন কলো, হেৰা এইটো অসমীয়াৰ সাজ নহয়। বোৱৰীয়ে উত্তৰ কৰিছিল তেওঁবোৰো মেখেলা চাদৰ ভাল নালাগে। সকলোৱে শাৰী পিন্ধে মই অকলে মেখেলা পিন্ধিবলৈ ভাল নালাগে। এতিয়াতো সিহঁতে মেখেলা চাদৰ পিন্ধা হ'ল। সেই ৰমক জমক শাৰীবোৰ ক'ত গ'ল। একেবাৰে আশ্চৰ্য্য। হায়'ৰ অগ্নিকাগিৰি! কিমান আন্দোলন কৰিলা কোনেও তোমাৰ কথা শুশুনিলে, আজি ছাত্ৰ সমাজৰ এক বক্তাহত শ্ৰাবী উৰি গ'ল, আকৌ মেখেলা হ'ল। এতিয়া ডেকাহঁতৰ হিপ্পী কোন দিনা যায়।

"ডেকাহঁতৰ হিপ্পীকাট গুচাবলৈ গলে বহু পইচা নাপিতে পাব দেই—।

"এই আন্দোলনৰ পৰা কিবা এটা ফল ধৰিব; অন্তত: অসমীয়াৰ জাতীয় চেতনা আহিব—।

এইটো একেবাৰে মিছা কথা। শাৰী গলে, মেখেলা-চাদৰ পিন্ধিলে জাতীয় চেতনা আহিবনে ? চাকৰিত সোমোৱাৰ পিচতে হল এজন চাহাব। সি কাকো চিনি নাপায়। সি বুজি উঠিব ধন কেনেকৈ ঘটিব লাগে। আমি চিৰদিনে আনক অনুকৰণ কৰা জাতি। অসমীয়া মাধ্যম আন্দোলন কৰিলে, হেজাৰ ছাত্ৰই পৰীক্ষা নিদিলে, হেজাৰ ছাত্ৰই ছাত্ৰ জীৱনৰ সামৰণি মাৰিলে। অথচ সিহঁতে বিয়াৰ চিঠি কেথন ছপা কৰে ইংৰাজীত। চৰকাৰে অসমীয়া টাইপ ৰাইটাৰ আনি দিলে কোনো এজনে নিশিকে, ইংৰাজীত টাইপ চলাই থাকিল। ছাত্ৰ সকলে আন্দোলন চলাই আছে, কৰ্মচাৰী সকলেও যোগদান কৰিছে, অথচ অসমীয়া বাতৰি কেথনও বিবোৰ চৰকাৰী বিজ্ঞাপন

ৱুলায় সি প্ৰকাশ কৰে ইংৰাজী ভাষাত।

ইংৰাজী বাতৰিত ইংৰাজীত বিজ্ঞাপন দিয়ে দেখিবলৈ ভাল, কিন্তু অসমীয়া বাতৰিত যেতিয়া ইংৰাজীত বিজ্ঞাপন দিব কাৰ খং নুঠিব হে? অথচ এই বিষয়া সকল আহিছে বিদেশী খেদাৰ সত্যাগ্ৰহত। তিৰোতা বোৰে নকৰে কি? ঘৰত চাহ খাব এৰি যায় ৰেষ্টুৰাৰলৈ কাপোৰ কানি বৰ এৰি বজাৰে বজাৰে ঘূৰি ফুৰে ডিজাইন বিচাৰি। ইংৰাজ মহিলা সকলৰ যি নাইট ড্ৰেছ তাকে আমাৰ কৰিলে আধুনীকা মেক্সি। তাৰ পিছত উৰ যাব মেখেলা চাদৰ। এইবোৰ হ'ল সময়ৰ ঢৌ। আমি আনৰ পোচাক পৰিচ্ছদ তৎক্ষণাতে লৈ লওঁ। এতিয়া জাতীয়তাবাদী নেতাইঁতে নিজৰ গাভৰু ধৈৰ্ণীয়েক হঁতক ক্লাবলৈ নি নি মদাপী কৰিলে। এতিয়া অসমীয়া চাহাংৰ ঘৰত চাহ নাপাবা, পাবা বটল। এনেকুৱাই হ'ল ৰেষ্টুৰা বোৰতো যুৱক যুৱতীইঁতে মদ্যপানত লাগি দিছে। এই হ'ল আমাৰ জাতিৰ চৰিত্ৰ। আমাৰ যি সকল অসমীয়া প্ৰথম বা দ্বিতীয় শ্ৰেণীৰ বিষয়া তেওঁলোকৰ কথা কিমান কবা। তেওঁলোকৰ ওচৰত গৈ অসমীয়া বুলি কোৱা এটি মৃদু হাঁহি মাৰি হতাশ কৰি ফিৰাই পঠিযাব। মন্ত্ৰী, এম এল এ যেজন নথকা হলে এওঁলোকে অসমীয়া জাতিটোৰ চুলি ছাঁই ঘঁহিলে হেঁতেন। আজি তেওঁলোক সত্যাগ্ৰহত অংশ লৈছে আহিছে জাতিৰ প্ৰেমত নহয়, প্ৰাণৰ ভয়ত।

"এইবোৰ'না কিমান বোৱাহে। হেৰা অসমীয়া এখন চাৰ্টিফিকেট তুমি অসমীয়া যুৱক বুলি ঠিকা বিচাৰি যোৱা, ঠিকা পাবা। তেতিয়াই তুমি ঠিকাটো চলাবলৈ কোনো মাৰোৱাৰী, দেহোৱালী বা পাঞ্জাবীক দিয়া তোমাৰ লংপেণ্ট অৰু ৰাকী কাপোৰৰ পইচা লোৱাই গ'ল। কিমান অসমীয়াই কিমান পাৰ্মিট কিমান ঠিকা ললে, কিমান যে লাইচেঞ্চ ললে পিচে কৰে কি। মাৰোৱাৰী সকলক দি বিনা মেহনতে বিনা মূলধনে যি অলপ পালে তাকে লৈ তুষ্ট হৈ পৰে। সমগ্ৰ দেশ-

জুৰি চিডিউল্ড কাষ্ট. চিডিউল্ড ট্ৰাইবৰ বুলি চৰকাৰে এই বত্ৰিশ বছৰে কিমান টকা ঢালিছে। প্ৰতিটো পৰিকল্পনাৰ আচনিৰ আগস্থান চিডিউল্ড কাষ্ট আৰু চিডিউল্ড ট্ৰাইবচৰ পিচে আজিও চিডিউল্ড ট্ৰাইবৰ গাঁৱত খোৱা পানী নাই, অহা যোৱাৰ বাট পথ নাই, চিকিৎসাৰ ব্যৱস্থা নাই, শিক্ষানুষ্ঠান বোৰ ভঙা ভৌহোৰা, টকা-পইচাৰ অভাৱত মাটি বেচি বেচি এতিয়া শেষ আশ্ৰয় পাইছে গৈ। গোটেই দেশ জুৰি চিডিউল্ড কাষ্ট আৰু চিডিউল্ড ট্ৰাইবৰ নামত এখন বৃহৎ ব্যৱসায়ী মহল গঢ়ি উঠিছে। গোটেই বোৰ ভুৱা। সত্যতা কাৰো নাই হে। এই ছাত্ৰ আন্দোলনৰ নামত কিমান যে দল হ'ল প্ৰতিটো দলে বহী পত্ৰ ছপা কৰি মানুহৰ ওচৰে ওচৰে গৈ টকা বিচাৰি ফুৰে। অনা অসমীয়া হলে গৰম গৰম কথাও শুনায়। টকা পইচা আদায় কৰি নিজৰ নিজৰ পকেটত থয়। অথচ দিনৰ দিন দেখিবা জাতীয়তাৰ নামত একেবাৰে বলিয়া! "যদিহে বিদেশী খেদিব নোৱাৰে তেওঁলোক জীয়াই নাথাকে"। যি কোনো আন্দোলন কৰিলে চৰিত্ৰ লাগে। একেটি জাতি জীয়াই থাকিবলৈ হলে জাতীয় চৰিত্ৰ লাগে। কিন্তু আমি সৎ চৰিত্ৰ বুলিলে ক'ৰবাই ছোৱালীক জোকোৱাটোহে বুজোঁ।

"দেশখন একেবাৰে গ'ল।

"হেৰা দেশ যোৱা বাবেই সমগ্ৰ দেশতে ডেকা শক্তি আজি জাগ্ৰত। সিহঁতৰ বাবে যে একো নাই। সিহঁতে কতো পোহৰ নেপায় চাৰিও পিনে এন্ধাৰ।

"একেবাৰে শেষ হ'ল নে শেষে হ'ল। ভোটত উঠা, দুই পকেটত টকা লোৱা। জীয়ৰী গাভৰু সকলক স্ন' পাউদাৰ লোৱাৰ বাবে, আয়তিৰ নামত নাম ধৰাৰ নামত কেইটি মান টকা দিয়া, গাঁৱৰ আই সকলক গোঁসাই ঘৰত চাকি জলোৱাৰ বাবে কেইটি মান টকা লোৱা, গাঁৱৰ গঢ়িৰ এৰা ডেকা ইঁতক এটা হাঁহ খাবলৈ বুলি বাট্টা এটা বন্ধাৰ নামত টকা দি আহা। মচজিদ বা গোঁসাই ঘৰ দেখিলে

সোমাই যোৱা, দেউৰী বা ইমামক বিচৰা চাকি জলাবলৈ বুলি বা ময়ৰাত্তিৰ খৰচ বুলি মহটকীয়া নোট এখন দি অহা, মাজ পথাৰৰ ঘৰ দেখিলে তাৰ চেক্ৰেটৰীক লগ ধৰা, সেইটো হব লাইব্ৰেৰী নহয় সংঘ। চেক্ৰেটৰী জনক মাতি নি মনে মনে কেইখন মান নোট দিয়া। গাঁৱৰ মুখিয়াল আজি কালি বহুতো,, খবৰ কৰা কাক কাক লগ ধৰিলে হব। তুমি তেওঁ লোকৰ ঘৰে ঘৰে গৈ এখন দুখন নোট দি আহা। আৰু ভোটৰ আগদিনা ট্ৰেক্তাৰীলৈ গৈ এটকীয়া দুটকীয়া চক্ চকীয়া নোট ভঙাই লৈ অহা, বাটত যাকে পোৱা বিড়ি খাব ধৰক বুলি তাৰে এখন নোট দি যোৱা। গাঁৱত থকা আধা ডোখৰীয়া টাঙোন কাকো নেৰিবা, বিচাৰ কৰি হলেও লগ লোৱা আৰু সিহঁতক এপাক গাড়ীত তুলি লৈ ফুৰাবা, নমাৰ সময়ত এখন দুখন নোট দি এটা "হেণ্ডচেক" দি চাব বুলি কৈ আহা। গোটেই সমষ্টি বাদ দিয়া, কেখন মান ভৰা গাঁৱত সোমাই পৰা, কাকো কিন্তু বিমুখ নকৰিবা। দেখিবা ভোটৰ পিছত তোমাৰ বাকচ ভৰ্ত্তি। এয়ে আমাৰ গণতন্ত্ৰ এয়ে আমাৰ প্ৰজাতন্ত্ৰ। এটা টকা লব নে নলয় এই ভাব নলবা। এটা টকা নোপোৱা মানুহ বহুতো।

যিয়ে টকা এটা পাব, তাৰে তাৰ ৰাতিৰ সাঁজ চলি যাব। তাৰ আৱশ্যকীয় কাম বোৰ সমাধা হৈ যাব। তোমাক ভোট হে লগে। জনতাৰ মাজত সোমাই যোৱা, মানুহৰ সংখ্যা বঢ়াই যোৱা, গণতন্ত্ৰ ৰক্ষা কৰিব পাৰিবা। আমাৰ অভাৰী মানুহৰ বাবে এয়ে প্ৰজা-তন্ত্ৰ। গান্ধীজীয়ে তো কৈছিলে আমি সমগ্ৰ দেশবাসী এক প্ৰজা—। গতিকে প্ৰজাক শোষণ কৰাৰ বাবে যি শাষন তন্ত্ৰ তাক আমাৰ নেতা সকলে প্ৰজাতন্ত্ৰ বুলি আওৰাবলৈ ধৰিছে। কমিউনিষ্ট সকলেতো কৈ আছে, সাধাৰণ মানুহৰ লগত জমিদাৰ, ক্ৰোড়পতি, উদ্যোগ পতি সকলক এক হিচাবে ধৰিব নালাগে। মানুহৰ জাতি দুটা, এটা ধনী আনটো দুখীয়া। ধনী আৰু দুখীয়া একে স্বাৰ্থৰ

নহয়। এটা শ্ৰেণীয়ে এটা শ্ৰেণীক শোষণ কৰি ধনী হৈছে বাকী শ্ৰেণীটো শোষিত হৈ গৈ আছে। গতিকে ভাৰতীয় লোকক একে প্ৰজা হিচাপে শাসন কৰা উচিত নহব। সেইবোৰ কথা কোনে কেনেপ কৰে হে। এই ভোটৰ খেল যে আমাৰ দেশ প্ৰবৰ্ত্তি আছে। ভোটৰ আগে আগে আমাৰ মানুহে কৰলৈ ধৰিব এইবাৰ ভোটত দেখা যাব, পিচে কেন সোপা। এইয়া ভোট নহয়। টকাৰ শ্ৰাদ্ধ। তুমি ভোটত উঠিলা, দুই তিনি ঠাইত হোটেল, চাহ দোকান পাতি দিয়া। চাহ ভাত খাই তোমাৰ কথাকে কৈ থাকিব। মানুহৰ অৱস্থা নাই। বিনামূলীয়া চাহ ভাত পাই তাতে আহি খাই থাকিব। ইলেকচনৰ কেদিন মান আগে আগে আধা খুলা বিধৰ কেজন মান ডেকাক দৰ্মহা দি তাতে কেম্প পাতি দিয়া আৰু দেখিবা গাঁৱৰ মানুহ সমূহ সেই কেম্পলৈ উজান ধৰিব। আৰু এটা কাম কৰিব পাৰিলে নিশ্চিত হোৱা যায়। কেথনমান গাড়ীত গাঁৱৰ ল ৰা বোৰক তুলি লোৱা, সিহঁতক এটা মাইক দিয়া গোটেই বাট পথ ধুলিৰে ধোঁৱা কৰি তোলা। ইহঁতৰ হতুৱাই জয়ধ্বনি লগাই থাকা। টকা তোমাৰ বহুতো খৰছ হ'ল তাৰ বাবে নাৰ্ভাচ নহবা। তুমি যোৱা ইনজিনিয়াৰৰ ওচৰত। তোমাৰ নিজা মানুহ বুলি কিছুমান ঠিকা লোৱা, কাম নহলেও তোমাৰ বিল পাচ হবই। ঠিকা পৰিলে ই এগু ডিত কৰা। তাত ভাল সুবিধা তাৰ পৰা কেথন মান লাইচেঞ্চ পাৰ কৰাত লাগি যোৱা। পণ্ডিত দুই চাৰিজনক চাকৰি দিও বুলি কৈও এটা বেট বান্ধি লোৱা। এবছৰৰ ভিতৰতে গোটেই খিনি আহি যাব। এইবোৰ কৰিয়ে দলো খালে দেশো খালে।

"হেৰা দেশৰ বাবে ভাবি একো লাভ নাই। যি ভাবিলো, যি কৰিলো তাতেই শেষ। আমি দল নিচলাই দিলো, এতিয়া কাষৈ, মাওৰ খিনি সিহঁতে খাওক।

কথা একেবাৰে ঠিক।

"নহলে চোৱা ! যেতিয়াই জনতা ক্ষমতালৈ আহিল, বাতৰি কাকত খনৰ মূল খবৰ হ'ল অমূকৰ অমূক, তমুকৰ তমুকে জনতা পাৰ্টিত যোগদান কৰিলে। যেতিয়াই আকৌ আই কংগ্ৰেছৰ জোৱাৰ আহিল, হেৰা জনতা পাৰ্টিৰ টিকেটত হোৱা মন্ত্ৰী সকলো জ তা এৰি আই কংগ্ৰেছত সোমাই গ'ল। এফালৰ পৰা উজান ধৰিছে আই কংগ্ৰেছ, আই কংগ্ৰেছ। ইমান খৰ খদা কৰাৰ কি প্ৰয়োজন হে। যিখন দেশৰ মানুহে ভোটৰ মূল্য বুজি নেপায়, ভোটৰ অৰ্থটো কি বুজি নেপায়, সেই দেশত কি ৰাজনীতি হবহে। নানা ভাবে শোষনৰ জাল পাতি মানুহক সৰ্বশ্ৰান্ত কৰি জুকলা কৰি পেলালে। এতিয়া সহজে পইচাৰ লোভ দেখুৱাই ৰব পৰা হ'ল বুজিছা।

"আমাৰ মহেন্দ্ৰ চৌধুৰীক নো বুঢ়া বয়সত কিহে পালে ! গৱৰ্ণৰ হৈ আছিল এটা সন্মান আছিল, আহিল পঙ্গু দেহটো লৈ চীফ মিনিষ্টাৰ হবলৈ। আই কংগ্ৰেছে তেওঁক ৰাজ্যৰ সভাপতি বাব দিলে, তেওঁ তাক প্ৰত্যাখ্যান কৰি কংগ্ৰেছক টিকেটত উঠিব গৈ বুঢ়া বয়সত হাৰিব লাগে নে ? বাক যি হল হ'ল সত্ৰীয়া ভকতকে হৈ থকা নাই তেওঁ আকৌ আই কংগ্ৰেছত ভৰ্ত্তি হল। তোমাক উপযাচি সভাপতি পাতিলে, তাক প্ৰত্যাখ্যান কৰি আকৌ কোনটো নাকে'ৰ গলা ?

"হেৰা ! সেইবোৰ বহু কথা। অসম চৰকাৰৰ যি প্ৰশাসনীয় গাঠনি সেইটো প্ৰায় চৌধুৰীৰ তেজ মঙহৰ। তাৰ ওপৰি সাংবাদিক, শিক্ষাবীদ, দেশনেতাৰ এটা ডাঙৰ গোট তেওঁৰ তেজৰ সম্বন্ধৰ। সেই বোৰকাতো চাব লাগিল। তেওঁ যেতিয়া মন্ত্ৰী আছিল নানা কেলেঙ্কাৰী লগোৱা নাছিল নে ? তেওঁৰ ওপৰত কমিচনো বহুৱালে ? প্ৰথমে তেওঁ চলিহাৰ বিৰোধী আছিল। তাৰ পিছত চলিহাক ভিজা হাত বুকুত দি নিজৰ ফলীয়া কৰি তুলিলে। অসম মন্ত্ৰী সভাৰ পৰা ফকৰুদ্দিন আলি আহমেদ, মইনুল হক চৌধুৰী, দেৱকান্ত বৰুৱা

কামৰাজ নাদাৰৰ হতুৱাই চিটিকাই দিয়ে অসমত চৌধুৰীৰ একচেতীয়া শাসন আৰম্ভ কৰিলে, চলিহাৰো বেমাৰ হ'ল, আক কোনে পায় ?

"ভাল কথা মনত পৰিছে দেই। চৌধুৰীয়ে একেবাৰে নিজৰ মানুহ খিনিক শিলৰ খুটিৰ দৰে বহুৱাই অসমৰ প্ৰশাসন নিজৰ হাতৰ মুঠিলৈ আনিলে। শৰৎসিংহ চীফ্‌মিনিষ্টাৰ হ'ল কিন্তু প্ৰশাসন যন্ত্ৰ চলালে চৌধুৰীয়ে। ক'ত কি কৰিব লাগে চণ্ডীগড়ত আঙুৰ চুহি চুহি চুইচ টিপি থাকিল। ইটো নহয়, সিটো নহয় সিংহৰ হাহাকাৰ। সিংহই দিয়ে কিবা এটা অৰ্ডাৰ, অফিচে কৰে কিবা এটা। চৰকাৰ আৰু ক'ত থাকে—? বহুগুণালৈ নোচোৱা কিয় ? ইন্দিৰা গান্ধীয়ে কাক কি তাবিজ দিব লাগে বেছ বুজে। বহুগুণাৰ চীফমিনিষ্টাৰী অতপাল্কিৰ কাৰণে ঘূৰাই দিলে। তাৰ পিছত বাপুই কৰে কি। দল পকাব ধৰিলে। ইলেক্‌চন আহিল, জগজীৱনৰ লগত লগ হৈ চি এফ ডি কৰিলে। জয়ী হ'ল। মিনিষ্টাৰো হ'ল। ইন্দিৰা গান্ধীৰ ওপৰত কতনা কি নকৰিলে ? পিচে ৰাজ নাৰায়ণ চাহাবৰ লগত ফাট মেলাই জনতা চৰকাৰ ৰাজ কাৰেঙৰ পৰা ৰাজপথ পালেহি। পিচে যেনিবা চৰণ চিঙে তুমাহ মানৰ বাবে মন্ত্ৰী পাতি ভাগ ৰক্ষণ কৰিলে। চৰণ চিঙে যেতিয়াই কলে তুমি যি কৰিলা কৰিলা, মানে সন্মানে মন্ত্ৰী এৰা বুলি যেতিয়াই হুকুম জাৰি হ'ল, বেচেৰাৰ কি হে নাগুৰ নাগৰ্ত্তি হ'ল। জনতা মন্ত্ৰীসভা ভাঙি আহি ভাৰতত কৰিবলৈ ওলাল সংযুক্ত বামপন্থী মৰ্চা গঠন। কেদিন মান বাম-পন্থী মৰ্চাৰ গঠনৰ আয়োজন কৰোতে ইন্দিৰা গান্ধীৰ পৰিল চকু। বুখাৰী চাহেবৰ হতুৱাই মতাই নি একেবাৰে আই কংগ্ৰেছ দলৰ সৰ্বে সৰ্বা পাতি দিলে। গান্ধী নিৰ্বাচনত জয় হ'ল। সকলোকে মন্ত্ৰীৰ ভাৰ দিলে পিচে বহুগুণাৰ বাবে একো নহ'ল। ভাবি চিন্তি বগুৰাই আই কংগ্ৰেছৰ বাৰকে এৰিলে। বহুগুণাৰ কিমান ফটো যে বাতৰিত নোলাল। পিচে এতিয়া গান্ধীয়ে দিয়া ডাইনা ডুবি

জোৰ বজাই গাব ধৰিলে হায়ৰে বহুগুণা আজি ক'ত" ?

"এই নেতা সকলে কি নকৰিলে। দেশখনৰ কথা এবাৰ নাভাবিলে।

"দেশখনৰ কথা কি ভাবিব হে! নিজে কেনেকৈ এম এল এ মন্ত্ৰী হয় সেই হ'ল প্ৰথম চিন্তা। তাৰ পিছত বংশ পৰিয়ালক গঢ় দিয়াত লাগি যায়। গোটেই দেশখনে দুৰ্নীতিত লিপ্ত হৈ পৰিল। আজি এজন বিষয়াৰ বিৰুদ্ধে আপত্তি দৰ্শাব নোৱাৰা, তুমি যি জন বিষয়াকে হাতেলোটে ধৰা, সেইজনে কোনো মন্ত্ৰীৰ অওহী বওহী গতিকে ক'ত বিচাৰ হয়। জেল খটা বোৰক পলিটিকেল চাফাৰৰ পেন্সন দি মুখত পকা কল সুমুৱাই দিলে। এতিয়া লাগিছে এম পি, এম এল এ সকলক পেন্সন দিয়াত। এইখন দেশ হ'ল পেন্সনাৰৰ। দেশত যিয়ে যি নকৰক যিয়ে নঘটক তুমি পেন্সনখিনি পাই থাকিলে হ'ল। এতিয়া যদি হিচাব কৰা মিলিটেৰীৰ পৰা চিভিল চাৰ্ভিচলৈ আৰু এই ৰাজনৈতিক পেন্সনাৰ সকলক যদি যোগ দিয়া দেখা পাবা দেশৰ এক দশম অংশই পেঞ্চনভোগী। আৰু যদি হালুৱৈকেজনক কেইটিয়াবা পেঞ্চন দিয়ে তেতিয়া এইখন পেঞ্চনাৰৰ দেশ বুলিলে ভুল কৰা নহব। পেঞ্চন খোৱা মানুহে শাসনাধিস্ত চৰকাৰক ভোট দিবই। গতিকে ভোট কেনেকৈ পাই তাৰে চিন্তা। কোনোৱে খাব পালে কোনোৱে নেপালে, তালৈ কোনে চায়হে। প্ৰত্যেকৰে এটাই চিন্তা শাসন ভাৰ কেনেকৈ লব পাৰে, কাক কেনেকৈ ঠগাব পাৰে। দেশজুৰি প্ৰতিযোগিতা আৰম্ভ হৈছে, কোনে কিমান ধন ঘটিব পাৰে। অফিচৰ পিয়ন বোৰেও অফিচাৰৰ লগত লগহৈ ধন অৰ্জা ফন্দি উলিযাইছে। আজি প্ৰতিজন লোকৰে প্ৰথম চিন্তা টাউনত মাটি লোৱা আৰু ভাল ঘৰ সজা। এটা ঘৰ কৰি লব পাৰিলে দ্বিতীয় এটা কৰি ভাড়া দিয়াৰ চিন্তা। প্ৰতিটো ডিপাৰ্টমেণ্টৰ মানুহে লাগি গৈছে ধন ঘটাৰ প্ৰতিযোগিত'ত অফিচৰ পৰ্দ আনি ঘৰত

ল'গাৰ কৰিল, অফিচৰ কাগজ পেন আনি ঘৰৰ ল'ৰা ছোৱালীক পঢ়ুৱাই। এতিয়া ক'ত মৰা, মৰা। এইবোৰ সিকালে আমাৰ কৰ্ণধাৰ সকাল অফিছৰ বৰ মুৰীজনৰ লগত লগ হৈ মিছাক সঁচা হৰা হ ল, তলৰ বোৰে কি চকু মুদি থাকিব? গতিকে এনে ব্যৱস্থা হ'ল "তায়ো খা ময়ো খাও, তায়ো কাকো নকবি ময়ো নকও"। কোনে কাক ধৰে চাও। চোভিয়েট ৰাছিয়াৰ দ্বিতীয় মহাযুদ্ধত কিমান ক্ষতি হ ল, চীনদেশ আমাৰ পিচত প্ৰতিষ্ঠা হ'ল, ভিয়েট-নাম, কিউবা সিদিনা গঢ়ি উঠিল সামাজ্ৰবাদী দেশ হেঁচাপে। অথচ সেইবোৰ দেশ কেনেভা'ব আগবাঢ়ি গ'ল, সেইবোৰ দেশৰ অগ্ৰগতি কি চাবা। সেইবোৰ দেশত খোৱাৰ কাৰণে হাহাকাৰ নাই, নিবনুৱা সমস্যা নাই, কোনো সমস্যাই নাই, নাই কোনো অভাৱ অনাটন। তাৰ মানুহে হাঁহি মুখ থাকিব পাৰিছে, কাৰো কতো কোনো চিন্তা ভাৱনা নাই, কাম কৰিছে খাইছে, আৰু আমাৰ?

"কিয় মানুহবোৰে ভোটৰ সময়ত টকা পায় নহয়, আমাৰ সমস্যা তাতে শেষ হয নহয়—।

"ভোটত কোনে কি পায়! বিড়ি, চিগাৰেট, চাহ, কেসাজমান মাংস ভ'ত আৰু দুই চাৰিজনে এশ দুশ টকা আৰু কি পায়—?

"হেৰা। ৰাজনীতি কৰি বুঢ়া হলো, তাকো নুবুজানে?

"এইবোৰ মানুহ চাৰিবছৰ এঘাৰ মাহ উনত্ৰিশ দিন ঠিকেথাকে।

ইমান দিনে শোসনাধিস্ত দলৰ বিৰুদ্ধে কিমান লেকচাৰ শুনিবা। বাটে ঘাটে ওলাব নোৱাৰি, বাচ এখনত যাব নোৱাৰী কিমান কথা যে নকব! সিহঁতৰ কথাবোৰ শুনিলে মুখ কোচাই আহিব লাগিব! কথাৰ কি গাহিলা। যি দপদপনি দি ইলেকচনৰ কথা কব, ভোমাৰ মূৰ জিনজিনাই যাবহে! যি যি ভাষা প্ৰয়োগ কৰিব, এইবাৰ ইলেকচনত গলে ৰাঢনী ঢেকীৰ থুৰাবে কোবাম! ক'লা

মেখেলা গলত আৰি দিম ইত্যাদি কথা। শুনিলে চিন্তা হয় এই-বেলি ভোটৰ কথা টান হব, পিচ যিবাৰে এইবোৰ কথা কৈ ফুৰে সিহঁতক পাঁচ টকীয়া নোট এখন দিলে তলকা মাৰি সিহঁতেই ওলোটা কাড মাৰে। বুজিছা আমাৰ মানুহৰ জাত। এইবোৰ মানুহে কেতো কোনো মেল মিটিং নুশুনে। সিহঁত ওপৰে ওপৰে চলি থাকে। আকৌ সমাজত সিহঁতৰে প্ৰভাৱ যথেষ্ট। এখন মিটিং পতা শুনিলে সিহঁত নাহে। মিটিঙৰ কথা শুনিলে যি গহগহীয়া কথা কব? সিহঁত নমৰি মৰিব কোন হে?

আমাৰ নাই চৰিত্ৰ নাই সৎ সাহস। আমি হৈ পৰিলো লোভী। চীনৰ জনসংখ্যা আমাতকৈ বহু বেছি। গোটেই দেশখন পাহাৰ, পৰ্বত নদীৰে ভৰা। খেতি কৰিবলৈ আমাৰ দৰে মাটি নাই। ইংৰাজ, আমেৰিকা, জাপানে দেশখনক একেবাৰে লুটি পুটি খাই নোহোৱা কৰিলে। সেই দেশৰ মানুহে পেটৰ ভাত বিচাৰি পৃথিৱীৰ চুকে কোনে বিয়পি পৰিল। খাদ্যৰ অভাৱত মৰা জীৱৰ গেলা পচা মাংস ভক্ষণ কৰি জীয়াই থকা শুনা গৈছিল। দেশত নাছিল খেতিবাতি কোনো উৎপন্ন। বৃটিচে সেই জ তিটোক কৰিলে কানিয়া। মানুহবোৰে কানি খায় খায় জাতিটো শেষ হৈ গ'ল। ভাৰত বৰ্ষৰ পৰা বৃটিচে যি নিলে আমাক তাৰ তুলনাত বহু দি গ'ল। দেশখন একত্ৰিত কৰিলে, শিক্ষা, চলন-ফুৰণ, যান-বাহনৰ কিছু সুবিধা দি গ'ল। কিন্তু চীনত যি আছিল শাকে শুক্তাই গোটেই উঘালি লৈ আহিল, তাত থৈ আহিল কানিয়া, সোৰোপা নৰকঙ্কাল। মাওৰ নেতৃত্বত কমিউনিষ্ট পাৰ্টিয়ে অবিৰাম সংগ্ৰাম কৰি বিদেশীক খেদি ইংৰাজৰ বহতীয়া শাসক বৰ্গক পৰাভূত কৰি দেশ নকৈ সাজিবলৈ লাগিল। সেই দেশৰ পৰ্বত পাহাৰ সকলো নদন বদন হৈ উঠিল। সেই চীন আজি বিশ্বৰ তৃতীয় শক্তিত পৰিণত হ'ল আৰু আমাৰ দেশ আমি স্বাধীনতা পালো দানৰ সূত্ৰে? দানত পোৱা গৰুৰ মূল্য কোনে দিয়ে হে।

চোভিয়েটৰ কথা কি কবা সেই ভাহানি পটিছিলো ৰবিঠাকুৰৰ ৰাচিয়াৰ চিঠি এতিয়াওতো আমাৰ দেশৰ বহু মানুহ ৰাচিয়ালৈ গৈ তাৰ চিত্ৰবোৰ আমাৰ আগত ডাঙি ধৰেহি। সত্যযুগ আৰু বেলেগ আছেনে? য'ত দু'বেলা দুসাজ তৃপ্তি কৰি খাবলৈ পাইছে, যিখন দেশত ভাত কাপোৰৰ চিন্তা নাই, কামৰ অভাৱ নাই, প্ৰত্যেকে কৰিছে প্ৰত্যেকে খাইছে, অভাৱ মানুহৰ নাই, প্ৰত্যেকে হাঁহিমুখে আছে, সেই দেশ আৰু আমাৰ দেশ।

'যিখন দেশত প্ৰাইমেৰীৰ পৰা পঢ়ুৱাই সদায় সত্য কবা। অভাৱী মানুহে সত্যত চলে কেনেকৈ। মিছা কোৱা মহাপাপ। মিঁছা নকলে যিখন দেশত এক মুহূৰ্ত্তও চলিব নোৱাৰি। সেই নীতি বচন বোৰ আওৰাই থকাটো আমাৰ অন্যায়। তথাপি আমাৰ দেশত কমিউনিষ্ট পাৰ্টি গাকৰি উঠিব নোৱাৰে কিয়? যোৱা চল্লিশ বছৰে যুজিলে তথাপিও তো স্থান নাই। অথচ দেশৰ প্ৰতিটো সমস্যাত কমিউনিষ্ট সকলে আগ ভাগ লয়। এটাই কথা যি কথাৰ লৰচৰ নাই।

"আমাৰ দেশত কমিউনিষ্টে গা কৰি উঠিব কেনেকৈ? আমাৰ কিমান জাতি। হিন্দুৰ ভিতৰতে কিমান জাতি উপজাতি, কিমান ধৰ্ম কিমান যে পন্থা। গোটেইবোৰ যেনিবা বামুণৰ লগত চামিল হ'ল, কিন্তু কলিতা বোৰটো বৰ কলিতা হৈয়ে থাকিল। নিজৰটো কোনোই কতো নেৰে। ইয়াৰ হাতে সি নাখায় তাৰ হাতে ই নাখায় শঙ্কৰদেৱে ভাগৱতী পন্থা উলিয়াই গ'ল সেই মেধি মহন্ত কেজনৰ ছুৱা কি চাবা। পানী চটিয়াই চটিয়াই নগলে তেওঁলোকৰ ধৰ্ম ৰক্ষা নপৰে। এই মহাপুৰুষীয়া কেজনে শঙ্কৰদেৱৰ ধৰ্ম্মকে খালে।

কমিউনিষ্টৰ একমাত্ৰ পথ হ'ল শ্ৰেণী বিপ্লৱ। সৰ্বহাৰাৰ বিপ্লৱৰ যোগে ক্ষমতা দখল। কিন্তু আমাৰ ভাৰতত কমিউনিষ্ট সকলে নিৰ্বাচনৰ যোগে ক্ষমতা লবলৈ বিছাৰিলে সেয়ে ডাঙৰ ভুল। যিখন দেশত পইচাৰ বিনিময়ত ভোটৰ খেলা হয়, তাত আদৰ্শবাদ গ্ৰহণ কৰে

কোনে ? এইখন দেশত যিয়ে ব্ৰাহ্মণ হিচাপে জন্ম লৈছে, যিজন পণ্ডিত হ'ল, যিয়ে গাঁৱৰ মেলকি হ'ল, যিজনে সামান্য বেপাৰ বণিজ কৰিলে, যিজনে কেৰাণী মহৰী হাকিম মুন্সিফ্ হ'ল তেওঁৰে হৈ পৰিল সামন্ত-বাদী। তেওঁৰেই লাগি গ'ল শোষণত। কাক ক'ত ঠগ কৰি, প্ৰবঞ্চনা কৰি, নিজৰ যশস্যা আৰ্জিব পাৰে সেয়ে হ'ল লক্ষ্য। জমিদাৰ শিল্প-পতি সকলে শোষণ কৰে দেখাদেখি, বাধা নাই। সামন্তবাদীৰ স্তৰলৈ উঠা সকলে শোষণ কৰে পৰভি জাল পেলায়। এই শ্ৰেণীৰ শোষণ ইমান তীব্ৰ সেই বোৰ মানুহক কোনোমতে আহৰি নিদিয়ে। সিহঁতে নিজে খোটে বৈদ্য হৈয়ো জাৰে দুখীয়া জনে কৰবাৰ পৰা মাছপুথি এটা আনিলেও খালৈত হাত সুমুৱাই তাৰে কেইটিমান লৈ আহে। কাৰো বস্তিত কিবা এটা ভাল বস্তু ওলালেই সিহঁতে গৈ আগতে পৰে। এইবোৰ সমাজত কমিউনিষ্টৰ প্ৰভাৱ পৰে কেনেকৈ ? কমিউনিষ্ট পাৰ্টিৰ বিভাজন নহলে ইমান দিনে কিবা এটা ৰূপ ললে হেঁতেন। পাৰ্টিৰ বিভাজন হৈ ইটো পাৰ্টিয়ে সিটোক, সিটো পাৰ্টিয়ে ইটোক গালি পাৰি বক্তৃতা নিদিলে বক্তৃতাই নোলায়। যেনিবা দুই সতিনীৰ যুঁজ হে।

"ধনী চৰকাৰে নিজৰ দলৰ বাহিৰে আনদলৰ অগ্ৰগতি সহ্য কৰিব নোৱাৰে। সেয়ে দেশৰ বাতৰি কাকত প্ৰচাৰ যন্ত্ৰ সমূহ লগাই বিৰোধী দলৰ ভাঙোন ধৰাৰ চেষ্টা চলায়। আমাৰ বাতৰি কাকত সমূহ হ'ল ধনী গোষ্ঠীৰ দ্বাৰা পৰিচালিত। গতিকে ধনীক চৰকাৰৰ স্থিতিটোৱে তেওঁলোকৰ কামনা। কমিউনিষ্ট পাৰ্টিৰ বিভাজনৰ মূলতে আছিল পণ্ডিত নেহেৰু। তেনেদলৰে কৃষক বিদ্ৰোহৰ পিছতে "জনতা পাৰ্টিৰ ভাঙোন ধৰালে শ্ৰীমতী গান্ধীয়ে। চৰণচিঙক জন্মদিনত ৰঙা গোলাপ দিলে। নাতি ল'ৰাৰ জন্ম উৎসৱত গৈ ভাগ ললে। এনেভাৱে মানুহজনক নচুৱাই নচুৱাই চিটিকাই দিলে।

"এইবেলি কিন্তু কমিউনিষ্টৰ ভাল ফিল্ড আছিল দেই। ছাত্ৰ

আন্দোলনে একেবাৰে মশীমূৰ কৰি দিল ।

"হেৰা কথাৰ গুৰি তাতেই । দেশজুৰি যেতিয়া জনতা পাৰ্টিৰ পতন আহিল, জনতা বুলিলে মানুহে নাক কোচোৰা হ'ল, তেতিয়াই বতাহ বলিল কমিউনিষ্টৰ । পশ্চিমবঙ্গ, ত্ৰিপুৰাত কমিউনিষ্টৰ মন্ত্ৰী সভা তাত সহজে ভাঙন ধৰাব নোৱাৰে । ইপিনে পূৰ্বাঞ্চলত চীনেও কমিউনিষ্টৰ প্ৰভাৱ পেলাবলৈ নানা জাল পাতিয়ে আছে । মণিপুৰ, নগাৰাজ্য, মিজোৰামত কমিউনিষ্ট আন্দোলন জোৰত চলি আছে । আমাৰ গাঁৱে ভুঞে কমিউনিষ্ট সকল সংগঠনত জোৰদাৰ হৈ লাগি আছে । ছাত্ৰ সকলৰ মাজতো সংগঠন বেছ পৰিপক্ক হৈ উঠিছিল । নেফা, নগাৰাজ্য মিজোৰামত খুন্দিয়াই আছে চীনে । অসমত বতাহ বোৱাই দিছে পশ্চিমবঙ্গ ত্ৰিপুৰাই । যদি অসমত কমিউনিষ্টৰ মন্ত্ৰী সভাৰ গাঠনী হৈ উঠে গোটেই পূৰ্বাঞ্চলে সুকীয়া ৰূপ লবই পূৰ্বাঞ্চলত কমিউনিষ্টৰ গাঠনী হলে প্ৰথম বিপৰ্য্যয় আহি পৰিব আমেৰিকাৰ । এই অঞ্চলত যথেষ্ট হচ্পিতাল, স্কুল আদি নানা অনুষ্ঠানৰ যোগে আমেৰিকাৰ সাম্ৰাজ্য কায়েম কৰি আছে । যদি কমিউনিষ্টৰ গাঠনী হৈ পৰে আমেৰিকা লেংটি এৰি দৌৰিব লাগিব । সিহঁতে বুজে আগধৰি । ভাৰত চৰকাৰৰো বিপদ আছে এই বৃহৎ ভূ খণ্ড যদি একত্ৰিত হৈ ভাৰতৰ লগত সূত্ৰ চিঙিব বিচাৰে, ভাৰতবৰ্ষ আৰু একত্ৰিত বান্ধোনত কিমান দিন থাকিব ? সেয়েহে চি আই এ বিদেশী ভোটৰ বহিষ্কৰণৰ মূল সূত্ৰ অসমৰ, মেঘালয়ৰ মণিপুৰৰ ছাত্ৰৰ মাজত বিলাই দিলে । আৰ্. এচ্. এচ্.টো আছেই । এওঁলোকে মঙ্গলদৈত বিদেশী ভোটাৰৰ আৱিষ্কাৰ কৰি বাইজৰ মাজত ৰজন জনাই দিলে । বিদেশী ভোটাৰ অসমত কিমান জনতাৰ নেতাৰ মুখত যি সংখ্যাই ওলাই সেয়ে হ'ল হিচাব । প্ৰকৃত হিচাব কিন্তু কোনেও নললে । ছাত্ৰ সন্থা লাগি গ'ল বহিৰাগত আৰু বিদেশীক বহিষ্কৰণত জনতা পাৰ্টিৰ ভাঙোনৰ পিছতে দুই কমিউনিষ্ট পাৰ্টিৰ এক যোগসূত্ৰ আৰম্ভ হোৱাত

সমগ্র ভাৰত বৰ্ষতে এক নতুন চিন্তাৰ ধাৰা বৰলৈ লাগিল ।. দেশত মধ্যৱৰ্ত্তী নিৰ্বাচন আৰম্ভ হ'ল । প্ৰত্যেক দলে প্ৰতিযোগিতাৰ বাবে উঠি পৰি লাগিল । অসমত নিৰ্বাচন বন্ধ কৰাৰ বাবে ছাত্ৰ সন্থাই দাবী তুলিলে । প্ৰাৰ্থী সকলৰ ঘৰত গৈ পিকেটিং আৰম্ভ হ'ল । ছাত্ৰৰ ওপৰত পুলিচে লাঠি চাৰ্জ আৰম্ভ কৰিলে । ছাত্ৰৰ লগত লগ হ'ল চৰকাৰী বিষয়া সকল, উকীল, মহৰী ব্যৱসায়ী সন্থা আৰু মহিলা সকল । ছাত্ৰৰ হাতৰ পৰা গৈ আন্দোলনে গণ আন্দোলনৰ ৰূপ ললে । এই আন্দোলনে এফালৰ পৰা কমিউনিষ্ট আক্ৰমণ কৰি গ'ল । মণিপুৰ, মেঘালয়, অসমত আগশাৰীৰ কৰ্মী কেবাজনো আন্দোলন কাৰীৰ হাতত নিহত হ'ল । মুঠ কথা কমিউনিষ্ট সকল সমাজবাদ প্ৰতিষ্ঠাৰ পৰিবৰ্ত্তে বিদেশীৰ দালাল বুলি শ্ল'গান উঠিল । চি পি আই, চি পি এম মুৰ্দ্দাবাদ । মেঘালয়ত এই আন্দোলনৰ আৰম্ভনী হৈছিল অসমীয়াৰ বিৰুদ্ধে আক্ৰমণ । কিছুদিন পিছত অসমীয়া বাদ দি বঙালী বিদেশীৰ ওপৰত লাগিল । মণিপুৰ, মিজোৰামো লাগিল । বিদেশী খেদাত ইপিনে ত্ৰিপুৰাত লাগি আছে "আমাৰা বঙালী" বুলি এক আন্দোলন । অৱশ্যে এই আন্দোলন বোৰ হৈ থাকিলে চৰকাৰৰ পক্ষে মঙ্গল । চৰকাৰ আৰু দীৰ্ঘ দিন গাদী কায়েম ৰখাত সুবিধা কৰিব পাৰে ।

"দেউতা ভাত হৈছে ।"

"তেনেহলে আমাৰ সভাভঙ্গ । আমাৰ এতিয়া লাৰু গ্ৰহণৰ পৰ্ব ।

"বাপুটি, আজি ডাইনিং টেবিলত খানা নহব । মজিয়াতে কাৰ্পেট পাৰ আৰু কলপাত আন । আমি বালিভাত খাম ।

"বালিভাত মজিয়াত কিয় হবহে, হয় চোতাল নহয় বাৰাণ্ডা ।

"হৰি, সোণমাৰ মাকক লৈ আহগৈ যা ! এতিয়া আহি পাইছে । ৰাতি হ'ল নহয় । সোনকালে লৈ আহ ।

"দেউতা পেট্ৰোল নাই । আজি কতো বিচাৰি পেট্ৰল নাপালো ।

চাপ্লাই হেনো পার্মিট দিব। ছাত্র সন্থাক বেচি দাম দিলে দিয়ে। বেছি দাম ভৰিব লাগে কাৰণে নানিলো।

"ছাত্র সন্থাই পেট্রল দিয়া কৰিছে! কেতিয়াৰ পৰা ইহঁতে এই ব্যৱসায় হাতত ললে ?

"পেট্রল ডিপু বোৰত ছাত্র সন্থাৰ ল'ৰা থাকে। ডিজেল কেৰাচিন, পেট্রল লব লাগে ছাত্র সন্থাক লিটাৰ হিচাপে চাঁদা দিব লাগে। তেতিয়াহে ডিপুই তেল দিব পাৰে। "ভাল ল'ৰা বজাৰ দিন কটাৰ লগা হ'ল দেই।

তেওঁলোক পাঁচোজনে বাৰাণ্ডাতে ঢাৰী পাৰি বহিল। চৌধাৰিনীয়ে আঞ্জা, ভাত বিতৰণ কৰাত লাগিল। "বুঢ়ী জনীক লগতে আনিব পাই একেলগে হাঁহি মাতি খাব পাৰিলো হৈ।

"কি কৰিব। বুঢ়ীজনী চহৰ পায়ে মোৰ হাতচাৰা হৈ পৰিল। আগে পিচে কৰবাত যাব লগা হলে মোৰ জোৰত হে গৈছিল। আজি তো মোক এৰাৰো মুসুধিলে। বাৰু আহিব। আহিব।

"হেৰা। এইবোৰ কি ৰন্ধালা তেনে সোৱাদটো উঠা নাই।

"কিয় বেয়া হোৱাটো নাই।

"বেয়া হোৱা নাই মানে ভালো হোৱা নাই।

"নাই নাই ঠিকে হৈছে।

"দেৱী বৰুৱাৰ ঘৰৰ আঞ্জা ভাত আৰু এই আঞ্জা ভাত একেবাৰে আকাশ পাতাল প্ৰভেদ।

"বৰুৱাৰ খানাৰ কথাই সুকীয়া, পাহৰিব নোৱাৰি। সৰ বস্তুৱে হ'ল টাটকা। বৰুৱা বৰুৱানী ৰন্ধা বঢ়াত একেবাৰে ওস্তাড।

"বৰুৱাত কৈ বৰুৱানীহে চাৰ। কি ৰান্ধিব বন্ধাৰ কিটিপে সুকীয়া। পাতত লোৱা আৰু খাই থাকা।

"গৃহস্থৰ ঘৰত আহিলো। চাহ জলপান খালো। এতিয়া ভাতো খাবলৈ ললো। গৃহস্থৰ হলে খবৰ বাতৰি একোকে লোৱা নহ'ল।

ডাঙৰ বাপু বোৱাৰীক দেখা নাই, সিহঁত নাই নেকি ?

"আজি দহদিন হ'ল। সিহঁত কলিকতালৈ গৈছে। নাতিহঁত কলিকতাত পঢ়ে। নাতি হঁতক চোৱাৰ উদ্দেশ্যে মাক পিতাকো গ'ল।

"তেনেহলে বুঢ়া বুঢ়ীৰে পাল। যতে ততে দেখো মানে বুঢ়া বুঢ়ীহে। আমাক ল'বাহঁতে লগ নিদিবই নেকি ?

"তুমিয়ে যেতিয়া আগভাগ লৈছা, আমি পিচে পিচে যাবই লাগিব।

"চৌধুৰী! আমাৰ বৰুৱাৰ বিয়াখনৰ কথা মনত পৰেনে ?

"হেৰা নপৰিব কিয়হে। সেই পুৱাবাতি কইনা ঘৰে যি মথা গাখীৰেৰে কোমল চাউলৰ জলপান দোনা ভৰাই দিলে, সেইবোৰ দেখি ঠাণ্ডাৰ কোবত জ্বৰে উঠিল। পিচে পেটৰ ভোক, চুপৰীযাই যি কেইটা জলপান খালো আৰু নাই, ইপিনে পেটৰ পোৰণি। হৰি বিষ্ণুক সুঁৱৰি দিলো বহাই। বিলনীয়াৰে আকৌ দি গ'ল, গোটেই খালো। খোৱাৰ পিছত যি বিপদ হ'ল, মুখ মচিবলৈ কাপোৰ নাই। গোটেই হাতে মুখে গাখীৰ, বাহিৰ ওলাব নোৱাৰা হলো। কৰো কি ? উপায় নেদেখি ধুতীখনৰ তল লোচটো উলিয়াই তাৰে মছিলো।

"নহয় হে নহয়। এই যে হেঙাৰ বান্ধিছিল ?

"বাপৰে, বাপৰে বাপ সিহঁতৰ চোচা। কি যে সিহঁতৰ মতলব আছিল, তামোল পান দিলো, তাত সন্মত ন'হল, এজুৰি কৈ টকা দিলো তাতো সিহঁত সন্মত ন'হল। দবাক হাতীৰ পৰা ননামালে সিহঁতৰ নহয়। কি যে হুলস্থুল। নিধি বৰডেকাৰ লগত যিখন হে টনা আজোৰা লাগিল, যদিহে ঘনশ্যাম বাবাজী নাথাকে তেনেহলে বিয়া আৰু ক'ত হয়। কথা বিষম দেখা পাই বাবাজী নামি আহি বাটৰ ধূলিবোৰ লৈ যিহে মন্ত্ৰ মাতি "হিং হ্ৰাই ফট" মাতিৰ ধৰিলে! তাৰ মন্ত্ৰৰ যি চিঞৰ, বেটাহঁত গোটেই পলাল। সিহঁতে ভাবিলে

এই সন্ন্যাসীয়ে মন্ত্ৰ কৰি গোটেই বোৰকে মাৰি পেলাব, পলা পলা বুলি দৌৰ ধৰিলে। বেটাহঁত আৰু ক'ত থাকে।

'ঘনশ্যাম বাবাজী এতিয়া ক'ত

"বহুদিন আগৰ পৰা শুনিছিলো, বিনোৱাৰ লগতে আছে। এতিয়া আৰু খবৰ পোৱা নাই।

"হেৰা। আমাক যে কইনা নিদিয়া হ'ল সেই আধ্যা মনত পাৰ নে নপৰে?

নপৰিব কিয় হে। দৰা হৈ যে বৰুৱাই কি বিপদৰ সৃষ্টি নকৰিলে। উস বাপ। হেৰৌ ছোৱালী উলিয়াই দে, লৈ আছো সিহঁতৰ যে কাণ্ড। দৰাই জেদ খাটিলে কোন কাহানি, এতিয়া হোমৰ শুৰিত লাগিল তাৰ বিচাৰ প্ৰায়শ্চিত্তৰ। কামাখ্যাত প্ৰায়শ্চিত্ত হোৱা বুলি কোৱা গ'ল, সিহঁতে নুশুনিলে। সিহঁতে হে বোলে প্ৰায়শ্চিত্ত কৰাব। আকৌ দৰা ধৰোতা জনা বোলে প্ৰায়শ্চিত্ত হব লাগে। কি যে পইমাল।

"তামোলৰ ঠোকাটোৰ পৰা যে বাটতে তামোল চিঙিলে তাৰ বাবেও যে এক হুৰাছুৰি। এটা নে দুটা তামোল নোহোৱা হ'ল, তাতে সিহঁতৰ মহাভাৰত অশুদ্ধ হ'ল। পুৰা ঠোক লগিবই, নহলে ছোৱালী উলিয়াই নিদিয়ে।

"আকৌ যে গৰখীয়া ভাৰৰ কিবা নোহোৱা হ'ল, এতিয়া ক'ত মৰা, মৰা। মুঠতে সিহঁতৰ ছোৱালী দিয়াৰ মতলৱ নাছিল।

"কইনা দৰাৰ মাজত কেতিয়াবাই বোলে লাভ হৈছে, গোপনে গোপনে অহা যোৱা, ছোৱালীয়ে উপহাৰ দিয়া কথা সিদিনা ওলোৱা শুনা নাছিল,—সিও বোলে সিহঁতৰ অপৰাধ। আবিয়ৈ ছোৱালীক কিয় মাতিব।

"সিহঁতৰ মেলৰ পাক ভাঙোতে ভাঙোতে ৰাতি পুৱাই গ'ল। মই পিছে বিয়া হোৱাৰ আশা এৰি পেলাইছিলোঁ।

"আমাৰ বৰুৱাই নো সেই কেলেঙ্কাৰীয়া ছোৱালীজনীহে বিচাৰি পাইছিল নে ? আমাক যদি কথাবোৰ আগতে কলেহেঁতেন কইনা পলুৱাই আনিলো হয় ।

"ৰাতিপুৱা যে গৰখীয়া ভাৰৰ বাবে গোটেইখন ৰাইজে জিকাৰ দি উঠিল । মই তেতিয়া ভাবিলো আজি ইয়াৰ পৰা গলেহে যোৱা । সিহঁতৰ মাজৰ পৰা কোনো এজনে যেতিয়া কলে, ইহঁতৰ এজনকো যাব নিদিবা গোটেই বোৰকে পিটো মই তেতিয়াই হৰি হৰি সুমৰিবলৈ ধৰিলো । আমি দুজন লগ হৈ কথা ৰতবা হলেও সিহঁতৰ অপৰাধ । গোটেইখন ৰাতি কেনেকৈ যে গ'ল কবই নোৱাৰিলো ।

"সিদিনাই দণ্ড ভৰিলো দিয়া । মৰিল কটে দণ্ড কৰাৰ দৰে সিহঁতো লাগিল প্ৰতিটো কথাতে দণ্ড বিহিবলৈ । গৃহস্থৰ লগত নিয়া খিনিতো শেষ হ'ল আমি লগত নিয়া উচৰ্গাৰ পইচা খিনিও শেষ হ'ল সিহঁতক দণ্ড দিওতে । ' সিহঁতে বৰুৱাক ছোৱালী দিয়াৰ তালত নাছিল, ছোৱালীৰ লগত আগতে সম্বন্ধ থকা বাবেহে বৰুৱাৰ কপাল ফুলিল । নহলে

'মোক ঘৰৰ ভিতৰত সুমুৱাই লৈ এবাটি পৰমান্ন খাবলৈ দিলে বুজিছা । পেটত ভোক, ইদিনে দুদিন লঘোন আগত পাইছো যেতিয়া নোখোৱাকৈ থাকিব পাৰোনে ? গোটেই বাতি খাই পেলালো । আয়তী সকলেতো জিকাৰ মাৰি উঠিল । সিহঁত তো কব ধৰিলে কইনা আৰু দিয়া নহয়, মোক যে কিমান কটু চৰ্চা কৰিলে । মুঠতে ঘৰৰ পৰা ছোৱালী নপঠিয়ায় । মোৰ যে কি খং উঠিল "নেলাগে তোমালোকৰ ছোৱালী" এই বুলি মই ওলাই আহিলো । তাৰ পিছত সিহঁতে চিন্তা কৰিলে । এতিয়া আৰু মই কাৰো বিয়া হলে জোৰোণৰ দিনাই সকলো বোৰ কথা নিস্পতি কৰি লও ।

"আকৌ বাপুৰ বিয়াৰ কথা মনত আছেনে ?

"হেৰা নকৰা ! সিদিনাও যে কি অশান্তি মূলক ঠাই পাইছিলো

গৈ। বাপুৰ বিয়াখন যে আৰু জটিল হৈ পৰিল। সেইখন বিয়াও যে কি সাংঘাতিক। মানুহো আছে দিয়া, কত কিচমৰ মানুহ। জোৰণ লৈ যোৱা হ'ল। কইনা ঘৰেতো কৈ দিলে কোনো জোৰণ লোৱা নহয়। কাৰণ সোধাত কলে জেল খটাৰ ঘৰত বোলে ছোৱালী নিদিয়ে। শেষ মূহুৰ্ত্তত নো সিহঁতৰ সেই চিন্তা আহিল নে? আমি টাউনৰ পৰা যোৱা কেজনে কথা শুনি মূৰ্চা যোৱাৰ দৰে হলো। বৰুৱা তো একেবাৰে নাৰ্ভাচ। শেষত বৰুৱাই তাৰ পৰাই সিদ্ধান্ত ললে আন ঠাইত ছোৱালী ধৰাৰ। মই বৰুৱাক সুধিলো সিহঁতে যে জোৰণ ফিৰৎ দিলে, ছোৱালীক পিন্ধোৱা আঙুঠিটো ফিৰত দিলে নে নাই। যেতিয়াই শুনিলো আঙুঠি ফিৰৎ দিয়া নাই, তেতিয়াই মোৰ বুদ্ধি খেলালে। মই তেতিয়া আকৌ বৰুৱাক কলো আমি এই বেলি গোটেইখনে যাও, গোটেই কথাৰ আদ্যোপান্ত জানি আহো। বৰুৱা কোনোমতে সম্মত নহয়। পিছত যেনিবা এটা কথা কৰা হ'ল, আমি কেজন মান ওলালো কইনা ঘৰৰ চোতাললৈ জোৰণৰ বস্তু লৈ আৰু কেজন মানক পঠিয়ালো ছোৱালী বিয়া দিব নে নিদিয়ে সুধিবলৈ। যদি বিয়া দিয়ে ৰাতিৰ ভিতৰতে জোৰোণ লব লাগিব, পুৱাই বিয়া দিব লাগিব বিয়াৰ খৰছ যি লাগে দিয়া হব।

"নহয়, নহয়; মই, দাস আৰু শইকীয়া কইনা ঘৰতে বৈ গলো নহয়। আমি কলো, দৰাৰ ঘৰত ক'ত যাম, বিয়া যেতিয়া নহলে তাৰ পৰা বাহিৰে বাহিৰে গুৱাহাটীলৈ যাম বুলি ৰাতিটো থকাৰ বাবে সুবিধা দিবলৈ কলো। সিহঁতেও দিলে। কথাৰ চলতে আমাক দৰাৰ সকলো কথা সুধিলে, আমাৰো পৰিচয় ললে। মই হলো উকীল, দাসক কৰিলো পেচকৰ আৰু শইকীয়াক বনালো বৰ কেৰাণী। সিহঁতৰ তো বহু সন্দেহ আহিব ধৰিলে। সিহঁতে আকৌ আমাক সুধিলে, আপোনালোক দৰাৰ কি হয় বিয়াৰ জোৰণত কিয় আহিব লগা হ'ল। তেতিয়াই শ্ৰীকৃষ্ণৰ বুদ্ধিৰ জোলোঙা গোটেই বাহিৰ কৰি আৰম্ভ কৰিলো,

আমি স্বাধীনতাৰ বাবে জেলত যোৱা সকল একে বান্ধৱ। কোনেও কাকো নেৰো। জেলত যাওঁতে আমি একেলগে শপত খাই লৈছো। সিহঁতে আকৌ সুধিলে জেলত যোৱা মানুহ কেনেকৈ উকীল কেৰাণী পেচকাৰ হব পাৰে। মই দেখিলো ই কথাই কথা নহয়। জেপৰ পৰা কাগজৰ টুকুৰাবোৰ উলিয়ালো। কাগজৰ ভিতৰত বিশেষ নাছিল, কেখনমান চিঠি আৰু দুখন মান চাধা কাগজ। কাগজবোৰ চাই চাই উত্তৰ দিবলৈ লাগিলো, আমি জেল খোৱা বোৰক চৰকাৰে বৰ ভয় কৰে সম্মানো কৰে। আমি যাতে চৰকাৰৰ বিপক্ষে নেযাও তাৰ বাবে চৰকাৰে আমি যি বিচাৰো তাকে দিয়ে। আমাৰ লগত যে চোৰ ডকাইট বোৰ এক নহয় বুজালো। তেতিয়া আকৌ সুধিলে দেৱী বৰুৱাৰ ঘৰত যে এতিয়াও মাজে মাজে পুলিচ আহি থাকে? এতিয়া কি কও? দেৱী বৰুৱাৰ পৰা আমাৰ অঞ্চলৰ কোন ভাল মানুহ কোন বেয়া মানুহ জানিবলৈ আহে। হেৰা সিহঁতে আকৌ সুধিলে।"

"বাপেক পুতেক দুয়োকো একেলগে কিয় নিলে বাৰু?" তেতিয়া মোৰ ৰোলতি শেষ। কি ক'ত ভাবি আছো, সিহঁতে আন্দোলন কি বস্তু, আন্দোলন কিয় কৰিব লাগে বুজাই দিলো। ইংৰাজক খেদিব পাৰিলে এই অঞ্চলৰ ৰজা দেৱী বৰুৱাই হব আৰু পুতেক ৰাজকোঁৱৰ হব। আকৌ সিহঁতে সুধিলে আপোনালোক বিয়া ঘৰলৈ নাযায় বাহিৰে বাহিৰে কিয় যোৱাৰ ঠিক কৰিলে। তেতিয়াই আৰম্ভ কৰিলো আমি শ্ৰোৱণৰ দলৰ লগতে যাব লাগিছিল। বিয়াতো কৰবাত নহয় কৰবাত হবই। ইয়াত যে বিয়া নহ'ল আমি গুৱাহাটীত জনাব লাগিব। সিহঁতে প্ৰশ্ন কৰিলে "তেনেহলে পুলিচ চুলিচ আহিব নেকি? মোকৰ্দ্দমা হলে পুলিচ আহিব, কইনা পিতাক মাক সকলোকে গ্ৰেপ্তাৰ কৰি লৈ যাব। সহজতে মোকৰ্দ্দমা কৰিব নিদিও তথাপি আমি দৰাৰ পিতাকক এবাৰ মাতি পঠিয়াইছো। তাৰ পিছত যি হয় এটা হব।

"আমিতো কইনা দিওৱেই। তেওঁলোকে কইনা দানৰ ভোজটোৰ

কথা শুনিয়ালে বাবেহে আমি অসন্মত হৈছোঁ। গাঁৱৰ সমাজ এইবোৰ কথা কেনেকৈ এৰে'। ।' তেতিয়া আমাৰ সাহস আহিল। কি কি লাগে কওক মই তাৰ মূল্য দি দিও। ইতিমধ্যে তোমালোক গৈ পালা। কথাই কথাই সিহঁতৰ বুকু কপি উঠিছিল, ইজোৰাৰ পিছত সিজোৰা ভিতৰলৈ গৈ কিবা কিবি কৈ সন্মত হৈছিল।

"আকৌ যে দেৱী বকৰাৰ কইনাই আমাক আঠ মঙ্গলালৈ মাতিলে মনত পৰে নে।

"তেতিয়া'তা মযে সুধিলো বোলো বিয়াৰ কইনাৰ নিমন্ত্রণ দিবলৈ অধিকাৰ নাই, তেওঁতো কৈ উঠিল, বোলে শহুৰ-শাহু নাই, হোমৰ গুৰিত বহিলো যেতিয়া এতিয়া কইনাতে নাই। মই মোৰ অধিকাৰ সাব্যস্ত কৰিছোঁ।

"এইবোৰ বৰুৱাৰ গোটেই গোপন শিক্ষা হে, নহলেনো।"

"আজি কিন্তু বুটী জনী থকা হলে বেচ আমোদ হ'লহেঁতেন।"

"কইনাৰ লগত বন্দবস্ত হ'ল আঠমঙ্গলাত যাম কিন্তু পিচদিনা কইনা আমাৰ লগত আহিব লাগিব আৰু কইনাই নিজে ৰান্ধি খুৱাব লাগিব। হেৰা একেবাৰে কৈ উঠিল হে "কথা নাই খুৱাম।" যেতিয়া উত্তৰ কৰিলে আৰু কি কথা। সিদিনা কইনাৰ মাকৰ ঘৰতটো দগৰী দগৰী খালোই পিচদিনা কইনাক লৈ আহি হাহিয়ালত সোমাই দি আমি পুখুৰীত নামি গৈ মাছধৰি আনিলো সিদিনাৰ খানা মনত পৰে নেই।

খোৱা বোৱা হ'ল। বাপুটিয়ে আহি কলে আজি নও বজাৰ পৰা কাৰ্ফিউ জাৰি কৰিছে। চৌধুৰীয়ে কৈ উঠিল, বৰ ভালে হৈছে। ঈশ্বৰে যি কৰে মঙ্গলে কৰে। এটা কাম কৰ। ড্ৰয়িং ৰুমটোত ঢালীই বিচনা কৰি দে। আমি আজি এনেকৈ শুম।

"হেৰা দিনটো নগলো, এতিয়াও যদি ঘাব পৰা নাযায় ঘৰখনত কি হব?

"ময়ো তো কৈ অহা নাই।"

"হেৰা, কাৰ্ফিউ কোন সময়ত দিলে।"

"আঠ বজাতে ঘোষণা কৰিছে।"

"যাব পৰা নেযাব নেকি ?"

"গোটেই চহৰখনতে চি আৰ পিয়ে তহল দি আছে। ঘৰৰ বাহিৰ ওলালেই হেনো গুলিয়াব।"

"হেৰা বৰুৱা! আজি তোমাৰ বুঢ়ীয়ে কান্দক মোৰ বুঢ়াটো ক'ত গ'ল ক'ত গ'ল বুলি, গোপীসৱে কৃষ্ণৰ বিৰহত কন্দাৰ দৰে।

"কন্দাত কান্দিব। পিচে বাটে ঘাটে ঘূৰি ফুৰোতে যদি চি আৰ পিয়ে পালে।

"সত্যাগ্ৰহ কৰা নাইতো! এনেকৈ এবাৰ সোমাই আহক।

"মোকোতো জোঁৱাই বিছাৰিব।

"তেনেহলে কাকনো নিবিছাৰিব। ঘৰৰ প্ৰত্যেকে বুঢ়াইঁতক বিচাৰি পুলিচৰ হাত লওক। ৰাতি সিহঁত হাজোতত সোমাই কটাই দিয়ক। আমি পুৱাই ঘৰা ঘৰি নগৈ থানালৈ যাম। কি কথা আছে। বৰ মজা হ'ল।

'হেৰা. অভ্যাগত বান্ধৱ সকল, এতিয়া শোৱাৰ সময় শোৱাৰ কথা ভাবা।

"অ' এতিয়া বিচনাত নাযায় নেকি—

"হেৰা বান্ধৱ সকলক পালো যেতিয়া মোৰ কথা আৰু নেভাবিবা। আকৌ আগৰদৰে দাং কটা হিচাপে ঘূৰি ফুৰিম। বুজিছা।

"হৈছে হৈছে। যিহে চেহেৰা। সেই দিন আৰু নাহে।

"কিয় নাহিব। আজিহে দে'ৰী বৰুৱাৰ বিযা খোৱা যেন লাগিছে হে। তুমি শোৱাগৈ।

"হেৰা বড়া! মন কৰিছানে এইবেলি কমিউনিষ্টৰ দিন পৰা বুলি ভাবিছিলো

"কমিউনিষ্ট আৰু ক'ত পাব। অসমত একেবাৰে শেষ হ'ল। যি কেইজন আছে চুক ভেকুলী থকা দি আছে। আমিয়ে ঠৰকাচুটি হেৰাইছো আৰু কমিউনিষ্ট।

"বাৰু এই আন্দোলন কিমান দিন চলিব বুলি ভাবা।

"আন্দোলন বহুদিন চলিব। ছাত্ৰসকলে আন্দোলন চলাই যোৱাৰে মতলব।

"এৰা ঘৰৰ মাক পিতাকৰ হোটেলৰ ভাত, আন্দোলন নকৰি নো কৰিব কি? ভাল ল'ৰা বোৰৰ গ'ল আৰু।

"ছাত্ৰ সকলে ইন্দিৰা মুজিব চুক্তি নেমানো বুলি কৈছে। নেহেৰু লিয়াকৎ চুক্তিৰ পৰা হে মনাৰ কথা কৈছে। ইন্দিৰা মুজিব চুক্তি বোলে সাংবিধানিক নহয়। ছাত্ৰৰ বেকিওত কিছুমান দল আছে নহয়।

'আন্দোলন শক্তিশালী হৈ উঠিল কেতিয়াৰ পৰা।

"ঠিক বৰবৰা মন্ত্ৰী সভাৰ পতনৰ পৰাই আন্দোলন চুৰু হৈছে, হাজৰিকাৰ দিনত শক্তিশালী হৈ উঠিল।

"ছাত্ৰ সকলে যে এচেম্বলী ঘেৰাও কৰি এম এল এ সকলক ঘেৰাও কৰি ৰাখিছিল, এইবোৰ কাৰ ইঙ্গিতত হোৱা বুলি ভাবা।

"এই ক্ষেত্ৰত বৰবৰুৱা আৰু হাজৰিকাৰ দুয়োৰো চাল আছিল। হাজৰিকাই ছাত্ৰ সকলৰ প্ৰতি সহানুভূতি দেখুৱাই গাদী ৰক্ষা কৰিবলৈ বিছাৰিছিল। পিচে কমিউনিষ্ট দলে হাজৰিকাৰ প্ৰচেষ্টা বুজি পতন ঘটালে। তেতিয়া বৰবৰা, হাজৰিকা শুকোৱা ভাৱে লাগি গ'ল। ছাত্ৰ সকলে হাজৰিকাক গাদীত বহুৱাবলৈ চেষ্টা চলাইছিল। পিচে অভীতৰ প্ৰতি ৰাজনীতিয়ে লক্ষ্য কৰেনে? বৰবৰাই কংগ্ৰেছক লৈ চেষ্টা দিছিল যদিও আছে এই চেষ্টাত পানী ঢালিলে।

"সেইটো ঠিক।

"গৱৰ্ণৰৰ তলত শাসন অহাৰ লগে লগে কৰ্মচাৰী সকলে চলালে

ৰাজদ্ৰোহ। আন্দোলন আৰু গুৰুতৰ হৈ উঠিল। চাকৰিয়াল সকলে দেশত কৈ চাকৰি ডাঙৰ নহয় বুলি শ্লোগান দি ৰাজপথে ৰাজপথে ঘূৰিলে। চৰকাৰে কিন্তু শাস্তি বিহাৰ কথা কৈ আছিল। বহুতে ভায়া খাইছিল। পিচে লগৰ লগত আহি গ'ল। ইপিনে শাসন যন্ত্ৰ বিকল হৈ পৰাত বেপাৰী শ্ৰেণীয়ে ৰাম ৰাজ্য লভি বয় বস্তুৰ দৰ এক হোৱে তুলিলে। কেৰাচিন, নিমখ পাবলৈ নোহোৱা হ'ল, চেনীৰ কেজি সাত টকা হ'ল মানুহ আৰু তিষ্ঠে কেনেকৈ? গাঁও ভুঁই বোৰত অৰ্থ সঙ্কট দেখা দিছে। বেচ-কিনাৰ বাবেও হাট-বজাৰবোৰ অচল অৱস্থা পাইছে গৈ। শাক শব্জীৰ দাম বুলিবলৈ নাই। তাতে আকৌ ডিজেল পেট্ৰলৰ নাটনীত ট্ৰাক বাছ বোৰাৰো চলাচল কমি গৈছে। বেপাৰী বণিক সকল চান্দা দি দি এক প্ৰকাৰ আন্দোলনৰ বিৰোধী হৈ পৰিছে। বাছ সমূহেও সদায় বিনা পইচাই অনা নিয়াত টান পাইছে। এতিয়া বাছ ভাৰাৰ কাৰণে হাই কাজিয়া হবলৈ লাগিছে। নপঢ়া ডেকা ল'ৰাবোৰ আন্দোলন আন্দোলন বুলি কাম বন নকৰি ঘূৰি ফুৰাত গৃহস্থ সকলেও বিতুষ্ট হৈ উঠিছে। ছাত্ৰ সকলৰ পৰীক্ষা আদি নোহোৱাত অভিভাৱক সকল হতাশ হৈ পৰি শিক্ষক সকলকে দোষাৰোপ কৰিছে কৰ্মচাৰী সকলে ডিচেম্বৰ মাহৰ দৰ্মহা কাটোতে বহুতে কেজুৱেল ছুটীৰ আবেদন কৰি ৰেহাই লৈছিল।

"এই আন্দোলনৰ গুৰিতে শিক্ষক প্ৰফেচাৰ সকল। তেওঁ-লোকে ছাত্ৰ সকলক উচতাই এইখন কৰিলে।

"গণতন্ত্ৰৰ দেশ। আন্দোলন কৰক। আকৌ দৰ্মহা লয় কিয়? কি আশ্চৰ্য্য! এনে কাণ্ড ক'ত নো শুনিছে।

"অসমৰ আন্দোলন লৈ কতই কিমান ৰাজনীতিৰ চাল খেলিছে? আৰ এচ এচে ভাবিছে আন্দোলন দীৰ্ঘকাল চলি থাকক, ইন্দিৰা গান্ধীক এশিকনি দিয়াৰ মতলবৰে চি আই এ আশা পালি আছে,

পূৰ্বাঞ্চলত স্বাধীন সাৰ্বভৌমত্বৰ চেষ্টা দিযাই আমেৰিকান ঘাটি ৰক্ষাৰবলৈ। চীনে চেষ্টা দিছে সশস্ত্র বিদ্ৰোহ আৰম্ভ হওক। অস্ত্র শস্ত্র যি লাগে যোগাব। ইন্দিৰা গান্ধীয়ে চেষ্টা দিছে আন্দোলন দীৰ্ঘকাল চলক, মানুহবোৰ অৰ্থনৈতিক সঙ্কটত পৰক আৰু মুছলমান সম্প্ৰদায় এক গোট হৈ মোকে একচিত্ত সমৰ্থন দিয়ক। ইপিনে পি টি চিহে উদয়াচলৰ সপোনত বড়ো সম্প্ৰদায়ৰ মাজত সংগঠন জোৰদাৰ কৰি তুলিবলৈ লাগিছে।

'গান্ধীৰ আৰু চাপ আছে। পূৰ্বাঞ্চলৰ পৰা কমিউনিষ্ট একেবাৰে শেষ হৈ পৰক। এই আন্দোলন যে কমিউনিষ্ট বিৰোধী বুজি লৈছে। আনহাতে পশ্চিমবঙ্গৰ কমিউনিষ্ট চৰকাৰ যদি এই চেগতে পতন ঘটাব নোৱাৰে আৰু টান। সেই বাবে পশ্চিমবঙ্গত আই কংগ্ৰেছে নানা আন্দোলন গঢ়ি তুলিছে তাৰ মন্ত্ৰী সভা পতন কৰাৰ বাবে।

"জ্যোতি বসুটোৰ কি হৈছে; মনে মনে থাকিলেও হ'ল, মাজে মাজে দুই এটা কথা কৈ ছাত্ৰ সকলক আকৌ জাগৰণ তোলে।

"অসমৰ ছাত্ৰ আন্দোলনে জ্যোতি বসুক বেছ বিপদত পেলাইছে। নেমাতিলেও দায মাতিলেও অপৰাধ। আমি অসম কবলৈ ধৰিছো বঙ্গই হে অসমৰ বিৰুদ্ধে লাগি আছে। সিপিনে পশ্চিমবঙ্গৰ মানুহে কবলৈ লাগিছে জ্যোতি বসুৰ বাবেহে অসমৰ বঙালী মানুহ খিনিৰ এনে বিপৰ্য্যয়। অসমত যিদৰে বঙালীৰ, জ্যোতি বসুৰ বিৰুদ্ধে আন্দোলন শ্লোগান বেঙ্গলত লাগি দিছে জ্যোতিবসুৰ পদত্যাগ কৰা, তুমি বঙালী জাতি শেষ কৰিলা। অসমত জ্যোতি বসুৰ বিৰুদ্ধে প্ৰচেছন, প্ৰতিবাদ সভা সিপিনে বেঙ্গলতো তেনে প্ৰচেছন তেনে গৰিহণাৰ সভা। এটাত থাকিলেও আছিল ভাল। কমিউনিষ্ট হৈ মাজৰ ভাৰধাৰী হৈ পৰিল, কি কৰে এতিয়া।

"হেৰা! গৈ থৈ কমিউনিষ্টৰ হে দিন আহিব যেন পাইছো—।

"কমিউনিষ্ট! অসমত কমিউনিষ্ট আৰু নতুনকৈ ঠন ধৰিব বুলি বিশ্বাস কৰানে—।

"এই আন্দোলনটো এক প্ৰকাৰৰ হাৱাৰ ওপৰত চলিছে। কৰ্মচাৰী, ব্যৱসায়ী সকলে সমৰ্থন প্ৰত্যাহাৰ কৰাৰ পিছতে আন্দোলন ব্যৰ্থ হৈ যাব। আৰ্থিক দিশৰ পৰা যেতিয়া সৰ্বসাধাৰণ শ্ৰেণী জৰ্জ্জৰিত হৈ পৰিব প্ৰতিজনে আন্দোলনৰ বিৰুদ্ধাচৰণ কৰিব। যি সকল ছাত্ৰই আৰু ডেকাই এই আন্দোলনত নিস্বাৰ্থ ভাৱে অংশ গ্ৰহণ কৰিছে, আন্দোলন যেতিয়া ব্যৰ্থ হব এই বিদ্ৰোহী ডেকা তেজৰ ডেকা সকলক বিদ্ৰোহী সকলে তৎক্ষণাতে হাত কৰি পেলাব। বিদ্ৰোহী ডেকা সকলে বুজে বিদ্ৰোহ কৰাৰ কথা! আন্দোলন ব্যৰ্থ হোৱাৰ কাৰণ সমূহ যেতিয়া বুজি পাব, আৰু এই আন্দোলনে যে জনগনক মুক্তি দিব নোৱাৰে, জনগণৰ মুক্তিৰ একমাত্ৰ আন্দোলন যে শ্ৰেণী সংগ্ৰাম এই কথা বুজি উঠাৰ পিছতে বিদ্ৰোহী ডেকা সকল কমিউনিষ্ট পাৰ্টিত যোগদান কৰিব। প্ৰত্যেকটি গণ আন্দোলনৰ পৰা কমিউনিষ্ট পাৰ্টিয়ে মেম্বাৰ সংগ্ৰহ কৰে। এনে ধৰণৰ ছাত্ৰ যুৱকৰ মাজত কোনো-দিনে বৃহৎ আকাৰৰ আন্দোলন হৈ উঠা নাছিল বিযাল্লিচৰ পিছত গতিকে এইবেলি কমিউনিষ্ট সকলৰ দিনহে মুকলি হ'ল।

"ছাত্ৰ সকলেতো কমিউনিষ্টকে গালাগালি কৰি আছে, কমিউনিষ্টকে ধৰি ধৰি পিটিছে আৰু ছাত্ৰ সকলে কমিউনিষ্ট পাৰ্টিক সমৰ্থন কৰিবনে?

"ছাত্ৰ সকলেতো ব্যক্তিগত আক্ৰোশত কমিউনিষ্টক আক্ৰমণ কৰা নাই। তেওঁলোকে বিদেশীক কমিউনিষ্টে সুবিধা দিয়া বুলিহে আক্ৰমণ চলাইছে আৰু এই আন্দোলনত যোগদান নকৰাৰ বাবেহে বিদ্বেষী হৈ উঠিছে। কমিউনিষ্ট সকলে জাতীয়তাবাদী ছাত্ৰ সকলৰ বিৰোধী ভাৱ দেখুৱা নাই। কমিউনিষ্টৰ যি সূত্ৰ সেই সূত্ৰকে গাই আছে। তেওঁলোকক অত্যাচাৰ কৰা আক্ৰমণ কৰা তেওঁলোক ভাবে। তেওঁলোকে কৈ আছে এইটো বুৰ্জোৱা শ্ৰেণীৰ আন্দোলন। বুৰ্জোৱা সকলে সদায় কমিউনিষ্টকে আক্ৰমণ কৰে। ইৱাণত কি হ'ল,

যি সকল ছাত্র কমিউনিষ্টৰ বিৰোধী আছিল সেই সকলে কমিউনিষ্ট পাৰ্টিত যোগদান কৰি কমিউনিষ্ট আন্দোলন নচলালে নে? কিউবা, চীন আফগানিস্থানতটো ছাত্র সকলৰ এনে ধৰণৰ পৰিবৰ্ত্তনে দেখিছো। ছাত্ৰসকলক লাগে বিদ্ৰোহ, বিপ্লৱ, সত্যৰ পথ, প্ৰকৃত যুক্তি।

"ছাত্র সকল যে বৰ্ত্তমান জাতীয় ভাবাপন্ন। এই সকল ছাত্র সহজতে ঘোৰ খোৱা টান আছে।

ছাত্র সকল যেনে সাহসী তেনে নম্ৰ। সিহঁতক বিদ্ৰোহ লাগে, বিপ্লৱ লাগে। কমিউনিষ্টৰ বাদে কোনো বিপ্লৱী দল নাই। আৰু যি জাতীয়তাবাদৰ আন্দোলন, কমিউনিষ্টৰো জাতীয়তাবাদ আছে। কমিউনিষ্টৰ জাতিয়তাবাদত সকলো জাতি, উপজাতিৰে বিকাশৰ ধ্বনি আছে আৰু বিকাশৰ বাবে ৰাষ্ট্ৰই সকলো ব্যৱস্থা কৰি দিয়ে। আন্দোলন ব্যৰ্থ হলে ছাত্র সকলতো কিবা কৰিব লাগিব? বিদ্ৰোহী তেজক এঠাইত লিপ্ত কৰিবই লাগিব। বৰ্ত্তমান ছাত্র সকলে বুৰ্জোৱা সকলৰ প্ৰভাৱত পৰি কমিউনিষ্টৰ পথ দেখা নাই, আৰু ইহঁতেও নানা অপপ্ৰচাৰেৰে সেই পথ ৰুদ্ধ কৰি ৰাখিছে।

"কমিউনিষ্টৰ পথটো সত্য বুলি কয় নেকি?

"পৃথিবী খনৰ চোৱা ক্ৰমাগত ভাবে কমিউনিষ্ট শক্তিৰ প্ৰভাৱ বাঢ়ি গৈ আছে। ইখন দেশৰ পিছত সিখনকৈ দেশ কমিউনিষ্ট শাসন প্ৰতিষ্ঠা কৰি গৈ আছে। ১৯২৪ চনতে চোভিয়েট ৰাচিয়াত শ্ৰেণী সংগ্ৰামৰ যোগেদি সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰিলে, তাৰ পিছত চীনে প্ৰতিষ্ঠা কৰিলে। তাৰ পিছৰ পৰা ইখনৰ পিছত সিখন দেশত প্ৰতিষ্ঠা হৈ গৈ আছে। পৃথিবীৰ এনে এটি অঞ্চল নাই য'ত কমিউনিষ্টে শিপোৱা নাই। ধনতান্ত্ৰিক চৰকাৰ সমূহে কত ৰকমৰ যে কৌশল চলাই কমিউনিষ্টক বাধা দি আছে কিন্তু সেই বাধা নেওচি কমিউনিষ্ট সকল আগবাঢ়িয়ে আছে। আজিৰ মানৱ জগতত এইটোৱে একমাত্র সত্য পথ। এই পথেই ধৰ্মান্ধ সকলৰ চকু মেল

খুৱাইছে জাতীয়তা বাদী ভাব সম্পন্ন সকলক বহল দৃষ্টিপাত কৰিছে। পণ্ডিত নেহেৰু আৰু শ্ৰীমতী গান্ধীয়ে কিন্তু সমাজবাদৰ কথাকে কয় কিন্তু কৰিবলৈ নোৱাৰে। বুৰ্জোৱা নেতৃত্বই বাধা দি থাকে।

"যদি কমিউনিষ্টৰ পন্থা ভাল হয় তেনেহলে গ্ৰহণ নকৰাৰ কাৰণটো থাকিব নোৱাৰে।

"কংগ্ৰেছ দলৰ পৰাজয় ক'ত? ভাৰতবৰ্ষত শ্ৰেনী সংঘৰ্ষই মূৰ দাঙি উঠিছে আনহাতে কংগ্ৰেছ দলৰ শাসন কালত বুৰ্জোৱা শ্ৰেণীয় ক্ষমতা দখল কৰি ধনতান্ত্ৰিক পৰ্যায়লৈ চৰকাৰক ৰূপান্তৰ কৰি লৈ গৈ আছে। প্ৰতিজন লোকে ক্ষমতা বিচাৰিবলৈ ধৰিলে ক্ষমতা হাতত লৈ স্বাৰ্থ যুক্ত মহল যেতিয়া সোমাই পৰিল কংগ্ৰেছ শেষ। শ্ৰীমতী গান্ধীয়েনো জোৰা টালি মাৰি কিমান দিন ৰাখিব বুলি ভাবা।

"বড়া! কাৰ্ফিউ দিব লগা কিয় হ'ল। তুমি কিবা শুনিছা নেকি?

"কবকাত কিবা হ'ল, হয় আঠগাওঁ নহয় টকৌবাৰীৰ ফালে। সেইবিলাকতে এই বতাহ ভালকৈ লাগিছে। কিযে হব অশান্তিৰ মাজত চলা ফুৰা টান হৈ পৰিল। আজিয়ে আমি কেনেকৈ জব্দ হবলগা হ'ল। কত মানুহৰে কত আলাপ।

"হেৰা মেধি! আজি কাৰ্ফিউ হোৱাটো ভাল হৈছে। নহলেনো বিশ পচিশ বছৰ আগৰ স্মৃতি দিবস কেনেকৈ পালন কৰিলো হৈ হে'

"নলবাৰী আৰু নাৰেঙ্গীত কাৰ্ফিউৰ মজা বাহিৰ কৰি দিলে। নলবাৰীত কাৰ্ফিউ দিবহে পালে। গোটেই অঞ্চলৰ মানুহ আহি নলবাৰীত ভৰি পৰিল। এচ্ ডি অ' চাহাব, হাকিম কেইজন ক'ত গল খবৰ নোহোৱা হ'ল। নাৰেঙ্গীত কাৰ্ফিউ দিয়া শুনি গুৱাহাটী চহৰৰ গোটেইবোৰ মহিলাৰ পৰা ল'ৰা ছোৱালী যেতিয়া আহি উপস্থিত হ'ল। এতিয়া কি কৰে, কাৰ্ফিউ উঠ্ৰ কৰাৰ বাধ্য হ'ল।

'নলবাৰীত চৌধুৰীৰ বিলাই বিপত্তিৰ কথা শুনিছানে নাই। চৌধুৰী গৈছিল বৰপেটাৰ নিজ ঘৰলৈ পিতাকৰ শ্ৰাদ্ধ কৰাৰ উদ্দেশ্যে।

কথাটো গম পাই গুৱাহাটীৰ ল'ৰাহঁতে নলবাৰীৰ ছাত্ৰ সমাজক জনাই দিলে, বোলে চৌধুৰী আবিদা আহমদৰ নমিনেচন লৈ গৈছে জব্দ কৰা। যেনে কথা তেনে কাম। ছাত্ৰ সমাজ আহি ড্ৰাইভাৰৰ পৰা চৌধুৰীক গাড়ী সহ জব্দ কৰি নলবাৰীৰ চাৰ্কিট হাউচলৈ লৈ গৈ তাতে সুমুৱাই থলে। চৌধুৰীয়ে কিমান বুজালে, কিমান কলে ল'ৰাহঁতে ক'ত মানে। গাড়ীৰ ভিতৰতে কল মিঠাই পচি গ'ল। যি মুহূৰ্ত্তত আবেদনৰ সময় পাৰ হ'ল তেতিয়া তেওঁক এৰি দিলে। ফোন-চোন চৰবোৰৰ কানেকচন বন্ধ কৰি থলে। কিযে অজ্ঞাত নিৰ্বাস ভুগিলে।

চৌধুৰী উঠি গৈ ঘৈণীয়েকক ম'ত লগালে। আকৌ কি হ'ল। উঠাছোন আমাক অলপ চাহৰ ব্যৱস্থা কৰি নিদিয়া কিয়।

"আজি কি হ'ল, একেবাৰে চেঙেৰা হৈ পৰিল।

"হেৰা চেঙেৰা নহয় স্মৃতি দিবস। তুমিও আহি আমাৰ মাজতে বহ হি।

"লাজ নাই নে মোৰ, বুঢ়া কেইজনৰ লগত বহিব'ল।

"হেৰা দাঁত সৰিল। গাল মুখৰ ছাল সোতোৰা হ'ল তোমাৰ আৰু লাজতে আছে নে হে। হেৰা বৰা। এটা দিন কৰাহে বৰুৱাৰ ঘৰলৈ যাও এদিনৰ বাবে নহয় বুজিছা, তাত কিছুদিন থাকি যাম। মঠতে বৰুৱাৰ ভৰাল যি দিনা একেবাৰে শেষ হব সেইদিনাহে বিদায় লম।

"ভাল প্ৰস্তাৱ। লগত আমাৰ বুঢ়ী কেইজনীকো নিব লাগিব বুজিছা। গ্ৰাম্য জীৱন আকৌ আমি যাপন কৰিম।

"হেৰা বৰুৱা। আমাক কিন্তু সুকীয়া সুকীয়া ঘৰ দিব লাগিব বুজিছা। টক্টা ন্যালাগে মাটিতে খেৰ পাৰি দিলে হব।

"বৰ ভাল পাওঁ। দিন এটা কৰক।

'কৰাঁহি মেঁথি দিন এট কৰা। আমাৰ টো কাম বন নাই দিন এটা কৰা। কথা ভাঁচই হব বুজিছা। বুঢ়ী কেইজনীৰ খং তোলাই দি ভঙা টিনত কোব মাৰি ভাল বং চাম।

"মৰণৰ বেলিকা এনে আনন্দৰ মাজেৰে দিন কেইটা কটাব পাৰিলে কি যে মজা হব।

"বৰুৱানীয়ে কিন্তু বৰ ভাল পাব।

"হেৰা নেপালে হবনে? ইমান হাই কাজিয়াৰ মাজেৰে আনিলো আৰু ভাল নাপালে হবনে?

কি এক্সপার্ট।

"বৰুৱাকনো কি অনা এক্সপার্ট পালা। গোটেই" যোৰা মোৰ পাভ যাৰ"।

"বাবু বৰুৱা। মাজে সময়ে কাজিয়া পেচাল লাগে নে নেলাগে

"আমাৰ বুঢ়ী কেতিয়াবা যি "ফাযাৰ" হৈ উঠে, তেতিয়া মই পিচুৱাই আহো।

'দেখাত তো একেবাৰে নম্ৰ যেন লাগে।

"হেৰা তোমালোক বুঢ়া হলা, নাৰীৰ চৰিত্ৰ বুজি নেপালা।

"বাক বৰুৱা: বৰুৱানীৰ কি কথাতনো কাজিয়া লাগেহে।

"হেৰা মেঁথি তুমি একেবাৰে তললৈ নামিলা দই।

"আমাৰ লগত মিলে নে নিমিলে তাকহে চাইছো। ডেকা দিন গ'ল ভালেন্টিযাৰি কৰোঁতে। তাৰ পিছত বিয়া বিহু কৰাই চাউল খৰিৰ চিন্তাত গ'ল। আহিল বোৱাৰী, মুখটো জব্দ হলে একেবাৰে চলন যুৰনো কন্ট্ৰ'ল হৈ পৰিল। আগৰ ইলেকচনো নাইকিয়া হ'ল, কাতো একো আন্দোলনে নোহোৱা হ'ল। এতিয়া হাঁহাই ক'ত কথা বোৱাইবা ক'ত? এবাৰ কথা কব লাগিলেও একেবাৰে গজ ফিটা মাৰি জুমিলৈহে কব পাৰি। আমি উদণ্ড মানুহ বোৰ যে কি হৈ পৰিলো।

হেৰা, কথাটো একেবাৰে সত্য হে কিমান চাইকেল্ মাৰিলো। নাই বেল নাই ব্ৰেক, ফ্ৰি হুইলৰ কেৰ্ কেৰিলৈ চোৱা নাই, চলাই হে আছো, কিমান দৌৰিলো, কিমান খোজ কাটিলো, কিমান অটব্য অৰণ্য অতিক্ৰম কৰি'লা, কিমান হাই কাজিয়া কৰিলো, পলাই খলাই কাৰ কিমানৰ ভৰালৰ ওপৰত, কাৰ চাঙৰ তলত, কিমানৰ মেখেলা পিন্ধি মস্ত কইনা হৈ পুলিচক ধূলি মাৰিলো, কিমান দিন শ্মশানত নঙঠা বাবাৰ মূৰ্ত্তি ধাৰণ কৰিলো। যেতিয়াই বোৱাৰীজনী আহি পৰিল কি মানুহ কি হৈ গলো। মই হলো ঘৰৰ মালিক মোক মানি চলিব লাগে কিন্তু মই হে এতিয়া পাৰ্মিচন বিচাৰি ইটো সিটো কৰিব লাগে। ঘৰখনত অকলে অকলে ভুত বগা দি মহা গম্ভীৰ হৈ থাকিব লগাত পৰিলো মানুহবোৰ এনেকৈ বুঢা নহৈ কেনেকৈ হৈছে যি দিনাই বোৱাৰী আহি ঘৰত সোমাল মোৰ নাম থলে বুঢা। লাঠি লোৱা নাছিলো তাকো ললো। সঁৰা দাত কেইটা লগাও বুলি ভাবিছিলা বোৱাৰীয়ে কিবা ভাবে বুলি তাকো বাদ দিলো। আমিনো বোৱাৰী ইয়াৰ বাবে চপালো নে ? আমাৰ বুঢী-জনী হলে বোৱাৰী ঘৰ সোমোৱা দিনৰ পৰা চাঙত উঠিল। বুঢী ভাতৰ চকৰ ওচৰত নাযায়। ঘৰটো সাৰিব লাগিল, ইটো কৰিব লাগিল সিটো কৰিব লাগিল বুঢীয়েহে হুকুম জাৰি কৰা হ'ল। ঘৰখনৰ ইটো সিটো নহ'ল বুঢীৰ মুখত হে শুনিবা। ডেকা দিনত আনি দিয়া কাপোৰবোৰ হেচি হেচি জপাত ভৰালে, তাৰে হৈ মোৰ লগত কিমান দিন লাগিল পিচে এতিয়া বোৱাৰীয়েকক দেখাই দেখাই এজোৰাৰ পিছত এজোৰা পিন্ধাত লাগিল। ডেকা দিনত স্নো পাউদাৰৰ কথা মনত নপৰিল অ, বুঢীৰ চখ এতিয়াহে বাঢ়িল। হাতখনত ধূলি বালি লাগিলেও লাগিল চাবোন। গা ধুই কাপোৰ মেলি দিয়া অভ্যাস এৰি এতিয়া গাটো ধুই যবে কাপোৰ তাতে এৰি অহাত লাগিল। কাৰোবাক যদি লাগে মেলি দি শুকাই জাপি

থ' এয়ে হ'ল বুঢ়ীৰ ভাব। বুঢ়ীয়ে পৃথিৱীৰ চব কথা জানে, নিজে সকলো কথা, সকলো কাম জানে মুঠতে সকলোতে পাৰ্গত। মুঠতে বুঢ়ীয়ে সৰ্ব্বেসৰ্ব্বা। ডেকা তিৰোতাজনী ওষ্টাডি কৰোতে হৈ পৰিল বুঢ়ীজনী।

"তাৰ মানে তুমি বুঢ়ীৰ কাম কাজ বোৰ নিৰিক্ষণ কৰি থাকা—।

"তাৰ বাহিৰে মোৰ আৰু কি কাম আছে হে।

চৌধাৰিনীয়ে আহি চাহ দি গ'ল।

"এই ৰাতিখন বুঢ়ীজনীক হে কষ্ট দিয়া হ'ল।

"হেৰা, পতি পৰম গুৰু। পতিৰ সেৱাই পত্নীৰ ব্ৰত। তুমি আৰু দুখত কিয় কান্দিছা।

'আপোনাৰ ৰান্ধনী হওক তো লগাই দিব পাৰে।

"আমেজ, আমোদ প্ৰমোদ, আনন্দ স্ফুৰ্তি হাঁহি কান্দোনত যদি তোমাৰ চাকৰ বাকৰ থাকিল বুজি লবা তাতে ভেজাল সোমাল আৰু যদি সিহঁতক আশ্ৰয় কৰা তোমাৰ সব গ'ল, বুজিবা।

"দিনটো আজিয়ে কৰি পেলাও কি কয়।

"ৰবা, বৰুৱা আহিল বহু দিনৰ মূৰত আজি বৰুৱাহে মোৰ ঘৰত আহিল, বৰুৱানীতো, অগাই নাই বৰুৱা-বৰুৱানীক এসাজ খুৱাবই লাগিব। কাইলৈ আকৌ তোমৰ ঘৰত আৰু বা পপ্ৰেম ক'ত কিমান আছে—।

"কালি দুপৰীয়াৰ সাজ যদি বৰুৱাৰ ঘৰতে হয়, ৰাতিৰ সাজ মোৰ ঘৰত হওক।

"হেৰা দিনৰ সাজ এঘৰত, ৰাতিৰ সাজ এঘৰত হব। ক'ত আৰু পেটবোৰ লগাই ফুৰিবা হে?

'হবা, সভাসদ বৰ্গ। আমাৰ খানাবোৰ কিন্তু আমিষ এসাজ নিৰামিষ লাগি দেই। নহলে আনন্দৰ মাজতে নিৰানন্দই দেখা দিব।

"তেনেহলে বৰুৱাৰ গুৱাহাটী ভ্ৰমণ শেষ হোৱাৰ পিছতে দিন কৰা হব।

"এইতো কোনো প্ৰগ্ৰেম কৰি অহা নাই। আটাই কেজনে এটা দিন কৰিলে সেয়ে মোৰো দিন হব।

"নহয় নহয় ভাই। বহু দিনৰ মূৰত আহিছা। কোনো কোনোই তুমি নগ'ল দুখ কৰিব। তোমাক লৈয়ে আমাৰ মাজত কথা বতৰা চলি থাকে। তোমাৰ ঘৰলৈ নোযোৱা, তুমি নহালে আমাৰ নানা আলোচনা হৈয়ে থাকে। সোণমা আৰু বাপুহঁত আছে বুলিয়ে সিহঁতৰ পৰা খবৰ বাতৰি বোৰ লৈ থাকো।

"সোণমা ঘৰখনত সোমালে গোটেই ঘৰখনে সজীৱ হৈ উঠেহে। তাইক পলে নাতি, বোৱাৰীহঁতৰ কি আনন্দ চাবা নে বুঢ়ীকে চাবা। তাইক মাজত লৈ কি যে সিহঁতৰ আনন্দ মই তাইক মাতি থাকো, ক'ত তাই আহে সিহঁতক এৰি। একেবাৰে নোযোৱা লৈ সিহঁতৰ গপ নিচিণ্ড বৰুৱা যেনে ঠিক ছোৱালীও তেনে হৈ উঠিছে দেই। ঘৰখনৰ ভিতৰ সোমায়ে যি মৰম খন লগাই তোলে।

"কিয় বৰুৱাক এৰিব পাৰিছোনে। কাইলৈ ইজনে সিজনে শুনক, ৰবাছোন বৰুৱাক লৈ কি যে টনা আজোৰা খন লাগি পৰিব।

"বৰুৱা, তুমি যে বান্ধৱক মাতিবলৈ খুজিছা ঘৰত কিবা কৈ আহিছা নে নাই।

"ক'ত আৰু কবলৈ পালো। বাত্তিপুৱাই বান্ধৱক বিচাৰি যি ওলালো আৰুটো ঘৰ দেখা নাই দিনৰ সাঁজ মেধিৰ ঘৰতে গল, বাত্তিৰ সাঁজৰ লগে লগে ইয়াতে বজিলো "বাত্তিপুৱাৰ পৰা তুমি ঘৰত নাই, বাত্তিটো ইয়াতে গ'ল, আকৌ তুমি মাতিছা আলহিক। তোমাৰ ল'ৰাহঁত কিজানি থানাৰ ভিতৰতে সোমাবগৈ। গোটেই খনকে এজন বৰুৱাৰ কাৰণে স্নমুৱাই থৈ দিয়ক এতিয়া খালাচ কৰাৰ বাবেহে লাগিব লাগিল। আলহিক আৰু ক'ত শুশ্ৰূষা কৰিবা। এতিয়া তো আমাৰ

মন্ত্ৰী সভাও নাই, এম এল এ সকলো নিষ্ক্ৰিয় হৈ আছে। পুলিচে-তো পালে নেৰিব। মুখৰ কথাত আৰু নহব। এ'কবাৰে বেন পিটিছনৰ বাহিৰে গত্যান্তৰ নাই।

"কোনো জেলত পৰে, হাজোতত সোমায় মোৰ কথা নাই কাইলৈ হলে তুপৰীয়াৰ সাঁজৰ বাবে আটাই কেজনৰে নিমন্ত্ৰণ থাকিল।

"হেৰা, আগতে কৈছো, তুপৰীয়াৰ সাঁজ হলে ৰাতিৰ সাজো লাগিব—।

"একো কথা নাই। তুয়ো সাজৰ বাবে নিমন্ত্ৰণ দিলো।

"ৰবা তুমি নিমন্ত্ৰণ দিলা আমিও গ্ৰহণ কৰিলো, ঘৰত যদি এ'কা জা-জোগাৰ নাই এনেয়ে কাফি'উৰ দিন।

"এইখনতো গাঁও নহয়, কাজ এখন পাতি তুমাহৰ পৰা জা-জোগাৰ কৰিবা। পইচা লোৱা বজাৰত যোৱা। ঘৰত যদি ৰন্ধা-বঢাৰ অসুবিধা তেতিয়া ৰেষ্টুৰাত অৰ্ডাৰ দিলে ঘৰত আনি পৌচাই দিব।

"অ' তেনেকৈ নহব। ঘৰৰ বুঢীৰ দ্বাৰা ৰন্ধন প্ৰকৰণ হব লাগিব। ভক'ত সেৱা কেনে নাজানে নে?

"ভাল কথা মনত পেলালে হে মেধি। সৰুতে বহুত ভকত সেৱা খা'লা, এতিয়া প্ৰায় সেইবোৰ উঠিলে। আমিয়ে লগ লাগি ভকত সেৱা খোৱা কৰো। এওতো মেধি আছেই। প্ৰসঙ্গ ব্যৱস্থা কিছু কিছু জানোৱে, এই বয়সত এইটো কৰিব পাৰিলে ঈশ্বৰৰ নামো লোৱা হ'ল জগতে ভালকৈ খোৱা মুঠিও মিলিল। বোৱাৰী নাতিৰ কেলেঙ্কাৰীৰ পৰাও হাত সৰা গ'ল।

"বৰ ভাল প্ৰস্তাৱ। কেধাৰী মান মালা লাগিব দেই।

"কিনো কথা আছে কিনি আনিলে হ'ল—।

"বৰুৱাৰ ঘৰত গৈ তো আমি কেদিনমান থাকিমে, তাতেই এইবোৰ প্ৰসঙ্গৰ আলোচনা কৰিম। ঘোষাখন লৈ আমি ঘোষাৰ

সুৰ লগাই গ'ব লাগিব। যাতে একেবাৰে পৰিপক্ক হৈ উঠে।

"ঘৰতো কিছুদিন নেথা'কা; আৰু যেতিয়া গলত মালা দেখিব নিশ্চয় বুজিব জগন্নাথৰ পৰা অহা বুলি। যিয়ে যি ভাবি থাকে থাকক আমাৰ কি কথা।

"আমাক কিন্তু গুৱাব মানুহেও ভক্তি কৰিব। পিচে এটা কথা নহয়, ভকত সেৱাত তো মাছ মাংস নাই।

"আমি ব্যৱস্থা কৰিম। আমি সকলো ভক্ষণ কৰো কিন্তু জীয়া জীৱ নাখাও, কোনোৱে যদি মাৰি দিয়ে খাওঁ। আমি শিক্ষিত মানুহ। সমাজতো কম বেছি পৰিমাণে মান মৰ্য্যদা আছে। আমি যি কও মানুহে গ্ৰহণ কৰিবই। কোনেৱে বদনাম গাব। বদনাম নো কাৰ নেগায়। শঙ্কৰ দেৱৰে গোৱা নাই নে চৈতন্য দেৱৰে গোৱা নাই। এজাতিৰ মানুহ আছে সিহঁতে আনৰ বদনাম নেগালে সিহঁতৰ ভাতে হজম নহয়। এই বদনাম গোৱা জাতিটোৰ কাৰণে মানুহে ভাল বেয়া কোনো কথালৈ ভয় নকৰা হ'ল।

"হয়, হয়। কথাটো একেবাৰে সত্য। আগৰ দিনত ভেটি খোৱা বোলে বদনামৰ কথা আছিল, পিছে এতিয়া ঘোচ খোৱাটো এটা প্ৰথা হৈ পৰিল। আমাৰ দিনত জীয়ৰী-বোৱাৰী প্ৰত্যেকে সাৱধান হৈছিল বদনামৰ বাবে। পিচে এতিয়া কাৰ তিৰী কাৰ লগত গৈ চিনেমা চাই কোন যুৱতীয়ে কোন যুৱকৰ লগত ৰেষ্টুৰাত সোমায়, কাৰ লগত কোনে বিয়াত মজ কৰি যায়, এই চৰবোৰে এতিয়া সামাজিক প্ৰথা হৈ পৰিল।

'পিকেটিংবোৰ নোচোৱা কিয়, পিকেটিং কৰিম বুলি ঘৰৰ পৰাহে ওলায় যায় পিচে ক'ত পিকেটিং কৰিব ৰেষ্টুৰাই, চিনেমাই, বাংলাত গৈ মজ কৰি থকা দেখা পাবা।

"একেবাৰে মেলানী হৈ পৰিল। নাৰী বুলি যি এটা সন্মান আছিল, যি এটা আবুৰ আছিল, সকলো শেষ হৈ গ'ল। হেবা

কথবাত্ত কোৰা নিজৰ মানুহৰ লগত যোৱা। ওহো! নিজৰ মানুহৰ লগত গলে প্ৰেষ্টিজ যায়।

"মৰম বোৰে চিঙা চেণ্ডেল লেকচাই লেকচাই ফুৰ'ব আৰু তিৰোতা বোৰ যায় আভিজাত্য বোলাবলৈ। ক্লাব বোৰো এটা গণ্ডীৰ মাজতে থাকে। কিন্তু এই যে পিকেটিং বোৰত যায় যিহে সাঁজ পোচাকৰ ঢং। কা'ৰো দ্বিতীয়, তৃতীয় শ্ৰেণীৰ বুলি কবই নোৱাৰি। প্ৰত্যেকে প্ৰথম শ্ৰেণীৰ অভিজাত্য ছিচাপ পৰিচয় দিয়ে গৈ।

"হেৰা, তিৰোতাবোৰে যে নিজ'ক ডাঙৰ জাতৰ বুলি ভা'ব' পাৰিছে এই'টা কিন্তু মানৱ ইতিহাসৰ ডাঙৰ পৰ্ব দেই। ইয়াৰ আগতে প্ৰত্যেকে নিজক সৰু সৰু বুলি নিজকে তল'ল টানিছিল। হেৰা যিজনাক সোধা তোমা'ৰ ল'ৰা কেইটা—কোনা'ৰ উত্তৰ দিব আপোনাৰ শ্ৰীচৰণৰ বুলি চাৰিজন, কোনাৰে কব আ'পানা'লোকৰ গোলাম চাৰিটা, আৰু কোনোৱে কব পো'কাৰা বেঙেনা চাৰিটা, এই বোৰ যে এৰিব পাৰি'ল এ'য় ভাগ।

'এৰা নহয় হেঁ।'ৰৰ অৱস্থা এ'কবাৰে নাই এ'কলো থালে পিচত বেলাৰ চিন্তা, সিহঁতৰ পাওদাৰ ঘহাৰ ধুমকে চাব নে কাপোৰৰ বাহাৰকে চাবা, দেখিলে চকু পিৰ্‌পিৰাই যায়।

"হলেও সিহঁতৰ দুখীয়া ভাববোৰ ধুনা'পচ কৰোতে পাহৰি গৈছে।

"হেৰা, এতিয়া বাতি পুৱাইছে, চকু মুদা।

"আৰু চকু ক'ত মুদাহে। চলফাট দিলে। "তেজৰে কমলা পতি পৰভাতে নিন্দ, তেৰি চান্দ মুখ পেখোঁ উঠবে গোবিন্দ।"

"হেৰা বাতিটো কেনেকৈ যে পাৰ হ'ল বুজাই নগ'ল।

—o—

( চাৰি )

ঘূৰি ঘূৰি আহি সোণমাই আৰু মাক বন্ধা বঢ়াত লাগিল। বন্ধা বঢ়া হোৱাত চৌকাৰ ওচৰত বহি হাত সেকি আছে। পিতাক আৰু পিবিয়েক অহাৰ অপেক্ষাত। শহুৰেক নহা বাবে জোৱায়েক বিছাৰি গ'ল, আগে পিচে যোৱা ঘৰবোৰলৈ। ইঘৰ সিঘৰে সোমাই শহুৰেক আহিছে নেকি অনুসন্ধান কৰি ফুৰিলে। সোণমাই মাকক কলে – মা তই যা। পিতা আৰু তেওঁ আহিলে পিছত যাব।

'তেওঁলাকক এৰিনো মই কিয় যাম? আহক দে একেলগে যাম।

তাৰ আজি কেনে লাগিল।

''কেনে আৰু লাগিব, কিমান মানুহ দেখিলে, ইমান ভাল লাগে! আমি ঘৰত সোমাই থাকো, এইবোৰ আৰু কেনেকৈ দেখিম। জাকে জাকে তিৰোতা মানুহ, কি যে সুন্দৰ সুন্দৰ কাপোৰ দেখিলেই ভাল লাগে অ'।

"তোলৈ এজাৰ আৰু মোলৈ এজোৰা কাপোৰ আনি থৈছো। কাইলৈ উলিয়াই দিমদে।

''ইমানবোৰ টকাৰে তই কি আনিছ?

''মই এই বিলাকত ঘূৰি ফুৰো নহয়, মানুহ'বাবে মোক বৰ ভাল পায়। সিদিনা এখন দোকানত যাওতে কাপোৰ দেখালো, ছোৱালীয়ে মোৰ পচন্দৰ কাপোৰ জোৰ উলিয়াই দিলে আৰু মোৰ পৰা দামো নললে। আৰু যদি কিবা লাগে আনিবহে কৈছিল। আকৌ এদিন আন এখন দোকানত যাওতে দোকানীয়ে লগে লগে কলে আপুনি দেখো আমাৰ দোকানলৈ আহিবলৈ এৰিলে। কাপোৰ এজোৰ দোকানী জনে পচন্দ কৰি দিলে, পইচা দিবলৈ ওলোৱাত নললে। মোক আকৌ কলে আপুনি আহি থাকিব। আনদিনা

আৰু এখনত গলো সিখন দোকানৰ দোকানীয়েও মোক কলে আপুনি দেশৰ কামত ঘূৰি ফুৰে কাপোৰ জোৰৰ দাম লমনে? কেবা জোৰো কাপোৰ মোৰ জমা হৈছে। মই দোকানবোৰত গলেই ভিতৰলৈ মাতি লৈ গৈ চাহ তামোল খাবলৈ দিয়ে মোক যে ইমান মৰম কৰে।

"তই অকলে যাব নেকি ?

"ওঁ, মই অকলে যাও। একো ভয় নাই নহয়। গৈ টেই-খনে চিনা জনা। মই আমাৰ সংঘৰ কাৰণে চাঁদা আদায় কৰিব যাওঁ নহয়। প্ৰতিজন দোকানীয়ে মোক চিনি পাই নহয়। প্ৰত্যেকৰে পৰা মই টকা আদায কৰিছোঁ বহুত টকা তুলিছো নহয।

"টকাবোৰ কাৰোবাক দিছ নে ?

"নাই মোৰ হাতত আছে। তাৰে মাজে মাজে সত্যাগ্ৰহী সকলক চাহ পানী খুৱাও।

"তই যিহে আকৌ. গোটেইখিনি আকৌ নিদিবি।

"মই সদায পিকেটিঙত যাও নহয়, প্ৰায়বোৰে মোক চিনি পায। মই গলে তেওঁলোকে চাহ খোৱাৰ বাবে মাতে। আৰু কয় পিকেটিঙত আপুনি নাথাকিলে হব আহক। দেখা দিছে যেতিয়া তেওঁলোকৰ গাড়ীত উঠি অলৈ তলৈ যাও। তেওঁলোকৰ লগতে চিনেমাও চাও। মোক যে ইমান মৰম কৰে। মই ঘৰৰ পৰা ওলালেই ফুৰা আৰু খোৱাই কাম। কিমানে যে মোক কিমানলৈ নিব বিচাৰে।

"ওঁ, মৰম লগালে হে মৰম পায়।

"আজি যে আমাক লৈ গৈছিল তেওঁ বৰ ধনী মানুহ। ডাঙৰ ব্যৱসায় কৰে, নিজা মটৰ গাড়ী আছে। তেওঁ মোক ইমান মৰম কৰে, তেওঁৰ গাড়ীৰে মোক সদায় ঘৰত থৈ যায়। কিমান যে বস্তু মোক দি থাকে। কোনো দিন মই নগলে তেওঁ নিজে খবৰ কৰিবলৈ আহে। নতুন চিনেমা আহিলে মোক দেখুৱাবই দেখুৱাব। তেওঁ মোক তুলীৰাজান, নাহৰকটীয়া, ডিব্ৰুগড়লৈ লৈ গৈছিল তেওঁৰ

নিজৰ গাৰীতে। ইমান যে ভাল মানুহ।

"হওঁক দে ভালেই। সেইবোৰ মানুহৰ লগত সম্বন্ধ হোৱাটো ভাল। তই বেয়া নকৰিবি।

'তেওঁ মোৰ ইয়াতে আহি কেতিয়াবা মোৰ হাতে বন্ধা ভাতকে খায় যায়।

"ঘৰত কোন কোন আছে।

"তেওঁ ইযাত অকলে থাকে। যি হে ঘৰ। মোক এডৰা মাটি কিনি দিম বুলি কৈছে;

'বৰ ভাল হৈছে, মাটি খিনি ল।

"অকল তেওঁৱে নহয় আৰু এজন বৰুৱা বুলি আছে, তেওঁ মোক দেখিলেই ভন্টি বুলি মাত লগায। তেওঁবো মটৰ আছে। মোক দেখিলেই তেওঁৰ ঘৰলৈ লৈ যায়। মোক এই আন্দোলনত লাগি থাকিবলৈ কৈছে। খৰছ পাতিৰ বাবে মোক মাজে সময়ে দুই এশ দিও থাকে। মোক যে এজোৰ কাপোৰ দিছে ইয়াৰ বজাৰত পাবলৈ নাই। তেওঁ দিয়া কাপোৰ জোৰ হে পিন্ধি যাব লাগে। মই নিপিন্ধিলে তেওঁ কব চিন্তা নকৰিবা আৰু এজোৰা আনি দিম। বৰুৱাও যে ইমান ভাল মানুহ। একো লাহ বিলাহ নাই। মোৰ ইয়ালৈ আহিলে যি হে মিঠাই বোৰ লৈ আহে। তোক মই কালি পৰিচয় কৰি দিম দেছোন ? শাৰী পিন্ধা বন্ধ হোৱাৰ পিছত তেওঁ এজোৰা পাটৰ কাপোৰো কিনি দিছে। মোক বজাৰলৈ লৈ গৈ মোকে পচন্দ কৰি লব দিছিল।

'ভালেই হৈছে দে, তই পিতাৰৰ নামটো ৰাখ।

'বৰুৱাই মোক কৈ আছে, আমাৰ বোলে ঘৰ চাবলৈ যাব। মই আন্দোলনৰ কাৰণেহে যাব পৰা নাই।

"এদিন লৈ যাবি। যাব খুজিছে যেতিয়া, ঘৰখন চাই আহক। ঘৰখন নো কি চাব ভঙা চিঙা ঘৰ। তাকে পিতাৰক কিমান কৈ

আছো, ঘৰ কেইটা ভালকৈ বান্ধক। সেইবোৰ মুগুনে। তেওঁৰ বাবে বোলে এইবোৰে ভাল। মানুহটোক কোনো কথ কৈ উভাব নোৱাৰি।

"মোৰ ঘৰলৈ এইবোৰ মানুহ আহে নহয়, আমাৰ পাৰাৰ তি'বাতাবোৰৰ যে কিমান কথা। কিমান ৰকমৰ যে বদনাম গাই থাকে। মই বোলে পৰ পুৰুষৰ লগত ঘূৰি ফুৰো, মোৰ বোলে কোনো চৰম নাই। আৰু যে কিমান কথা,

"কওক দে। কোৱা মুখে কৈ থাকক! হোৱা দেখিলেইতো কবই।

"আমাৰ এইখিনিৰ মানুহবোৰ ইমান বেয়া, ঠাইখন এৰি যাও যাও লাগে। মানুহ বোৰ অহা দেখিব নোৱাৰি মোৰ ঘৰৰ বেৰতে নানা কথা লিখি থৈ যায়। মই বৰুৱাক কৈ দিছো।

"তেওঁ কিবা কলেনে?

"তেওঁ একেবাৰে পুলিচ লৈ আহি মানুহবোৰক কিবাকিবি কৈ গৈছে, তেতিয়াৰ পৰা ইহঁত ঠাণ্ডা হৈছে।

"ভালেই কৰিছে। কিবা হলে তেওঁকে কবি।

"জোৱাইৰে আকৌ বৰুৱাক বেয়া পাই, মোক কৈ থাকে, মানুহজন বেয়া তেওঁৰ লগত ঘুৰুফুৰিবা। মই কৈ দিছো। কিনো বেয়া মানুহজন। আপুনিতো নিজে দেখা নাই। মোক ইমান বয়-বস্তু দিছে, মোৰ কষ্ট হব বুলি নিজে গাড়ীৰে থৈ যায়, আমাক কিমান বস্তু দি থাকে। মই পিছে এদিন বৰুৱাক এই কথা কলো, বৰুৱাতো যে কি মানুহ, মই থাকোতে তেওঁ আহি আমাৰ এওঁক লগ ধৰি হাঁহি-মাতি নানা কথা কলে। এতিয়া জোৱায়েৰৰ বেয়া ভাব নাই। তেওঁকো মাজে মাজে বাটে পথে দেখিলে গাড়ীত তোলে।

"মৰদ মানুহবোৰ তেনেকুৱাই। আন পুৰুষৰ লগত কথা কোৱা, মিলা-মিচা কৰা সহ্যই নকৰে।

"মা ৰাতি বহুত হ'ল, ভাত খাও দে, ক'ত বা থাকিল।

"এই বুঢ়াতো যিমানে বুঢ়া হৈ গৈছে, সিমানে অবুজ হৈ গৈ আছে। কৰবাত চাগে মেলত বহিছে। মেল পালে তেওঁক একোৱে নালাগে। বুঢ়া হ'ল আগৰ স্বভাৱটোৱে নগ'ল। হলেওতো জী জোৱাইৰ ঘৰত আছিছে যেতিয়া অলপ ধীৰ গম্ভীৰ হব লাগে। জোৱাইকো কৰ'ত খেলতে বহুৱাই লৈছে। মোৰ হলে ভোক নাই। যি বোৰ খুৱাই আনিলি। নহলে তয়ে খা।

"শইকীয়া জনে আকৌ মোক ধেমালিতে কৈ থাক সোণমা তোমাক মোৰ বিয়া কৰাবৰ মন গৈছে। মই ভাল লাজ দি দিও। তেতিয়া তেওঁ আকৌ মাক কয় তুমিকি কাৰা তাকেহে চাইছো। কেতিয়াবা আকৌ সাৰট মাৰি ধৰে, মই খং কৰা যেন দেখুৱালে, তেওঁ হাঁহি হাঁহি কয় তোমাৰ খং তুলিবলৈ হে এনেখন কৰিছো।

"তই আকৌ বেয়াকৈ নকৰি, ডেকা মানুহ'বাৰে তেনেখন কৰেয়েই। এই দিনতে যদি হাঁহি ধেমালি নকৰ আৰু কেতিয়া কৰিবি।

'শইকীয়াই আকৌ বৰুৱাৰ লগত ফুৰা ভাল নাপায়। মই আকৌ একনক আৰ কৰি সিজনক লগ লও। ধৰিবই নোৱাৰে। বৰুৱায়ো কয় মাজে মাজে, শইকীয়াৰ লগত কিয় ঘোৰা। যি লাগে মই দিম নহয়। তুমি গাড়ীখন চলাবলৈ শিকা, গাড়ীখন মই তোমাৰ ঘৰতে ৰাখি দিম।

"আমাক নহলে গাড়ীখনেৰে থৈ আহিবলৈ কবিচোন। লাইন বাচত যেনে কষ্ট সিদিনা পিতাৰ বহু বাট ঠিয় হৈ আছিছিল।

"মা এতিয়া বহু ৰাতি হ'ল। চাৰিমান কিজানি বাজিল। তুয়ো নহলে খাও দে। আৰু কিমান ৰখিবি। ভাত আঞ্জা গেৰগেৰীয়া হ'ল। দুয়োজনলৈ সাজিয়েই থও।

চৌধুৰীৰ ঘৰত পিচদিনা উঠোতে বেলি হ'ল। সকলো কেজনে হাতমুখ ধুই চাহ-জলপান খাবলৈ লৈছে। এনেতে ধনেশ্বৰ ভৰালী আহিল। তেওঁৰ মটৰ খনৰ পৰা নামি গৈ হেৰা চৌধুৰী আছা নেকি বুলি মাত লগোৱাত, চৌধুৰীয়ে দুৱাৰ খুলি ভৰালীক দেখি ভিতৰলৈ মাতিলে।

"অ' মই বিছাৰি অহা মানুহজন দেখো ইয়াতে। মই ভাল আন্দাজ কৰি সোমালো দেই। গোটেই খনে সখিক বিচাৰি চলাথ কৰিলো। সখি এইখন কি আকৌ। জোৱাই ল'ৰাই বিচাৰি বিচাৰি গৈ মোৰ ঘৰ পালেগৈ। ৰাতিখন কাফিউৰ বাবে মোৰে আলহি হ'ল।

"হেৰা ভৰালী, কালি-দিনটো জেলখানাৰ ৰাতিটোৰ দৰে কটালো নহয়।

"জেলখানা কিয় হবহে, ঠিক ইলেকচনৰ কেনভাচৰ ৰাতিৰ দৰে হ'ল।

'নহয় নহয়! বিয়াল্লিশৰ আন্দোলনৰ, সেই বৰনদীৰ পাৰৰ গোঁসাই ঘৰটোত খেৰৰ ওপৰতে থকা যেন লাগিল।

"মই চৌধুৰীক কৈছিলো নহয় খেৰ বেভালমান জোগাৰ কৰক, তুলি তোচবাৰ কথা বাদ দিয়ক।

"হেৰা ঘটনাতো নো কি নো কাৰা কিয়।

"কালি আমি বনভোজ খালো নহয়।

"বনভোজ কিয় হবহে, সেই যে মিটিঙৰ পিছত ৰাইজে আমাক খুৱাইছিল।

"সেয়াও নহয়, বকৰাৰ আঠমঙলা খোৱাৰ দৰে হৈছিল।

"তোমালোকে আচল কথাটো খুলি নোকোৱা কিয়. মোৰ লগত কিহৰ পেংলটি আৰম্ভ কৰিছা। মই আহিছো সখি ক'ত গ'ল ক'ত থাকিল বিচাৰি। তোমালোকে আচল কথাটো কি কৈ নিদিয়া কিয়, পেংলটি যে আৰম্ভ কৰিছা।

"ভবালী, যোৱা ৰাতি কাৰ্ফিউ নহলে তোমাকো আমাৰ লগলৈ আনিলোঁ হৈ। কাৰ্ফিউৰ পৰাহে তোমাক বিচৰা নহ'ল।" নহলে ক'ত সাৰা। এটা দিন এটা ৰাতি কটা'লা বুজিছা, কি যে আমোদ প্ৰমোদ। কত বছৰৰ মূৰত আকৌ জোৱান হৈ পৰিলোঁ হে। আপচোচ, তুমি নেথাকিলা।

"কেৰা, তোমালোকেনো মোক লগ দিবানে? সখিও মোৰ পিনে পিচ দিলে।

"কালি বুজিছা ভবালী। আমাৰ মেখিৰ লগত আছিল দুয়ো বন্ধুৱা। তিনিওজনে আছিলত মৰো ভাল পালো। যদি দিনৰ সাজ মেখিৰ ঘৰতে হ'ল, ৰাতিৰ সাঁজ মোৰ ঘৰতে হওক। এইবুলি ৰবাকো মাতি আনিলো। গাভীখন পঠিয়ালো বুঢীজনীক আনিবলৈ তেওঁকো নেপালে ইপিনে গাৰীত নাই তেল কতো পাবলৈও নাই। খোৱা লোৱাৰ আগতে হেনো কাৰ্ফিউ জাৰি হৈছে। কি কৰা। ইয়াতে মজিয়াতে আটাই কেজন পৰি থাকিলো। পিচে ৰাতি সাত ভাৰস্তৰ মেল ওলাল। টোপনি অ কু ক'ত হয়।

'তুমি এই মানুহ কেজনক নো টক্সীত শুৱ দিব নোৱাৰিলা। নে? তুমিও মানুহ দিয়া।

'টক্সী দিলে প্ৰত্যেকে পৃথক পৃথক কোঠাত থাকিব লাগে বাবেই ইয়াকে কৰিলো।

"পিচে ভাত ক'ত খালা, ডাইনিং টেবিলত নে?

"একেবাৰে কলপাত কটাই আনি বাৰাণ্ডাতে বহি গৈছো, বুঢীক বিলনী কৰি ৰাখিছিলো।

"তেনেহলে বৰ মজা হৈছিল দিয়া, মই হে ভাগত নেপালো।

"বুজিছা ভবালী, গোটেই ৰাতি চকু মুদিবলৈ নহ'ল। কাৰ কথা কিমান সুনিবা। পিচে টোপনি ক্ষতি কৰা যেন নালাগিল। এই টোপনিৰ পৰা উঠি বহিছোহে।

"বাৰু সখী বুঢ়ীজনীক ক'ত এৰিলা।

"হেৰা ভৰালী; বুঢ়ীৰ আৰু খবৰ ক'ত কৰা। যিহে হাঁহি তামচা, কি যে আনন্দ ফুৰ্টি। সেই যে বেলতলাত যাত্ৰা পাৰ্টি চাব গৈছিলো, ঠিক তেনে যেন লাগিল ৰাতিটো।

"বুঢ়ীজনী বা ক'ত কেনেকৈ থাকিল ৰাতিটো।

"একো ভয় নাই, সোণমা লগত আছে যেতিয়া। তায়েতো এতিয়া সভানেত্ৰী।

"যা হওক, গালি পাৰিলেও, ধিক্কাৰ দিলেও, আমাৰে নাতি-পুতিৰ ভিতৰতে আন্দোলন চলিছে। সিহঁত কিবা হলেও আমাৰে হব। মুঠতে আনে ভোগ কৰিব নোৱাৰিলে।

"হেৰা ভৰালীও আহিছে, কি আছে আনা।

"তুমিনো উঠি গৈ কব নোৱাৰোনে হে!

"উঠিবা! এই সমাজৰ পৰা উঠাই টান পাইছো।

"বাৰু, বুজিলো, এতিয়া প্ৰেম কি?

"ৰাতিপুৱাৰ চাহ-জলপান খোৱা হোৱাই নাই, প্ৰেম আষ্টে আষ্টে হব।

"কিয় দুপৰীয়াৰ সাঁজ মোৰ ঘৰত নহব নেকি?

"কি দুপৰীয়াৰ সাঁজ হে, হলে ৰাতিৰ সাঁজো লাগিব। চোৱা যদি সাহস কৰিব পাৰা, নহলে ময়ে নিমন্ত্ৰণী আগবঢ়াম।

"ৰাতিৰ যি সিদ্ধান্ত তাৰ লৰচৰ হব নোৱাৰে দেই।

"হেৰা, তোমালোকক দেখিছো একেবাৰে লৰালিৰ দিনলৈ আগবাঢ়িলা? বোধকৰো চৌধুৰীৰ বোৱাৰীহঁত নাই।

"আমাৰ এই সংগ্ৰাম বোৱাৰীহঁতৰ বিৰুদ্ধে সংগ্ৰাম। বুজিছা বোৱাৰীহঁতে আমাক অকালতে বুঢ়া কৰিলে। বোৱাৰীহঁতে আমাক বুঢ়া-বুঢ়ী বুলি মাতাৰ বিৰুদ্ধে সংগ্ৰাম।

"নাই, নাই ৰাতিৰ ৰাগী তোমালোকৰ যোৱা নাই। হয় মহাদেৱ, নহয় কালিৰ হে ভক্ত হোৱা যেন পাইছো।

"সেইটো জোগাৰ কৰিবৰ নহলে। তথাপি মেধিয়ে বটলৰ কথা কৈছিল।

"বাৰু, যি হ'ল, হ'ল, আজি চুপৰীয়াৰ সাঁজৰ বাবে ময়ে নিমন্ত্ৰণ জনালোঁ।

"সেইটো কেনেকৈ হব। কালিয়ে মোৰ নিমন্ত্ৰণ গ্ৰহণ কৰিছে।

"হেৰা তুমিতো কালি ৰাতিপুৱাৰ পৰা ঘৰত নাই।

"মই নেথাকিলো কি হ'ল, পইচাৰ হে কথা।

"হেৰা, তোমালোকৰ মতলববোৰ মই ধৰিব পৰা নাই দেই।

"আমি পুৰণি মানুহ কেজন যেতিয়া লগা-লগি হলো একেলগে একোসাজ ইঘৰে সিঘৰে খাম বুলি ভাবিছো। আৰু নো কিমান দিন থাকিম। দিনত গ'ল মেধিৰ ঘৰত, ৰাতি গ'ল চৌধুৰীৰ ঘৰত, আজি দিনৰ ভাগত মোৰ ঘৰত, কাইলৈ বৰাৰ ঘৰত, তাৰ পিছত তোমাৰ ঘৰতে হব। অৱশেষত আমি আমাৰ মুখ্য অতিথি বৰুৱাৰ তালৈ যাম বুলি সিদ্ধান্ত লৈছো। কেনে দেখা।

"কথাটো চমৎকাৰ। পিচে নাতি পুতিহঁতে আমাক ভকত সেৱাত ঘোৱা বুলিছে কব।

"ভৱানী, ভয়ৰ কোনো কাৰণ নাই। ভকত সেৱাৰ আথৰা আমি বৰুৱাৰ ঘৰতে লম। তাতে পৈ কীৰ্ত্তন ঘোষাৰে প্ৰসঙ্গৰ ব্যৱস্থাতো ঠিক কৰি লম। লগে লগে খুটি টান বজোৱা শিকিম।

"ঘৰৰ পিনে—

"কিনো এই বুঢ়া বয়সত ঘৰ ঘৰ কৰি থাকা হে। লগততো বুঢ়ী কেজনীক নিমেই। বোৱাৰীহঁতে ঘৰ চলাই মিলাই খাব আৰু। এনেহেন জীৱনবোৰ বোৱাৰীৰ অধীনত আৰু কিমান কটাবা। সেই সমাজ গ'ল, সেই মেল মিটিংবোৰো গ'ল, বক্তৃতাও গ'ল, সেই বালি ভোজো গ'ল, হাঁহি স্ফূৰ্ত্তিও গ'ল, এতিয়া আমি পৰিলো নাতি নাতিনীৰ পাল্লাত। ইমান দিনে আমি উঠি ফুৰিলো বৌৱাত, এতিয়া

নাতিহঁতে ধোঁৱা নাপায় আমাৰ ওপৰত উঠে। আৰু সহ্য কৰাত নাই। বুজিছা ভবালী, বিদ্ৰোহী জীৱন যেতিয়া আকৌ বিদ্ৰোহ কৰিম। ল'ৰাহঁতেও যেতিয়া আমাক লগ নিদিয়াত পৰিল আমি এই ধৰণে আগবাঢ়িম। বকস্নাৰ ঘৰখনকে সবৰমতি হিচাপে কৰি লম।

"উত্তম কথা। পিচে মৰিলে কোনে কাৰ কাৰণ কান্ধ পাতে হে।

"তুমি এতিয়াও গৃহ সংসাৰত আছা ভবালী অ মি তাত গৈয়ে একোটি গাত খান্দি থম। যাতে ভেলটা তা'ত টানি-চুহি নি বগৰাই দিব পাৰে। আৰু ল'ৰাহঁতলৈ একেখন চিঠি দি যাম আমাৰ গাওঁ-বোৰৰ ওপৰত যা'ত একোটি মন্দিৰ সজাই সবৰমতিক তীৰ্থ ভূমিলৈ ৰূপান্তৰ কৰে। আমিতো প্ৰত্যেকে মুক্তি যুঁজাৰুৰ চাৰ্টিফিকেট পোৱা লোক। গতিকে কি ভয়, ব'লা আগবাঢ়ি, এই যাত্ৰা আমাৰ শেষ যাত্ৰা। "আহাহে বৃদ্ধ আহা আগবাঢ়ি, আহা আহা আমি যাও খোজকাঢ়ি, মায়া-মোহ পৰিত্যাগ কৰি যাওঁ স্বৰ্গপুৰী" আমাৰ এই পথ সুগম পথ, নাই হানি-বিঘ্নি চিন্তাৰ লেশ, ভাঙি দিম, খুলি যাম যমৰ দুৱৰী কোনে ধাখে আমাক. নাই শক্তি দুৰ্বাৰ।"

"হেৰা. বুঢ়া কালত এইখন কৰিলে মানুহে কি নকব হে। এনেয়ে ল'ৰাহঁতে যি পালি কৰিবলৈ লাগিছে. আকৌ এইবোৰ যদি শুনে বোৱাৰীহঁতেও ঘৰৰ বাহিৰ কৰি দিব।

"হেৰা ভৱালী। নাতি বোৱাৰীৰ পৰা মুক্ত হোৱাৰ এই আখৰা। জীৱন উচৰ্গা কৰিছিলো স্বাধীনতাৰ বাবে, নিজেও আছিলো স্বাধীন আৰু কোনকৈ পৰাধীন হম হে? বুঢ়ী কেজনী আছে বুলিহে, নহলে কি যে দুৰ্গতি নহ'লহেঁতেন। হেৰা ভৱালী, এই ল'ৰাহঁত আমাৰ নাতি বয়সৰ হয় নে নহয়।

"কিয় নহব নে।

"যদি হয় সিহঁতৰ অত্যাচাৰত আমি কিয় থাকিব নোৱাৰা হলো হে। গালৈ ফটকা দলিয়াই; ঘৰৰ সন্মুখত ফটকা মাৰে, ঘৰৰ

সম্মুখত ধ্বংশ হওক বুলি কয় আৰু লাগে নে হে। দেৱী বৰুৱাৰ দুই নাতি লাগিছে আমাৰ বিৰুদ্ধে সংগ্ৰামত।

“কিয় জীয়েক সোণমাই একা! সোণমাই নহলে চহৰৰ মহিলা সকলক কোনে উলিয়া'লহৈ হে। ল'ৰাবোৰতো কৈয়ো জীয়ৰী-বোৱাৰী-বোৰৰ কোনো আৰু চৰা। বাপৰে বাপ একেবাৰে স্বাধীনৰো স্বাধীন। ঘৰৰ পিনে খবৰ নাই, ল'ৰা ছোৱালীহঁতৰ প্ৰতি খবৰ নাই, বুঢ়া-বুঢ়ী হালে কিবা খাব পাইছে নে নাই তালৈ হলে কা'ৰো খবৰ নাই। গিৰিয়েকক উলিয়াই পঠিয়াই নিজেও ওলাল। মৰ কেনেকৈ মৰ্ৰ। এদিন দুদিন কৈয়ো যেতিয়া ভত্তাৰ 'নাৰাৰি'লো আৰু এৰি পেলাইছো।

“আমাৰ বোৱাৰীয়ে জগৰ লগাৰ ভয়ত আগতে কৰ সোণমায়ে মাতি পঠাইছিল। নাতিহঁত কৰ সোণপেহীয়ে মাতিছিল, কথা শুনি জিভাখন কামুৰি ধৰি খংটো মাৰ খেদাও।

“সোণমাইতো আজি আঠ নও মাহে মোৰ ঘৰ দেখা নাই। ময়ো যাও, বুঢ়ীজনীও যায় খবৰ বাতৰি কৰিবলৈ। পিচে ঘৰত টলা মাৰা। বিমুখ হৈ গুছি আহা। বাপুকতো লগ পোৱাৰ উপায়ে নাই। তাৰ কথা নকৰে, নিজে খুটি খাব পৰা হৈছে। এই কণ বাপুটোক কি'হ পাব। ক'ত থাকে, কি খাই'ছ, কি বুজিবা। মাজে মাজে নাতিহঁতক মাতিবলৈ কণ্ঠ সিহঁতে উত্তৰ দি'য় তোমাৰ মুখ চাবলৈ কিয় আহিব? মই তেতিয়া সোধো, হেৰৌ মই কি কৰিলো, তাৰ উত্তৰ দি সিহঁতে কয়—“তোমালোকে দেশখন খালা।” তোমালোকৰ বাবে আমি এই আন্দোলন কৰিব লগা হৈছে। আকৌ মই সিহঁতক বুজাও সিহঁতে নেমানে। ব্যক্তিটো পুৰাণ হে মাথো, ঘৰৰ পৰা বাজ হলেই সিহঁতৰ আচৰণৰ বাবে মই নিজে দুখীত। কি কৰিম। ঘৰখনত কিমান বহিম। অসমীয়া বাতৰি কেখনো পঢ়িবলৈ ভাল নলগা হ'ল। বাতৰি কেখনেহে বুজখন লগাই তুলিলে। অসমীয়া

বাগুৰি কেখনে অসমীয়াক বঙালী কেখনে বঙালীক জাগত কৰি তেওঁলোকৰ ব্যৱসায় বেছ জপকণীয়া কৰি তুলিছে। জাতীয় ধ্বনিৰ। অসমীয়া কেখনে লিখিব অসমীয়া জাতিৰ শেষ, বঙালীখনে লিখিব বঙালী জাতিৰ বিপর্যয়। ভাল যুঁজখন লগাই তুলিছে। আজি কিমান দিনৰ মূৰত যে ওলাৰে।

"গোটেইখনে নাতি নাতিনীৰ পৰ্বহে ভৰালী বোৱাৰীহঁতে সিহঁতক আৰু জগাই তুলিছে। আমাক আৰু কিয় মানিব হে। যত দোষ আমাৰ ওপৰত। এদিন নাতিহঁতক কৈ দিলো হোৰা তহঁতে নিজে নিজে আৰ্জি 'খা হক' মই ঘৰ ভাঁৰা দিম, তাৰে মই খাম। বাপৰে সিহঁতৰ কি গজৰ্নী চাবা। বোলে ঘৰ ভাৰা দিবলৈ তোমাৰ কি অধিকাৰ আছে তুমিহে ওলাই যাব পাৰা। বুজিছ', বুঢ়ীজনী লগত আছিল বুলিহে, বুঢ়ীয়ে যেতিয়া খেদি গ'ল ভীৰ ভীৰাই দৌৰ দিলে। এইখিনিতে ইমান, আৰু অল্প টোকোনা দি উঠিলেতো বিপদে। ল'ৰাহঁতে পঢ়িব শুনিব এৰি লাগি গ'ল আন্দোলনত। পঢ়া শুনা সকালো শেষ। বয বস্তুৰ দৰত মানুহ অধীৰ হ'ল। অফিচ আদালত গোটেইবোৰ অচল অৱস্থাত গ'ল। কি যে পৰিণতি হব। এইবোৰ ল'ৰাই যে পঢ়িব পাৰিব আশা নাই। এইচাম একেবাৰে শেষ।

ইষ্ট ইণ্ডিয়া কোম্পানী আহিল, চাকৰি কৰা শিক্ষিত মানুহ নাই বাবে হোৰে হোৰে ভাৰতৰ বিভিন্ন ঠাইৰ মানুহ আমদানী কৰিলে। ৰেল লাইন হ'ল, অসমীয়া মানুহ নাই বাবে বাহিৰা মানুহকে ললে। আকৌ যদি উদ্যোগ পাতি গঢ়ি উঠে, চাকৰিৰ বাবে উপযুক্ত শিক্ষিত মানুহৰ আৱশ্যক হয়। চাকৰি কৰাৰ বাবে উপযুক্ত মানুহ ক'ৰ পৰা ওলাব? চাকৰি লাগে প্ৰত্যেককে ঘৰৰ কাষত, নেফা মণিপুৰত দিলে হাত ভৰি লুকায়। ঘৰৰ কাষত কোনে কাক চাকৰি দিব হে? প্ৰাইমেৰী আৰু হাইস্কুল কেখনতে লাগে প্ৰত্যেককে চাকৰি।

শিক্ষকজন কোনোমতে নিযুক্তি হ'ল নে লাগি গ'ল ৰাজনীতিত। ৰাজনীতি কি একেবাৰে চুবাস্ত ভাবে? আগতে আছিল শিক্ষকসকল কংগ্ৰেছী। মুখে মুখে কংগ্ৰেছৰ জয়গান' কংগ্ৰেছ লিডাৰৰ ঘৰৰ পৰা এওঁলোক সুঠাই হ'ল। যেতিয়া কংগ্ৰেছে চাবি কাঠি টানকৈ ধৰিলে তেতিয়াই কংগ্ৰেছ এৰি হৈ পৰিল জনতা। জনতাৰ জয়ঢোল বজাই কংগ্ৰেছক মাৰিলে লাঠি। ৰাজহাড় নথকা জনতাৰ নেতা কেজনৰ পিচে পিচে জনতাৰ জয়গান গাবলৈ ধৰিলে। দেশজুৰি জনতাৰ বদনাম হবলৈ ধৰাত, এওঁলোক কেদিনমান মৌন হৈ ৰ'ল। জনতাৰ পৰাজয়ৰ পিছতে এওঁলোক লাগি পৰিল জাতি উদ্ধাৰত। আমিনো জাতিৰ বাবে ভবাই নাছিলোনে? অতদিন ভাৰতীয় সকলে আমাৰ লগত মিলা-মিচা কৰি এক ভাৰতীয় হৈ আছিল। যেতিয়াই এইখন লাগিল গোটেইবোৰ ফাৰক হৈ পৰিল। দেখাত আছে অন্তৰত নাই। আৰু নো কোনো ভাৰতীয় মানুহ অসমীয়াৰ লগ হব নে? মাৰোৱাৰী কেজন আছে ৰোকাৰ তালত। সিহঁতক লাগে ব্যৱসায়, লাগে লাভ। সিহঁতে মানুহতকৈয়ো বেছিকৈ পূজা কৰে গৰুক। আকৌ গৰুৰ কাৰণে যি ভুচি মল বিক্ৰী কৰে তাতো সিহঁতে ভেজাল কৰি গৰুক মাৰে। সেয়েতো সিহঁতৰ ধৰ্ম। ৰাতিপুৱাই উঠি বাটে পথে লগ পোৱা গৰুবোৰক সেৱা কৰি ৰুটি খুৱাই যাব, কাষতে খাব নোপোৱা জনে কাকুতি মিনতি জনালেও কেৰাহীকৈয়ো নাচায়। ল'ৰাহঁতক হাতত লৈছে, চাঁদা দিছে, সমাবেশত যোগদান কৰিছে, ইপিনে চোৰাং ব্যৱসায়ৰ যোগে হোৰে হোৰে লুটি পেলাইছে। ৰাজ্যখনে কিয় সুবুজা হ'ল।

আৰ এচ এচ এটা দল। দেশখনৰ মানুহখিনিক হিন্দুহে কৰে। যেন দেশখনৰ মানুহখিনি হিন্দু নোহোৱাই ভাৰত মাতাই ফাট হৈ মেলিছে। দেশৰ গোঁসাই ঘৰবোৰ কেঁচু মাটিৰে দম বান্ধিলে, দেৱালয় মন্দিৰ সমূহত জংগল গজিল, কতনা দুৰ্নীতি সেইবোৰলৈ চাবলৈ নাই।

মাথো দেশৰ মানুহখিনিক ভাৰতীয় কৰণ হে কৰে। দেশৰ লক্ষ্য লক্ষ্য যে হিন্দু নৰ-নাৰীয়ে লঘোনে দিন নিয়াবলৈ লাগিছে, থাকিবলৈ ঘৰ নাপায় বাটে পথে পৰি আছে সেইবোৰলৈ চকু নাই, চকু পৰিছে মুছলমান কেইজনৰ ওপৰত হে। বাতৰিখন মেলি লৈই পাব আজি বোলে ইমানজন হৰিজন নিধন হ'ল, কালি বোলে অমুক গাঁওখন জলাই দি হৰিজন সকলক জীয়াই জীয়াই পুৰি মাৰিলে। এই হৰিজনবোৰ হিন্দু নহয় নেকি? হাৰিয়ানাত জনতাৰ চৰকাৰ হ'ল আৰ্ এচ্ এচ্ দলৰে প্ৰাধান্য দেখা গল। তাত কি কৰিলে শ্ৰমিক সকলে দৰমহা বিছাৰি কৰা শোভাযাত্ৰাত হাবিৰ পছু গুলিয়াই মাৰাৰ দৰে এফালৰ পৰ মুনিহ তিৰোতা নোচোৰাকৈ গুলিয়ালে।

পন্থ নগৰৰ হিন্দু খেতিয়ক সকলক পথাৰতে গুলিয়াই গুলিয়াই পুতি থৈ শেষ কৰিলে। সেইবোৰ হিন্দু নহয় নে? কল কাৰখানাৰ মালিক, জমিদাৰ পুঁজি-পতি সকলে, তেওঁলোকৰ স্বাৰ্থ সিদ্ধিৰ বাবে আৰ্ এচ্ এচ্ দল গঠন কৰি, ভাৰতীয় পুঁজি-পতি সকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে দেশখনত এইবোৰ অৰাজকতা আৰম্ভ কৰিলে। অৰাজকতা কৰি জানো হিন্দুস্থান কৰিব পাৰিব? হিন্দুস্থানৰ নামত গৰীব হিন্দু সকলক নিধন কৰিবলৈ লৈছে। মানুহবোৰে এইবোৰ কিয় নাভাবে। মহাত্মা গান্ধীক যদি মাৰিব পাৰে সিহঁতে নোৱাৰে কি কৰিব? চি আই এৰ পৰা আমদানী টকা পাইছে, সৈন্য বাহিনী গঠন কৰি লৈ একেবাৰে লাগি গৈছে অৰাজকতাত। এই দলটোৱে কয়হে মুছলমান বিৰোধী বুলি সিহঁত ঘোৰ শত্ৰু হ'ল কমিউনিষ্টৰ। হেৰা! কমিউনিষ্ট কেইজনৰ কি দোষ হ'ল? সিহঁতেও বিচাৰে দলিত নিষ্পেষিত জনতাৰ মুখত ভাত এমুঠি যাতে পৰে তাৰ বাবেহে! ধনী-দুখীয়া নোহোৱা হব, সকলোৱে একে হব, প্ৰত্যেকে খাবলৈ পাব, কাম পাব, নিজৰ নিজৰ ভাষা কৃষ্টিৰ বিকাশ হব কিন্তু সিহঁতে যেইটো নিবিচাৰে। সিহঁতক লাগে উগ্ৰপন্থী, অৰাজকতা আৰু উশৃঙ্খল। ইয়াৰ পিচতে নগাৰ জনজাতীয়

মানুহৰ লগত আমাৰ মানুহৰ সংঘৰ্ষ। লাগে৷ লাগোকৈ আছেই এতিয়া বিস্ফোৰণ হোৱা নাই। যিদিনা বিস্ফোৰণ হব সেইদিনা দেশবাসীৰ চকু মেল খাব, প্ৰত্যেকে চকুলো টুকিব লাগিব। আমাৰ চৰকাৰ সমূহৰো এটাই কামনা কেনেকৈ ৰাজপদ পাব পাৰে। দেশৰ অৱস্থা কি হৈছে কি নহৈছে তালৈ চকু নাই তেওঁলোকক লাগে ভোট। ফুলুং চাপৰিত জনজাতীয় লোক সকলে চৰকাৰী মাটি ভাঙি লৈতাতে খৰালী মাহৰ খেতি কৰিছিল। তাতো এই আৰ. এচ. এচ. দলৰ চকু পৰিল। চকু পৰিবই, যি সকল ওচৰৰ মাতব্বৰ মতস্বৰ মানুহ আছে তেওঁলোকৰ আধিপত্য থাকে ক'ত। লৰাবোৰক লগাই দি চি আৰ পিৰ হতুৱাই দুজনে নে তিনিজন জনজাতীয় লোকক নিধন নকৰিলে নে?

ল'ৰাবোৰে আন্দোলন কৰিছে কৰক। যিবোৰ ফাইনেল ইয়াৰৰ ল'ৰা আছিল সিহঁতক আন্দোলনৰ পৰা ৰেহাই দিব লাগিছিল। বয় বস্তুৰ দৰ যাতে নিম্নগামী হয় তাৰ বাবে চকু দিব লাগিছিল। কিয় দিব? মাৰোৱাৰী কেজনে লেয়া পাব নহয়। বাপেক হঁতৰ ঘৰত ভাত পাইছে, সিহঁতে বস্তুৰ দৰ কম হৈছে নে বেছি হৈছে কি বুজে? আমাৰ দেশৰ কৰ্ণধাৰ সকলে নিবনুৱা সমস্যা সমাধান কৰাৰ একো পথ নাপায়। এজন কেৰাণী থকা ঠাইত নিযুক্তি কৰিলে বিশ ত্ৰিশ জনকৈ। ফলত ইখন টেবিলৰ পৰা সিখন টেবিললৈ কাগজখন যাওঁতে লাগে ছমাহ। এই কৰ্মচাৰীবোৰ হল টকাৰ পেটুৱা। টকা নহলে কোনো কামেই নকৰে। এই প্ৰবৃত্তিত প্ৰবৃত্ত হৈ দেশৰ বাবে হওক জনসাধাৰণৰ বাবে হওক কেনেকৈ ভাবে? দেশখন অগ্ৰগতিৰ পিনে আগুৱাইছে নে নিম্নগামী হৈছে তাৰ লক্ষ্য নাই। ঘটনাতো ক'ত বুজিবলৈ নোযায়। দেশৰ মাটি বাৰীখিনি যদি ৰাষ্ট্ৰীয় কৰণ কৰি কৃষি, মীনৰ, ডায়েৰীৰ উৎপাদনৰ বাবে যদি আগবাঢ়িল হেঁতেন তেতিয়াতো এইবোৰ প্ৰশ্ন নাহে। উদ্যোগ সমূহ যদি ৰাষ্ট্ৰীয় কৰণ কৰি তোলে কিমান লক্ষ ডেকাৰ কৰ্ম সংস্থাপন হব, দেশখনো ধনে

ধানে জয় জয় মন্ত্র মন্ত্র হয়। সেইটো কিয় কৰিব। সেইবোৰ থিয়ে কয় তাকে কয় কমিউনিষ্ট। আজি গাওঁবোৰৰ পিনে যদি চাও গাঁৱৰ কোনো সমস্যাই সমাধান কৰা নহ'ল। গাঁৱলীয়া বাইজৰ মাজত সাধাৰণ সাধাৰণ কথাতে একোখন যুঁজ লগাই দি সিহঁতকো শেষ কৰিব লাগিছে। গাঁৱৰ মানুহে খেতি ক'ৰ কিন্তু সিহঁতে লঘোনে থাকে। সিহঁতে বাহ, সিহঁতে খেৰ। কিন্তু চোৱা যদি সিহঁতৰ চালত খেৰ নাই। ঘৰবোৰ ভাঙি চিঙি গৈছে। সিহঁতৰ ঘৰতে খাইছিলো সিহঁতক লৈয়ে সংগঠন কৰিছিলো, আজি সিহঁতৰ দুখ দেখিলে বহু ভাব হয়, বহু চিন্তাই আহে। কংগ্ৰেছৰ নীতিৰ ভুলতে দেশ জুৰি জুই জ্বলিছে। চি আৰ, পিৰ লাঠি বন্দুকেৰে নো কিমান মাৰিব, কিমানক টঙনিয়াব? ছাত্ৰ সকলৰ এই আন্দোলনৰ পথ যদি পৰিবৰ্ত্তন কৰি শ্ৰেণী সংগ্ৰামলৈ ৰূপান্তৰ কৰা যায় তেতিয়া দেশখন উদ্ধাৰ হয়। সেই কিউবা, ভিয়েটনাম, কম্পুচিয়া পৃথিৱীৰ বুকুত গৰ্জি উঠিল। আমেৰিকাৰ অষ্টম নৌবহৰ ভিয়েটনাম বাসীয়ে ফু মাৰি উৰাই দিলে। কিমান ডাঙৰ দেশ, কিমান জনসংখ্যা আছে তাত? আমেৰিকাৰ হুঙ্কাৰ শুনি মোৰ মনত ভয়ে লাগিছিল, ৰাতৰিখন আহিলে আগেয়ে চাও ভিয়েটনামত কি হ'ল। উপযুক্ত নেতৃত্ব, উপযুক্ত দৰ্শন, উপযুক্ত মতবাদ পাবা। গোটেই ভিয়েটনাম বাসীয়ে আখৰে আখৰে পালন কৰি গ'ল। যাৰ বাবে পৰাজয়ৰ গ্লানি নাপালে, যাৰ বাবে সিহঁত পৃথিৱীৰ বুকুৰ পৰা নিশ্চিহ্ন নহ'ল। সেয়ে আদৰ্শ, সেয়ে মানৱ দৰ্শন সেয়ে বিপ্লৱ।

"এতিয়া দেখো দহ বাজিলে। কৈলাহক যাওঁগে।

"হেৰা বকৰা আক ক'ত যোৱাহে, যি মিলে গোটেই কেজনে ইয়াতে লেগ তেলেৰে খাওঁ। সেই সাজ ৰাতি বাক খোৱা হবা

"এইখন কিয় কৰে—।

"হেৰা এতিয়া মাৰা বজাৰ সমাৰ কৰা এক হুলস্থূল। গতিকে ইয়াতে হওক, ভৰালীও আহিছে যেতিয়া।

"গা-পা ধোৱা নাই ঘৰলৈ যাবই লাগিব।

"গা ধোৱা, পাইখানাত যোৱা সকলো সুবিধা আছে। হেৰা বাপুটি চৌকা জ্বলাৱা।

"হেৰা মোক বিদায় দিয়া। কালি বাত্তিপুৱাই যি ওলালো, এযাৰো কৈ নাহিলো।

"হেৰা, তুমিযে আকৌ আশ্ৰম বাসীও হোৱা, এতিয়া আকৌ ঘৰখন এৰিব নোৱাৰা হ'ল, এওঁক চোৱা।

"হেৰা বুঢ়ী জনীৰ কাৰণেহে যোৱাৰ কথা ভাবিছো।

"হেৰা, তোমাৰ প্ৰতি মৰম থকা হলে বিচাৰি নহাকৈ নেথাকিলহেঁতেন।

"নিবিচাৰাকৈ থকা নাই।

"কোনেই নিবিচাৰিব, লঘোণ গাঠি দি অনা নাইতো।

"এই সাঁজ হাঁহি মাতেৰে খাওঁ। খবৰ বাক পঠিয়াই দিও। চিন্তা কৰিব নালাগে। এনেদিন ক'ত পাবা? হেৰা কাপোৰকানি উলিয়াই দিয়া মানুহ কেজনে গা ধোৱক।

"এই বুঢ়া কেজনো একেবাৰে ল'ৰাৰ দৰেহে উঠিল। কি, যে লাগ বান্ধ নোহোৱা কথাবোৰ আওৰাই আছে, ভাগৰো নেলাগে নে? কালি ৰাতিয়াৰ পৰা গোটেই নিশা ক'ৰ টোপনি ক'ত গ'ল কবই নোৱাৰা হ'ল।

"হেৰা, আমিয়েই নহয়, তোমালোক বুঢ়ী কেজনীকো লগত নিব বিচাৰিছো। নাতি-পুতি ৰোৱাৰীইতক এৰিম। একেবাৰে এবাৰ সিদ্ধান্ত কৰিছো বুজিছা। আমি এতিয়া ভকত হৈ পৰিম। গৃহ সংসাৰ এৰিম বুজিছা।

"আপোনালোক বুঢ়ী কেজনীক এটা ঘৰ দিম, আমি এটা লম। কাৰ মেল টান হয় দেখা যাব।

"বুজা গৈছে। বুজা গৈছে। আপোনালোক গলেও আমাৰ বুঢ়াক ঘৰৰ পৰা উলিওৱা টান হব।

হেৰা এইবেলি নহব দিয়া। একেবাৰ সিদ্ধান্ত কৰি লৈছো। ল'ৰাইতে যদি পেঞ্চন দিলে দিলে, নহলেও একো কথা নাই। জমা-জৰিৰ খাই থাকিম।

"হৈছে, হৈছে বৰ কথাটো কৈছ, আগতে ঘৰৰ পৰা ওলাওক-চোন।

"বাৰু এটা কাম কৰা, গ'ল শুকাই গ'ল। আমালৈ একো কাপ চা'হ দি পঠোৱা। মেল ক্ষীণ হৈ পৰিছে।

"মই হলে শুনিবৰ পৰা এই আন্দোলনৰ বেহ ৰূপ চাই আছো। কামত একো নাহে। ল'ৰাবোৰৰ পঢ়া শেষ হ'ল।

"এই আন্দোলনৰ মূলগত কথা সেইটোৱে, ল'ৰাবোৰ যাতে পঢ়াৰ পৰা বিৰত থাকে।

"কি কৰা চৌধুৰী। যিবোৰ ল'ৰা আমাৰ আগেৰে অহা-যোৱা কৰোঁতে চুচুক-চামাককৈ গৈছিল সেইবোৰ ল'ৰাই এতিয়া ৰাজ আলিৰ মাজেৰে যিহে চিগাৰেট জ্বলাই যাব। সিহঁতৰ চুলিৰ, ব'হাৰাক চাবা নে গাৰ ৰমক জমক'ক চাবা। ক'ৰ পৰা যে এই কাপোৰবোৰ ওলালহি।

"এইবোৰ শিপালে আমেৰিকাৰ পৰা আমদানি কৰা হিপ্পী-বোৰে।

"বাৰু এই বিদেশীবোৰক খেদিলে আমাৰ সমস্যা সমাধান হবনে? কিমান মাটি পাম কিমান চাকৰি ওলাব?

"মাটি আৰু চাকৰিটো এটা ধ্বনি হে ঠিক "ইনক্লাব জিন্দা-বাদ"। একটি ধ্বনি নহলে জানো আন্দোলন হয়। অসমত, মণিপুৰত নেফা, মেঘালয়ত বিদেশী খেদা আন্দোলন, উত্তৰ ভাৰতত হ'ল হৰিজন বধা আন্দোলন, হাইদৰাবাদ আগ্ৰা আদিত হ'ল মুছলমান বিৰোধী আন্দোলন। বাৰু অসমত বিদেশী আন্দোলন মানিলো কিন্তু হৰিজন হঁতে কৰিলে কি? এইবোৰ কাৰচাজী ভাৰতৰ জমিদাৰ মহাজন পুজিপতি সকলৰ। আমি গান্ধীজীৰ এক সূত্ৰ প্ৰজা নুবুজিলো। সকলো

প্ৰজা এক ভাৰতীয় সূত্ৰৰ মূলতে এই বিভাজন, এইবোৰ খাণ্ডৱদাহ। বগা চাহাবক খেদিলো কিন্তু ক'লা চাহাবৰ ছাল আৰু ডাঠ। এক জালিয়ানা বাগৰ বাবেই হিংসা-অহিংসাৰ আন্দোলনৰ সূত্ৰপাত হৈছিল দেশজুৰি। কিন্তু এতিয়া জালিয়ানা বাগৰ হত্যাকাণ্ড দৈনন্দিনৰ হিচাবত পৰিল। এয়ে আমাৰ দেশ হ'ল, ইয়াৰ বাবে জেল জৰিমনা ফাঁচিৰ মঞ্চত হেজাৰ জন উঠিল। পুঁজিপতি জমিদাৰ শ্ৰেণীৰ এটাই কথা, কেনেকৈ দেশবাসীক শোষণ লুণ্ঠন কৰিব পাৰে। তাৰ বাবে যি অত্যাচাৰ নিৰ্য্যাতন সকলো ব্যৱস্থা কৰে শাসন যন্ত্ৰৰ হাতেৰে। পুজিপাতি সকলক লাগে ধন। সিহঁতক ধন লাগে দৌল সাজিবলৈ। ধন আৰ্জোতে যিমানে যি অত্যাচাৰ নিৰ্য্যাতন কৰিব লাগে লুণ্ঠন হত্যাকাণ্ড, ভেজাল, চোৰাংচোৱা কৰিব লাগে সকলো কৰে। চৰকাৰ সিহঁতৰ হাতৰ মুঠিত। ইহঁতৰ বাবে দেশ আজি দাল-দৰিদ্ৰ অৱস্থালৈ আগবাঢ়িব লাগিছে। লগৰ দেশবোৰ আগুৱাই গ'ল, কিন্তু এতিয়া আমাৰ নকৈ আৰম্ভ হ'ল হিন্দু-মুছলমান, অসমীয়া, বঙালী, তেলেগু, হিন্দুস্থানী। দেশবাসী খাব নাপায় জৰ্জৰিত। তাকো চেৰ পেলাই গৈছে সাম্প্ৰদায়িকতাই। নিৰ্বাচনবোৰ হ'ল সাম্প্ৰদায়িকতাৰ অস্ত্ৰ।

"মুজিবৰ, লিযাকৎ আলিৰ চুক্তিৰ কথাই নাছিল, সেই প্ৰশ্নই নাহিলহেতেন। কিন্তু ক্ষমতা লিপ্সু সকলে গাদীৰ লোভত বিভাজন পোনে পোনে মানি ললে। এতিয়া মৃত্যু আমাৰ। মৰণ আমাৰ। আমাৰ ত্যাগ বৃথাই গ'ল।

"বাৰু ভৱালী, লৰাহঁতৰ আন্দোলনে ইমান বেগতে গোটেই ৰাজ্যৰ চুকে কোনে কেনেকৈ বিয়পিলে হে।

"লৰাহঁতে পিকেটিং আৰু সত্যাগ্ৰহ কৰাহে আমি দেখিছো। ইয়াৰ ভিতৰত চৰাত বহু মানুহ, বহু কথা, বহু অভিসন্ধি, বহু কু-চক্ৰান্ত। মঙ্গলদৈৰ এম পি হীৰালাল পাটোৱাৰীৰ মৃত্যু নহলে কিজানি এই আন্দোলন নহ'লহেঁতেন। তেওঁৰ মৃত্যুত আসনখন খালি হ'ল।

জনতা পাৰ্টিয়ে দেখিলে এই চিট পাবলৈ হলে কিছু মুছলমান ভোটাৰ কমাব লাগিল। তাৰ বাবে প্ৰথম হৈ চৈ লগাই তুলিলে জনতা পাৰ্টিয়ে। জনতা পাৰ্টিৰ মন্ত্ৰী সভা যদি অসমত থাকিলহেঁতেন তেতিয়াও কিজানি এই আন্দোলন নহ'লহেঁতেন। জাতীয়তাবাদী দল আছিল যদিও মানুহৰ আস্থা কম আছিল। আন্দোলনৰ মূল ৰূপ দিলে গুৱাহাটী বিশ্ববিদ্যালয়ে। আমাৰ সৰু সৰু মানুহৰ কাজিযাবোৰতে ৰজন জনায় যায়। ডাঙৰ লোকৰ কথাবোৰ কিন্তু সামাজিক ভাৱে প্ৰকাশ নাপায়।

বিশ্ববিদ্যালয়ৰ অধ্যাপক সকলৰ ভিতৰত দুটা দল। প্ৰথম অৱস্থাত দুটা দল তেনেকৈ দেখা দিয়া নাছিল, কিছু সংখ্যক অধ্যাপকে বামপন্থী ৰাজনৈতিক দলৰ সভ্য হৈ ছাত্ৰ সকলৰ মাজত সংগঠন আৰু অধ্যায়ন চলাইছিল। বিনা সংগ্ৰামে বামপন্থী সংগঠন জীয়াই নাথাকে। বিশ্ববিদ্যালয় আৰম্ভ হোৱা দিন ধৰি বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰাত টকা পইচাৰ বৰ গোলমাল। বিভাগীয় আৰু বৰমূৰীয়া অধ্যাপক সকলে অবাধ গতিত টকা পইচা খৰচ কৰিলে মিছা হিচাব দেখুৱাই জমা খৰছৰ বহী মিলাই থলে। ইয়াৰ ফলত ছাত্ৰ সকলৰ শিক্ষাৰ যি সমূহ আহিলা। পাতিৰ প্ৰয়োজন সেইবোৰ ছাত্ৰ সকলে ঠিক মতে নোপোৱা হ'ল। তাৰ ভিতৰত কিছুমান চকু চৰহা লোক থাকে নহয়, তেওঁলোকে এই গোপন তথ্যবোৰ ছাত্ৰ সকলৰ মাজত দিলে উদঙাই। মাৰ্ক্সীয় ৰাজনীতিৰ চৰ্চা কৰা ছাত্ৰ আৰু ক'ত বহি থাকে। ছাত্ৰ সকলে অধ্যাপক সকলক এনে দুৰ্নীতিৰ বাবে সময়ে সময়ে তাগিদা দিয়া, তদন্তৰ বাবে অনুৰোধ কৰা কাৰ্য্যবোৰ হোৱাৰ পিছত যেতিয়া সেইবোৰ কোনো কামত নাহিল। তাৰ পিছত ছাত্ৰসকলে ঘেৰাও কৰাৰ পৰা, ইস্তফা পত্ৰ লিখি লোৱালৈ বহু কাণ্ড কৰিবলৈ ধৰিলে অধ্যাপক যদি এজন হ'লহেতেন সিও এটা কথা আছিল। দেখা গ'ল সৰহ ভাগ অধ্যাপকে এই দুৰ্নীতিত লিপ্ত হৈ পৰিছে। ছাত্ৰ সকলেও ইজনৰ পিছত সিজনকৈ দুৰ্নীতিত লিপ্ত অধ্যাপকৰ ওপৰত এনে ধৰণৰ আক্ৰমণ চলাই গৈ থাকিল।

অধ্যাপক সকলৰ মাজত সদৰি হৈ পৰিল, এই বামপন্থী ৰাজনীতি কৰা অধ্যাপক সকলে যে ছাত্ৰ সকলক লগাই দিছে এনেকৈ। তাৰ পিছত স্পষ্ট দুটা দল হৈ পৰিল। তেওঁলোকৰ মাজত যি আন্তৰিকতা আছিল সিও নাইকীয়া হ'ল। ইয়াৰ পিছতে দেখা গ'ল পৰিয়াল সমূহৰ মাজতো যি সম্বন্ধ আছিল সেই সম্বন্ধবোৰ আতৰি যাব ধৰিলে। দেখা দেখি আমাৰ গাঁৱৰ চাট ফালাৰ দৰে হৈ উঠিল। বামপন্থী ৰাজনীতি কৰা অধ্যাপক সকলৰ এটা স্বভাৱ, ছাত্ৰ সকলৰ মাজত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ বিস্তাৰ কৰা। সেই হিচাপে বিশ্ববিদ্যালয়ত ভৰ্ত্তি হোৱা ছাত্ৰ সকলক তেওঁলোকে লগ ধৰি, তেওঁলোকৰ লগত আলোচনা চলাই গৈ থাকিল। ছাত্ৰ সকলৰ মাজত সুকীয়াভাবে ছাত্ৰ সংগঠন গঢ়ি উঠিল। তাৰ মাজৰ পৰা বচা বচা দুই এজনক লৈ গৈ পাৰ্টিৰ সভ্য কৰি গৈ থাকিল। ছাত্ৰ সকলৰ মাজত বামপন্থী ৰাজনীতি কৰা অধ্যাপক সকল অতি প্ৰিয় হৈ উঠিল। এই সকল অধ্যাপকে বিশ্ববিদ্যালয়ৰ ভিতৰাতে আৱদ্ধ নাথাকি নানা ধৰণৰ আলোচনী প্ৰকাশত লাগিল। বিভিন্ন সমাজলৈ গৈ ৰাইজৰ মাজত শ্ৰেণী চেতনা জগাবলৈ লাগিল। যি সকল অধ্যাপকে বামপন্থী ৰাজনীতিৰ পৰা আতৰি আছিল তেওঁলোকে প্ৰায় এঘৰীয়া হৈ পৰিল। ক্ৰমান্বয়ে বামপন্থী ছাত্ৰ সমাজৰ পৰা এই সকল অধ্যাপকে অপমান অপযশ লৈ লৈ অৱশেষত তেওঁলোকো বাধ্য হ'ল তেওঁলোকৰ মাজত সংগঠন গঢ়ি তুলিবলৈ। ৰাজনীতিত লিপ্ত অধ্যাপক সকলৰ চলন ফুৰণ সাধাৰণ আছিল আৰু গহীন গাম্ভীৰ্য্যই তেওঁলোকক স্পৰ্শ কৰিব পৰা নাছিল। যি সকল অধ্যাপকে এই ৰাজনীতিৰ পৰা আতৰি আছিল. তেওঁলোকৰ ছাত্ৰৰ লগত বিশেষ সম্বন্ধ নাছিল, শ্ৰেণীৰ মাজতে যি কথা বতৰা হয়। তেওঁলোক আছিল অতি গহীন গম্ভীৰ, চলন-ফুৰণতো আভিজাত্যৰ মাফ কাঠিৰে চলিছিল। ঠিক তেনে ধৰণে পৰিয়ালৰ পৰিবেশবোৰো হৈ উঠিলে। বিশ্ববিদ্যালয়ৰ ভিতৰত যিবাৰ কথা-বতৰা

সেইবোৰতো দলাদলিৰ সৃষ্টি হৈ থাকিল। আৰু এই ভেদাভেদে ঊনৈশশ পশত্তৰ চনৰ ভাষা মাধ্যম আন্দোলনত ভালকৈয়ে প্ৰকাশ পালে। বামপন্থী ৰাজনীতি কৰা অধ্যাপক আৰু ছাত্ৰই পৰীক্ষা বৰ্জন আন্দোলন আৰম্ভ কৰিলে। বিশ্ববিদ্যালয়ৰ ভিতৰত চি আৰ পি বাহিনী সোমাল, ছাত্ৰ-ছাত্ৰীৰ মাজত নানা অত্যাচাৰ নিৰ্য্যাতন চলিল, কোন ছাত্ৰ অধ্যাপকে গ্ৰেপ্তাৰী বৰণ কৰিলে। আনহাতে বিপৰীত দলৰ অধ্যাপক সকল ব্যস্ত হৈ পৰিল পৰীক্ষা চলোৱাৰ বাবে এই সকল অধ্যাপকে পৰীক্ষা দিবলৈ সন্মত কৰাৰ বাবে ছাত্ৰ সকলৰ মাজত সোমাই পৰিল। পৰীক্ষা বৰ্জন আন্দোলন অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি পৰিল। পৰীক্ষা হ'ল, কিছু সংখ্যক ছাত্ৰই পৰীক্ষা দিলে যদিও অধিক সংখ্যক ছাত্ৰ পৰীক্ষাৰ পৰা বিৰত হৈ পৰিল। পৰীক্ষা চলোৱাৰ সাপেক্ষে থকা অধ্যাপক সকল চৰকাৰৰ প্ৰিয় ভাজন হৈ পৰিল। এই আন্দোলনত ব্যৰ্থ হোৱা অধ্যাপক সকলে বিশ্ববিদ্যালয়ৰ চৌহদৰ পৰা আৰু ছাত্ৰ সমাজৰ পৰা বামপন্থী ৰাজনীতি বহিষ্কাৰ কৰাই নহয় একেবাৰে মশিমূৰ কৰাত লাগি গ'ল। এতিয়া এই সকল অধ্যাপক লাগি পৰিল অসমীয়া জাতিৰ উদ্ধাৰৰ হকে। ছাত্ৰ সকলক বুজাবলৈ ধৰিলে আৰু এক শ্ৰেণীৰ ছাত্ৰ তেওঁলোকৰ কাৰায়ত্ব হৈ পৰিল।

তেওঁলোকে স্বকীয়া ভাৱে ছাত্ৰ সংগঠন কৰি তুলিলে। ছাত্ৰ সকলৰ যোগে অসম ব্যাপি সংগঠনৰ কাম চলাই গ'ল। জাতীয়তাবাদী সকলৰ সুৰাতে সুৰ মিলাই এই ছাত্ৰ সংগঠন আগবাঢ়ি গৈ থাকিল। অধ্যাপক সকলে কিন্তু ছাত্ৰ সকলৰ ওপৰাতে ভাৰ এৰি দি বহি নাথাকিল। তেওঁলোকেও প্ৰচাৰ আৰু সংগঠন আৰম্ভ কৰিলে ৰাজ্যৰ প্ৰথম বুদ্ধিজীৱিৰ মাজত। তেওঁলোকৰ মাজত আন্দোলন চলাই যোৱাৰ বাবে স্বকীয়া কমিটি পৰ্য্যন্ত গঠন কৰি পেলালে। গোটেই ৰাজ্যৰ শিক্ষক অধ্যাপক যে এই আন্দোলনৰ সক্ৰিয় হৈ পৰিল। এয়ে মূল কথা। ৰাজ্যৰ সমূহ কলেজে এই আন্দোলনত

আগভাগ ললে। প্ৰফেচাৰ সকল যেতিয়া লাগি গ'ল হাইস্কুলৰ শিক্ষক সকল বহি থাকিবনে? তাৰ পিছতে প্ৰাইমেৰীৰ শিক্ষক সকলো লাগি পৰিল। ৰাজ্যৰ বুদ্ধিজীৱি শ্ৰেণী উঠি পৰি লগাত সাহিত্য, সংস্কৃতি কলা বিষয়ত লিপ্ত থকা সকলো একব্ৰতী হৈ লাগি গ'ল।

আৰু এক মজাৰ কথা হ'ল, অসম চৰকাৰে শিক্ষিতৰ সংখ্যা বঢ়াবলৈ স্বৰ্গীয় আশুতোষ মুখাৰ্জীৰ উদাহৰণ লৈ প্ৰৱেশিকাত উত্তীৰ্ণ হব নোৱাৰা ছাত্ৰ সকলক যথেষ্ট ভাবে সহায় আগবঢ়ালে। আৰু এই ছাত্ৰ সকলৰ বাবে অল্ড কৰ্চ নাম দি পৰীক্ষাৰ প্ৰশ্নৰ ব্যৱস্থা হ'ল। যি সকল ছাত্ৰই পৰীক্ষাত উত্তীৰ্ণ হোৱা নাছিল, যি সকল ছাত্ৰ অষ্টম নৱম শ্ৰেণীৰ পৰা পঢ়িব এৰি নিজ নিজ ব্যৱসায়ত ধৰিছিল প্ৰত্যেকেই এই শুভ সংবাদ পাই পৰীক্ষাত আহি বহি গ'ল। এইচ এচ এল, চি পৰীক্ষাৰ প্ৰাৰ্থীৰ সংখ্যা বৃদ্ধি পোৱাত পৰীক্ষা কেন্দ্ৰ চাৰি পাঁচ মাইল অন্তৰে অন্তৰে আৰম্ভ হ'ল। ঘৰৰ বন্ধা ভাত খাই পৰীক্ষাৰ্থীয় পৰীক্ষাত বহাৰ সুযোগ পালে। এইবোৰ পৰীক্ষাৰ নীৰিক্ষক হ'ল আশে পাশে থকা হাইস্কুলৰ এম ই স্কুলৰ শিক্ষক সকল। পৰীক্ষা বুলিলে যি গহীন পৰিবেশ, যি পৰীক্ষাৰ্থীৰ বুকু কপা অৱস্থা সেইটো নোহোৱা হৈ পৰিল। প্ৰথমবাৰত উত্তীৰ্ণ হব নোৱাৰিলে দ্বিতীয়বাৰ আকৌ দিলে, দ্বিতীয়বাৰ পৰীক্ষাত উত্তীৰ্ণ নহ'ল আকৌ তৃতীয়বাৰ। মুঠতে উত্তীৰ্ণ নোহোৱালৈকে পৰীক্ষা দিয়াৰ সুবিধা পাই থাকিল। মুঠ কথা ৰাজ্যৰ প্ৰায়ে এইচ এল চি পৰীক্ষাত উত্তীৰ্ণ হ'ল। ৰাজ্যত ছাত্ৰৰ সংখ্যা বৃদ্ধি পালে। পুৰণি কলেজ সমূহে ছাত্ৰক ঠাই দিব নোৱাৰা হ'ল, লগে লগে বহু কেইখন কলেজে জন্ম পালে। নিজৰ গাঁৱতে বা অঞ্চলতে যেতিয়া কলেজ হ'ল যি সকলে অল্ড কৰ্চত উত্তীৰ্ণ হ'ল গোটেইবোৰ আহি পুনৰ কলেজত নাম ভৰ্ত্তি কৰি ছাত্ৰ জীৱন আৰম্ভ কৰিলে। যিয়ে পঢ়িব এৰি হালৰ মুঠিত ধৰিছিল সিও এতিয়া কলেজ ষ্টুডেন্ট হৈ পৰিল। ছাত্ৰক

প্ৰৱেশিকাত উত্তীৰ্ণ কৰিলে কিন্তু চাকৰিৰ ব্যৱস্থা কৰি দিব নোৱাৰিলে। কলেজৰ বতাহ গাতে লাগিল। যেতিয়াই এই আন্দোলন আহি পালে স্কুল কলেজত ধৰ্মঘট কৰাৰ কথা যেতিয়াই আহি পালে আৰু কি লাগে। মাজতে পৰীক্ষা হোৱাৰ কথা আছিল। চাৰিওপিনে পৰীক্ষা বন্ধ কৰাৰ ঢৌ যেতিয়াই উঠিল আৰু কোনে পায়?

আৰু এটা কথা হ'ল ইয়েই হ'ল, মূল তত্ব. অসমত স্বাধীনতাৰ আগত বৰ বিশেষ শিক্ষিত মানুহ আৰু শিক্ষিত পৰিয়াল নাছিল। যিটো পৰিয়ালে অৱস্থাপন্ন সেই পৰিয়ালটোতে আছিল শিক্ষাৰ পোহৰ। অৱস্থাপন্ন পৰিয়ালবোৰ, শিক্ষা লাভ কৰাৰ উপৰিও সমাজত তেওঁলোকে বিশেষ প্ৰভাৱ পেলাইছিল। এনে পৰিয়াল গাঁও-খনৰ মাজত কাচিৎহে এঘৰ ওলাইছিল। এই পৰিয়ালটোৱে নিজৰ বংশ মৰ্যাদা বৃদ্ধি কৰাত লাগিছিল, গাঁৱত শোষণ শাসন দুয়ো-টাকে চলাইছিল। গাঁৱৰ অঞ্চলৰ মাজত কোনো পৰিয়াল শিক্ষাৰ ক্ষেত্ৰত বা আৰ্থিক ক্ষেত্ৰত আগবঢ়াৰ উপক্ৰম কৰিলে এই পৰিয়াল সমূহে নানা বুদ্ধি কৌশল কৰি তেওঁলোকৰ প্ৰগতিত বাধা দি থাকি-ছিল। ষাঠি চনৰ পিছৰ পৰা অসমৰ গাৱে-ভূঞে হাইস্কুল সমূহ যথেষ্ট ভাবে গঢ়ি উঠিল আৰু প্ৰায় অঞ্চলৰ মাজত কলেজ স্থাপন হ'ল। গাঁৱৰ দুখীয়া গৰীৱ পৰিয়াল সমূহে শিক্ষা লোৱাৰ সুচল সুবিধা পালে। কবলৈ গ'লে একে দোপে অসমখন শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট ভাৱে আগবাঢ়ি গ'ল। এই সকলৰ মাজৰ পৰা প্ৰতিযোগিতাত চাকৰিৰ স্থান অধিকাৰ কৰি পেলালে পূৰ্বৰ যি সকল সামন্ত-বাদী লোক আছিল তেওঁলোকৰ লগত এই শ্ৰেণীৰ এটি শীতল ভাৱে সংঘাত আহিবলৈ ধৰিলে। গাঁৱৰ বাৰী বিধবাৰ ঘৰতো স্নাতক ওলাল। গৰীৱ মানুহৰ ঘৰতো শিক্ষাই বেচ আধিপত্য বিস্তাৰ কৰিলে। পুৰণি সামন্তবাদী সকল শিক্ষাৰ প্ৰতিযোগিতাত পিচ পৰিবৰ বাধ্য হ'ল যদিও আভিজাত্য এৰা নাছিল।

ঘৰে ঘৰে শিক্ষিত লোক ওলোৱাৰ পিছত, সমাজত এটি পৰিবৰ্ত্তন দেখা গ'ল। পূৰ্বৰ সামন্তবাদী সকলে গাঁৱৰ জনসাধাৰণৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰা হ'ল। তেওঁলোকক মানুহে নমনা হ'ল। সমাজ ডেকা সমাজৰ অধিকাৰলৈ গ'ল। ঠায়ে ঠায়ে ন-পুৰণিৰ মাজত ব্যক্তিগত সংঘৰ্ষ হবলৈ ধৰিলে সামন্তবাদী সকলৰ আধিপত্য কোনো ক্ষেত্ৰতে নাহোৱা হৈ পৰিল। তেওঁলোকৰ সন্মান বহু পৰিমানে কমি গ'ল। সমাজত নানা প্ৰকাৰৰ আলোড়ন উঠিবলৈ ধৰিলে ন-চামে পুৰণি বৈশিষ্ট্য নমনা হ'ল, ধৰ্মৰ বান্ধবোৰ শিঠিল কৰিবলৈ লাগিল। সমাজৰ কপ্‌কপীয়া বান্ধোন সমূহ খুলি পেলালে। এক কথাত কবলৈ হলে যুক্তি যুক্ততা নাথাকিলে কোনেও কাকো নমনা হ'ল। শিক্ষাৰ সম্প্ৰসাৰণৰ পিছতে সৰুৱে ডাঙৰে প্ৰায় পৰিয়ালত চাকৰিও হ'ল, কোনোৱে ব্যৱসায় কৰিলে। একেবাৰে শিক্ষাৰ পোহৰ নোপোৱা, কৃষিত ব্ৰতী হৈ থকা পৰিয়ালৰ বাদে বাকী পৰিয়াল বোৰত নতুন নতুন আভিজাত্যৰ ঢং সোমাবলৈ লাগিল। পূৰ্বৰ সামন্তবাদী পৰিয়াল সমূহে এই আন্দোলনৰ ঢৌ অহাত কিছু সকাহ পালে আৰু উঠি পৰি লাগিল আন্দোলনৰ প্ৰচাৰত। আৰু যাতে নকৈ শিক্ষাৰ সম্প্ৰসাৰণ নহয় নতুন শ্ৰেণীতো যাতে শিক্ষাৰ পৰা বঞ্চিত হৈ পৰে। অৰ্থাৎ এওঁলোক লাগিল আন্দোলনৰ মাধ্যমেৰে সমাজত পশ্চাৎ ঘাটি ৰূপ লোৱাত।

"এতিয়া ৰাইজ উঠক, বেলিও হৈ আহিল গা-পা ধোৱক।

"অ' সভা স্থগিত কৰাই ভাল। এতিয়া স্নান পৰ্ব আৰম্ভ কৰা হওক।

"হেৰা নহলে ব্ৰহ্মপুত্ৰলৈ গৈ মেলানি পানীত সাঁতুৰি সাঁতুৰি গা ধোগৈ। বহু বছৰ সাতুৰিবও পৰা নাই।

"সাঁতুৰিব পাহৰাই গ'ল।

"হেৰা, কেদিন থকাৰ আশাত ইতি কিয় পেলোৱা।

সাঁতোৰা পৰ্ব বাথৰুমৰ চৌবাচ্চাতে আৰম্ভ কৰা।

"আমিও দেখাক দেখি চৌবাচ্চাহে কৰিলো। কেইবাল্টিমান পানী ধৰা হিচাপে।

"এৰা চাহাবক দেখি আমি বহুতো কৰিলো। কিন্তু প্ৰত্যেকটো কাৰ্য্যাই আমাৰ আধা খৰলিয়া হ'ল হৰই ময়ূৰক দেখি কাউৰীয়ে পেসন ধৰিব গলে।

দুপৰীয়াৰ সাঁজো বাৰাণ্ডাতে আৰম্ভ হ'ল। ৰাতিৰ সাঁজৰ দৰে কল হাতত ভাত আঞ্জা দি গ'ল। কাঁহি-বাতিৰ প্ৰয়োজন নহ'ল।

"তোমালোকে ভাল আয়োজন কৰিছা দেই। পুৰণি দিন-বোৰলৈ আকৌ উভতি যাবলৈ মন যায়। এতিয়াহে বুজিছো তোমা-লোকৰ মজলিচ। যোৱা নিশ মোকো খবৰ দিয়া হলে বৰ আনন্দ পালো হৈ দিয়া।

"কোনো আপচোচ নকৰিব ভৱানী। এই ব্যৱস্থা আমাৰ চলিয়ে থাকিব। ইয়াক জিন্দাবাদ কৰিবই লাগিব।

'হেৰা বহু কাজ পাতিলো, বহু খানা খালো কিন্তু আমোদ নাইহে। অহাই আহিছে, খোৱাই খাই গৈ আছে একোটি পৰ্বহে। চিনাকী অচিনাকী নাই, ডাঙৰ সৰু চাবলৈ নাই, প্ৰত্যেকে মূৰ তল কৰি খাইহে থাকিল। ইফালে সিফালে চাবলৈ নাই, হাঁহি মাত, কথা বতৰা একোৱেই নাই।

খাই খাই পেটটো গেৰেলা হলে যেনিবা খোৱা হ'ল, তেতিয়াহে উঠিল। সেইটো হৰই খাবলৈ মাতিছে যেতিয়া খোৱাই কাম। কোন ক'ৰ পৰা আহিছে, কাৰ কি মৰ্য্যদা, কোন কাৰ বয়সৰ তাত আৰু বাচ-বিচাৰ নাই।

"সেইবাবেতো পিকনিকবোৰ জোৰত চলিছে। আমাৰ কথা হ'ল, আমি যেতিয়া বহিম, ৰান্ধনী বাঢনি, লিগিৰা লিকচৌ কোনো কতো থাকিব নোৱাৰিব। সিঁহতৰ কাম আগতে শেষ হব লাগিব

ভাত আপ্পা মুকীয়াকৈ আমাৰ মাজত থৈ যাব লাগিলে আমি তাৰ পৰা লৈ লৈ যাম। সেয়েহে মজলিচ। খাওতে যদি হাঁহি মাতি যাব নোৱাৰো তাকো খানা বোলে নে হে!

"পিচে মেধি! বোৱাৰীকনো কেনে পাইছা।

"বোৱাৰীকনো কেনে পাম, ৰাতিপুৱাই ওলাই যাব, ৰাতি আহি ঘৰ সোমাব, পিকেটিং সত্যগ্ৰহতে ব্যস্ত।

"এৰা! এই আন্দোলন টো লৈ গৱেষণা কৰিব লগীয়া হৈছে। এই আন্দোলনে অসমীয়া সমাজখন একেবাৰে ওলট-পালট কৰি পেলালে। আন্দোলনৰ ফলত অসমৰ পৰা বিদেশী নাযায় কিন্তু কেন্দ্ৰৰ চৰকাৰে অসমৰ কথা এবাৰ নহয় এবাৰ সুঁৱৰি থাকিব লাগিব। আৰু সেই মাহীমাকৰ চেনেহৰে চাব নোৱাৰিব এইটো হলে ঠিক। কিন্তু অসমীয়া সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন কেনেভাৱে আগবাঢে সেইটো চিন্তা কৰিব লগীয়া। ইতিমধ্যে বোৱাৰী হঁতে মুখৰ ওৰণি খন আতৰ কৰিলে, সিহঁতে গৈ ৰেষ্টুৰা হোটেলত ভাত চাহ খোৱা আৰম্ভ কৰিলে, ডেকাহঁতে কাকো কাতো ড'ঙৰ সৰু নোচোৱা হ'ল, ইয়াৰ পিছত যে স্কুল কলেজত পঢা হব, পৰীক্ষা হব, সিও চিন্তাৰ বিষয়?

"এইটো হলে ঠিক, যি সকল শিক্ষক, প্ৰফেচাৰে ছাত্ৰ সমূহক উচতাই দিছে এই ছাত্ৰক যে আৰু কণ্ট্ৰল কৰিব পাৰিব নাভাবিব। পৰীক্ষাৰ আগে আগে গৈ কব পৰীক্ষা বন্ধ কৰক। বিনা পৰীক্ষাই আমাক পাচ কৰি দিয়ক। পৰীক্ষা যদি হয়ো কেতিয়াবা, ভাত আৰু নকল ধৰা ব্যৱস্থা উঠি যাব। জীৱনৰ ভয়নো কাৰ নাই? দোকানদাৰী সকলৰ বিপদ আহিল। যি যি মাল লাগে ফৰ্দখন আগত পেলাই দিব, মলখিনি লৈ ওলাই যাব, পইচা যে দিব লাগে এই ব্যৱস্থা নচলিব। বেঙ্কবোৰত ডেকাসকল যাব আমাক টকা দিয়ক। আমি কোনো নীতি নিয়ম মানিব নোৱাৰো, হয় টকা দিয়ক নহলে জীৱন নাথাকিব? টকা-পইচা লৈ কৰো মানুহ কতো

যাব নোৱাৰিব। পদে পদে বিপদ আহিব।

"হেৰা মই কেদিন মান আগতে কেথনমান গাঁৱলৈ গৈছিলোঁ। মোৰ চিনা-জনা মানুহ এঘৰত সোমালো, বোলে মাতেদি যাওঁ মই যোৱা দেখি গাঁৱৰে কেবাজ'না মানুহ আহি মোক লগ ধৰিলে। কথা-বতৰা হলো। সিহঁতে মোক সুধিলে "বাবু এই যে ল'ৰাহঁতে আন্দোলন কৰিছে আমি বোলে মাটি পাম হয় নেকি? আৰু এজনে সুধিলে 'বাবু এই ল'ৰাবোৰক আটাইকে চৰকাৰে চাকৰি দিব পাৰিবনেকি?" আকৌ আন এজনে সুধিলে "এই ল'ৰাবোৰে এই যে জেলত সোমাইছে, পিকেটিং কৰিছে ইহঁতে বোলে পেন্সন পাব হয নেকি? কথাবোৰ মানুহৰ মাজত এইদৰে শিপাইছে। আন্দোলন শেষৰ পিছত যি হতাশা আহি পৰিব তাক চম্ভালা অতি ভয়ঙ্কৰ হব। গুৰুতৰ পৰিবেশ আহিব। আন্দোলনৰ পিছত হে কাৰ্ফিউ চলিব যেন পাও। নহলে চম্ভালা টান হৈ উঠিব। আন্দোলন শেষত কিন্তু কোনো ৰকমো ভাৰতীয় মানুহ থাকিব নোৱাৰিব দেই। বিশেষকৈ ব্যৱসায় বাণিজ্য কৰি।

"আন্দোলনৰ কাৰ্য্যসূচী আৰু নাই। এটা এটাকৈ এৰি এৰি পুনৰবাৰ পুনৰ যাত্ৰা আৰম্ভ কৰিছে।

"জ্যোতিবসুই কিন্তু সাংঘাটিক কথা কৈছে দেই।

"অসমৰ এই আন্দোলন এটা বনভোজ খোৱা পৰ্বৰ দৰে হৈছে। 'ভাল সাহস কৰি কৈছে দেই।

"কলিকতাত বহি থাকি বহু কথাই কবপাৰি। ইয়াত কলে কিন্তু বিপদ আছিল।

"কিয় হীৰেণ গোঁহায়ে দেখো কৈ য় আছে। কলাখাৰ, নাগৰিক দুয়োখনে অবিৰাম এইবোৰকে কৈ আছে, কি কৰিব পাৰিছে।

"আন্দোলন টো সত্যগ্ৰহ, পিকেটিং আৰু গ্ল গানৰহে।

"এই আন্দোলনত গাঁৱে গাঁৱে চাইনবোৰ্ড লিখোতে কমেও তিনি মিটাৰ কাপোৰ গৈছে। দুইমিটাৰ গৈছে নিচানত, আৰু

একোখন কৈ গৈছে বেজত।

বেজত বেছি গৈছে। এবাবেতো লোৱা নাই। যেতিয়াই কোনো এজন শ্বহীদ হল শোক হিচাপে লৈছে। ক'লা বেজ ক'লা পতাকা আকৌ যেতিয়া পার্লিয়ামেণ্টত নিহাৰঞ্জন লস্কৰে শপত গ্ৰহণ কৰে সিদিনাও ললে। মুঠতে মাজে মাজে লৈয়ে আছে। আকৌ তাৰ মাজত বগাও লৈয়ে নহয়। তিনি ইঞ্চি কৈ হলেও একখানত কৈ বেছিকৈ গৈছে।

"প্ৰথম আন্দোলন হ'ল বিদেশী ভোটাৰক ভোটাৰ লিষ্টৰ পৰা বাদ দিয়া হয়। আন্দোলন হ'ল বিদেশী ভোটাৰৰ নাম বাদ নপৰাকৈ কোনো নিৰ্বাচন হব নোৱাৰে। অ, নহয়। প্ৰথম আছিল বাহিৰাগত সকলৰ নাম বহিস্কাৰ কৰা। তাৰ পিছত আহিল নিৰ্বাচন বন্ধ। হ'ল- লাঠি চাৰ্জ মৰিল খৰ্গেশ্বৰ তালুকদাৰ। লাগে লাগে আৰম্ভ হ'ল শোক সমদল, মৌন সমদল, তাৰ পিছত আহিল সঙ্কল্প দিবস। শ্ৰাদ্ধ পৰ্ব। তাৰ পিছত টকা পইচা লৈ গৈ শ্বহীদ সমাধিত মাল্য দান। তাৰ পিছত আকৌ কাছাৰৰ নিৰ্বাচন বন্ধ পৰ্ব। আকৌ আৰম্ভ হ'ল কাচাৰৰ এম পি দুজনৰ শপত গ্ৰহণৰ দিনা কলা দিবস। উত্তৰ কামৰূপত হোৱা সামৰিক বাহিনীৰ অতি সচাৰ প্ৰতিবাদ দিবস। আকৌ আহিল নাৰী নিৰ্যা- তন দিবস। ইয়াৰ পিছত আহিল বিদেশীৰ হাতত ঘৰবাৰী হেৰোৱা অসমীয়া শৰণাৰ্থীৰ সাহায্য কাৰ্য্য। এই সাহায্য কাৰ্য্যও কিছুদিন চলিল। তাৰ পিছত কেন্দ্ৰীয় চৰকাৰক পঙ্গু কৰাৰ বাবে অসমৰ তেল চালন বন্ধ। পাইপ লাইনেৰে তেল পঠোৱা বন্ধ। আকৌ গণ সমাবেশ, আকৌ পিকেটিং আকৌ সত্যাগ্ৰহ। অসম বন্ধ। কৰ্মচাৰী সকলৰ সহযোগ পাই আকৌ আন্দোলনে গুৰুতৰ ৰূপ ললে। কৰ্মচাৰী সকলৰ দৰমহা কৰ্ত্তন হ'ল, কিছুমানক চাকৰিৰ পৰা নিলম্বিত কৰিলে, আকৌ আহিল কৰ্মচাৰী নিৰ্য্যাতন দিবস। শান্তি সম্প্ৰীতি দিবস।

"হেৰা, ৰাজনৈতিক খেলখন চাব লগা হৈছে। চৰকাৰে কিবা

এখন অধ্যাদেশ জাৰি কৰে এওঁলোকে হাইকোর্ট ক'ৰে, আকৌ স্থগিত। মানুহক গ্ৰেপ্তাৰ ক'ৰ তাৰ বাবেও চৰকাৰৰ এক বিৰম্বনা। হাই-কোর্টত আনি হাজিৰ কৰিব লগা হয়। চৰকাৰে অশান্ত অঞ্চল বুলি ঘোষণা কৰে, লাঠি চালনা কৰে আকৌ ৰাজনৈতিক দলবোৰে এইবোৰ উঠাই লবলৈ দাবী কৰে। শ্ৰীমতী গান্ধীয়ে এনত্তৰ চন নেৰে আন্দোলন কাৰী সকলেও এৰি নিদিয়ে। বেছ মজা হৈছে দেই। এতিয়া লাগিল বেচেৰা মৈমিনচিঙিয়া যাত্ত গঞ্জা কেৱলৰ ওপৰত হে ভালকৈ লাগিল দিয়া। ভাৰতীয় ৰজা সকল আহিল বঙ্গ অধিকাৰ কৰিবলৈ, অসম অধিকাৰ কৰিবলৈ লগত সৈন্য হিচাপে লৈ আহিল বাটে পথে যাক য'ত পালে তাকে ধৰি। যোৱাৰ সময়ত আকৌ সিহঁতৰ বিচাৰ নকৰি এৰি গ'ল। ইহঁত হ'ল বঙ্গৰ ৰজা সকলৰ কৃতদাস। ৰজা বাৰ উঠি গ'ল। হ'ল জমিদাৰ। জমিদাৰৰ অধীনত চাকৰ হিচাপে থাকি থাকি, মাৰ কিল খাই খাই গাৰ চাল ক'লা পৰি গ'ল। শিক্ষা-দিক্ষা সকলোৰে পৰা হ'ল বঞ্চিত। কি যে পৰিশ্ৰমী। অথচ সিহঁতৰ খোৱা মুঠি নোজোৰে। সিহঁতৰ ওপৰতে জমিদাৰৰ তহলদাৰী বাহিনীৰ চাবুকৰ লাঠিৰ কোব। জমিদাৰৰ অত্যাচাৰৰ পৰা মুক্তি পোৱাৰ কামনাৰে পলাই পলাই আহি পালে অসম। সিহঁতৰ ওপৰত যে কিমান ৰকমৰ অত্যাচাৰ। সেইবেলি পঞ্চাশ চনত ঘৰবাৰী পুৰি খেদা হ'ল আকৌ ষাঠি চনত সিহঁতৰ ওপৰতে, সিহঁতৰ ঘৰবোৰতে জুই দিয়া হ'ল। পলাই পলাই আহিল। সিহঁতে ভাঙিলে বিজার্ভ। আকৌ মাতাব্বৰ গৈ তাতে মালিক হৈ পৰে। কেতিয়া যে সিহঁত মানুহ হিচাপে মুক্তি পাব? উস্ দুখে লাগে সিহঁতৰ বিলাই-বিপত্তি দেখি দেখি। সিহঁতৰ ধৰ্ম গ'ল ক'ত, বংশ গ'ল ক'ত? দাসত্ব জীৱনকে সিহঁতে সাধি আহিছে?

"ভৰালী! যোৱা ৰাতি আমাৰ বৰুৱাৰ আঠমঙ্গলা, বিয়াৰ কাহিনীবোৰ লৈ বেছি উপভোগ কৰা হ'ল দেই। কথাবোৰ ভাল জমিছিল।

"বৰুৱাৰ জেলৰ কাহিনীটো শুনাইছিল নে নাই?

"সেই কাহিনী নোলাল।

"বাৰু আজি থাকক। চৌধুৰী, আজি বহুদিনৰ মূৰত এসাজ খালো দেই। বেছ তৃপ্তি লাগিল। এনেকৈ কেইসাজ খাবলৈ পালে গা'টো কিছু হ'ল হেঁতেন।

খোৱা শেষ কৰি আহি প্ৰত্যেকে জিৰণী ললে। খোৱাৰ পিছতে বৰুৱাই পুনৰবাৰ তেওঁলোকক নিমন্ত্ৰণ জনাই ঘৰ বুলি যাব ওলাল। চৌধুৰীয়ে মাত লগাই কলে হেৰা বৰুৱা ইমানখন উচ্‌পিচ্‌ লগাইছা কিয়! তুপৰীয়াৰ টোপনি ভগা চাহ কাপ খাও আৰু ইয়াৰ পৰা আমি একেবাৰে ছোৱালী ধৰিব যোৱা হিচাপে আটাই কেজনে ওলাই যাও। তুমি কাষৰ হলে কিন্তু কোন ক'ত যায় ঠিক নাই দেই, তেতিয়া মই কিন্তু জগৰীয়া নহম।

"অ' বৰুৱা! যাব খুজিছা যেতিয়া যাওঁমই, আয়োজনা কৰো কিয়?

"কোনো চিন্তা কৰিব নালাগে বৰুৱা, যদি কোনো বস্তু বজাৰ কৰিবলৈ নোলায় আমি আটাইখনে যাম। কিনো কথা আছে। নিজে বজাৰ কৰিলে ভাল পচন্দৰ বস্তুও পাম। আৰু আমি বজাৰ কৰিম আমাৰ পিক্‌নিক্‌ৰ বাবে কোনোবা এজনক বজাৰলৈ পঠিয়াবা যি নিদেশ কৰা তাকে লৈ আহিব। খোৱা মানুহ গলেহে নিজৰ তৃপ্তিৰ বস্তু বিচাৰি আনিব পাৰে। খোৱাতো জুটি হয়।

তেতিয়া আবেলি চাৰি বাজো বাজো হ'ল। বৰুৱাৰ ঘৰ বুলি আটাই কেজনে ঠিয় দি চৌধাৰিণীৰ পৰা বিদায় লৈ খোজ ললে। কেই খোজমান গৈয়ে ভৰালীয়ে কৈ উঠিল, "দিনটো ইয়াতে জব্দ হলো। ৰাতিৰ সাজৰ বাবে বৰুৱাৰ ঘৰলৈ খোজ ধৰিলো, ঘৰৰ

পিনে কোনো খবৰ বাতৰিয়ে দিয়া নহ'ল। খবৰ'টো দিব পাৰিলে"।

"ভবানী দেখো ঘৰৰ পিনে মনত পেলালে।

"হেৰা নকবা ! আজি দুপৰীয়া বুঢ়ীজনী নিশ্চয় লঘোনে কটালে দেই। আমি দুয়ো বুঢ়ীয়ে বুঢ়াই একেলগে খ ওতো ইজনে সিজনক এৰা এৰি কৰা নহয় বুঢ়ীজনীয়ে চাগে মোলৈ অপেক্ষা কৰিয়ে থাকিল। কিজানি ... .. .. .. .. .. ..।

"হেৰা, তোমাৰো বয়সৰ প্ৰেম।

"যৌৱনটো ডেকা জীৱনৰ কামনা বুলি ললে ভুল হব দেই। ডেকা জীৱনৰ যৌৱন হ'ল এটা প্ৰলঙ্কাৰী বানপানী বা জোৱাৰ-ভাটা। তাত কোনো তৃপ্তি নাই স্বাদ পলোৱাৰ বাবে অন্ধ হৈ পৰা যায়। বয়সৰ লগে লগে, বয়সৰ স্ত'ৰ স্ত'ৰ পৰিয়ালৰ দায়িত্ববোৰ মূৰ পাতি লৈ যেতিয়া আগবঢা হয় তেতিয়াহে তুমি আৰু মই। তোমা'লোকে জানো দেখা নাই, আজি-কালি মাজ বয়সৰে হওক, বুঢ়াই হওক নিজৰ জনীক লগত নললে গা জু'ৰ নপৰে।

"কথাটো কিন্তু ঠিকেই কৈছে দেই। পৰিয়ালৰ সুখ-দুখৰ মা'জৰে জীৱন যাত্ৰাত পত্নীয়ে হ'ল লগৰী। সকলো কথা'ৰ আতি-গুৰি দুয়োজনা'ৰ কান্ধত। ল'ৰা ছোৱালী, নাতি বোৱাৰী সমূহ ফুলনি'ৰ ফুল হে আৰু। সাৰ পানী আমিয়ে যো'গান ধৰি থাকিব লাগিব।

"ইমান দিন কটালো, বা বা নাছিল। মোৰ ওপৰত কথা কওতা, মোক গালি শপনি পাৰা লোক নাছিল। আনকি মোৰ ভুল দোষ আঙুলিয়াই দিবলৈ কাৰো সাহস নাছিল। পিছে এতিয়া নাতিহঁতো ডাঙৰ দীঘল হ'ল, আমাৰ বুঢ়ীজনীয়ে মোক দুষাৰ গালি-শপনি নাপাৰিলে তেওঁৰ যেন দিনটো অশুদ্ধ হৈ পৰে, এনে হেন হৈছে। ৰাতিপুৱাৰ পৰা মুখখনৰ চুতান নাই। আৰু যিমান ৰকমৰ দোষ, ভুল গোটেইবোৰ যেন মোৰ হে হৈছে।

"হেৰা বৰুৱা। তুমি হলা সিংহপুৰুষ। যৌৱনৰ দিনবোৰ থাকিলা সমাজৰ মাজত, মেলে-দৰবাৰে তোমাৰ ঘৰৰ পৰা মানুহ নাতৰে। যৌৱনৰ দিনবোৰ তেনেকৈয়ে গ'ল, আদ বয়সত লাগিলা মেলে-দৰবাৰ, তোমাৰ মানুহে মানুহ। এতিয়াহে তোমাক বুঢ়ীয়ে পাইছে। এইবোৰ বুঢ়ীৰ গালি-শপনী নহয় হে। এইয়া যৌন মাদকতা। এতিয়াহে প্ৰেম কলহ উবুৰিয়াই দিব গৈছে।

"হলেও নোৱাৰি। মানুহ এজন পালেই বুঢ়ীয়ে আৰম্ভ কৰে,— মানুহ জনৰ মূৰৰ ঠিক নোহোৱা হ'ল, যি পাই তাকে বকি থাকে। শৰীৰটো দুৰ্বল, কথা-বতৰা বোৰৰ কোনো জাত-পাত নাই, খোৱা-লোৱাৰ ঠিক নাই আৰু না কত কি।

"তোমাৰ বৃদ্ধাৰ যৌৱন সঙ্কলনৰ এইয়া আবেগৰ টান। প্ৰতি মুহূৰ্ত্তত যেন তুমি হেৰাই যোৱা এই ভাৱে বুঢ়ীক আক্ৰমণ কৰে। তাৰ প্ৰতিক্ৰিয়া তোমাৰ ওপৰত প্ৰতিফলন হয়। বুঢ়ীৰ কামনা তোমাক কেনেকৈ সুস্থ সবল কৰি শক্তিমান জোৱান কৰি তুলিব পাৰে, সেয়ে হল বৃদ্ধাৰ যৌন আবেগ।

"হেৰা জীৱনটো গ'ল দুয়োৰো আতৰি আতৰি ফুৰোঁতে, এবাৰ কথা পাতিলেই কোনোবাই দেখে বুলি লাজতে শেতা পৰি যায়। এতিয়া দেখিছো মোৰ বুঢ়ীজনীৰ সকলো কাজ-কাজ গ'ল, মই যতেই বহো বুঢ়ীও আহি তাতে ওলায়, য'তে যাব বিচাৰো বুঢ়ীজনীও লগ হয়, মুঠতে দিনৰ দিনটো বুঢ়ী মোৰ পৰা আতৰ নহয় হে। যি কোনো কথাতে বুঢ়ীয়েহে আগ-ভাগ লয়, মোৰ কিবা এটা হলে বুঢ়ীজনীৰ হাগাকাৰত অৱস্থা নাইকিয়া হৈ পৰে।

"হেৰা মেধি নহব কিয়? বুঢ়ীজনীৰ নো আছে কোন? তোমাৰ ল'ৰা আছে, বোৱাৰী আছে, সিহঁতে খোৱাৰ সময়ত খাবলৈ দিব, পিন্ধিবলৈ দিব আৰু সিহঁতৰ পৰা কি আশা কৰা? বুঢ়ীজনীৰ তুমি সঙ্গী, তোমাৰো সঙ্গী বুঢ়ীজনী। দুয়োৰো যৌৱন জোৱাৰৰ

ঢৌতে এই সংসাৰ । তুমি অবিহনে বুঢ়ীজনী নিঃসঙ্গ । তোমাৰ কাষত বহি তামোল খুন্দি দি তাৰে ছুয়ো ভগাই খাবা । তোমাৰ কাষত বহি দু আষাৰ কথ কব এয়েতো কথা । ইয়াৰ মাজতে আছে আচল কথাবোৰ লুকায় । অতীতৰ ৰাগ-ৰাগিনীবোৰ উতলি উঠে তাৰ মাজে দিয়ে ।

"হয়তো । বুঢ়ীজনীয়ে যি খিনি খবৰ ৰাখে ল'ৰা বোৱাৰী হঁতৰতো নাই । পিচে বুঢ়ীজনীক বোৱাৰীয়ে কিবা কলে মোৰো কিন্তু মূৰ'টো জিনজিনায় যায় । মনলৈ ভাব হয়, ক'ৰ মানুহ ক'ত আহি থিতাপি ললি । তইঁতৰে বৰ কথা, খবৰদাৰ কৰি দিবলৈ ইচ্ছা হয় ।

"যোৱাকালি কিজানি বুঢ়ীজনী চট্‌ফটাই আছে ?

'থাকিবই কিমান বাৰ কিজানি বাহিৰ ৰুলাই ৰুলাই চাই আছে, তোমাৰ ল'ৰাৰ ওপৰত কিমান য অভিযোগ আনিছে বুঢ়ীজনীয়েহে জানে তুমি থকা বুলিয়ে বুঢ়ীজনীয়ে যি আপদাল পাব লাগে পাইছে আৰু বুঢ়ীজনী থকাৰ বাবে তুমি যিখিনি পাব লাগে পাই আছা ! নহলে কোনে কাৰ কাৰণে চাইছে ?

"দেখিলো নহয় বৃদ্ধ-অৱস্থাত, বুঢ়া-বুঢ়ী এৰা এৰি হোৱাৰ পিচত, বোৱাৰী হঁতৰ বুঢ়াই হওক বুঢ়ীয়ে হওক এক গলগ্ৰহ বুলি ভাবে । ফিৰি চাবলৈ টান পাই, কেতিয়া মৰে সেয়ে একমাত্ৰ চিন্তা ।

"বোৱাৰীহঁতৰ, আমাৰ প্ৰতি খবৰ ৰাখিবলৈ কি গৰজ হে । সিহঁতৰ চিন্তা নিজৰ গিৰিয়েকলৈ আৰু সিহঁতৰ ল'ৰা-ছোৱালীলৈ আমিতো সিহঁতৰ হিচাপত নপৰো । আমি একপ্ৰকাৰ আবৰ্জনা হে ।

"এইখন পৃথিৱীৰ এয়ে চৰিত্ৰ । আমিও আছিলো ডেকা যুৱক । সংসাৰ কৰিলো ল'ৰা-ছোৱালী হ'ল । আকৌ বোৱাৰী অনা হ'ল । নাতি নাতিনীৰ জন্ম হল । আমি বৃদ্ধ হলো বোৱাৰী ঘৰ সোমোৱা দিনৰ পৰা আমাৰ সম্পৰ্ক বিচ্ছেদ হ'ল ।

হ'ল।

"ভালেই হ'ল বৰুৱাৰ ঘৰতে গৈ মচাং পাতি বুঢা-বুঢীয়ে মেল পাতোগৈ। এই সুযোগ আৰু এৰিবৰ নাই।

"এটা দিন কৰক, মই সাজু।

"বাৰু আজি ৰাতিৰ সাঁজতে সিদ্ধান্ত কৰিব লাগিব। পিচলৈ থলে কাম পিচ পৰি যায়।

বৰুৱাৰ ঘৰ পালে। বুঢীজনী তেতিয়া নাই। মেধিৰ ঘৰ'ল গৈছে। বৰুৱানীক মেধিয়ে নিমন্ত্ৰণ জনাই অহাৰ মৰ্মে, ৰূপৰীয়া সোণ-মায়ে মেধিৰ ঘৰত মাকক থৈ গ'ল। মেধিয়নীয়ে বৰুৱানী অহাৰ খবৰ পঠিয়াই বান্ধৱী বৰুৱানীকো নিমন্ত্ৰণ কৰি মাতি আনিলে। আৰু আন আন বান্ধৱী সকলকো নিমন্ত্ৰণ জনায় খবৰ পঠিয়ালে। বৰুৱাই কথাটোৰ ওপৰত গুৰুত্ব দিয়া নাছিল এই বুলিয়ে, গৈছে আহিব বুলি ভাবি। ইতিমধ্যে বৰুৱাই আলহী সকলক সোধ পোচৰ বাবে বোৱাৰীক ভাৰ দি ৰাতিৰ সাজৰ যা যোগাৰ কৰিবলৈ নিৰ্দেশ দি পুতেকক বজাৰ কৰিবলৈ কলে।

সন্ধিয়া নামিল। ঘড়ীৰ কটা ঘূৰি থাকিল। বন্ধা-বঢা হ'ল। বুঢীজনী সমাজখনত লাগিবই, বুঢীজনীতো নাহিল।

বুঢীজনীক অনাৰ বাবে পঠিয়ালে। মেধিয়নীয়ে উত্তৰ কৰি পঠিয়ালে বুঢাহঁত যদি ঘুৰি ফুৰিব পাৰে আমি বুঢী কেইজনীও লগ লাগি খোৱাৰ ব্যৱস্থা লৈছো। বুঢা কেইজনক ইয়ালৈ মতা বুলি কোৱা গৈ। কটকীৰ পৰা খবৰ কৰি জানিব পাৰিলে যে চৌধাৰিণী, বডানী আটাই কেইজনীয়ে আহি ভাত গোট খাইছে। আৰু বন্ধা-বঢাৰ কাম কৰি আছে।

"হেৰা মেধি। এইবোৰ কি ষড়যন্ত্ৰ হে। আমি বাহিৰে বাহিৰে থাকোতে বুঢী কেজনীয়ে কি কৰিলে দেখিলা?

"মেধিয়নীয়ে নিশ্চয় আমাৰ কথাবোৰ সদৰি কৰিছে দেই।

"আমাৰ জনী যদি আছিল, ঘৰখনত থাকিল কোন।

"হেৰা চৌধুৰী তুমি যদি ঘৰ এৰি ঘূৰি ফুৰিব পাৰা বুঢ়ীয়ে কিয় নোৱাৰিব হে।

'ঘূৰাত কথা নাছিল, ঘৰখনৰ দায়িত্ব দি আহিল কাৰ হাতত। এওঁ মেধিয়নী কম মানুহ নহয় দেই। একেবাৰে সাংঘাটিক পলিটি-চিয়ান।

"আমাৰ আমোদ-প্ৰমোদ সকলো মিছাই হ'ল। এতিয়া আমিহে গৈ ঘৰ ৰখিব লাগিল।

"আমাৰ বুঢ়ী আহিল যেতিয়া গোটেইবোৰ কথাইটো সদৰি কৰিব। ৰাতি কেনেকৈ খালো, শুলো, তিৰোতা মানুহৰতো আৰু কথাই নাই।

"হেৰা বৰুৱা নহ'লে আমি আটাই কেজনে মেধিৰ ঘৰলৈ যাওঁ বলা।

এতিয়া ভাত দিবলৈ আৰম্ভ কৰিছে আৰু কত যে'ৱা। খাই লৈ উঠো তাৰ পিছত দেখা যাব। ঘৰৰ মজিয়াত ভাত দিয়া হ'ল। প্ৰত্যেকে আহি বহিল।

"বৰুৱা, আজি যিমানে মুখুৱা, আমাৰ তৃপ্তি নহব দেই।

"তৃপ্তি কেনেকৈ হয়, আমোদ বস্তু এটা য'ত নাথাকে, মুখ বন্দ কৰিলো। ভাত খাব পাৰিনে?

"মই ৰাতিপুৱাৰ পৰাই কৈ আছো, বোলো মই যাওঁ, মোক আহিবলৈ নিদিয়ে। মই আগধৰি আহিলে এই বিসঙ্গতি নহয় নহয়। বুঢ়ীজনীও থাকিলহেঁতেন আৰু হয়তো মেধিয়নীৰ লগত মিতিনীকো আনিব পাৰিলোহেঁতেন।

"বাৰু যি হ'ল হল, তেওঁলোকেও স্বকীয়াভাৱে আমোদ কৰক। বৰুৱাৰ ঘৰতে গৈ আটাইবোৰে লগালগি হম। কেতিয়া দিন কৰে কৰক।

"মাহবো শেষ পৰিল। সাত তাৰিখে ঠিক হ'ল। হবনে বাইজ চাওক। আজি ধাৰ্য্য কৰা দিনে দিন। সেইদিনাই প্ৰত্যেকে যাব লাগিব, কোনেও কাকো ৰখা ৰখিত নাই। হব! হব।

"বৰুৱা শুনিছ তো। আমি সাত তাৰিখে মঙ্গলবাৰে তোমাৰ ঘৰত ওলাম গৈ। সকলো দায়িত্ব তোমাৰ ওপৰত থাকিল। আমাৰ হলে কথাৰ লৰচৰ নাই। মানুহ বাটিবও পাৰে নকলে হলে দেই।

"বৰ ভাল পাইছো। নগলেহে মৰা যেনে হম দেই। নগলে কিন্তু এই মুৱা নহম।

"হেৰা বৰুৱা কথা দিছো, কথা ৰাখিম। পুৰুষৰ জুবান এটা ঠিক জানিবা।

"হেৰা বৰুৱা, তোমাৰ ৰান্ধনী আজি বোৱাৰী নেকি হে? ৰান্ধনী কিন্তু বুঢ়ীৰ দৰে ফুটত উঠা নাই দেই। আৰু দুই চাৰি দিন খানা পাতিলেহে হাত ঠিক হব। খানা পাতিলে খাব জনা মানুহ হে মাতিবা নহলে নহব। ৰান্ধনীৰ ভুল ধৰিব নোৱাৰিলে কোনো লাভ নহব।

"কিয় কালি ৰাতিপুৱাৰ সাঁজ তো আছেই।

"নাই নাই, ৰাতি আজি আৰু থাকিব নোৱাৰি, বুঢ়ী কেই-জনীয়ে আমাৰ গোটেই প্লেন নষ্ট কৰি পেলালে। এতিয়া ঘৰ ৰখাৰ পালত যেতিয়া পৰিলো, সকলো শেষ।

"বাৰু, মযে অহা কালিৰ দিনৰ সাঁজলৈ নিমন্ত্ৰণ জনালো। বুঢ়ী-জনীকো বাহিৰে বাহিৰে লৈ যাওঁ।

"বুঢ়ীৰ আশা এৰক ভৰালী। যিহে সমাজ পালে সহজতে এৰা টান হব দেই।

"বুঢ়ীক নিবলৈ সহজ কথা। এজনক পঠিয়াই দিম মোৰ অসুখ হোৱা বুলি, বুঢ়ী নাযায়!

"তেনেকৈ খবৰ দিলে যদি কন্দা কটা লগাই হুলস্থূল লগাই

তোলে ভেতিয়া।

"সিও হয়। পিচে আজি যাওতে কথাটো কৈ যাম। যে সখিও যাব। আৰু লগত সখীকো মাতি যাম।

"কিয় আন কেজনীক নেমাতে নেকি।

"কেলেই নামাতিম, একেলগে পাম যেতিয়া। বৰুৱা মোক এজোৰা তামোল পাণ দিবাহে। আয়তি সকলৰ আগত দিম। এতিয়া বাইজৰ যোৱা হব নে নহয়।

"দুপৰীয়াৰ সাঁজ মোৰ ঘৰতে হওক। ৰাতিৰ সাঁজৰ বাবে তোমাৰ তালৈ যাম।

"হেৰা মেধি! বুঢ়ীকেজনীয়ে এৰা থোৱা খিনিনো খাবলৈ মাতানে আপত্তি কৰিব নালাগে মোৰ ঘৰতে দিনে ৰাতিয়ে হওঁক।

( পাঁচ )

"হেৰা। সাত তাৰিখে সখি, মিতা, চৌধুৰীহঁত মোৰ তালৈ যাব বিচাৰিছে। আমি কালি মানে যাও বলা। যা যোগাৰযোৰা কৰিব লাগিল নহয়। ইপিনে ইয়াত কেবাদিনো হ'ল।

"মই এতিয়া যাব নোৱাৰো। আহিবৰ নো কেদিন হ'ল আকৌ যে যাবলৈ ওলাল। সোণমাই মোক এইটো মাহ গোটেই থকাৰ কথা কৈছে। জোৱায়ো মোক থাকিবলৈ কৈ আছে। অতদিনৰ মূৰত আহিলো কতো এপাক মাৰিবই পৰা নাই। আকৌ যাবলৈ হলেনে? ইয়াত নো কি দুখটো পাইছে, ঘৰখনলৈ যে আহিয়ে ওলালা।

"হেৰৌ, তেওঁলোকে যেতিয়া উপযাচি দিন কৰিলে মইনো কেনেকৈ নেলাগে বুলি কও। আৰুনো ইয়াত কিমান দিন থাক।

"কিমান দিন থাকিলেঁ। সোণমায়ে সদয দুখে কৰি আছে। তাইৰ লগত ফুৰিব যাব নোৱাৰাৰ কাৰণে। মানুহৰ ঘৰে ঘৰে হে খাই ফুৰিলো। চোৱা চিন্তা যে একোৱে কৰা নাই। যিও সিদিনা পিকেটিঙত গলো জেলে, চেলে য ৰবে নহ'ল। এওঁৰ আকৌ গাটো উঠিল। ইচ্ছা হৈছে তুমি যোৱাগৈ। মই হলে কেদিনমান নথকাকৈ নাযাও। কিয়, তেওঁলোকক কৈ দিনটো পিচুৱাব নোৱাৰা নেকি?

"তই নেযাব, ময়ে যাব লাগিব। কথা এটা দি তাক দুই কৰা টান।

'যোৱাগৈ, যোৱাগৈ তুমিয়ে যোৱাগৈ। কিমান দিনৰ পৰা কৈ কৈ আহিব নোৱাৰো। আকৌ আহি পোৱাৰ লগে লগে হ'লে তেওঁৰ যাবলৈ। কি যে মানুহ।

"হেৰৌ এদিন দুদিনকৈ এতিয়া পোন্ধৰ দিনে হ'ল আৰু তই কালিয়ে অহা বুলিলি নে? বাৰু তই নেযাব ময়ে যাম। তই থকাই ভাল। পিচে তেওঁলোকৰ বুঢীকেইজনীয়ো যাব।

"তেনেহলে মই তেওঁলোকৰ লগতে যাম। তুমি আগতে যোৱা।

"তেনেহলে সখিক তয়ে কবি, মই হলে কব নোৱাৰো।

"তুমি কৰলৈ গলে ভড়া যোৱা নেকি? মুখখন খুলি কলেতো তুমিও যাব পাৰা। লাইন বাচত এইখন থেকেচা খাই মৰাতকৈ। সেই-খিনি বুদ্ধিও মই কিয় কৰাব লাগে নে? মোৰ ওপৰত হে বৰ বৰ কথা।

'মইতো দুদিন আগধৰি যাব লাগিল। নহলে ঘৰত বা কি হৈ আছে।

"ঘৰতনো কি হব। ডাঙৰ বোপা আছেই তাকে আৰু চিন্তা কৰিব লাগে নে।

মঙ্গলবাৰ। আবেলি পৰত ভৱালী, মেধি, চৌধুৰী, বৰুৱা, শইকীয়া, ৰৰা আহি দেবীৰাম বৰুৱাৰ ঘৰত উপস্থিত হ'ল। তেওঁ-লোকৰ লগত তেওঁলোকৰ বুঢ়ী কেজনীকো লৈ আহিল। ভৱালীয়ে লগতে বৰুৱানীকো লৈ আহিল। দেৱী বৰুৱাৰ ঘৰখন গজগজীয়া হৈ পৰিল।

চহৰৰ ঘৰত আবদ্ধ থাকি মুকলি ঠাই পাই প্ৰত্যেকে আনন্দ পালে। আৰু আনন্দ পালে এক বয়সৰ হোৱাৰ বাবে। চোতালতে নলীয়া ঢাৰি পাৰি প্ৰত্যেকে বহি ললে আবেলি পৰত। তাতে আম, জাম, লিচু টিয়হ আদি আহি থাকিল। প্ৰত্যেকে ইটোৰ পিছত সিটোকৈ খায় গপালাপ কৰি থাকিল।

"সখি, তোমোৰ ইয়াত বিনোৱাৰ আশ্ৰম যেন লাগিল।

"সখি, ভাৰতীয় ধনীক শ্ৰেণীৰ' এনে কৰ্ত্তাজনৰ নাম কোৱাতকৈ দেবী বৰুৱাৰ আশ্ৰম বুলি নকয় কিয়। তেতিয়া কথাটো খাপ খাব। ইয়াত মই কৰিছা খাইছো। বিনোৱাৰ দৰে পুঁজিপতি সকলৰ সাহায্য লৈ হৰিৰ নাম গাবলৈ যোৱা নাই, সি মোৰ ধৈৰ্য্যও নহয়।

"সখি মোৰ ভুলে হৈছিল। বিনোৱাৰ নাম লোৱাতো আমাৰ বাবে পাপ। যিহেতু তেওঁ দুখীয়া গৰীব সকলৰ মৰণাস্ত্ৰহে।

"হেৰা ভৱালী, গান্ধীজী থকা হলে এই মানুহ জনৰ কোনো পাত্তা নহ'লহেঁতেন। পিচে গান্ধীও গ'ল, তেনে এজন মানুহ সভাই মুতুলিলে

ভাৰতীয় পুঁজিপতি গোষ্ঠীৰ যেতিয়া নচলা হ'ল সেয়েতো তেওঁৰ জন্ম।

"প্ৰথমে মোৰ মানুহজনৰ প্ৰতি শ্ৰদ্ধা ভক্তি আছিল। যেতিয়াই তেলেঙ্গানাৰ কৃষক সকলৰ ন্যায্য স্বাৰ্থক প্ৰবঞ্চনা কৰিবলৈ তেওঁ ভূ দান যজ্ঞ আৰম্ভ কৰাটো বুজি পালো আৰু আস্থা নাই। ভূ দান যজ্ঞ কৰিনো কৃষক সকলক উদ্ধাৰ কৰিব পাৰেনে।

"এই ব্যৱস্থাৰে বিনোৱাই খেতিয়ক সকলক চেচা পানী ঢালি জমিদাৰ গোষ্ঠীক কিছুদিনৰ বাবে ৰক্ষা কৰিলে।

'মানুহ জন আৰ্. এচ্. এচৰ ভক্তই নে গান্ধী ভক্তই বুজিবই নোৱাৰি।

'তেওঁ আৰ এচ এচো নহয়, গান্ধীবাদীও নহয়। তেওঁ হ'ল ভাৰতৰ পুঁজিবাদী সকলৰ সমম্বয় ৰক্ষী।

"চৰকাৰে এই ভূ-দানৰ নামত যে কিমান টকা খৰছ কৰি আছে? অযথাকৈ এই টকাবোৰ পানীত পেলাই আছে।

"অযথা পানীত পেলোৱা নাইহে। পুঁজিপতি সকলৰ সংকট মুহূৰ্ত্ত আহিলেই তেওঁৰ কাষ চাপে। তাতে যজ্ঞ, প্ৰাৰ্থনা অনশনৰ যোগে ফৈচালা কৰি পেলায়।

"কেৰালা আৰু পশ্চিমবঙ্গৰ কমিউনিষ্ট চৰকাৰ ভঙ্গ কৰিব লাগিল, আইনেৰে নোৱাৰি তেতিয়া কি কৰা যায়। তেতিয়া বিনোৱাই ভাৰতত গো-হত্যা নিষিদ্ধ নকৰা পৰ্য্যন্ত আমৰণ অনশনৰ ব্ৰত ললে। লাগিল হুলস্থুল। জনতাৰ এম পি সকলেও তেওঁৰ বাবে চকুলো টুকিলে, শ্ৰী মতী গান্ধীও গৈ এদিন অনশন কৰি আহিল। জনতাই বিল পাচ কৰি পেলালে যি ৰাজ্যই গো-হত্যা নিষিদ্ধ নকৰিব সেই ৰাজ্যৰ চৰকাৰ ভঙ্গ কৰি দিয়াৰ। পিচে যেনিবা কৌশলটো নেখাটিল. সিহঁতৰ মাজতে কাজিয়া পেচাল লাগি নিজে শেষ হ'ল।

"আকৌ এতিয়া অসমৰ এই আন্দোলনক সমৰ্থন দিছে নহয়। এইটো বোলে ন্যায্য আৰু অহিংস আন্দোলন। বিনোৱাৰ মুখে

শুনাৰ লগে লগে আন্দোলনকাৰী সকলতো এখোপ চৰাই হ'ল। আৰু তেওঁৰ ভক্তৰ কি জাপ চাবা।

"অসমত বিদেশী আছে, আমিও বুজো। বিদেশী সকলক বহিষ্কাৰ কৰাৰ কথা আমিও ভাবো। কমিউনিষ্ট দলেতো বিধান সভাত এই বিদেশী সম্পৰ্কে উনসত্তৰ চনৰ পৰা কৈ আহিছে। বহিষ্কাৰৰ ব্যৱস্থাটো নাই। জনতা দলেতো ভুলতো এবাৰ নাভাবিলে।

"এতিয়া আকৌ জনতা দলৰে কোঁৰ চৰা হৈছে নহয়। বিদেশী বহিষ্কৰণত।

"বাৰু চৌধুৰী। এই বাংলাদেশী বা বিদেশী সকল আহিবৰতো বহু বছৰে হ'ল। ইতিমধ্যে সিহঁতেতো অসমীয়া পৰিয়ালৰ মাজতে বিয়া বাৰু কৰায় লৰা-ছোৱালী অসমীয়া স্কুলতে দি সিহঁতেতো প্ৰায়ে অসমীয়া হৈ গৈছে। বাৰু সিহঁতক বহিষ্কৰণ কৰা হলে সিহঁতে যবে ৰ আমাৰ ছোৱালী বিয়া বাৰু কৰালে লৰা ছোৱালী জন্ম দিলে সেইবোৰ কি হব হে—।

"সেইবোৰ কথা আমি কিয় ভাবিম? আমি আন্দোলন হে কৰিছো। বিযাল্লিশত আমাৰ মন্ত্ৰ আছিল তৰেঙ্গে অৰ মৰেঙ্গে। এই বেলিও সেই একে কথা বিদেশী যেতিয়া যাবই লাগিব।

"বাংলাদেশৰ ৰাষ্ট্ৰপতিয়ে কি কৈছে নেজানা জানো? তেওঁ একেবাৰে খাটাংকৈ কৈ দিছে। আমাৰ দেশৰ পৰা কোনো লোক ভাৰতৰ ভূমিত প্ৰৱেশ কৰা নাই। অনুপ্ৰৱেশকাৰী বুলি খেদি দিলেই আমি কিয় ঠাই দিম।

"এতিযাহে জোলোঙাৰ মেকুৰি বাহিৰ হৈছে হে! ত্ৰিপুৰা ৰাজ্যৰে কিমান মানুহ সোমাল, কেদিন গুলিয়া গুলিয়ে অবিৰাম গতিত চলিল। সীমাত চকি পতা, সীমাত একেবাৰে শিলৰ খুটি পোতা কিমান আলাপ আলোচনা চলিল, এতিয়া সেইবোৰ হ'ল একেবাৰে মিছা। এতিয়া ক'ত থাকা? কি কৰা। "কিয় গৃহ মন্ত্ৰী সিঙে কৈছে

নহয় আমাৰ অসমৰ পৰা বিদেশী নকলাক হৈ গৈ ভাবত কোনো ঠাইত ৰহুৱাব।

“সেইবোৰ কথা ভাবিলেকে আকৌ যি সকল মই আহি আছে তেওঁলোকৰ বাবে কি ব্যৱস্থা হয়? মুক্তি দেশৰ বাসিন্দাকোৰ পৰত্তী আসৰ দৰে হৈছে। বঙালী শ্ৰেষ্ঠ-শ্ৰেণী লোকবিলাক আছিল পূৰ্ববঙ্গৰ। সাহিত্যিক, বুৰঞ্জীবিদ, দাৰ্শনিক, বৈজ্ঞানিক, কবি, শিল্পী, ডাক্তৰ, কবিৰাজ, বিদ্ৰোহী, বিপ্লৱী আটাইবিলি মানুহৰে জন্মভূমি পূৰ্ববঙ্গই। তাৰ পৰা সিচৰিত হৈ হৈ পশ্চিমবঙ্গ, ঠায় ঠায় পৰিল। আমাৰ অসমৰ কথা বাদ দিলো ধৰা, পশ্চিমবঙ্গত-বাংলাদেশৰ যি সকল আত্মীয় স্বজন আছে, তেওঁলোক আহি যদি আশ্ৰয় বিচাৰে মিত্ৰৰ কুটুম্বৰ ঘৰত আশ্ৰয় দিব নে নিদিয়ে? অবলাতো আশ্ৰয়ে নহয় আশ্ৰয় দাতা সকলে কৰ এওঁলোক আমাৰে। গতিকে বাংলাদেশী বুলি কেনেকৈ প্ৰমাণ কৰা। একে আচাৰ নীতি, একে ভাষা একে ধৰ্ম তোমাৰ উপায় ক'ত? চীনৰ দৰে প্ৰাচীৰৰ গড় সজাই পুলিচ পহৰা ৰাখিব নোৱাৰা এইবোৰ মিছা কথা।

“আৰু এটা কথা হ'ল নহয়, সিইঁত আহিয়ে আমাৰ মানুহৰ লগত পাতি ৷লায় বিয়া-বাৰুৰ সম্বন্ধ। এই যে আমাৰ ছোৱালী দিয়া গ'ল, ল'ৰা-ছোৱালী হ'ল এইবোৰ কি হব।

“ৰেজেষ্ট্ৰ হলে যোৰাবাটিও কৰিব জানিব লাগে।

“যোৰাবাটি বাক কৰিলাই উলিয়াই দিয়া জী বেটি আত্মীয় স্বজনবোৰক আকৌ কি কৰা। বামুণ হৈলাহে, যজমানবোৰৰ ভাগ কৰি ললা হৈ। এতিয়াতো সিও নহয়।

ৰন্ধানী আহি কলে ভাত এতিয়া ক'ত খাব? ভাত হ'ল।
আমাৰ ঘৰত ডাইনিং টেবিল নাই, ৰান্ধনী ঘৰতে মাটিৰে চাপ কেইটামান আছে।

“কিয়, যোৱাৰ দিয়া সেই মাদু কাঠি নাই জানো?”

"সেইটো দবাৰ বাবে হে ?

"বৰুৱানী, আমি আৰু ইয়াৰ পৰা উঠাত নাই। ভাত্তো ইয়াতে খাম্‌ই, বাকীও ইয়াতে মুকলি আকাশৰ তলতে শুই থাকিম।

"ভাতৰ চৰু চাৰিবোৰ উলিয়াই আনক। একালে বুঢ়া কেজনৰ আনফালে বুঢ়ী কেইজনী। বোৱাৰী বিলনীয়াৰ হওক।

"বোৱাৰী আকৌ কিয় থাকিব লাগে, পাতত প্ৰত্যেকৰে ভাত অলপ দি যাওক। পিছত লগা হলে থালি-চৰিয়াৰ পৰা লৈ লৈ খাম।

"এটা কথা দেই। আমি যেতিয়া চোতালতে খালো আৰু পাতাতে খালো, আৰু যেতিয়া বৰুৱাৰ আশ্ৰম বুলিয়ে মানি ললো, খোৱা পাতবোৰ নিজে নিজে পেলাব লাগিব দেই। এইটো কিন্তু কৰ্তব্য বুলি ধৰিব লাগিব। তেতিয়াহে আগৰ দিন পালন কৰা হব।

'সেইটো কৰিব নিদিও, আমি নো গৃহস্থ কিয় থাকিলো।

"আজি কিন্তু আঠ মঙ্গলাৰ সাজ খোৱা যেন লাগিব দেই।

ভাত খোৱা আৰম্ভ হ'ল। বুঢ়া কেজনে চোতালতে খাবলৈ ললে।

"চৌধাৰী , এই আমোৰকাখনৰ বাবে গোটেইখন পৃথিৱীতে শান্তি হেৰাল হে।

"ধনৰ গৰমতে সিহঁতৰ এইবোৰ অতপালি।

"লঙ্কালৈ চোৱা, ব্ৰহ্মদেশলৈ চোৱা, পেলেষ্টাইন, বৃটেইনলৈ চোৱা সকলোতে আমাৰ দৰে থকা ভগনীয়াৰৰ হে সমস্যা। আফ্ৰিকাতো হয় হে আৰু।

"এইবোৰ সমস্যা একোৱে নহ'ল হেঁতেন। গোটেইবোৰ সমস্যাকে সৃষ্টি কৰিছে আমেৰিকাই। এই ভগনীয়াৰৰ জীৱত মূলতে আছে বাংলাদেশ আৰু ভাৰতৰ যুদ্ধ। ইপিনে অসম, মেঘালয়, মণিপুৰ, ত্ৰিপুৰা মিজোৰাম, অৰুণাচল বিদেশীলোকক খেদাৰ হৈ চৈৰ আন্দোলন লগাই তুলিছে। সিপিনে বাংলাদেশৰ পৰা মানুহ পঠিওৱাত লাগি আছে।

আন্দোলন কিমানে ঘাটি লৈ আছে—ভাৰতীয়বোৰে ন কৈ আছি আছে। কি যে কাণ্ড ই এটা বিৰাট ৰহস্য।

"আমেৰিকাই ভাৰত ভূমিত ঘাটি পাতিব নোৱাৰিলে সিহঁতৰ গা জুৰ নপৰে। ডিয়াগো-গাৰ্চিয়াত আটম লৈ বহুৰৰ ঘাটি পাতি খোপনি পুতিলে। চাৰিওপিনৰ পৰা পলাই পলাই ক্ষত্ৰে আক ঠাই নোহোৱা হ'ল। এতিয়া সমস্ত শক্তি ভাৰতত প্ৰয়োগ কৰিবলৈ ল'লে। সেইবেলি শ্ৰীমতী গান্ধীৰ হাতত পৰাজয় বৰণ কৰিলে। আকৌ লাগিল নিৰ্বাচনৰ যোগে ক্ষমতা দখলত। জনতা'ক ক্ষমতাত ৰহুৱাই হেৰোৱা শক্তি পুনৰ লৈ পুৰাদমে ঘাটি পুতাত লাগি গ'ল। আকৌ আহিল শ্ৰীমতী গান্ধী। প্ৰথমে আফগানিস্থানলৈ চকু দিছিল, পিচত গান্ধীৰ পৰা সুবিধা নাপালে এতিয়া এইখিনতে লাগিল।

"জনতাৰ শাসন কালৰ এই সাতাইশ মাহৰ ভিতৰত কিন্তু আমেৰিকাই যত যি কৰিব লাগে কৰিলে সেই। ভাৰতত আৰু এচ্ এচৰ লগতে লগ হৈ চৰকাৰী বিষয়াৰ পৰা বেপাৰী মহাজনলৈ এক কৰি জুটি পেলালে। এতিয়া গান্ধীৰ শাসন কেনেকৈ অচল অৱস্থা কৰি তুলিব পাৰে সেয়ে একমাত্ৰ চেষ্টা। আমাৰ এই ছাত্ৰ আন্দোলনৰ পৰাই বহু কথাই গম পোৱা গ'ল। গৱৰ্ণৰৰ পৰা চীফ চেক্ৰেটৰীলৈ প্ৰত্যেকৰে কেনো চি আই এৰ লগত জড়িত।

"আন্দোলন যাতে শাম নাকাটে তাৰ বাবেইতো সময় নতুন নতুন কথাবাৰ।

'চোৱা ছাত্ৰ সকলে কৈছিল বিদেশী ভোটাৰৰ নাম ভোটাৰ লিষ্টৰ পৰা বাদ দিব লাগে। যেতিয়া চৰকাৰে সিদ্ধান্ত লৈ আহিল বোলে এশত্তৰ চনকে ভিত্তি বছৰ ধৰি কাম তেতিয়াই ছাত্ৰ সকল একেবাৰে প্ৰকাশ্যলৈ গ'ল।

"আমাৰ দেশতে যি হয় হওক কথা নাছিল। পিচে আমেৰিকা চীনে এই ক্ষেত্ৰত কি ভাবে প্ৰতিক্ৰিয়া চলাব সেই হে বুজা টান

"বাংলাদেশৰ কমিউনিষ্টবোৰক গোটেইখনকে জৈতত জানি ভৰ'লে ইতিমধ্যে এতিয়া ভাৰতৰ পৰা বাংলাদেশী বহিষ্কাৰ কৰা অজুহাত দেখুৱাই ৰণশিঙা বজোৱাৰ সময় গণি আছে।

"পাকিস্তানে সেয়া ককালৰ কোৰ পাহৰা নাই। এতিয়া আমেৰিকাৰ মিত্ৰ শক্তি হৈ ভাৰতৰ বিৰুদ্ধে লাগিলে হ'ল। ফাৰকা বান্ধৰ চেপু দৈ লাগিব ওলাইছিলে, জনতা চৰকাৰ প্ৰতিষ্ঠা হোৱা কাৰে থামিল। এতিয়া গোটেইবোৰ কথাকে লৈ যুদ্ধৰ ধ্বনি তুলিলেই হ'ল, আমেৰিকাৰো শক্তি আছে।

"এৰা এই আমেৰিকাখনে তৃতীয় মহাযুদ্ধৰ সপোন বহুদিনৰ পৰা দেখিছে। ফলৱতী হলে হ'ব পৰা নাই। আমাৰ জতীয় আন্দোলনে যদি সিহঁতক এই কণ সুবিধা দিয়ে তাৰ বাবে কত চেষ্টা কত ষড়যন্ত্ৰ।

এই বুঢ়া কেজনক ৰাজনীতিৰ মেল পালে একোৱে নেলাগে। তাকে যে কিমান ভকসি থাকিব পাৰে ?

"অ পোমা'লাকে ভয় পায়ে আমাৰ লগত নাখালে, লগ-লাগি থা'লাতো আমিও আপোনালোকৰ লগতে বিয়ুনী মেল পাতিব পাৰিলো হৈ। কত আশা কৰি আছিলো— আমি বুঢ়া-বুঢ়ী আটাইখনে লগ লাগি খায় কৃৰিম পিছে ইয়াতে বোৱাৰীক দেখি নাকবোৰ কোচাই দিলে।

পিচদিনা প্ৰত্যেকে পুখুৰীত নামি সাঁতুৰি গা ধুলে। কোনো'ৰ বৰশী পেলালে। কোনোজনে বকুৱাৰ বাগিছাখন ভন্ন তন্ন কৈ চাই ফুৰিলে।

"হেৰা চৌধুৰী, আমি যদি সাতোজন বুঢ়াই এক লাইন পাতি-কৃৰিবলৈ যাও মানুহে আমাক আঙুলিয়াব হে। তেতিয়া পিছে লাগিব জেঠা।"

"ঐৰা মুখ লগাৰ অয়ো আছেতো।

"ভয় নাই, পানী জাবা, আলানিয়া আহ, লগেই হব।

"বসাহক আগবাটি লৈ থাকো। গাঁওবোবৰ অৱস্থা কি হৈছে, চাও হৈ।

"এইবোৰ মানুহবেতো আমাৰ দেশ। এওঁলোকেইতো আমাৰ স্বাধীনতা আন্দোলনত নানা ভাবে সহায় আগবঢ়াইছিল। এওঁলোকৰতো কোনো পৰিবৰ্ত্তন দেখা নাযায়।

"গাঁৱৰ মানুহৰ পৰিবৰ্ত্তনতো আমাৰ শাসক গোষ্ঠীক কিয় লাগে, ইহঁত যিমানে হীন অৱস্থাৰ হয়, যিমানে ছাল ছিগা অৱস্থাৰ হয় সিমানে চৰকাৰৰ মুখাপেক্ষি হৈ বায় থাকিব। অলপ পইচা দিলে ভোটৰ সময়ত লেঠাটো মৰি যাব।

"এইসকল মানুহতো গণতন্ত্ৰৰ কি মূল্য বুজে?

"কিয় সুবুদ্ধিৰ হে, কিয় দেখি নাছিলা তিৰোতা কেজনীয়ে যে চুলি মেলি লৈ মা তাৰকাৰ মূৰ্ত্তি ধৰি কান্দিয়াত লাগি গৈছে, সিহঁত খোলা-খুলি ভাবে ইজনীয়ে সিজনীক গালা-গালি কৰি বংশ চৌধ পুৰুষ উধাৰিব ধৰিছে দেখা নাপালা জানো।

"এৰা, স্বাধীন দেশৰ ভাষা-সংস্কৃতিৰ সমূল এওঁলোকে যথেষ্ট ভাৱে বৰঙণী যোগাইছে।

"ৰবীন্দ্ৰ ভৱনত টিকেট কাটি এইবোৰ চোৰাতকৈ গাঁৱে গাঁৱে ফুৰিলে হুবহু সংস্কৃতি উপলব্ধি কৰিব পৰা যায়তো।

"এই ভাষা, এই চৰিত্ৰ, এই বাহিনীকে লৈয়েতো আমাৰ উপন্যাস, নাটক গল্প, চিনেমা। এইবোৰ যিয়ে অধ্যয়ন কৰি ঠিক-মতে তুলিব পাৰিছে তেওঁলোকে পুৰস্কাৰো পাইছে। কত সন্মান, কত কিমান মালা পিন্ধিছে॥

"আমাৰ আধুনিক সভ্যতাৰ গতি কোন দিনে চাল লৈছে বুজাই নোযায়।

"এইবোৰনো কি? এই সকলো দল-উপদলৰে কথা। ভাল

উকীল হব লাগিলে আইন জনাৰ ওপৰতে নির্ভৰ নকৰে ভাল ডাক্তৰ হ'বলৈ হলেও বৰ বিশেষৰ প্ৰয়োজন নাই সাহিত্যিক হ'বলৈ হলেও বৰ ভাল শিখক হোৱাৰ কথা নাহে। নিজৰ দলটো কিন্তু শক্তিশালী হলেই হ'ল। দলৰ মানুহ খিনিয়ে যদি ঠিকমতে কেনভাচত নামে 'হ গ'লা এটা ধূমকেতু! আমাৰ দেশখন চলিছে এই দল উপদলৰ কেনভাচতে।

"বিড়লা, গোৱেঙ্কা, ডালমিয়া চাহানিয়াৰ পৃষ্ঠপোষকতাত ভাৰতৰ প্ৰায়বিলি বাতৰিয়ে চলি আছে।

"আমাৰনো নিজা মূলধনৰ পৰা প্ৰকাশিত বাতৰি কেখনহে। আমাৰ ভাৰতৰ বাতৰি, ভাৰতীয় মানুহ হ'ল সম্পাদক ভাৰতীয় সকলো হল সংবাদদাতা, সাংবাদিক। ভিতৰৰ ভিতৰৰ চোৱা যদি এইবোৰৰ কাকত কোনোখন আমেৰিকা বৃটেনৰ পৃষ্ঠপোষকতাত চলি আছে। আচাৰত কথা হল এইবোৰ বাতৰিয়ে আমাক আমাক জাতীয় বোধৰ জ্ঞান দিয়, জাতীয়তাৰ প্ৰচাৰ চলায়।

'তেনে দল দেশখনত থাকিব নে?

"সংস্কৃত সাহিত্যৰ কালা কেইখন সেই কইখনে আমাৰ বৃদ্ধ বয়সতো যৌন জোৱাৰ তোলে।

'এৰা এই তিৰোতা কেইজনীৰ গালা-গালী, চুলিয়া চুলি দেখ শৰৎচন্দ্ৰৰ উপন্যাসবোৰ মনত পাৰ।

'এইবোৰ আমাৰ দেশৰ অমূল্য সম্পদ।

ঠিক ঠিক।

"আমি সেই ছাত্ৰ অৱস্থাৰ পৰা এইবোৰতে ভাহি লা, বহুস্থ বজি লৈ নহ'ল।

"আজিও শ'ৰাবাবাৰ পঢ়াশুনা এৰি দেশৰ পৰা বিদেশী খেদিব লাগিব নিজে নিজে শেষ হ'ল। বজালেও সুবুজ। নজিও অবুজ হয় আমাৰ বয়সত অনুতপ্ত হব আৰু কি হব।

"আমাৰ বয়সলৈ নেজায়। আমি যি কাৰিলো যি খালো এক-ৰকম ছিছাপে দিন কটালোৱে ইহঁতৰতো একোৱে নহব।

"আমাৰ কংগ্ৰেছী নেতা সকলে ইংৰাজী শিক্ষাক গোলামী শিক্ষা বুলি আমাৰ মূৰত সুমুৱাই দি আমাক পানীত হাঁহ, নচৰা

অৱস্থা কৰিলে। আক তেওঁলোকে আৰম্ভ কৰিলে ইংৰাজী ভাষাৰে ল'ৰা-ছোৱালীক শিক্ষা দিবলৈ।

সন্ধিয়া পৰত চোতালত আঠাই কেইজন বহি ললে। বক্সাই বাগিছাৰ পৰা তিয়হ অমিতা, কঠাল আনি আনি সকলোৰে আগত দিলে

"সখি! এইবোৰ খাই খাই ঘৰ গুলালে বোৱাৰীয়ে চিনিব নোৱাৰাহে হ'ব।

'আকনো নাতি বোৱাৰীৰ চিন্তা কৰাত আছানে!

'সেইটো হয়। আমি এইফালে বুলি যেতিয়াই খোজললো, কেইটা বা জাপ মাৰিছু'

'আমাৰবোৰ দেশৰ মানুহে কেতিয়াকৈ বক্তা হব।

"দেশৰ অগণণ মানুহৰ কথা এৰা। শিক্ষিত, উচ্চ পৰ্য্যায়ৰ মানুহ বিলিৰ চৰিত্ৰৰ কথা নাভাবা কিয়?

'আমাৰ শিক্ষিত সকলো হয়তো বুজিবই নোৱাৰা হ'ল? এতিয়া ইন্দিৰা গান্ধীৰ নেতৃত্বত থকাত কৈ বাংলাদেশৰ অধীনত যোৱাটোৱে কামনা কৰে

"আমেৰিকাই বল দি অস্ত্ৰ সস্ত্ৰৰে সহায় দি বাংলাদেশক আগুৱাই দিব। বাংলাদেশে যুদ্ধ কৰিব, চীনে ৰেডিঅ' মাধ্যমেৰে বাংলাদেশক বলদি থাকিব। আমাৰ দেশৰ আৰ্ এচ্ এচ্ বাহিনীয়ে কি কৰে।

"কিনো কৰিব, সেই বুলি শ্ৰীমতী গান্ধীৰ নিৰ্য্যাতন ভুগিব নে।

"আমেৰিকাৰ সহায়তো বাংলাদেশে ইন্দিৰা গান্ধীৰ কবলৰ পৰা মুক্তই কৰিব, তেতিয়াই আমাৰ আৰ্ এচ্ এচ্ দলক শাসন ভাৰ দিলে হৈ গ'ল।

'এৰা, বদন বৰফুকনকো মান সৈন্যই অসমৰ ৰজা পতাৰ কথা আছিলাতো।

'কথা হব অসমৰ ৰজা কোন হব? কোনে অস্তৰীণ কালৰ বাবে শাসন চলাব।

"কিয়, ছাত্ৰ সন্থাই।

"সংগ্ৰাম পৰিষদ ক'ত গ'ল? জাতীয়তাবাদী দল? লোক পৰি-

যাব সহজে [illegible] [illegible] দিব ? সে [illegible] আছে তেওঁলোকে

"এবা [illegible] নেতৃত্বতেই কৃষকসকলৰ সীমা শক্তিৰ প্ৰয়োজন আছিল।

"এখন গঠা নকৰাকৈ থকা নাই, পুৰ [illegible] কোৰ নাই ?

"এনে পৰ্য্যায় [illegible] পাব পাৰে ভাবিছে নে নাই।

"এইলোকে ভাবিব লাগে কিয় ? যদি [illegible] আৰম্ভ থকা অৱস্থাতে জনতা পাৰ্টি গঠন হব পাৰে, জনতা পাৰ্টি নিৰ্বাচনত জয়ী হব পাৰে তেনে এবস্থা নথকাকৈ থকা নাই।

"হেৰা, গাড়ী এটা মনত পৰিছে কওঁ শুনা, [illegible] হিন্দুবাদ বিলখন লৈ পাৰ্লিয়ামেণ্টত [illegible] উত্তপ্ত পৰিবেশ ! বাক যুদ্ধ চলি [illegible] ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে চাপা মাৰি আছিল। [illegible] আওবাবৰ বাবে তেওঁ হাতত চাপৰি দিলে বুজিছা ! [illegible] এম পিয়ে হাত চাপৰি লগাই দিলে। কত আৰু [illegible] গৃহীত।

কণবাপু জিন্দাবাদ, জিন্দাবাদ ॥ শ্বহীদ কণবাপু জিন্দাবাদ জিন্দাবাদ ॥ অমৰ কণবাপু জিন্দাবাদ ॥ অসম মৰিলে আমিও মৰিম ॥ প' ব্ৰেক ফিফটি ওৱান, ফিফটি ওৱান ॥ কণবাপু জিন্দাবাদ, জিন্দাবাদ ॥ শ্বহীদ কণবাপু জিন্দাবাদ।

"হেৰা, প্ৰচেচনাবাৰ এইপিনেও, সেইপিনেও।

"নগৰ, চহৰ, গাঁও ভুই, পৰ্বত-প্ৰান্তৰ সকলোতে বিয়পিছে।

"প্ৰচেচন দেখো আমাৰ ওচৰে পালেহি।

"আমাক লক্ষ্য কৰি আহিল নেকি ?

"এবা হবও পাৰে, বহুদিন আমাৰ সন্মুখত কৰ্তৃক্ষা [illegible] পৰা নাইতো।

গাড়ী থামিল। জয়ধ্বনি অবিৰাম হৈছে [illegible] ছাত্ৰসকলে কণবাপুৰ মৃত দেহ লাহে লাহে ভাঙি লৈ লৈ চোতালত [illegible] থলে। জয়ধ্বনি হৈয়ে থাকিল। [illegible]

[illegible]